অৰ্ঘ্যাৱলী

শ্ৰীবেণুধৰ শৰ্ম্মা

প্ৰকাশক :
অসম জ্যোতি
ৰিহাবাৰী
গুৱাহাটী ৮

দ্বিতীয় তাঙৰণ—১৯৬৭

বেচ - ৪·৫০

ছপাশাল :
শ্ৰীদেৱপ্ৰসাদ মিত্ৰ
এলম্ প্ৰেছ
৬৩, বিডন ষ্ট্ৰীট, কলিকতা।

ARGHYAVALI :

A collection of tributes to and biographical sketches of some eminent Assamese personalities.

AUTHOR :

Benudhar Sharma
Rehabari,
Gauhati 8.

SECOND EDITION : 1967.

PRICE : Rs. 4·50

আমাৰ জনদিয়েক অৰ্চনীয় পুৰুষলৈ কাহানিবাই শ্ৰদ্ধা-ভক্তিৰ অঞ্জলি আগ বঢ়াইছিলোঁ। অ'ত-ত'ত সিঁচৰি কৰি পেলাই থোৱাতকৈ সেইবোৰ একেলগে গোটাই থোৱাই ভাল বুলি "অৰ্ঘ্যাৱলী" নাম দি ছপাই পেলোৱা হল। পঢ়োঁতাই পঢ়ি ভাল পালে ৰং যে পাম ঠিকেই, নেপালেও পাম—যদি সিসকলে পঢ়ি-শুনি দোষবোৰ উজাৰি মোক জানিবলৈ দিয়ে। এই ছেগতে, অৰ্থ সাহায্যৰ বাবে অসম-প্ৰকাশন বৰ্ডলৈও অশেষ ধন্যবাদ। বেটুপাতৰ ছবিটো চিত্ৰশিল্পী শ্ৰীমান পুলক গগৈয়ে আঁকা। তেওঁলৈও হিয়া ভৰা শলাগ যাচিলোঁ।

গুৱাহাটী
৫।১২।৬৪

বিষয় সূচী

			পৃষ্ঠা
১।	শিক্ষাবিদ গোবিন্দ বেজবৰুৱা	...	১
২।	নৱন্যাস যুগৰ সাৰথিসকল	...	১৭
৩।	ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা	...	৩৩
৪।	পোন-প্ৰথম সাহিত্যিক পেঞ্চনাৰ পদ্মনাথ গোহাঞি বৰুৱা		৪২
৫।	সাত্ত্বিক পণ্ডিত হেমচন্দ্ৰ গোস্বামী	...	৫০
৬।	অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্য	...	৬৯
৭।	ঐতিহাসিক কনকলাল বৰুৱাৰ কথা ছুবাৰমান	...	৭৬
৮।	প্ৰত্নতাত্ত্বিক সৰ্ব্বেশ্বৰ কটকী	...	৮২
৯।	গ্ৰন্থৰক্ষক যাদৱচন্দ্ৰ বৰুৱা	...	৮৭
১০।	সাংবাদিক কৃষ্ণকান্ত ভট্টাচাৰ্য্য	...	৯৪
১১।	অভিধান লেখোঁতা জাদুৰাম ডেকা বৰুৱা	...	১০৪
১২।	দেশহিতৈষী ৰায়বাহাদুৰ জগন্নাথ বৰুৱা	...	১০৮
১৩।	স্পষ্টবাদী ফণিধৰ চলিহা	...	১১৭
১৪।	দেশভক্ত তৰুণৰাম ফুকনৰ মহাপ্ৰয়াণত	...	১৩০
১৫।	কৰ্ম্মবীৰৰ স্মৃতি ছেৰা	...	১৩৪
১৬।	স্বাধীনতাৰ ফিৰিঙতি চন্দ্ৰনাথ শৰ্ম্মা	...	১৩৮
১৭।	দেশসেৱক ৰোহিণীকান্ত হাতীবৰুৱা	...	১৪১
১৮।	শিক্ষাবিদ আৰু সাংবাদিক ৺উপেন্দ্ৰনাথ বৰুৱা	...	১৪৮
১৯।	স্বত্যাগী-সৎপুৰুষ জ্ঞানদাভিৰাম বৰুৱা	...	১৫৫
২০।	আত্মমৰ্য্যাদা বুজোঁতা ৺পৃথুৰৰ বৰকাকতী বাইডতীৰা ফুকন		১৬৬
২১।	কৃষক-বন্ধু ৰায়চাহাব ৺নাৰায়ণচন্দ্ৰ বৰুৱা	...	১৭১

চিত্ৰ সূচী

			পৃষ্ঠা
১।	গোবিন্দ বেজবৰুৱা	...	১
২।	নৱন্যাস যুগৰ সাৰথিসকল	...	১৭
৩।	লক্ষ্মীনাথ বেজবৰুৱা আৰু ৺চন্দ্ৰকুমাৰ আগৰৱালা	...	৩৩
৪।	হেমচন্দ্ৰ গোস্বামী আৰু পদ্মনাথ গোহাঞি বৰুৱা	...	৪২
৫।	ৰায়বাহাদুৰ জগন্নাথ বৰুৱা	...	১০৮
৬।	ফণিধৰ চলিহা	...	১১৭
৭।	৺জ্ঞানদাভিৰাম বৰুৱা	..	১৫৫



গোবিন্দ বেজবরুৱা

শিক্ষাবিদ গোবিন্দ বেজবৰুৱা

(১)

শিক্ষাবিদ গোবিন্দচন্দ্ৰ বেজবৰুৱা বা মিষ্টৰ জি বেজবৰুৱাৰ নাম আটায়ে শুনিছে। গোবিন্দ বেজবৰুৱা ছাহাব; যি কালত ঘৰত—আন কি বাহিৰতো, ঠেঙ্গা পিন্ধি থাকিলেই খৃষ্টান বুলি মানুহে ভাবে, মেজত ভাত খালেই অনাচাৰী হয়, গুৰু-গোসাঁইৰ ঘৰলৈ নগ'লেই অহিন্দু হয়, সেই কালতে বেজবৰুৱাৰ গাত ঘৰতে কোট-পেণ্ট, ওলাওঁতে-সোমাওঁতে ফুৰোঁতে-চকোঁতে ইংৰাজৰ ভাওভঙ্গি আৰু মুখত ইংৰাজী মাত-কথা। গতিকে, সাধাৰণ লোকৰপৰা নিজৰ বিশিষ্টতা সুকীয়াকৈ দেখুৱাবলৈ হ'লে, নিজৰ নামটোৰো অলপ-নহয়-অলপ সুকীয়াৰ থাকিব লাগিব। সেইদেখি, ইংৰাজৰ আহিৰেই যে'তিয়া জীৱন যাপন কৰি থকা হ'ল, বেজবৰুৱাইও দীঘলীয়া অসমীয়া নাম গোবিন্দ চন্দ্ৰটো ইংৰাজৰ নিয়মেৰে চুটিকৈ জি বেজবৰুৱা কৰি পেলালে। অসমীয়া নাম শুচাই ইংৰাজী-দৰে উচ্চাৰণ কৰিব পৰা নাম একোটা লোৱাটো তেতিয়া ইংৰাজী শিক্ষিতসকলৰ মাজত এটা চং বা ফেশ্বনেই হৈ'ছিল। তাৰ চিন, বৰুৱাৰ সলনি বেঞ্জামিন (যেনে, R. C. Benjamin), হন্দিকৈৰ সলনি হেণ্ডিক্ (যেনে, R. K. Handique), ফুকনৰ সলনি ফুক্কন (G. G. Phookkan) উপাধি লোৱাত ওলাই পৰিছিল। লগৰ কাষৈ লগেৰেই উজাই গোবিন্দচন্দ্ৰ বেজবৰুৱাইও সেইদৰে নিজৰ নামটো জি বেজবৰোৱা (G. Bezbaroa) কৰি সমসাময়িক সোঁতত বিলাতী সভ্যতাৰ নাওখনি পাৰি দিছিল আৰু সেই নামেৰেই তেওঁসকলোৰে মাজত জনাজাত আছিল।

(২)

তেতিয়া বেজবৰুৱাৰ জীৱন-সন্ধিয়া ভাঠি হৈ আহিছে আৰু মই কৈশোৰ-যৌৱনৰ দুৱাৰ-ডলিত ভৰি দিছোঁ (১৯১৫), ঠিক এনে সময়তে বেজবৰুৱাৰেসৈতে

মোৰ প্ৰথম দেখাদেখি। প্ৰৱেশিকা পৰীক্ষা দি পদূলি-মুখৰ শাৰীত নাম-লগাই এনেয়ে বহি আছোঁ, এনেতে, আমাৰ পূজনীয় শিক্ষাগুৰু শ্ৰীযুত গৌৰীদত্ত মিশ্ৰ বিদ্যাভূষণ এম্, আৰ, এ, এছ দেৱে হবলা বেজবৰুৱা ডাঙৰীয়াক কৈ, অলপ দিনৰ নিমিত্তে শিৱসাগৰ-বেজবৰুৱা হাইস্কুলত সংস্কৃত-পণ্ডিতৰ কাম এটা দিয়ালে। মোৰ কিন্তু, কি দুৰ্ব্বাসনা! নিয়োগ-পত্ৰ পোৱাৰ পিছতে মোৰ মনত খেলালে,—মই নো বেজবৰুৱা-স্কুলত পণ্ডিত-কাম কৰিম নে? মেট্রিকুলেছন পৰীক্ষা দি সংস্কৃত পঢ়াবৰলৈ লোৱাটো কিমান লাজৰ কথা! পৰীক্ষাত "পাছ" হলোঁ যদি ভালেই, নহলেও তেও "মেট্রিকুলেছন" পৰীক্ষাটো দিলো হে। "পাছ" হলে যে কথাই নাই—আক তিনি মাহ মানৰ মূৰতে কলেজৰ ছাত্ৰ হৈ ভদ্ৰলোকৰ শাৰী পূৰামগৈ! এইদৰে, "নৱক্ষিৰৰ কল্লাই ওঁঠৰটা মৃত্তি ধৰা-দি, গেলা-গপত ওফন্দি মইও কিবা-এটা যুক্তি ধৰি, দিলোঁ লেখি, চিঠি এখন বেজ-বৰুৱালৈ; তাকো আকৌ ডাক-পথিলীত! লেখিলোঁ, "Mr. Bezbaroa, Regret could not accept your appointment (বেজবৰুৱা ডাঙৰীয়া, আপোনাৰ কাম লব নোৱাৰোঁ।" তাৰপৰা সকলো নিমাত।

(৩)

পোন্ধৰ দিন মানৰ মূৰত, পূজনীয় শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক উকীলে লিখি পঠালে, "তই সোনকালে আহি বেজবৰুৱা-স্কুলতে সোমাহি।" চিঠি পাই, যাওঁনে-নেযাওঁকৈ গৈ, বৰ ভয়ে-ভয়ে যোৰহাটৰ বেজবৰুৱা-বঙলা পালোঁগৈ। বঙলাৰ চিড়ীত (কাঠৰ পাটৰ খটখটী) উঠোঁতেই বুকুৱে ধান বানিবলৈ ধৰিলে। পাছে,মনটো অলপ ডাঠকৈ বান্ধাগুৱাত থকা বেঞ্চ এখনত বহিলত হে ধপধপনিটো অলপ মাৰ গৈছে। চিড়ীৰ তক্তাত মোৰ "পদব্ৰজৰ" বাজন শুনি ভিতৰৰপৰা ধুনীয়া, লিচপিচীয়া চেমনীয়া ল'ৰা এটি ওলাই আহিল! তেওঁ মোৰ নামটো সুধি ভিতৰলৈ যোৱাৰ এক মিনিট মানৰ পিছতেই, যাৰ কথা ভাবি পেপুৱা লাগি আছিলোঁ, সেই গৰাকী পুৰুষেই ভটং কৰে ওলালহি! দেখিলোঁ—মাজে সময়ে ৰংপুৰত দেখা সেইজন ইওৰপীয় ছাহাব বেজবৰুৱা নহয় দেখোন! কৰি মাইকেল মধুসূদন দত্ত-মাৰ্কাৰ ডাড়ি কেই ডালৰ বাহিৰে তেওঁৰ গাত ছাহাবৰ চিন একোটো নাই। আজি দেখোন চাদা পাৰি চুৰিয়াৰে সুশোভিত নৈষ্ঠিক ব্ৰাহ্মণ এগৰাকী হে। দেখি, মোৰ অজ্ঞাতসাৰে মিচিকিয়া হাঁহি এটি ওলাল।

মোক দেখিয়েই তেওঁ মাত এবাৰ মাতিলে আৰু মাতবাৰ ওপৰৰপৰা পকা আম সৰা-দি ধপৰ কৰে এই দৰে সৰি পৰিল :—

"বোলোঁ, সেয়া বেণুধৰ শৰ্ম্মা নে? তুমিয়েই লেখিছিলা হ'বলা, "মিঃ বেজবৰুৱা, দি গ্ৰেট কুড্ নট একচেপ্ত ইয়ৰ এপইণ্ট্মেণ্ট।" কথাষাৰ শুনি মোৰ মুখ ক'লা পৰি গল। মোৰ আস্পৰ্দ্ধা আৰু অভদ্ৰতাৰ বাবে মনতে বৰ ধিকাৰ লাগিল। কুট এটা বোৱাৰমান সময় বৈ, মোৰ ফালে চাই তেওঁ মৃদুভাৱে ক'লে, "বেৰীয়ে (তেখেতৰ বৰপুতেক দেবেন্দ্ৰনাথ বেজবৰুৱা) তোমাৰ কথা কৈছিল। কাইলৈৰপৰা কাম কৰিবাহি।" হক, তেও ৰক্ষা পৰিলোঁ। কিন্তু, কি আচৰিত, দুখোজমান গৈয়ে তেওঁ আকৌ ভাঁৱৰী-পাক মাৰি সুধিলেহি, "ৰবাচোন, মোক দেখি হাঁহিছিলা কেলেই?" প্ৰশ্নটো শুনি পেটতে হাত-ভৰি লুকাল। ভাবিলোঁ—'ভাল কথা হ'ল, যাৰে-কি-চাৰে হে। চুচুক-চামাককৈ উত্তৰ দিলোঁ :—

"চাৰ, আপোনাক কোনো কাহানিও চুৰিয়া পিন্ধা দেখা নাই। আজি চুৰিয়া পিন্ধা দেখিলত হাঁহি এটি ওলাইছিল হয়, চাৰ।"

বেজবৰুৱা :—(উৰ্দ্ধবাহু হৈ) চুৰিয়া পিন্ধিলেও মই ছাহাব। দেখাদেখিকৈ মুছলমানে কৰা পাওকটী খাওঁ মই, কুকুৰা কণী খাওঁ মই, ব্ৰাণ্ডী-হুইস্কীও খাওঁ মই। মোৰ লুকঢুক নাই। মই সৰ্ব্বভক্ষ হুতাশন। টুপী-ঠেঙ্গাও পিন্ধো মই। মই ছাহাব নহয়, কোন-ছাহাব হে? মোৰ ঘৰলৈ কোনো অসমীয়া মানুহ নাহে। মইও প্ৰায় কাৰো ঘৰলৈ নেযাওঁ। কাইলৈ মোৰ পিতৃশ্ৰাদ্ধ (অপকৰ্ষ)। সেই গুণে, আজি উপবাসে থাকি অপা-গৰকা চুৰিয়া এখন পিন্ধি ধুতি হৈ আছোঁ। বুইছা, ছাহাব হলেও মই অহিন্দু নহয়।"

তাৰ পিছত, কন্তেক মান বৈ, আকৌ শীতলাই ক'লে, "মই চুৰিয়া নিপিন্ধাৰ কাৰণ আৰু-এটা অ'ছে। মোৰ ঘৰলৈ আলহী-দুলহী নাহেই। কেতিয়াবা কমলাবাৰী সত্ৰৰপৰা দুজন-চাৰিজন ভকত আহে। তেখেতসকলে ধুতিকাপোৰ সলাবলৈ সদায় মোক ধুতী খোজেহি। মই কওঁ, "তোমালোকৰ হাতী-থৰেই আছে নে, দৰা-থৰেই আছে নে, চুক-থৰেই আছে কোনে জানে? তোমালোকক এদিনলৈ ধুতী এখন দি চিৰদিনলৈ মোৰ ঘৰত থৰৰ খজুৱতিখন মেলিব নোৱাৰোঁ দেও। কোৰেকাটি গ্ৰহণী নচপাওঁ। মই ছাহাব মানুহ, মোৰ ঘৰত ধুতী-ফুতী নাই। এই বুলি কৈ দিয়াৰপৰা আনিবা চুৰিয়া-খৰচটোৰপৰা ৰক্ষা পাই আছোঁ। মোকোৱা হলে কমলাবাৰীসত্ৰ দেউতাৰ বি হে শ্ৰদ্ধাৰ থলী, তাৰ

ভকতক ধুতী দিয়েই ছুৱিলোঁহেঁতেন। সেই বুলি ভকতসকলক অশ্ৰদ্ধা যে কৰোঁ, তেনেও নহয়। আছিলেই লিখা-অৰিহণা দি শুশ্ৰূষা নকৰাকৈ নেথাকোঁ।”

(৪)

মূৰত “চ’লা হেট” আৰু গাত খোঁ-খোঁ কৰে বগা ছাটিন্ কিন্ কাপোৰৰ কোট-পটলুং পিন্ধি, ভিঙিত টিকটিক্ কৰে বগা “টাই”·ডাল মাৰি, মুখত বোম্বাই চুৰট এটা হুঁপি নাইবা ‘পাইপ’ এটা লগাই, বাইডাংহেন লৌকা এডালেৰে পাটো ভিৰ দি, কেৰেকাকেৰেক খোজেৰে তললৈ চাই, বুঢ়া আঙুল নমা-দি যেই বেজবৰুৱাই বঙলাৰ খটখটীত ভৰি দিয়ে, স্কুলত সোমাই থকা শিক্ষকসকলৰ গাত, সেই খৰখৰ-বৰবৰ লাগে—এটাইবিলাক হুঁচিয়াৰ হয়। বহী-কাগজৰ টোপোলাটো লৈ, পাছে-পাছে চকীদাৰটো আৰু আগে-আগে বেজবৰুৱা আঁহি স্কুল ঘৰটোৰ দুৱাৰ মুখত সোমাল কি, কোলাহল লাগি থকা স্কুল ঘৰটো কাঁহ-পৰি-জীণ গল কি। শিক্ষকসকলেও বেজবৰুৱাই দেখক-নেদেখক, কপালত চেলাম থপৰিয়াবলৈ ধৰে, লৰাবোৰো থিয় হয়। যেতিয়ালৈকে দুৱাৰ-ডলি পাৰ হৈ, মূৰৰ টুপী খুলি বেজবৰুৱাই “চিট ডাউন” (বহাঁইক) বুলি নকয়, তেতিয়ালৈকে শিক্ষক-ছাত্ৰ সকলো থিয় হৈয়ে থাকে। বেজবৰুৱা আহিছে বুলিলে, লৰাৰ যে কঁপনি উঠিবই নে, শিক্ষকসকলো বেডেমূতা গৰুৰ দৰে কঁপি থাকিব।

(৫)

আলি এটিৰ পছিম-পাৰে বেজবৰুৱাৰ বঙলা আৰু পূব-পাৰে স্কুল ঘৰটি। বঙলাৰপৰা স্কুলঘৰৰ ভিতৰতো কোনে-কি-কৰিছে—কি-নাই-কৰা চাই থাকিব পাৰি। ঘৰটোৰ উত্তৰ-মূৰে বেজবৰুৱাৰ অফিছ-খোঁটালি। খোঁটালিটোৰ দক্ষিণে ঘৰটোৰ মাজথন মুকলি। সেইটোৱেই “হল্”। হল্‌টোৰ দুয়ো দাঁতিয়ে আৰু দক্ষিণমূৰলৈ জঁপাৰ-মেলিৰ পৰা কাপোৰৰ বেৰ দিয়া একোটা কোঠা। কোঠাবোৰত শুকীয়া-শুকীয়া ক্লাছ বহে। কোনটো কোঠাত কোন মাষ্টৰে কি কৰিছে, লৰায়েই বা কি কৰিছে, বেজবৰুৱাই অফিছৰ খিৰীকিয়েদি জুমি-জুমি চাই থাকে। অফিছৰ বিপৰীতে “হল্’টোৰো মূৰত, এদিন লৰা পঢ়ুৱাই আছোঁ। লৰা বুলিলেই উইচিৰিঙাৰ দৰে পাতল মনৰ; তাতে সেই দিনৰ

বেজবৰুৱা-স্কুলৰ লৰা উদণ্ড, কালৈকো "পৰোৱায়" নকৰে। একেবাৰে পাছৰ বেঞ্চত থকা লৰাবোৰৰ ভিতৰত লাগিল চুপতাচুপতি এখন; উঠিল উকমিৰ খোল। হাই শুনি হাতত সৌকাডাল লৈ বেজবৰুৱা আহিল চোঁচা মাৰি আৰু বাঘে ধৰাদি ধৰিলেহি মোক,

"আই চে, বেণুধৰ, হোৱাটচ্ দেট্‌ হৰিবোল নইজ ফৰ?"
(বেণুধৰ, ইমান গণ্ডগোল কিহৰ?)

মোৰ হাতত বাঁহৰ চেকনী এডাল আছিল। চেকনী ডালক চেকনী বুবুলি চিৰিপনি এছাৰি বুলি কলেই ভাল। তেওঁ যিমান খঙেৰে কথাষাৰ সুধিছিল, মইও সিমান খঙেৰে চেকনীডাল মেজত কোবাই কোবাই কৈ দিলোঁ,

"দেয়াৰ ইজ ন' নইজ ইন্ মাই ক্লাছ শ্যাৰ" (মোৰ শ্ৰেণীত একো গণ্ডগোল হোৱা নাই, চাৰ)।

বেজবৰুৱা:—"ইউ আৰ নট্ ৰেস্পেকটফুল টু মি" (তুমি মোক অপমান কৰিছা)। তুমি মাষ্টৰৰ লায়ক নোহোৱা। এতিয়াই কাম ইস্তফা দি গুচি যোৱা।

মোক ধমক্ দিয়েই তেওঁ ভোঁ-ভোঁ কৰে "হলৰ" মাজত বহি থকা শ্ৰেণীটোত সোমালগৈ। তাতে তেওঁৰ পৰম বিশ্বস্ত আৰু অনুগত বিনন্দি মাষ্টৰে লৰা পঢ়ুৱাই আছিল। বেজবৰুৱাৰ হুকুম—কোনো মাষ্টৰে ক্লাছলৈ যাওঁতে, জেপত কটা-ছিটা কাগজ এডুখৰিও নিব নোৱাৰে। মই কিন্তু জেপত সদায়ে একোখিলা শুদা কাগজ লৈ যাওঁ। কাম ইস্তফা দিবলৈ কলত, সেই কাগজৰে এছিটাত ইস্তফা দৰখাস্ত লেখি বিনন্দি মাষ্টৰৰ সাক্ষাতে বেজবৰুৱাৰ হাতত থি দিলোঁগৈ। তৎক্ষণাৎ বেজবৰুৱাই বিনন্দি মাষ্টৰলৈ চাই ভেঙুচালিকৈ, কলে, "এজ ইফ্ হি ইজ্ এ গ্ৰেজুয়েট! হি ৱাণ্ট্‌চ টু বিজাইন্ হিজ পষ্ট" (ইঃ এওঁ জানিবা গ্ৰেজুয়েট হে, যাওঁ বুলিলেই যাব পাৰে?)" তাৰ পিছত, মোৰ কাণে চকু পোন্দাই সুধিলে, "কাগজ ক'ত পালা? ল'ৰাইতৰ কোনোটোৱে তামোল বেচি পইচা আনিছে, কোনোটোৱে নামঘৰৰ থাপনাৰপৰা আগ-কৰি-থোৱা পইচাকে আনিছে, কোনোটোৱে আকৌ বাপেকৰ চুঙাৰ কোঁপত মনে-মনে হাত ভৰায়েই আনিছে। তাৰে কাগজ কিনি ছুটাবান এ বি চি ডি শিকিব বুলি। তোমাৰ দৰখাস্ত লেখিবলৈ মোৰ লৰাই কাগজ কিনা নাই। খাৰ্দা, খাৰ্দা, তুমি ভাল মোৰ ল'ৰাইতৰ মুখ খাৰ্দা?"

মই কলোঁ, "মোৰ কেপত সদায় কাগজ এখন থিলা থাকেই।" মোৰ কথাকিটাকে আকৌ তেওঁ সিঞ্চাৰি সিঞ্চাৰি কৈ ইয়াকো পত্ৰখন গ্ৰহণ নকৰো বুলি মাটিত পেলাই দিলে।

মইও গোঁ গোঁ কৰে 'হল'ৰপৰা ওলাই আহিলোঁ। আহি, পানীপোতা চেৰাই চৌতালত ভৰি দিছোঁ, এনেতে বেজবৰুৱাই দেখোন পাছ ফালৰপৰা মাত লগাইছে, "হিয়েৰ মি বেণুধৰ, ইউ উইল লুজ ইয়ৰ টুডেইজ পে, (কেৰা', বেণুধৰ, শুনাচোন শুনা, তুমি গুচি গলে আজিৰ দৰমহা আৰু নোপোৱা।" মই পিচে আওকণীয়া ভাও ধৰি যি ওলাই আহিলোঁ, আহিলোঁৱেই। আহি, তেতিয়াৰ যোৰহাটৰ একেখন প্ৰথম অসমীয়া চাহ-জলপানৰ দোকানত (নিত্যানন্দ শৰ্মা ঠাকুৰৰ) সোমাই থাকিলোঁহি। বিনন্দি মাষ্টৰে মোক বেজবৰুৱাই মাতিছে বুলি তাৰপৰা লৈ আহিলহি। বেজবৰুৱা তেতিয়া অফিছত—'পাইপ' হুঁপি-হুপি প্ৰশান্ত মনেৰে কিবাকিবি ভাবি আছে। মই গলত, তেওঁ মোক ওচৰতে বহুৱাই লৈ বুজনি দিছে :—

"বেণু বোপা, বুঢ়াৰ কথাত নেলাগিবা। "ডিচিপ্লিন" (নিয়মৰ বান্ধনী বা নিয়মানুবৰ্ত্তিতা) বোলা কথাষাৰ বৰ ডাঙৰ কথা। যি জাতিৰ 'ডিচিপ্লিন, নাই, সেই জাতি কেতিয়াও উধাৰ নোৱাৰে। অতবোৰ ছাত্ৰক ডিচিপ্লিন শিকোৱাৰ ভাৰ তোমালোকৰ ওপৰতেই। মই তোমাৰ ওপৰৱালা। মোৰ হুকুমকে যদি তুমি নামানা, ল'ৰাই আৰু তোমাক কি মানিব, ডিচিপ্লিনৰে বা শিক্ষা দিবা কি? যি হ'ল হ'ল বাৰু, কাইলৈ স্কুললৈ আহিবা।"

(৬)

নকলেও হব যে, তেওঁৰ আদেশ মতেই পিছ দিনা স্কুললৈ গলোঁ। আকৌ পৰ্ব্ব এটি আৰম্ভ হল। বেজবৰুৱা-স্কুলত ঘণ্টা-মৰা কাঁহ নাছিল, গৰুৰ ডিঙিত দিয়া টিলিঙা এটাকে টিলিলিংকৈ বজায়েই কাঁহত মৰা ঘণ্টা-কোবৰ কাম কৰা হৈছিল। তাৰ মাতটো শুনিলেই শিক্ষকসকলে এটা 'পিৰিয়দ' (পঢ়ুৱাৰ লগীয়া নিৰ্দ্ধাৰিত সময়) অন্ত হল বুলি জানিব লাগে। পানীখোৱা ছুটীত বন্ধু "আভিধানিক জাহ্নৱাম ডেকাবৰুৱাৰ আজোনাতি ৺কুলকমল বৰুৱাৰ ঘৰলৈ যোৱা মোৰ অভ্যাস আছিল। বৰুৱাৰ ঘৰলৈ মাছৰ হাট পাৰ হৈ যাব লাগে। বৰুৱাৰ ঘৰৰপৰা ঘূৰি আহোঁতে কেতিয়াবা-কেতিয়াবা এক মিনিটমান পলম হয়। আদবাটৰপৰা লৰালৰি কৰিবলৈও

টিলিঙাৰ মাততো স্কুলৰ চাৰিবেৰৰ ভিতৰতে থাকে—বাহিৰলৈ ওলাই নেযায়। টিলিঙা-বাজনৰ অন্তত মোক নেদেখিলেই, সেই পিৰিয়ডত মোৰ যিটো শ্ৰেণীত পঢ়ুৱাৰ পাল থাকে, তাতে আগেয়েই গৈ, বেজবৰুৱা-হেড্‌মাষ্টৰ খৰখৰকৈ বহি থাকেগৈ। এদিন মই অহা দুই মিনিটমান পলম হল। খৰখৰকৈ শ্ৰেণীত সোমাবলৈ গৈ, চাওঁ দেখোন, স্বয়ং বেজবৰুৱা মোৰ চকীখনতে বহি আছে। মোক দেখিয়েই তেওঁ মোৰ ফালে চেঁকুৰাকৈ চাই মাত লগালে, "হু ইজ দেয়াৰ? নক এট্‌ দি দ'ৰ এণ্ড চে "মে আই কাম ইন্ ছাৰ" (কোন সোমা? দুৱাৰত টুকুৰিয়াই সোধাঁ, 'ভিতৰলৈ সোমাব পাৰিম নে?" সেই দৰে মই সুধিলত তেওঁ হুকুম দিলে, "ইয়েছ, কাম ইন্ বাক, সোমাই আহা)."

তাৰ পিছত, চিনি নোপোৱা যেন ভাও ধৰি মোক কথাৰে খেঁতালি পেলালে,—

"অ', তুমি! তুমি বেণুধৰ! তোমাক মাষ্টৰ ৰাখিছো লৰা পঢ়ুৱাবলৈ, ফিৰফিৰীয়া চুৰিয়া পিন্ধি মাছৰ হাটত গা-মেলাবলৈ নহয়! বুইছা বেণুধৰ।"

সেইদিনাও, স্কুল ছুটী হোৱাৰ পাছত, মোক অকলে-অকলে বহুৱাই লৈ তেওঁ কৈছে, "আমাৰ মানুহে সময়ৰ মোল নুবুজে। ইংৰাজে এক চেকেণ্ড সময় এনেই যাবলৈ নিদিয়ে। তোমালোক উঠি অহা ল'ৰা, সময়ৰ মোল এতিয়াই নুবুজিলে কেতিয়াকৈ বুজিবা? এক মিনিটৰ হেৰফেৰতে ইওৰপীয় বুৰঞ্জীৰ অধ্যায় একোটা নতুন হৈ গৈছিল।"

(৭)

ভায়েক লক্ষ্মীনাথ অসমীয়া সাহিত্যৰ দিগ্‌গজ ওজা আছিল যদিও, ককায়েক গোবিন্দ বেজবৰুৱা সাহিত্য-ৰচনাৰ দীকচো বাটৰ অন্তৰত আছিল। তথাপি একে ঐতিহ্যৰ ঘৰখনতে ডাঙৰ দীঘল হোৱা বাবেই, ককায়েকজন সাহিত্যিক নহয় যদিও ভাষাৰ মৰ্ম্মগ্ৰাহী আছিল। অসমীয়া ৰচনাত ক'ৰবাত খুঁত এটা পালেই বা কথা-কোৱাতো কাৰোবাৰ মুখত তেনে এটি শুনিলেই গোবিন্দই লক্ষ্মীনাথ-পঞ্জিকাকে চাইছিল আৰু আনকো চাবলৈ কৈছিল। বৰপুতেক দেবেন্দ্ৰ-নাথে ভদ্ৰতা ৰক্ষা কৰি মোক "আপুনি" বুলি সম্বোধন কৰিছিল। এদিন ডেকা বেজবৰুৱাই কথা প্ৰসঙ্গতে মোলৈ আঙুলীয়াই দেউতাকৰ আগতে মোক "এওঁ" বুলি কলে। তাতে উঁহা ধৰি বুঢ়া গৰাকীয়ে কপালৰ সিৰ কোঁচাই ডেকাজনক

সুধিলে, "হেৰা, বেবি, "তুমি অসমীয়া ভাষাৰ বুৰঞ্জী" লেখিছা নহয় ? "আপুনি"ৰ, "চায়ৰ্টৈনটিব প্ৰণাউন" (তৃতীয় পুৰুষৰ সৰ্ব্বনাম পদ) "এওঁ" ক'ত পালা হে। তুমি বেণুক, 'আপুনি' বুলি মাতা নহয় ; আপুনি বুলিলে তৃতীয় পুৰুষত "এখেত" বুলি হে কব লাগে। 'তুমিৰ' 'এওঁ', তইৰ' "ই", যেনেকৈ চয়ৰ্টৈনটিব প্ৰণাউন, "এখেতো" তেনেকৈ "আপুনিৰ" প্ৰণাউন। তুমি আকৌ এখেতৰ ঠাইত "এওঁ" কৰপৰা উলিয়ালা ? আনৰ জাত মাৰিলেও, ভাষাৰ জাতটো নেমাৰিবাচোন।"

ডেকা :—সক বা সমনীয়া হলে "এওঁ" বুলি কব পাৰি।

বুঢ়া :—থোৱা, থোৱা। তুমি কলেই মই নেমানো। বাক আমাৰ লক্ষ্মীনাথে কি কয় ?

(৮)

একালত, বেজবৰুৱা স্কুলৰ ল'ৰা অতি অবাইটং আছিল—নোজোকালেও সিহঁতে আটাইকে জোকাই ফুৰে। জোকোৱা-বোৰবো কোনো শুদাই নেপাৰে, সাত শিয়ালৰ বাগি-দি ফুৰাতো বৰ টেঙৰ। পঢ়া-শুনাৰ পোনেও একে শ্ৰেণীতে তিনি বছৰ থাকে। মাষ্টৰ সকলো প্ৰায়ে "বাটত পালোঁ কমাৰ, দা-গঢ়ি দিয়া আমাৰ" বিধৰ। দুই-এজন বেজবৰুৱাৰ বিশ্বস্ত, দায়িত্ব বুজোতা শিক্ষকৰ বাহিৰে সৰহ ভাগেই থন্দুৱামৰা—বিশ্ববিদ্যালয়ৰ পৰীক্ষা দি কলাফলৈ বাট চাই থকা। সেই বুলি, দেৰগাওঁ গোলাঘাট, শিৱসাগৰ, চাৰিগাওঁ স্কুল কেইখনত প্ৰতিষ্ঠা কৰা দিনবেপৰা জনচাৰেক ত্যাগী, উচ্চমনা, আজীৱন শিক্ষাব্ৰতী অসমীয়া-বঙালী শিক্ষক থকাদবে যোৰহাটৰ খনতো যে নাছিল, এনে নহয় ; আছিল। কিন্তু, সৰহ ভাগ শিক্ষকেই অস্থায়ী হোৱা বাবে ল'ৰাৰ ল'ৰালি স্বভাৱ প্ৰকাশ হ'বলৈ সুবিধা পাইছিল। সৰহ ভাগ দুষ্ট লৰাৰ মাজৰপৰাই একো-একোজন সাধু ছাত্ৰও ওলাই আহি স্বদেশৰ মুখ উজ্জল কৰিছিল। তথাপি, গৱৰ্ণমেণ্ট স্কুলৰ কিছুমান দুৰ্জ্জন ছাত্ৰই "প্ৰাইভেট স্কুল" বুলি বেজবৰুৱা স্কুলৰ শিক্ষক-ছাত্ৰক প্ৰায়েই ইতিকিং কৰিছিল আৰু বাটে-পথে বেজবৰুৱা স্কুলৰ ছাত্ৰ বা শিক্ষকক লগ পালেই এই বুলি পেংলাই কৰিছিল :—

"বেজবৰুৱা কলেজ
হেজ্ ন' নলেজ"
বইজ আৰ মঙ্কী
মাষ্টাৰ্চ আৰ ডঙ্কী"

এনে তাৰে "তিৰস্কৃত" ছাত্ৰ আৰু শিক্ষক প্ৰকৃত মানুহ কৰিবলৈকে বেজবৰুৱাৰ নিতৌ যোৰমূৰ্ত্তি পৰিধাৰণ আৰু স্কুলত সদাই "কৰধৃত কম্পিত বা ঘূৰ্ণিত বেত্ৰদণ্ডেৰে সুশোভিতং।" ওপৰত দিয়া বচনবাৰ ৰাতি বেজবৰুৱাৰ ছাত্ৰক কোনোবাই জোকালে আৰু বেজবৰুৱাই সেই কথা শুনিলে (আগত কৰৰ কাৰো সাধ্য নাই), হাতৰ ঠাৰি মেলি গৌৰবত আপ্লুত হৈ ক্লান্ত কৰিছি—

"মই বান্দৰক মানুহ কৰোঁ। গাধক মানুহ কৰোঁ। গৱৰ্ণমেণ্ট স্কুলত ডিগ্ৰেদ্ হৈ একোটা লৰাই মিশ্যন স্কুলত নাম লগায়হঁগে, মিশ্যনত প্ৰয়োজন নেপালে উপেন বৰুৱাৰ স্কুললৈ ট্ৰেনচ্ফাৰ লয়। ঠেলি-হেঁচি প্ৰমোছন দিলেও তাতো আকৌ প্ৰমোছন নেপাই মোৰ ইয়ালৈ আহিব। মই তাক বেঁতেৰে কোবাই, মৰিয়াই মানুহ কৰোঁ। নেৰেতালে ল'ৰা ঠিক নহয়। চেকনীৰ আগত হে বিদ্যা। মই গাধক মানুহ নকৰো কি? চা-ইকচোন—মোৰ অমুক ছাত্ৰ উকীল হৈছে। অমুকটো মুন্সুপ হৈছে, তমুকটো উকীল হৈছে। মোৰ ছাত্ৰ-শিক্ষকে নাট-গ্ৰন্থ লেখিছে। মই ছাহাব। ছাহাবৰ দৰেই ছাত্ৰক শাসন কৰিম। ছাহাবৰ দৰেই ছাত্ৰক ডাঙৰ মনৰ কৰিম—কাৰো ওচৰত লেউসেউ হবলৈ নিদিওঁ। ছাহাবৰ দৰেই বান্দৰ কিলাই আচল মানুহ কৰিম। সেইবোৰ চেলবেলিয়াৰ ঠাঁহিয়ে মোৰ কি মাখিছাল ছিঙিব? "ছাগলীয়ে লেখায় কি, পগলাই নৰকে কি?"

(৯)

বেজবৰুৱা স্কুলত সাধাৰণতে শিক্ষকৰ দৰ্মহা কম। সেই গুণে, বিশ্ববিদ্যালয়ৰ ডিগ্ৰীধাৰীয়ে তাত শিক্ষকতা কৰিবলৈ নেযায়। তাতে আকৌ, সেই দিনত অসমীয়া গ্ৰেজুৱেট বৰ কম। যদিবা এজন ওলায়, তেওঁকো ছুৰ্কাৰে লৈ যায়। গতিকে, বেজবৰুৱা স্কুললৈ প্ৰায়েই কলিকতাৰপৰা গ্ৰেজুৱেট আমদানী কৰিব লগীয়া হয়। যোৰহাটৰ স্কুলত এনেকৈ তাটীৰপৰা অনা শিক্ষক জনদিয়েক আছিল। তাৰে এজনে এদিন বেজবৰুৱাৰ নিজা সৌকাতাল (বিড়াল অইন মাষ্টৰে চুবলৈ মানাহি দিয়া আছে) তেওঁৰ (বেজবৰুৱাৰ) অকিছৰ বেজৰপৰা বেজবৰুৱাক নোকোৱাকৈ লৈ আহি ল'ৰা এটাক উধাবুৱাকৈ কোবালে। ল'ৰাটোৱে কোৰ খাই উচুপি-উচুপি কান্দি বেজবৰুৱাক জাননী দিলেগৈ, "চাৰ,

নতুন "চাৰে' মোক পাৰেমানে কোবালে। আপোনাৰ, আপোনাৰ বৈত ভালেৰেই কোবালে, চাৰ।"

"মোৰ মেজৰপৰা বৈত লৈ যাব, ইমান সাহ! তোৰ নতুন চাৰক খুব দেখুৱাম গৈ। মই গৈছোঁ বাৰু। তই ব'ল।" এই বুলি কৈয়েই, বেজবৰুৱাই সেই বিনা-অনুমতিৰে হেড্‌মাষ্টৰৰ বৈত স্পৰ্শকৰা শিক্ষকজনক, স্বয়ং হেড্‌মাষ্টৰ বেজবৰুৱাই তিৰস্কাৰেৰে যাৰি পেলালে। অৱশেষত, সহিব নোৱাৰি শিক্ষ জনে খঙেৰে মনৰ ভাব প্ৰকাশ কৰিলে, "থক্ থক, আপোনাৰ নিচিনা জল্লী আচামী (অসমীয়া) হেড্‌মাষ্টৰ বহুত দেখিছোঁ।" শিক্ষকজনে কথাষাৰ কৈ শেষ কৰোঁতে-নৌ কৰোঁতেই বেজবৰুৱাই ল'ৰাইতলৈ চাই দপদপাই উঠিল, "চা-ইকচোন, আঁতশুকোৱা এটাৰ ইমান সাহ!" বেজবৰুৱাৰ মুখৰপৰা কথাষাৰ ওলাবলৈ হে পালে বৰলৰ দৰে লৰাবোৰ লাগিয়েই গ'ল— * * *

এক শিক্ষক-মাহুৰ মাৰ দেখি ইবিলাক তিল-শিক্ষক বৈত মেলি ৰ'ল। দহোটা স্কুল-বগৰা, দুষ্টৰ শিৰোমণি, সাতঘাটৰ চেঙেলী বুলি সঁচাই-মিছাই লোকে ৰটিলেও, সেই ছাত্ৰয়েই কিন্তু বেজবৰুৱাৰ চৰণত পৰি শিকিছিল —গুৰুভক্তি আৰু জাতীয় সন্মান।

(১০)

সপ্তাহী পৰীক্ষাত নকল কৰোঁতে হৃবিবৰ ৰহমান নামে ল'ৰা এটা এদিন হাতে-লোটে ধৰা পৰে। তাক ধৰি আনি চিৎ খুৱাই পেলাই লৈ বেজবৰুৱাই লেখি-লেখি গোকাবৈত ভালেৰে দহোটা কোৰ মাৰিলে। হবিবৰৰ চুৰিয়া ফিচিকি গল, গাত সেৰা বাহ্নিলে, সেৰাটোৱে পতি তেজো বিৰিঙিবলৈ ধৰিলে। সি ইমান "নাছোৰবাণ্ডা" যে সিমানতো সৈ কঢ়া নাই। আকৌ তাৰ হাত দুখন বান্ধি, টিকাত ৰেত্তিয়া ছাটচেৰেক দিবলৈ ধৰিলে তেতিয়া হে "আজিপৰা নকল নকৰোঁ" বুলি সৈ লৈছে। এনেকুৱা উগ্ৰশাস্তি দিয়া শুনিও লৰাটোৰ অভিভাৱকে কাহু এটাকে নেমাৰিলে। কি, বেজবৰুৱাৰ কঠোৰ শাসনে তাক 'চিধা' কৰিলে। হৃবিবৰৰ দৰেই বেজবৰুৱাৰ মাৰ খোৱা ছাত্ৰ বহুত আছিল। তথাপি, সিহঁতে প্ৰতিবাদৰ টুং শব্দ এটাও কৰা নাছিল; বৰং, গোৰৎসৰ দৰেই বেজবৰুৱাৰ পাছে-পাছে লৰিছিল।

(১১)

মোৰ কথামতেই, মই পঢ়ুউৱা ছাত্ৰ কেইটামানে নিতৌ মোলৈ তুলাপাত এখনেৰে মেৰিয়াই দুখনমান-দুখনমান খুৰিয়া-তামোল-ভোগতামোল লৈ আহে। ক্লাছত, সুৰুঙা পালেই মুখত একোখন সুমাই লৈ চোবাই থাকোঁ। বেজবৰুৱাই আকৌ কেতিয়াবা-কেতিয়াবা পাইপটো হুঁপি-হুঁপি, বাহিৰ-ফালৰপৰা যাওঁতে পঢ়ুৱাইছেনে, ৰহি আছে আলেঙে-আলেঙে চাই ফুৰে। এদিন মোৰ ক্লাছৰ পোনে থকা খিৰিকীৰ দাতিতে তেওঁ ঘপ্ কৰে ওলালহি। ওলায়েই, "মেন, বেগুধৰ, ইউ আৰ চ্চুয়িং বিটোল-নট্" (তুমি দেখোন তামোল খাই আছা, বেগুধৰ) বুলি মাত লগাই দিলে। মই উচাপ খাই উঠিলোঁ "ইয়েচ, ছাৰ, এজ্ আই ডু নট্ স্ম'ক্, আই কেন্নট বট্ চ্চ্যু বিটোল্ নট্" (হয় চাৰ, চুৰুত-তুৰুত্ নেখাওঁ দেখি, তামোল নেখাই নোৱাৰোঁ)। মোৰ টপৰাইদিয়া "জবাব" শুনি, মোৰ কথাকিটাকে অকাই-পকাই তেওঁ খেনি কৰিলে, "আই কেন্নট বট্ চ্চ বিটোল নট্!" তাৰ পিছত, অলপ বেলি ৰৈ, মোৰ বুকুৰে সৰকি যোৱাকৈ বিশ্লেষৰ কাঁড় এডাল মাৰি পঠিয়ালে, "অ'উ, ইউ, ইউ আৰ এ' গ্ৰেট মেন", "তুমি বৰ মানুহ। সৌ আলিবাটে-আলিবাটে তুমি ঘোৰাবাগী চলাই ফুৰিবা, মই বুঢ়া ইয়াতে পৰি থাকিম।" এই পাট কাঁড়েই মোক, সেইদিনাৰপৰা বেজবৰুৱাৰ আগত লেতুসেতু হবলৈ শিকালে। ধাৰেৰে নেকাটি গাদিৰে মাৰি মানুহৰ স্বভাৱ চৰিত্ৰ সংশোধন কৰাত গোবিন্দ বেজবৰুৱা হে নেলাগে, বেজবৰুৱা-ঘৰেই সিদ্ধহস্ত।

(১২)

দেবেন্দ্ৰ বেজবৰুৱাই তেতিয়া বিয়া কৰোৱা নাই। অ'ত-ত'ত পাত্ৰীৰ সন্ধান চলিছে মাথোন। চৈধ্য বছৰীয়া কুমাৰী-কন্যাকে বিয়া কৰাব নে, পুষ্পিতা কন্যাকে বিয়া কৰাব এই কথাটোৰে একো এটা মীমাংসা কৰিব পৰা নাই। এদিন 'অফিছ ৰুমতে' বিনন্দি শৰ্মাই মৱে বহি আছোঁ। সেই দিনা বেজবৰুৱাৰ মনটো ভাল লাগি আছিল হব পায়। কথাই কথাই উলিয়ালে বেৰীৰ বিয়াৰ কথা। "অকুমাৰী ছোৱালী বিয়া কৰোৱাৰপৰা আমাৰ কি ভালটো হৈছে হেঁ। ঘৰত কান্দি-কান্দি ভাতখোৱা ছোৱালী এজনীক অচিনাকি মানুহ এটাৰ হাতত গতাই দি যৌবৌ নৰকত পেলোৱা হয়। তাই সংসাৰৰ আওভাও একোকে বুজা-

কৈয়ে নতুন সংসাৰ এখন পাতিবৰগৈ লাগে। গুহৰী খাটোতেই দিন যায়। কুলাত ধাঁৰী হব লাগিলে যে তাইৰ মুখে কুলাই-পাচিয়ে নধৰা হয়।। ছোৱালীজনীক জীয়া জুইত পুৰি পেলোৱা হে হয়। কাৰো লগত কথা এষাৰ পাতিব নোৱাৰে। মুকুলি মুখে ফুৰিব নোৱাৰে। তাইৰ নিমিত্তে সেইখন ঘৰ বৰ-কাটেক নহয় নে? কুমলীয়া ছোৱালী বিয়া দিয়া-নিয়মটো, সঁচাকৈয়ে বৰ বেয়া। লভ্‌চিক্, কোৰাঁচোন, বেয়া নহয় নে? (মোৰ গালেমুখে শালমন থকা গুণে বেজবৰুৱাই সদাই মোক "লভ্‌চিক্" বুলি ধেমেলীয়া সম্বোধন কৰিছিল)। কেৰবেঁহাই-কেৰবেঁহাই মই মাত লগালোঁ, "বৰ ভাল নহলেও, বৰ বেয়াও নহয়।" বিনন্দি মাষ্টৰক সুধিলে, "তুমি কি কোৰাঁ?" তেখেতে একে আষাৰেই কলে, "এৰা, বৰ বেয়া।"

আকৌ বেজবৰুৱাই ওলোটাই ধৰিলে, "ব্ৰাহ্মণেতৰ জাতিৰ কন্যাকাল হ'লে বিয়া কৰোৱা নিয়ম। এই নিয়ম বৰ ভাল। সেইবোৰ ছোৱালী ঘৰতে বহুত দিন থাকে। মাক বাপেকৰ লগতে থাকি ডাঙৰ-দীঘল হয়, ঘৰৰ বনবাৰীও ভালকৈ কৰিবলৈ শিকে, লোকে কথা এষাৰ ক'লে মুখপাতি ধৰিব পাৰে, বামুণী ছোৱালীৰ দৰে ফেঁকুৰিবও নেজানে। শহুৰেকৰ ঘৰতো গিৰীয়েকক নাকত ধৰি চাকত ঘূৰাব পাৰে। বামুণী বোৱাৰীৰ দৰে চুকসুন্দৰী হৈ বোহ পাতি থাকিব নেলাগে। সেই দেখি উঠন ছোৱালী বিয়া-কৰোৱাটো ভাল কথা। কি বোলা "লভ্‌চিক্?"

আগৰ দৰেই সসন্মানে উত্তৰিলোঁ, "ভাল নো কি বুলিম?" সহকৰ্মীজনৰ ফালে মু কৰি আকৌ সুধিলে, "তুমি কি বোলা, বিনন্দি বোপা?"

"এৰা, ভাল কথা"—এই বুলি বিনন্দি মাষ্টৰে শলাগি থলে।

ঋতুমতী নোহোৱা ছোৱালী বিয়া-দিয়া ভাল বুলি, আৰু কন্যাকাল হৈ বহুত দিন উঠিথকা-ছোৱালী বিয়া দিয়া বেয়া বুলি, বেজবৰুৱাই আকৌ ওলোটা-পকীয়াকৈ ধৰিলে। এই বেলি, কুমাৰী বিয়াৰ সপক্ষে নিজৰ মত দাঙি ধৰি আমাৰ মতামত বিচাৰিলে। তেৰেঁই কঁহিয়াই দিলে, "সকতে ছোৱালী বিয়া দিলে, ছোৱালী জনী গিৰীয়েকৰ ঘৰলৈ গৈ, গিৰীয়েকৰ ফুটত উঠিব পাৰে; যি-বংশ বঢ়াবৰ নিমিত্তে তাইক নিয়া হয়, সেই বংশৰ নীতি-নিয়ম তাই লব পাৰে। তিৰীয়ে পুৰুষে একে মতি হলে হে ঘৰখনত লক্ষ্মী বাস কৰে। সকৰে-পৰা গিৰীয়েকৰ আশ্ৰয়ত থাকি শাহুয়েক-শহুৰেকৰ বচন মানি তাই এজনী আহি-তিকতা হবৰগৈ পাৰে। সকতে বোৱাৰী হলে, বোৱাৰীহোৱাজনীয়ে

লোকৰ ঘৰ এখনক আপোন বুলি খামোচ মাৰি ধৰে আৰু আগলৈ লৰাছোৱালী-হঁতৰ মাজতো মিলাপ্ৰীতি বাঢ়ে। এতেকে, অকুমাৰী ছোৱালী বিয়াকৰোৱা ভাল কথা।" বিনন্দি মাষ্টৰ :—হয়, ভাল কথা।

আকৌ পুষ্পৱতী কন্যা ভালেমান দিন অনূঢ়া হৈ থকাৰ বিপক্ষে বেজবৰুৱাই জুৰিলে, "উঠন ছোৱালী বিয়া কৰোৱাটো নো কি ভাল কথা? • • • কুৰি পাৰ হলেই আমাৰ ছোৱালী বুঢ়ী হয়। ৰূপ-লাৱণ্যও একো নেথাকে। বোৱাৰী-হোৱা ঘৰত তাই আচহুৱা হয় হি। শাহুৱেক শহুৰেক-গিৰীয়েক কোনেও তাইক বলাব নোৱাৰে। এনে ন-বোৱাৰী ঘৰত সোমালে ঘৰখনৰ পুৰণি মৰম-চেনেহ, বংশগত ধৰ্মকৰ্ম একো নেথাকে। ভেৰকুৰি বছৰীয়া ছোৱালী এজনী বিয়া কৰাই আনিলে, তাইৰ সন্তি-সন্তান, আৰ্জ্জি-খাব পৰা নৌ হওঁতেই বাপেক-মাকে চকু মুদিব পাৰে। লৰাছোৱালী আৰু মানুহ হবলৈ নেপায়—দলনিৰ পোনা হৈয়ে থাকি যায়। কম বয়সতে বিয়া কৰাবা, লৰাছোৱালী ডাঙৰদীঘল হব, পঢ়ুৱাই শুনোৱাই মানুহ কৰিব পাৰিবা আৰু লৰাৰ আৰ্জ্জনতে সুখেৰে খাই-বৈ বুঢ়া হৈ নিশ্চিন্ত মনে এই সংসাৰ এৰি যাব পাৰিবা। নহয় জানো বিনন্দি বোপা?"

—হয়, কেলেই নহয়।

—এঃ, বিনন্দি বোপা, তুমি দেখোন, দহিও যোৱা, বাৰেও যোৱা দেও হে। এই বুলি বেজবৰুৱাই কম বয়সীয়া ছোৱালী বিবাহ কৰোৱাটোকে সমৰ্থন কৰিলে। এই দৰে বেজবৰুৱাই বুদ্ধি-পৰীক্ষা কৰে দেখি, যেয়ে-সেয়ে তেওঁৰ ওচৰ চাপিবলৈ ভয় কৰে।

(১৩)

জহৰ বন্ধৰ বাবে সেইদিনা ৰাতিপুৱা-স্কুল। শিক্ষকতকৈও ছাত্ৰহঁত আগেয়েই আহি শ্ৰেণীত গোলমাল কৰি আছেহি। স্কুল ঘৰটোৰ বেৰবোৰ ইকৰাৰ, তাৰ ওপৰতে গোবৰ মাটি দি চূণ লগাই থোৱা। বেৰবোৰৰ বাঁহছাট ইমান ঢিলা যে খোঁচ মাৰি দিলেই গাঁঠি ছিগি বিন্ধা ওলাই যায়। তীৰ্থৰচিং লৰাইতে ধান-খেৰেৰে মেকুৰী-জুমুঠি এটা বান্ধি, বেৰেদি বিন্ধা এটা কৰি, ভিতৰৰপৰা ছুটামানে "হেইটি ঔ কেট্‌" (সেইটিও মেকুৰী) বুলি জুমুঠিটো বাহিৰলৈ সৰকাই দিয়ে। আকৌ বাহিৰত থকা ছুটামানে সেইটো জুমুঠিকে "হেইটি ঔ কেট্‌" বুলি ভিতৰলৈ সুমুৱাই দিয়ে। এনেকৈ মেকুৰী-জুমুঠিটো বেৰৰ বিন্ধাইদি মাকোটোৰ দৰে

উলিয়াই-জুমুৰাই আছে। সেই লৰাধেমালি কৰি লৰাইতে যি ভুমানন্দ লাভ কৰিছিল তাত মই মাত এষাৰকে মতা নাছিলোঁ। বৰং কণ্ডিৰুৰি, চকীত বহি, চকু মুদি, মাজে মাজে আকৌ চকু পিৰিকিয়াই সিঁহতৰ লগতে উজান দি মইও মনে মনে সিঁহতৰ দৰেই ভুমানন্দ উপভোগ কৰিছিলোঁ।

গুণাভি নামেৰে মোৰ এজন সংগোত্ৰী, সহকৰ্মী বা 'কলীগ্' আছিল। ইতিপূৰ্ব্বে, তেওঁ দেৰগাওঁ-বেজবৰুৱা স্কুলৰ শিক্ষক আছিল। .গুণাভিয়ে মাদক দ্ৰব্যৰ কেউবিধৰে অলপ-অলপ স্ফুৰ্তি লৈছিল। তাৰে অলপ গলাধঃ-কৰণ কৰি বা ধুম্ৰৰূপে পান কৰি হে তেওঁ স্কুললৈ যাব পাৰিছিল। সেই বাবে, বেজবৰুৱাই তেওঁক দেৰগাৱঁৰপৰা আনি নিজ-চকুৰ আগতে মোৰ-হাটত ৰাখিছিলহি। সগোত্ৰীজনৰ পিন্ধন্-উৰন্, স্বভাৱ-চৰিত্ৰ, চলন্-ফুৰন্ সকলো 'মেজাজী'। দিনে-নিশাই তেওঁৰ গাত খাকী কাপোৰৰ কোট-পেণ্টজোৰ থাকিবই, অইন কি শোওঁতেও সলোৱা নহয়। গুণাভিৰ গাত থিত্ত দিবৰপৰা গাৰ কাপোৰে পানী কাক বোলে দেখি পোৱা নাই। ভৰিত "ডওচন" কোম্পানীৰ গেৰেহা বুট জোতা, তাকো শোওঁতে থাওঁতে লগৰপৰা নেৰে অৰ্থাৎ ভৰিৰপৰা নোসোলোকায়। লৰাই তেওঁক নাম দিছিল "ডাবোকা মাষ্টৰ"।

শ্ৰেণীসলোৱা টিলিঙাৰ মাত শুনি মই গাটো দাঙি ওলাইছোঁ হে, এনেতে "হুকস্" কৰে "ডাবোকা মাষ্টৰ" আহি শ্ৰেণীটোৰ দুৱাৰ মুখতে পৰিলহি। খোটালীটোৰ দুৱাৰ ডলি পাৰ-হওঁতে-নৌহওঁতেই লৰা এটাই "হেইটি ও কেট্" বুলি চিঞৰ মাৰি দিলে। "ডাবোকা" চক খাই উঠিল ; থত্ত একোনাই হৈ লৰাবোৰক ইংৰাজীৰেই ডবিয়াই সুধিলে, "তইঁতে এইবোৰ কি কৰিছহঁক", খটাসুৰ এটাই সমিধান দিলে, "মেকুৰীপৰ্ব্ব ভায়না পাতিছোঁ, চাৰ!" 'ডাবোকাই' চকু চেলাই "নন্চেঞ্চ" বুলি ক্লাছৰ গোটেইবোৰ লৰাকে বেঞ্চৰ ওপৰত উঠিবলৈ কলে। লৰাইন্ত জিকজিকাই উঠিল বোলে, 'আমি বেণু মাষ্টৰৰ পালৰপৰাই কৰি আছোঁ। বেণুচাৰে দেখিয়েই গৈছে। বেঞ্চৰ ওপৰত মুঠৌ চাৰ।" গুণাভি মাষ্টৰে ক্লাছত কেতিয়াও অসমীয়াৰে কথা নকয় ; তৃতীয়-চতুৰ্থ মানতো সদাই প্ৰশ্নৰ বাণ ইংৰাজীৰে হে। লৰাই বুজক-নুবুজক ইংৰাজীৰেই ডাবি-চমকি দি, একো কৰিব নোৱাৰি, গুণাভিয়ে তৎক্ষণাৎ সেই "মেকুৰীপৰ্ব্ব ভায়নাৰ" কথা বেজবৰুৱাত লগালেগৈ, বোলে, "চকহিচোন, চকহি, বেণুৱে কিখন কৰিলে?"

ইস্কুল ছুটী হলত, বেজবৰুৱাই বৰুৱা মাষ্টৰক (বেজবৰুৱাৰ আৰু এজন বিখ্যাত শিক্ষক ৺বিষ্ণুচন্দ্ৰ বৰুৱা) কৈ দিলে, "বেণুৰ দৰ্মহা বন্ধ। মই ভাল শনিটো চপাই ললোঁহি, কুটা কঢ়িয়াদি কঢ়িয়াই-কঢ়িয়াই ইস্কুল ঘৰটো সাজিছোঁ, হেজাৰ-দুহেজাৰ টকা খৰচ কৰিছোঁ—গৱৰ্ণমেণ্ট স্কুলত ঠাই নোপোৱা লৰাই পঢ়ক বুলি; এইটো (মই) আছিল গনাহীটো মোৰ ঘৰ ভাঙিবলৈ। বুজিছোঁ মোৰ এটাইবোৰ শত্ৰু। আজি বাহু লৰা লগাই দি, বেৰখোৰ ভঙাই সি ইস্কুল ঘৰ ভঙাইছিলেই, গুণাভি বোপাই দেখিলে দেখি হে। নেদেখা হলে স্কুল কৰাৰ ভিকাহুনেই ভাগিছিল! বৰুৱা, বেণুৰ দৰ্মহাটো গুণাভিক দি দিবা।" মই দৰ্মহা আনিবলৈ গলত, মোক দৰ্মহা নিদিলে।

পাছত, "ডাবোকা মাষ্টৰ" আহক বহীত চহী দি মোৰ দৰ্মহা নিবলৈ। তেওঁ কলমটো তিয়াই চহীটো মাৰোঁ মাৰোঁ হৈছে, এনেতে বেজবৰুৱা খিঙিডাই উঠিল, "গুণাভিক দৰ্মহা নিদিবা! এওঁক (গুণাভিক) মই জানো। ভাং খাই-খাই মোৰ দেৱগাৰ্বৰ স্কুল ভাঙি থৈ আহিছে। আকৌ ইয়াতো ভাঙিবলৈ ওলাইছে। মই অ'ৰ ত'ৰপৰা বুটলি-বুটলি মাষ্টৰ আনিবলৈ আৰু ইহঁতে 'চুকুলি' লাগি সিহঁতক ভঙাব। ইহঁতৰ তাপত মাষ্টৰ এটাও ৰখাব নোৱৰা হলোঁ। (আকৌ গুণাভিৰামৰ ফালে মু কৰি) হেৰা, গুণাভি বোপা তুমি নো কেনে হেঁ? তুমিয়ে বেণুৱে 'কলীগ' নোহোৱা জানো? তোমালোকৰ ভিতৰত কিবা এটা বেয়া দেখিলে, তোমালোকে হে শুধৰাব লাগে, মোক আকৌ লগাবহি লাগে কিয়? লৰাৰ ছুটাগি কথা তুমি বেণুক হে কব লাগিছিল। তোমালোকৰ ওপৰতে মোৰ সৰ্ব্বভাৰসা! তাকে নকৰি, মোক লগাইছাহি। অ', তুমি ভাল নহয়। তুমি টুটকীয়া, লগনীয়া, কুটশাল! নোপোৱা, নোপোৱা, তোমাৰ দৰ্মহা নোপোৱা। বৰুৱা, এওঁক দৰ্মহা নিদিবা।"

ডাবোগালি খং উঠিলত, গুণাভি মাষ্টৰ তৎ মুহূৰ্ত্তেই অফিছৰপৰা ওলাই গল। বেজবৰুৱাই আকৌ মতাই অনাই তেওঁক-মোকে আগতে বহুৱাই লৈ বৰ বেজাৰ মনেৰে কৈছে, "বোপাইত, মই আৰু সৰহ দিন নিজীওঁ। বহুমূত্ৰ ৰোগে বৰকৈ চেপিছে। তোমালোকে মোৰ ইস্কুললৈ মৰম নেৰিবাহঁক। ইংৰাজ-জাতি সভ্য হলেও, ভঙাৰ জাতি। সিহঁতক 'বইছ' (বশ) কৰিবলৈ সভ্যও হব লাগিব, ভঙাও হব লাগিব। গুণীৰ গুণ বুজিবাহঁক, আমাৰ মানুহ চকু-চৰহা

—কাৰো ভাল এটা হোৱা দেখিব নোৱাৰে। সেইতাই ইংৰাজী পঢ়া বাবে মোক ভিতৰ সোমাবলৈকে নিদিছিল। আজি ইংৰাজী নেজানিলে মানুহ মানুহেই নহয়। মই ছয় ঠাইত ছটা ইংৰাজী স্কুল পাতি দিলোঁ * ইংৰাজৰ ডিচিপ্লিন, ইংৰাজৰ পংচুৱেলিটি, ইংৰাজৰ সাহ, ইংৰাজৰ একতা, ইংৰাজৰ ভাষাপ্ৰেম ইংৰাজৰ দেশপ্ৰেম আমাক লাগে। মই সাধক মানুহ কৰিবলৈ লৈছিলোঁ। কৰিব পৰা আশা নাই; তথাপি চেষ্টা কৰি চালোঁ। নবাব মগজু কেঁচা সোণ—ঘঁহিলে পিহিলে চিকচিকাই থাকিব।"

কথাকিবাৰ কৈয়ে তেওঁ আমাৰ নিজৰ-নিজৰ দৰ্মহা লৈ যাবলৈ ক'লে। আমিও দৰ্মহা লৈ ঘৰ পালোঁগৈ।

সেই বহুমূত্ৰ ৰোগতেই ১৯১৯ চনৰ ৪ জানুৱাৰী তাৰিখে মিঃ জি বেজবৰুৱাৰ মৃত্যু হ'ল। বয়স পালে ৬৮ বছৰ।

(১৪)

১৯১৫ চনতে তেওঁৰে সৈতে শেষ দেখাদেখি। তেতিয়াৰ পৰা কত বছৰ পাৰ হৈ গল, তথাপি বেজবৰুৱাক পাহৰিব পৰা নাই।

অন্তৰ মৃগপছু যেন শান্ত, বাহিৰ বাঘবেন ভয়লগা, কথাত আঁৰ-বেৰ নথকা, শিক্ষাপ্ৰচাৰত হাতীপুঁৰ দি লগা, নিৰ্ভীক, স্পষ্টবাদী, ব্যক্তিত্বশালী পুৰুষ এজন সেই তাহানিখণৰ গোবিন্দ বেজবৰুৱাৰ দৰে আৰু ক'ত ওলাব?

---

*(১) দেৰগাৱঁৰ মাইনৰ স্কুল, ২টা ছাত্ৰৰেসৈতে ১৮৮৫ চনত, পাচত, ২৩টা লৰাৰে নেৰেৰিটিওত হাইস্কুল পাতে।

(২) জাঁজীত ১৮৮৪ চনত।

(৩) গোলাঘাটত ১৮৮৩ চনত, ১৯১৫ চনৰ ২১ নৱেম্বৰ তাৰিখে চৰ্কাৰৰ হাতত শোধাই দিয়া হয়।

(৪) যোৰহাটত ১৮৯৩ চনত হাইস্কুল।

(৫) শিৱসাগৰত ১৮৮৮ চনত হাইস্কুল।

(৬) চাবিগাৱঁত ১৯০২ চনত মাইনৰ স্কুল।



লক্ষ্মীনাথ বেজবৰুৱা   কৃষ্ণকুমাৰ বৰুৱা   কনকলাল বৰুৱা   ঘনশ্যাম বৰুৱা   শিবৰাম শৰ্ম্মা   দীননাথ

নৱন্যাস যুগৰ সাৰথিসকল

দাঁত নসৰিলে যেনেকৈ দাঁতৰ মোল বুজিব নোৱাৰি, মাতৃভূমিৰপৰা সৰি বিদেশত নপৰিলেও তেনেকৈ মাতৃভাষাৰ মোল বুজিব নোৱাৰি। উনৈছ শতিকাৰ শেহছোৱাত যি এমুঠি বিদ্যাৰ্থী ছাত্ৰই অসমৰপৰা আঁতৰি গৈ বঙলাৰ মাজ-চোতাল কলিকতা চহৰত প্ৰবাস খাটিছিল সেইবিলাকে হে এই কথা মৰ্মে-মৰ্মে উপলব্ধি কৰিছিল। তাৰে পৰিণতিত অসমীয়া ভাষা সাহিত্যৰ বুৰঞ্জীত এটি নতুন যুগৰ সৃষ্টি হল; সেইটোকে বোলোঁহঁক নৱন্যাসৰ যুগ। যুগটিৰ প্ৰভাৱ ক্ৰমশঃ টুটি আহিছে যদিও তাৰ সাৰথিসকলৰ আদৰ্শ প্ৰেৰণা কেতিয়াও টুটিব নোৱাৰে।

তেতিয়া অসমীয়াৰ প্ৰতি কালচক্ৰৰ ভ্ৰূ এনে কুটিল আছিল যে অসমীয়া মাত মতাটোৱেই যেন অগৰৰ কথা। সেই গুণে, কলিকতা চহৰৰ বাজবাটত ফুৰোতেঁও ছাত্ৰমুঠিয়ে সসঙ্কোচে কথা-বতৰা পাতিব লগীয়া হৈছিল। কোনোবাই শুনিলে হাঁহিব—এই ভয়তে বাহিৰত মাতৃভাষাৰে কথা নেপাতি ইংৰাজীৰেই পাতিছিল। অসমীয়া হৈ দেখুৱালে য'তে-ত'তে চন্দুৱা পৰিব লাগে দেখি বিলাতী সাজপাৰ পিন্ধি বিলাতী দস্তুৰেৰেই চলকৰ কৰিছিল। মুঠৰ ওপৰতে কবলৈ গ'লে, ভাষা-সমন্ধি সকলোৱেই লইসক-ভাব লৈ ফুৰিব লগীয়া হৈছিল।

অসমৰ পশ্চিম সীমাৰ বাহিৰত হে যে অসমীয়া ভাষাই চকুপানী টুকিব লগীয়া হৈছিল এনে নহয়, বঙলা কৰপতি লাগি থকাত আপোন দেশৰ ঘৰ-ঘৰতো মাতৃ ভাষাৰ দুৰ্গতিত "হৰ্ষ-বিষাদৰ" খলক লাগিছিল। বাহিৰত এটা, ভিতৰত এটা কথা কৰলগীয়া হোৱাত আদালত-পঢ়াশালিত যি বেমেজালি লাগিছিলেই সে অঙ্কীয়া নাটতো সূত্ৰধাৰী ভাৱৰীয়াৰ বচনে পথৰা ৰূপ লৈছিল। সূত্ৰধাৰীয়ে গাব লাগিছিল—

"আহে সভাসদলোক, হামো যোহি কৃষ্ণৰ কথা কহছি, সেহি কৃষ্ণ ওহি [illegible] মিলল, মিলল; আ দেখহ শুনহ, মিৰজৰে হৰি" বুলি; কিন্তু গাই-

ছিল—"ওহে চভাচদবৰ্গ চুনহ, আমৰা যে কৃষ্ণকথা বলিয়াছিলাম, চে কৃষ্ণজী এ চভাৰ মধ্যে এখনি প্ৰবেশ কৰিবেন।"

যিটো গীত গাব লাগিছিল—

"দেখল জয় বিজয় দোহো দ্বাৰী
বিমদ্রে আসন্ত সিদ্ধ চাৰি" বুলি,

সেইটো গোৱা হৈছিল :— "অ এ এ এ আছিল বিজয় চন্দ্ৰে এক ভাই
জয় কৃষ্ণ চম ৰূপ এ এ এ"।
এনেকৈ "বাঙ্গালা, ইংৰাজী, হিন্দী
চবাৰে গোটাই
মিক্সড (Mixed) কৰি
সাধুভাষা লিখে যি জনাই"

সেই জনাই আত্মবিস্মৃত শিক্ষিতৰ আগত সমাদৰ লাভ কৰিছিল।

কেউফালে মাতৃভাষাৰ এনে পানীত হাঁহ-নচৰা অৱস্থা দেখি বিদেশত পঢ়ি থকা ছাত্ৰমূৰ্তিৰ অন্তৰত আত্মচৈতন্যৰ উদয় হ'ল। সিবিলাকৰ মনত খেলালে যে এইদৰে ভটীয়া নাৱত উঠি গৈ থাকিলে অসমীয়া ভাষাৰ স্বতন্ত্ৰতা, জাতীয়-গৌৰৱ, জাতীয় সন্মান সকলোটি একেবাৰেই পতং পৰিব। ইমানতে নাও ঘূৰাই মাতৃভাষাৰ আত্মপ্ৰতিষ্ঠা কৰিবই লাগিব। এই সঙ্কল্পকে লৈ, ছাত্ৰ কেইজনে স্থায়ী সভা পাতি একগোট হ'বলৈ স্থিৰ কৰিলে আৰু ১৮৭২ চনতে গঙ্গাগোবিন্দ ফুকনে কলিকতাত যিখন "অসমীয়া ছাত্ৰৰ সাহিত্য-সভা" পাতি থৈ আহিছিল আৰু যিখনৰ সম্পাদক আৰু পুথি ভঁড়ালী দেৱীচৰণ বৰুৱা ১৮০৬ শকলৈকে (১৮৮৫ চন) আছিল আৰু যিখনৰ অৱস্থা তেতিয়া উৰ্বলি গৈছিল, সেইখনকে আহি লৈ তেওঁবিলাকে প্ৰায়ে বুধবাৰে-শনিবাৰে চুচুঁৰীয়া টী-পাৰ্টি বা জলপনীয়া ভোজ একোটি পাতি নাইবা মেল এখনত বহি মাতৃভূমি মাতৃভাষাৰ দুখ-দুৰ্গতিৰ বিষয়ে আলচ কৰিবলৈ ধৰিলে।

বুধবৰীয়া খনত সংস্কাৰমূলক বিষয়ৰ আলোচনা কৰা হৈছিল। সেই আলোচনাবিলাক মৌখিক আৰু ধুহুটীয়া বিধৰ আছিল। অসমীয়া জাতিৰ পৰনিন্দা-পৰচৰ্চ্চা আদি কু-স্বভাৱ আৰু ভণ্ড চৰিত্ৰদোষৰ ছবি একোটাও কেতিয়াবা যেনেলীয়া ভাবে দাঙি ধৰা হৈছিল। সেই দেখি কথাই-কামে কিলাই ভোজ বা টী-পাৰ্টিটোৰ নাম দিয়া হৈছিল—ফানি স্পীচ মিটিং (Funny

speech meeting) বা বঙ্গালী বক্তৃতাৰ চ'ৰা। ইংৰাজীৰে সকলোকে বক্তৃতা দিব পৰা-কৰাটোও আছিল এই চ'ৰাৰ এটা উদ্দেশ্য। প্ৰকাৰান্তৰে বুধবৰীয়া মেলখন ইংৰাজী বক্তৃতাৰ আখৰা-চ'ৰা বুলিব পাৰি।

শনিবৰীয়া খনৰ আলোচ্য বিষয় আছিল অসমীয়া ভাষা। অসমীয়া ভাষাৰ উন্নতিবিধায়ক বিবিধ বিষয়ৰ ,ৰচনা, কবিতা, প্ৰবন্ধ লেখি ইয়াত পাঠ কৰা হৈছিল। প্ৰকৃত পক্ষে, শনিবৰীয়া 'টী-পাৰ্টিটো' এখন সৰুমুৰা সাহিত্য-সভাই আছিল। এই 'পাৰ্টিতে' এদিন স্থিৰ কৰা হ'ল যে পুৰণি মৰা নাম 'অসমীয়া ছাত্ৰৰ সাহিত্য-সভা' নামটো আৰু নকৈ ছাৱৰ দৰ্কাৰ নাই, নতুন যুগোপযোগী নাম এটা দি ইয়াতে 'নবীন খুটা'হে লগাব লাগে। এনেকুৱা এটা সিদ্ধান্তকে কৰি ১৮১০ শকৰ শ্ৰীকৃষ্ণৰ জন্মাষ্টমী তিথিৰ দিনা সেই জলপনীয়া তোলৰুণী মেলখনৰ 'জন্মোৎসৱ' আৰু নামকৰণ-উৎসৱ পাতি সভাৰ নাম দিয়া হ'ল "কলিকতা অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা" বা ঠাবে-ঠিকাৰে 'কলিকতাৰ অ, ভা, উ, সা, সভা'। সভাৰ পোন-প্ৰথম সম্পাদক পতা হ'ল পুৰণি-চাম ছাত্ৰৰ শিৱৰাম শৰ্মা বৰদলৈক, তাৰ পিছত তেখেতৰ ঠাইত 'বহুগুণী' কমল চন্দ্ৰ শৰ্মা মনোনীত হল। তেওঁ ১৮১১ শকৰ ২৮ শাওণৰপৰা অতি উৎসাহ আৰু যতনেৰে কাৰ্য্য কৰি সেই শকৰ ২৩ মাঘৰ দিনা সভাক কথুৱাই এই সংসাৰৰপৰা একেবাৰেই বিদায় ল'লে। তেওঁৰ অসীম ·উদ্যোগ, পৰিশ্ৰম আৰু সভাৰ মঙ্গল কামনা, 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা'ই কেতিয়াও পাহৰিব নোৱাৰে।১ কমল শৰ্মা ঢুকোৱাৰ পাছত ১৮১২ শকৰ ১০ ভাদলৈকে সভাৰ কাম বৰ ঢিলা-সোলোকা হৈ চলি আছিল। এনেতে যত্নাকান্ত বৰকাকতীয়ে আপোনাআপনি মূৰপাতি সেই বাবটো লৈ অলপ দিন সভাখন চলালে।*

"১৮১২ শকৰ ১০ ভাদ তাৰিখে 'বাইসভা' ৫নং ভৱানীচৰণ দত্ত লেনত থকা ঘৰত বহি, তাতে লক্ষ্মীনাথ বেজবৰুৱা বি-এ সম্পাদক আৰু হেমচন্দ্ৰ গোস্বামীক সহকাৰী সম্পাদক পাতি সভাৰ কাৰ্য্যত শৃঙ্খলা লগাবৰ বিহা কৰে।† ইয়াৰ পাছত ক্ৰমান্বয়ে কৃষ্ণপ্ৰসাদ গুপ্ত (বাগৰতাৰা), যত্নাকান্ত

১ কমল শৰ্মাই হলেও নামাৰ্জীৰ দৰে ইংৰাজীতে বক্তৃতা দি সকলোকে তভিত কৰিছিল।

* অঃ ভাঃ উঃ সাঃ সভাৰ কাৰ্য্যবিৱৰণী।

† অঃ ভাঃ উঃ সাঃ „ চক।

বৰকাকতী, কনকলাল বৰুৱা, ৰাধানাথ ফুকন, লক্ষেশ্বৰ শৰ্ম্মা, চন্দ্ৰধৰ বৰুৱা (নগাৱঁৰ), দেৱেশ্বৰ চলিহা, যোগেন্দ্ৰনাথ বৰুৱা (গুৱাহাটীৰ), জগৎচন্দ্ৰ গোস্বামী এই সকলৰ ক্ৰমে কোনোজন সম্পাদক কোনোজন সহকাৰী সম্পাদক হৈ কলিকতাৰ অ ভা উ সা সভাখন প্ৰায় বাৰ বছৰ পূৰ্ণ উদ্যমেৰে চলাই আছিল।

তেতিয়ালৈকে, আমাৰ বিয়া-নাম, আই নাম আদি অসমীয়া লখিমী তিকতাসকলৰ নাম-গুণবিলাক ঘৰে-ঘৰে গোৱা হৈছিল; কিন্তু, হাৰ্মনিয়ম আদি বাদ্যযন্ত্ৰৰ সুৰৰ লগত মিলাই গোৱা নহৈছিল—আন কি, সেইদৰে গাব পৰাটো অসম্ভৱ বুলিয়েই বহুতৰ ধাৰণা আছিল। ২২ বছৰ ৰ যুৱক সঙ্গীতাচাৰ্য্য ডাঃ ৰাধিকাৰাম টেঁকীয়াল ফুকন ইউৰোপৰপৰা যেতিয়া ঘূৰি আহে তেতিয়াই অঃ ভাঃ উঃ সাঃ সভাই ধৰি তেওঁৰ হতুৱাই "আগফাল শুৱনি

কাকিনি তামোল ঐ

পাছফাল শুৱনি পাণ"

—এই বিয়া নামটো বেহেলাৰ সুৰত গোওৱায়। 'পতিত পাৱন হৰি, পতিত পাৱন'—এই গীতটোও তেৱেঁই গায়। অঃ ভাঃ উঃ সাঃ সভায়েই আমাৰ গীত মাতৰ মানদণ্ডও ওপৰলৈ তুলিলে।

বৰগীতৰ সুৰ চানেকিও তেতিয়ালৈকে আমাৰ অপৰিচিত আছিল। অঃ ভাঃ উঃ সাঃ ৰ যত্নতেই 'সোই সোই ঠাকুৰ সোই যো হৰি পৰকাশা' আৰু 'জয় জয় জয় জন তাৰণ কাৰণ নাৰায়ণ পৰ দেৱং' গীতৰো স্বৰলিপি সঙ্কেত প্ৰথম প্ৰকাশিত হয়। সেই বুধবৰীয়া 'ফনী স্পীচ মিটিঙতেই' কৃপাবৰ বৰবৰুৱাৰ প্ৰথম আবিৰ্ভাৱ। বৰবৰুৱা যে লক্ষ্মীনাথ বেজবৰুৱাৰ মানস ছাঁ বা কল্পিত চৰিত্ৰ, তাক নজনা কোনো নাই। বেজবৰুৱাহঁত যিটো মেছত আছিল, সেই মেছৰে কোনোবা এটা খোঁটালিত এজন ছাত্ৰ আছিল,—যি জনৰ চলন-ফুৰণ, কথা-বাৰ্ত্তা, খাৱন-পিন্ধন ইবিলাক মেছনিবাসী বন্ধুৰ লগত একেবাৰে নিমিলিছিল। তেওঁৰ টিকনি আছিল, পেটটোও হোৰোসা; মূৰত সততে 'বাবুকেপ' পিন্ধিছিল, আবেলি ফুৰিবলৈ গ'লে লগত কাকো নিনিয়ে বা কাৰো লগত নাযায়ও, মেছৰ ভিতৰতো ইংৰাজীৰেই কথা-বতৰা চলে। "বাবুকেপ"টো হে মূৰত, এহেলৈ পিন্ধন-উৰণটো তেনেই ইংৰাজী। ইবোৰৰ দৰেই উৰীয়া ৰান্ধনীয়ে ৰান্ধি-বাঢ়ি দিয়া ভোজ্য দ্ৰব্যৰেই তেওঁ খাৱন কাৰ্য্যটো সমাধা কৰে;

কিন্তু সন্মিয়া-লগাৰ পিছত দেখিব সকলোৰে চকুত ধূলি মাৰি তেওঁ গ্রেট ইষ্টার্ণ বা ব্রিষ্টল হোটেলত পান-ভোজন দুয়োকেৰি কৰ্ম নিশ্চিন্ত মনে সম্পাদন কৰিব লাগিছে। লোকৰ শ্রী সহিব নোৱৰাটোও তেওঁৰ এটা পৈতৃক গুণ। তেওঁৰ নামৰ আন্তাক্ষৰটো আছিল 'ক' বৰ্গৰ প্ৰথম বৰ্ণ, সেই বৰ্ণটোৰ তলতে থকাৰ ডাল লগাই আদ্যাক্ষৰটো ক্ৰ বহুৱাই পুৰানাম কৃপাবৰ বৰবৰুৱা কৰি পূৰ্বোক্ত বহুৰূপী মেছবাসীজনৰ হুবহু ছবি এখন আঁকি তেওঁৰ খোঁটালীটোৰ দুৱাৰতে কোনোবাই আঁৰি থৈ গ'ল। ফুৰিচাকি আহি গধুলি তেওঁ খোঁটালীৰ দুৱাৰ মেলিব খোজোঁতেই চায়, এইখন দেখোন তেওঁৰেই ছবি (ফট'গ্রাফ)—কোনোবা অঘাইটঙে তেওঁক উপলুঙা কৰিবলৈকে তাত আঁৰি থৈ গৈছে। বহুপৰ ভাবি-চিন্তি ঠিক কৰিলেগৈ এইবোৰ লক্ষ্মীৰ হে কাম। এই বুলি তেওঁ লক্ষ্মীনাথ বেজবৰুৱাৰ ওপৰত মাধমাৰ শোধাবলৈ চোঁচা ললেই। বেজবৰুৱাৰ পোনে বৃহস্পতি পোন আছিল দেখি হে জানিবা সেই চোঁচা চোঁচাতেই থাকিল। পাছে সেই ছবি অঁকা অঘাইটংজন যে লক্ষ্মীনাথ বেজবৰুৱাই, সেইকথা বঙ্গালী চ'ৰাত এদিন ওলাই পৰিল। তাৰপৰা 'কৃপাবৰ' নামৰ উহ্ ক্ৰ আন্তাক্ষৰী মেছবাসী-জনৰ বেজবৰুৱাৰেসৈতে 'হোঁকাপানী' বন্ধ হৈ গ'ল, অৰ্থাৎ মাত-বোল নোহোৱা হ'ল।

এই দুই বন্ধুৰ পিঠিয়াপিঠিৰপৰা আন হওক-নহওক, কৃপাবৰ বৰবৰুৱাৰ নামত টেটকুটীয়া সাহিত্যৰ বহখৰা এটা নিৰ্মাণ হ'ল।

অ, ভা, উ, সা, সভা জন্ম হোৱাৰ লগে লগেই তাৰ শনিবৰীয়া অধিবেশনত পাঠ কৰা ৰচনা-কবিত বিলাক ছপাই উলিয়াবলৈ স্থিৰ কৰা হ'ল। কিন্তু ছপোৱা হয় ক'ত? যিবা এখন 'আসাম বন্ধু' আছে তাৰো আজি-মৰোঁ-কালি-মৰোঁ অৱস্থা। গতিকেই, সভাৰ ৰবীয়াকৈ নিজা কাকত এখন প্ৰকাশ কৰিবৰ আৱশ্যক হ'ল। ভাদৰ জন্মাষ্টমীৰপৰা মাঘৰ বিহুৰ ওচৰ পাওঁ-পাওঁ হ'লহি, তথাপি কাকত উলিয়াব পৰা নহ'ল। এনেতে চন্দ্ৰকুমাৰ আগৰৱালাই এক্কাৰত জঁাপ দি, দিলে উলিয়াই 'জোনাকী' কাকত। তেৱেঁই সম্পাদকো হ'ল, চলাওঁতাও হ'ল, খৰচ বহনৰ সম্পূৰ্ণ ভাৰ লওঁতাও হ'ল। কিন্তু এটা সৰ্ত্ত ৰাখি হে তেওঁ এই দায়িত্বভাৰ গ্ৰহণ কৰিছিল। সেইটো হৈছে অ, ভা, উ, সা, ৰ সভ্য মাত্ৰেই 'জোনাকী'ক আলপৈছান ধৰিব লাগিব আৰু 'জোনাকী'লৈ একোটা প্ৰবন্ধ লেখিব লাগিব। এই দুটা সৰ্ত্তৰ এটাও-যদি কোনোৱাই ভঙ্গ কৰে বা পালন নকৰে তেন্তে তেওঁক সভাই ১৫৲ টকা জৰিমনা কৰিব লাগিব। এনে কোৱা-

যুঁজিৰাইকৈ ধৰা যাবে অসমীয়া ভাষাত হাত-নদিয়া কেবাজনো অ-সাহিত্যিকো বহুৰ-দিয়েকৰ যুৰত ভালেমান বিষয়ত হাত-অহা পৈণত সাহিত্যিক হৈ উঠিল। চমুকৈ কবলৈ হ'লে 'জোনাকী' কাকত খনকে অ, ভা, উ, সা, ৰ সাৰথিসকলে চক্ৰবেহ পাতি তাতে আলয় লৈ শৰাইঘটীয়া বিক্ৰমেৰে যুঁজি অসমীয়া ভাষাৰ বুৰঞ্জীত হাতীপটি হেন নতুন যুগ এটি সৃষ্টি কৰি পেলালে। সেইটিয়েই হল নৱ-অভ্যুত্থানৰ যুগ বা নৱন্যাসৰ যুগ।

সেই হাতীপটিত এইবিলাক ভাষা-সূত্ৰৰ তৰা এতিয়াও জিক্‌মিকাই আছে :—

(১) যি ভাষায়েই নহওক, তাৰ স্বকীয় বৈশিষ্ট্য প্ৰতিপন্ন হয় তাৰ প্ৰকাশ-ভঙ্গী, ঐতিহ্য আৰু উপাদানৰদ্বাৰাই।

(২) মাতৃ ভাষাটো বাদ দিলে জন্মভূমিৰ লগত সম্পৰ্ক ছেদ হয়। "মাতৃ-ভাষা জাতীয় উন্নতিৰ সিংহ দুৱাৰ।"

(৩) দন্তবিহীনৰ হাঁহি যেনেকুৱা, বৰ্ণবিন্যাসৰ আউল লগা ৰচনাও তেনেকুৱা! অকণমান অঙ্গক্ষতেই শাৰীৰিক সৌন্দৰ্য্য কুচ্ছিত কৰাৰ দৰেই অশুদ্ধ আখৰ-যোঁটনিয়েও তেনেকৈ ভাষাৰ মাধুৰ্য্য নষ্ট কৰে।

(৪) "ভাষাৰ উকা কথা এমুঠি, ভাব-চিন্তাৰ ৰস, অলঙ্কাৰ নিৰায়ৰই মুঠি"। ভিতৰত চকুৱাৰ বেৰ, বাহিৰত বৰ চুৰিয়াৰ ফেৰ মাৰি ফুৰাটো অস্তৰাৰ চিন যেনেকৈ, ৰজিতাখোৱা উপমা-অলঙ্কাৰেৰে সজাই-পৰাই লেখা ৰচনাৱলীও চিত্তবিনোদী তেনেকৈ।

(৫) ৰসমিশ্ৰিত শুদ্ধ ভাষাৰ ভেটিত হে সাহিত্যৰ চিৰন্তন সৌধ নিৰ্ম্মাণ কৰিব পাৰি।

(৬) বিশ্বজনীন ভাৱৰ গ্ৰহণশীলতাৰ-দ্বাৰাই ঐতিহ্যপূৰ্ণ জাতীয় চৰিত্ৰ বিকশিত আৰু সম্প্ৰসাৰিত হলেই সাহিত্য যুগমীয়া, সৰ্ব্বজনপ্ৰিয় আৰু সমৃদ্ধিশালী হয়।

'জোনাকী' ওলোৱাৰ ২॥ বছৰমানৰ মূৰলৈকে অ, ভা, উ, সা, সভাৰ সভ্য সকলেই একেমুঠিয়া হৈ 'জোনাকী'তে মাতৃভাষাৰ মৌচাক বান্ধি আছিল, এনেতে, অলপীয়া কথা এটাত লাগিয়েই মুঠিটোত কাট এটা মেলিলে আৰু তাতে এটা কাট ছিগি আঁতৰি গ'ল। ছিগি যোৱা দলটোৱে "আচাৰিজ লিটাৰেৰী ক্লব" নাম দি নতুন সভা এখন গঠন কৰিলেগৈ আৰু 'জোনাকী'ক কুটা-ছিঙা-দি এৰি "বিজুলী" নামে নতুন কাকত এখন উলিয়ালে।

'বিজুলী'খন জন্ম হোৱাৰ কাৰণটো কলিকতাৰ অ, ভা, উ, সা, সভাৰ বুৰঞ্জীত এটি কৌতূহলোদ্দীপক ঘটনা। এইবাবে সেই বিষয়ে এইখিনিতে চিনমাত্র উল্লেখ কৰা হ'ল।

সেই যে বুধবাৰে-বুধবাৰে বঙালি বক্তৃতাৰ সভা বহিছিল, তাতে এদিন অকবিৰলগীয়া প্ৰস্তাৱ এটি উত্থাপন কৰা হ'ল। তেতিয়া অসমীয়া ছাত্রই ঠায়ে ঠায়ে মেছ পাতি আছিল। কোনো আছিল আমহাৰ্ষ্ট ষ্ট্ৰীটত, কোনো আছিল সীতাৰাম ঘোষ ষ্ট্ৰীটত, কোনো আছিল মীৰ্জ্জাপুৰ ষ্ট্ৰীটত, কোনো ভৱানীচৰণ দত্ত লেনত, কোনো আকৌ ১৪নং প্ৰতাপচন্দ্ৰ চাটাৰ্জ্জী লেনত।

চাটাৰ্জ্জী লেনত থকা দুজন ছাত্ৰই বিহু-দৃশ্য দেখুৱাই "ডেকা-গাভৰু" নাম দি ধেমেলীয়া নাটিকা এভুখৰি ছপাই উলিয়ায় আৰু 'জোনাকী'ত তাৰ জাননীও দিয়ে। সেই কিতাপৰে কোনোবাই কৰা সমালোচনা এটিও 'জোনাকী'ত ওলায়। সমালোচকে লেখিছিল—"কলিকতাত থকা জনদিয়েক 'শিক্ষিত' অসমীয়াই এনে এটা অশ্লীল আৰু বিহুনামেৰে পৰিপূৰ্ণ কিতাপ অলপো সঙ্কোচ নকৰাকৈ প্ৰকাশ কৰিবলৈ সাহ কৰিলে! * * * তেওঁবিলাকৰ পৰিমাৰ্জ্জিত ৰুচিৰ পাৱত আমাৰ সহস্ৰ প্ৰণাম * * * ।"

সমালোচনাৰ তলত 'জোনাকী'ৰ সম্পাদকে এটি পাদটীকা দি ক'লে "ভাত চৰুৰ এটা পিটিকি চোৱা আহি থটাই লেখকে যেন কলিকতীয়া গোটেইবিলাক অসমীয়া ডেকাৰ সম্পৰ্কে এটা মোটামুটি মত গঢ়ি নলয়, এই আশা। 'জোনাকী'ত জাননী ওলোৱা বাবে আমাৰেসৈতে কিবা সম্বন্ধ আছে বুলি যেন কোনেও নাভাবে।"

সমালোচনাটো প্ৰকাশ কৰিও আওপাকে তাৰ দায়-দোষ গাত নোলোৱা বাবে "ডেকা-গাভৰু"ৰ লেখক দলৰ মনত 'জোনাকী' আৰু সম্পাদকলৈ বৰ কুবাধি ভাব উপজিল।

ইয়াৰ অলপ দিনৰ পাছতে বঙ্গীয়াল চ'ৰাৰ বৈঠক এটি বহিছিল। তাতে সভ্যসকলৰ মাজত এটি কিলিথা লাগিল—

কলিকতা-মেডিকেল কলেজৰ আগত 'পাণৱালী'য়ে "পাণ" (খিলিপাণ) বেচে। সেই পাণৱালীক, তাইৰ ওচৰতে থকা কোনোবা দুৰ্বৃত্তই এদিন অসৎ আচৰণ কৰিছিল।

এইটো কথাকে গইনা লৈ 'জোনাকী'ত ওলোৱা সেই "সমালোচনা"ৰ সমৰ্থক

দলৰ এজনে 'অলপ ৰসিকতা কৰোঁ' বুলি টেটকুটীয়া গোচৰ এটি তৰিলে। সেই-দিনা চ'ৰাখনৰ সভাপতি আছিল 'আসাম-বন্ধু'ৰ সম্পাদক ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা। যথা নিয়মে সভাৰ কাৰ্য্য আৰম্ভ হোৱাৰ পিছত, গুচৰীয়াজনে বৰ ভদ্ৰভাৱে গোচৰটো দাখিল কৰি ইংৰাজীৰে এনেকুৱাকৈয়ে আৰম্ভ কৰিলে,— "মোৰ মোক্কেল পাণৱালী এজনীৰ হৈ মই এই দৰ্খাস্ত পেচ কৰিছোঁ। মোৰ মোক্কেলে মেডিকেল কলেজৰ আগত 'পাণ' বেচে। এদিন তাই 'পাণ' বেচি আছে, এনেতে ওচৰেৰে এজন ভদ্ৰলোকৰ ল'ৰা চলংপলংকৈ আহি তাইৰ গাতে হামখুৰি খাই পৰিলহি। অভিপ্ৰায় সদেই আছিলনে বদেই আছিল, ক'ব নোৱাৰি, কিন্তু পৰিছিল। মোৰ মোক্কেলে গালিশপনি পাৰি কিৰাকিৰি ক'লত, ডেকা ল'ৰাজনে তাইক চৰিয়াই-ভুকুৱাই নগৰ-নাগতি কৰিলে। এই অসৎ আচৰণৰদ্বাৰাই আলিৰ দাঁতিত পাণবেচোঁতা মোৰ বচকী মোক্কেল আইদেউ গৰাকীৰ চৰিত্ৰত কলঙ্ক সনা হৈছে; তাইৰ মান হানি হৈছে, সমাজত হেয় হৈছে আৰু আৰ্থিক-মানসিক কেউপ্ৰকাৰে তাই ক্ষতিগ্ৰস্তা হৈছে। এতিয়া তাৰে ন্যায় বিচাৰৰ নিমিত্তে এই আদালতৰ আশ্ৰয় লোৱা হৈছে। আদালতে বিহিত বিচাৰ কৰি দোষীক দণ্ড দিব লাগে আৰু মোৰ মোক্কেলৰ নিচিনা 'সৎ-চৰিত্ৰ' 'পাণৱালীক' শান্তিৰে বসবাস কৰিবলৈ ভৱিষ্যতে যথোচিত প্ৰতিষেধক ব্যৱস্থা কৰিব লাগে।"

গোচৰৰ কাৰণটো বৰ্ণাই শেষ কৰিবলৈ পাওঁতে-নৌপাওঁতেই "গোঁসাই-ঘৰত কোন, কল খোৱা নাই" বোলাৰ দৰে ১৪নং প্ৰতাপচন্দ্ৰ লেনবাসী এজন জিক্-জিকাই উঠিল, বোলে 'যি হেতুকে দৰ্খাস্তকাৰিণী এজনী সামান্য 'পাণবেচা' তিকতা, ভদ্ৰলোকৰ ওপৰত মানহানিৰ মোকৰ্দ্দমা কৰিবলৈ তাইৰ একো অধিকাৰ নাই। 'পাণৱালী' জনী দুশ্চৰিত্ৰা বুলি সকলোৱে জানে। হাকিমে তেনে মানুহৰ দৰ্খাস্ত গ্ৰহণ কৰা কেতিয়াও উচিত নহয়। যদি হে গ্ৰহণ কৰে তেন্তে দণ্ড বিধি আইনখনকে অপমান কৰা হ'ব। এতেকে পাণৱালীৰ দৰ্খাস্ত অগ্ৰহণীয়।"

তেনেতে গুচৰীয়ানী পক্ষৰ উকীলে আপত্তি তুলিলে বোলে, "বিচাৰৰ নিমিত্তে দৰ্খাস্ত গ্ৰহণ কৰিবই লাগিব। পাণৱালীজনী সামান্য মানুহ সঁচা। তাই দুশ্চৰিত্ৰা বুলি গলাগোপা কৰা হয় সিও সঁচা। তাইৰ নিচিনা মানুহৰ দৰ্খাস্ত লোৱাটো অশোভনীয় বুলি আইনজ্ঞসকলৰ বহুতেই অন্যত্ৰ মত দিছে। কিন্তু

"প্ৰতাপ চাটাৰ্জ্জী" বুলি মেডিকেল কলেজৰ সন্মুখতে এজন সুবিজ্ঞ জজ্ থাকে। তেওঁ আইনৰ খুঁত খাতবোৰ সংশোধন কৰি বহুত উপবিধি ৰচনা কৰিছে আৰু সেইবোৰ সদৌ ভাৰতে গৃহীত হৈছে। সেই উপবিধিৰ ১৪ নম্বৰী ছেদটোৱে কয় যে সামান্য মানুহ হ'লেও, খিলিপাণ বেচা 'পাণৱালী' হলেও, ভদ্ৰলোকৰ ওপৰত মোকৰ্দ্দমা কৰিবলৈ তাইৰ সম্পূৰ্ণ অধিকাৰ আছে—যদি ভদ্ৰলোকজনে কটকাৰ 'গোলাপী নিছা'ত টলংভটং কৰি সেই 'পাণৱালী'ৰ গাত পৰেগৈ। এই উপবিধি বা অনুশাসন কেতিয়াও উলঙ্ঘা কৰিব নোৱাৰি। কৰিব লাগিলে সমাজ, সমাজ শুচি বিহুতলী হ'ব। বাস্তৱিক পক্ষে প্ৰতিবাদীৰ যুক্তি তৰ্কটো এই উপ-বিধিয়েই খণ্ডন কৰিছে। গতিকে গোচৰ সম্পূৰ্ণ ভাৱে গ্ৰহণীয়।"

উকীলৰ তৰ্ক শুনি ১৪নং প্ৰতাপচন্দ্ৰ চাটাৰ্জ্জী লেনত থকা ছাত্ৰ দুজনমানৰ গা বাজি গ'লগৈ। আৰু 'আমাকে পৈতালিবলৈছে এইখন ভেকোভাওনা পতা হৈছে' বুলি উচাটু মাৰি সভাৰপৰা ওলাই গ'ল। সেইদিনাৰপৰাই আৰু বঙ্গালী বক্তৃতাৰ সামৰণি পৰিল। বক্তৃতা হে নালাগে বুধবৰীয়া জলপানবো ভিকাচন ভাগিল।

"ডেকা-গাভৰু"ৰ সমালোচনাই প্ৰতাপ চাটাৰ্জ্জী লেনৰ মেছত থকা লেখক দুজনক যি অপমান দি থৈছিল, সেই অপমানৰ জুইত এতিয়া অ, ভা, উ, সা, সভাৰ 'পাণৱালী-মোকৰ্দ্দমাই' ঘিঁউ ঢালি দিলে। আৰু তাৰে আক্ৰোশ পূৰাবলৈ সেই মেছনিবাসী-সকলে অ, ভা, উ, সা, সভাৰ লগত ফেৰ মাৰি 'আচামীজ লিটাৰেৰী ক্লব' খুলিলে (অসমীয়া সাহিত্য সভা) আৰু ১৮১৩ শকত নীলকণ্ঠ বৰুৱা পাচত পদ্মনাথ বৰুৱা—কৃষ্ণপ্ৰসাদ দুৱৰাৰ সম্পাদনাত 'বিজুলী' কাকত ওলাই গ'ল।

'জোনাকী'য়ে গুণাভিৰাম বৰুৱাৰ আখৰ-যোঁটনি সমৰ্থন কৰা নাছিল, 'বিজুলী'য়েও নকৰিছিল। তথাপি, 'বিজুলী'য়ে বৰুৱাৰ সহযোগ টানি আনিছিল। গুণাভিৰামে 'জোনাকী'লৈ 'সোমাৰ ভ্ৰমণ' আৰু 'অসম-যাত্ৰা' বুলি দুটা প্ৰবন্ধ লেখিছিল। প্ৰবন্ধ দুটাৰ এছোৱা-এছোৱা ওলাল। বাকী কিছোৱা 'জোনাকী'য়ে বিচাৰি নাপালে। 'বিজুলীয়ে' উদ্ধাৰ কৰি ছোৱাদিয়েক প্ৰকাশ কৰিলে। গুণাভিৰামক 'জোনাকী'ৰ প্ৰতি বাম কৰিব পৰা বাবে 'বিজুলী'ৰ অপাৰ আনন্দ।

সেইবুলি, 'বিজুলী' তিনি বছৰ মানতকৈ সৰহদিন জীয়াই থাকিবলৈ

আপালে; কলিকতাবপৰা অৰ্ব্বাচিন হ'বলগীয়া হ'ল। শেষ অৱস্থাত দুৰ্গাধৰ বৰকটকী তাৰ প্ৰকাশক আছিল। চাওঁতা-চলাওঁতাৰ অভাৱত 'জোনাকী' খন যেনেকৈ কলিকতাবপৰা উঠি আহি তাৰ সম্পাদনাৰ ভাৰ সত্যনাথ বৰাৰ হাতত পৰিলহি, "বিজুলী"খনো সেইদৰে তাৰপৰা ঠাই লৰাই ছিলং পৰ্য্যন্ত লক্ষ্মীনাথ শৰ্মা এম্, এৰ আশ্ৰয় লগেহি। তাতে অলপ দিন থাকি "বিজুলীয়ে" আৰু একেবাৰেই বিজুলীয়াবলৈ এৰি দিলে। কেইবছৰমান থাকি 'জোনাকী'ৰ পোহৰো নাইকিয়া হ'ল।

অ, ভা, উ, সা, সভাৰ প্ৰহসনীয় ভাৱনাত নৱযুগৰ সূচনা কৰোঁতা সুসাহিত্যিক সকলৰ মাজত যিটো ফাট মেলিছিল, সেইটো দেখাত পোনেই বেয়া যেন লাগিলেও, পৰিশেষত গিয়েই কালিজ্ৰী ভোমোৰাই উলিওৱা বেণুবনৰ বিন্ধা যেনেই হলগৈ। 'জোনাকী' আৰু বিজুলী'য়ে অবিয়াঅবিকৈ ফুঁক দিয়াত সেই বিন্ধাবপৰা নৱ-জাগৰণৰ ধ্বনি নিনাদিত হ'বলৈ ধৰিলে।

বিনন্দবিলাস সৃষ্টিৰ মূলতে ত্ৰিনিমূৰ্ত্তি থকাৰ দৰেই 'জোনাকী'ৰ মূলতো আছিল তিনি মূৰ্ত্তি যথা:—চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, আৰু হেমচন্দ্ৰ গোস্বামী।

চন্দ্ৰকুমাৰ আছিল নিখুঁত-নিভাজ কবি। সেই কালত কবি বুলিলেই সকলোৱে বুজিছিল, তেওঁ যেন নিৰন্তৰ আকাশৰ মলয়াতে ভ্ৰমি ফুৰে, প্ৰকৃতিৰ মৌকোঁহ চুহি ফুৰাতেই যেন তেওঁৰ দিন ৰাতি পাৰ হৈ যায় আৰু যেন সংসাৰৰ জেঙা জঞ্জালত নোসোমাই অকল সৌন্দৰ্য্যকে তেওঁ উপাসনাকে কৰি থাকে। কিন্তু কি আচৰিত, চন্দ্ৰকুমাৰ কবি আছিল যদিও, তেওঁ ভাল অনা ব্যৱসায়ীও। সাধাৰণতে ব্যৱসায়ী বুদ্ধি আৰু কবি-প্ৰতিভা তেলপানীৰ দৰে অমিল হৈয়েই থাকে, কিন্তু চন্দ্ৰকুমাৰ আগৰৱালাৰ গাত এই দুয়োটা গুণ সমানে মিলি আছিল। "খাবে খোৱা" অসমীয়া গ্ৰাহকৰ অনুগ্ৰহত ভিত্তি থাকিব নোৱাৰে বুলি জানিও তেওঁ মৰসাহ দি 'জোনাকী' উলিয়াইছিল, আৰু পৰবৰ্ত্তী জীৱনতো কাকত এখন আজীৱন কাল চলাই যাব পাৰিছিল।

অ, ভা, উ, সা, সভা আৰু 'জোনাকী'ৰ কেউপিনে আগ-পাছ চাওঁতা খাই গুৰিয়াল আছিল লক্ষ্মীনাথ বেজবৰুৱা। ১ম সংখ্যা 'জোনাকী'ত এওঁৰ 'লিটিকাই' নাটৰ এছোৱা ওলায়। ১৮৯৪ চনৰ জানুৱাৰী মাহৰ প্ৰথম দিনা অ, ভা, উ, সা, সভাৰ বিশেষ নিয়মীয়া অধিবেশন বহে তাতে বেজবৰুৱাই 'অসমীয়া ভাষা'

সম্বন্ধে প্ৰথম বক্তৃতা আৰম্ভ কৰে। সেই বক্তৃতা ইমান দীঘল আছিল যে বাৰটা অধিবেশনতো শেষ কৰিব পৰা নহ'ল। যি অৱশেষ থাকিল তাৰ ছটা বক্তৃতা মথুৰামোহন বৰুৱা-সম্পাদিত 'আসাম বন্তি' আৰু তেওঁৰে সম্পাদিত 'এডভকেট্ অৱ্ আসাম'ত প্ৰকাশিত হ'ল। এইকিটা বক্তৃতাত যিখিনি এৰা পৰি গৈছিল তাকো আকৌ পিছত সময়োপযোগী কৰি বেজবৰুৱাৰ নিজা 'বাঁহী'ত 'থাপি সাক্ষি' থোৱা হ'ল। অ, ভা, উ, সা, সভাই তেতিয়া অসম দেশ আৰু অসমীয়া ভাষা সাহিত্যৰ তুংখাং বা বিজয় ডঙ্কা বজাই সাত শতুৰুক শুনাবলৈ ওলাইছে; দাৰ্শনিক, বৈজ্ঞানিক, ঐতিহাসিক আৰু ভাষা-তত্ত্বৰ যুক্তি প্ৰমাণেৰে অসমীয়া ভাষা স্বকীয়া বুলি প্ৰতিপন্ন কৰিবলৈ ওলাইছে; তাত যদি কেনেবাকৈ পিছল খাবলৈ হ'ল তেন্তে ইকুলো গ'ল সিকুলো গ'ল; অসমীয়া বুলি নিজকো ঠাৱৰাব নোৱাৰিলে, আগলৈকো নিজৰ ঠাইখন হেৰাল। এনে বুদ্ধি হেৰোৱা দিনত, চালেৰাৰেকোবোৱা, কাণত-নোসোমোৱা শব্দেৰে চেলেংপেতেং ভাৱে কোৱা কথাবোৰ সকলোৱে গ্ৰহণ নকৰিবও পাৰে। এইগুণে, বক্তৃতাবিলাক দিয়াৰ আগেয়েই লিখি লোৱা হৈছিল। সময়ৰ শব্দ-মধাত বেজবৰুৱা আছিল অদ্বিতীয়। 'কৃপাবৰী সাহিত্য'ৰ জনক বেজবৰুৱা। বেজবৰুৱাৰ প্ৰত্যেক লেখাতে পোৱা যায়—শব্দ-সম্পদেৰে অসমীয়া ভাষা কিমান চহকী তাক দেখুৱাবলৈকে যেন একোটা শব্দ বা যোজোনা-পটন্তৰ ভেটিতে প্ৰবন্ধ একোটিইতৰ ৰথপোহাৰখন মেলি দিয়া হৈছে। এওঁ কৰিও।

হেমচন্দ্ৰ গোস্বামীও তেনেই লেহেৰা বিধৰ কবি নাছিল। তেওঁৰ কবি—'ফুলৰ চাকি'য়েই তাৰ সাক্ষী। অসম-বুৰঞ্জীৰ আত্মাটো তেৱেঁই বাহিৰলৈ উলিয়ালে বুলি ক'লেও বঢ়াই কোৱা নহয়। অসমীয়া ভাষাটো যে স্বতন্ত্ৰ আৰু অতি পুৰণি তাক পদে প্ৰমাণে দেখুৱাই থাকোঁতেই তেওঁৰ জীৱনৰ যৱনিকা পৰিল।

এই ত্ৰিমূৰ্ত্তিৰ কাষত থকা পাৰিষদবৰ্গও বহি থকা নাছিল; তেওঁবিলাকেও একালে পদা ঘূৰাই আছিল আৰু ইফালে মাতৃভাষাৰ থাপনালৈ শক্তি অনুসৰি আঁজলিয়ে আঁজলিয়ে অৰিহণাৰ পুষ্পাঞ্জলি পেলাই আছিল। কোনেও কাৰো মুখলৈ চাই থকা নাছিল। তাৰে কেইগৰাকীমানৰ নাম বিশেষভাৱে উল্লেখযোগ্য। 'এলাহে ভাগৰে অচেতন হৈ পৰি থকা' অসমীয়া জাতিক পুৰণি গৌৰৱ সোঁৱৰাবলৈ কনকলাল বৰুৱাই আগবঢ়ালে 'আমাৰ দেশৰ মুৰুব্বী আৰু বিবিধ শিল্পোন্নতি বিষয়ক প্ৰবন্ধ, স্বদেশপ্ৰেমৰ কটিকা জুৱালে অগ্নিকবি কমলাকান্ত

ভট্টাচাৰ্য্যই ; আবদুল মজিদে সংগ্ৰহ কৰিলে যোজোনা-পটন্তৰ ; বেণুধৰ ৰাজ-খোৱাই তলে-তলে নাট লিখিলে, অসমীয়া ভাষাৰ ওপৰত বিদেশী ভাষাবিদ-সকলৰ মতামত গোটাই ছপালে ; আনন্দচন্দ্ৰ আগৰৱালাই ইংৰাজী কবিতাৰ সুন্দৰ ভাঙনীৰে মান ধৰি নাম পালে 'ভাঙনী কোৱঁৰ' ; দুৰ্গাপ্ৰসাদ দত্তই "মহৰ্ষি," "নিগ্ৰো" ধেমেলীয়া নাট, কবিতাৰ পুথি "উজুপাঠ" আদি ৰচনা কৰিলে ; পদ্মনাথ (গোহাঁঞি) বৰুৱাই, কবিতা-উপন্যাস, জীৱন-চৰিত আৰু নানা প্ৰকাৰৰ উপচাৰ ভেঁটিলে ; সত্যনাথ বৰাই গান, কবিতা, অতুৱা-ৰচনা আৰু হাঁহি ধেমালিৰ বহুবিধ মৌলিক সমল যুগুতাই দিলে ; লম্বোদৰ বৰাই আথৰ-জোঁটনি আৰু সোণাৰাম চৌধুৰীয়ে বুৰঞ্জী তথ্যৰ সমালোচনা সম্ভাৰ যাচিলে। "ওলাই দেখিবা যাক, শত্ৰু নাভাবিবা তাক" - এনে ওলায়েই দেখা পৰ্ব্বতীয়া ওচৰচুবুৰীয়াবিলাকৰ কথা আগেয়ে আমি কোনেও জনা নাছিলো বা জানিবলৈ ইচ্ছাও নাছিল, কিন্তু প্ৰেমধৰ চলিহায়েই জয়ে জয়ে তেওঁবিলাকৰ আদি বৃত্তান্ত আমাক জনাই দিলে। আৰু কাৰো চকু নপৰাত, সেইবিলাক এতিয়াও থাপনাৰ কাষতে পৰি ভেঁকুৰা লাগি আছে।

যি চাম ছাত্ৰই নৱন্যাস যুগৰ আৰিয়া ধৰি আছিল, সেই চাম ছাত্ৰই শিক্ষা সাং কৰি ঘৰৰ ল'ৰা ঘৰলৈ উলটিল। অ, ভা, উ, সা, সভা আৰু 'জোনাকী'ৰ লাইখুঁটা ৰমাকান্ত বৰকাকতী আৰু লক্ষ্মীনাথ বেজবৰুৱা কলিকতাতে থাকিল। পাচৰ চাম ছাত্ৰই তেখেতসকলতেই আঁউজিবলৈ ধৰিলে।

পুৰণি চাম ছাত্ৰ অসমলৈ গুচি অহাত, অ, ভা, উ, সা, সভাৰ কাৰ্য্যকলাপ কলিকতাত যদিও অলপ শিথিল হৈ আহিছিল তথাপি কলিকতীয়া উৎসাহ উদ্দীপনাই অসমলৈ হনা লোৱাত অ, ভা, উ, সাৰ কাৰ্য্যকলাপ অসমত ব্যাপকভাৱে প্ৰচাৰ হ'বলৈ হে ধৰিলে। ঠায়ে ঠায়ে সেই সভাৰ ঠাল-ঠেঙুলি ৰোপন কৰা হ'ল। কহিমাত কলে লম্বোদৰ বৰা-পদ্মনাথ বৰুৱাই ; তেজ-পুৰত ডালিম চন্দ্ৰ বৰা-তাৰিণীচৰণ ভট্টাচাৰ্য্যই ; ডিব্ৰুগড়ত শিৱৰাম শৰ্ম্মা-দীননাথ দত্তই ; শিৱসাগৰত গুণানন বৰুৱা-উপেন্দ্ৰ শৰ্ম্মাই ; নগাৱঁত ৰত্নধৰ বৰুৱা-চন্দ্ৰধৰ বৰুৱাই ; গোলাঘাটত ঘনশ্যাম বৰুৱা—কৃষ্ণপ্ৰসাদ দুৱৰা-জগৎচন্দ্ৰ গোস্বামীয়ে ; বৰপেটাত লোহিত নাৰকে ; গুৱালপাৰত হৰিপ্ৰসাদ নাথ-প্ৰসন্ন ঘোষে ; যোৰহাটত যজ্ঞোৰাম নেওগ—বিনন্দিচন্দ্ৰ ফুকনে, আৰু গুৱাহাটীত কলে সত্যনাথ বৰা আৰু কৃষ্ণচন্দ্ৰ চৌধাৰীয়ে।

"আমাৰ সকলো আছিল, সকলো আছে"—এই কথাকে হৃদিগত কৰি, এই সকলে বুথাই ফুৰিছিল ; অকল সভা পাতি প্ৰস্তাৱ গ্ৰহণ কৰা, কাৰ্য্য-বিৱৰণী লেখিয়েই যে ক্ষান্ত আছিল এনে নহয়, গা-মন, হাত-মূৰ কেউটাকে একেলগে খটুৱাই আছিল অসমীয়া ভাষাৰ নতুন যুগ প্ৰৱৰ্ত্তনত। ৰৰঘৰত লখিমী থুন্দ্‌ খাই আছে, লোকৰপৰা ধাৰ কৰি অনা পিঠা-গুৰিৰে কিয় ৰৰসবাহ পাতিম" এইটোৱেই আছিল সিসকলৰ আঁকোৰগোজালিকৈ লাগিথকা মনৰ ভাব। এই কেৰা অহঙ্কাৰ বা গৌৰৱৰ অধিকাৰী হ'ব পৰা বাবেই এই আগৰণুৱাসকলে বিদেশী সাহিত্যৰ জীণ নিয়াৰ নোৱৰা শব্দবাজিকো লনদন কৰি নিজৰ ক্ষেত্ৰত তুলি লব পাৰিছিল ; সাংসাৰিক জঞ্জালৰ এশ এবুৰি নাগপাশত বান্ধ খাই থাকিও হাতৰ কাপ এৰা নাছিল ; লেখিয়েই আছিল ; লেখিয়েই আছিল ; লেখিছিল বুলি আকৌ মনৰ টোপোলা বান্ধিম বুলি নহয়—অসমীয়া জাতিটোৰ উন্নতি হওক বুলি হে।

"আগে মৰিমূৰ মই-সক ভাব, পাছে প্ৰতিষ্ঠা জাতীয়তা"—জাতীয় উন্নতিৰ সিংহদুৱাৰ মাতৃভাষাৰ নিমিত্তে এইটি মূল মন্ত্ৰকে বুকুত বান্ধি, কলিকতা-অসমীয়া-ভাষা-উন্নতি সাধিনী সভাই পৰাধীনতাৰ নিকাৰ ভুঞ্জিও, ৰি-ৰি উপায়েৰে অসমীয়া ভাষাত নতুন জীৱনী শক্তিৰ সঞ্চাৰ কৰিলে, স্বাধীনোত্তৰ যুগত আনন্দত উল্লাসিত আমিও এতিয়া সেই উপায়েৰে মাতৃভাষাৰ আগত পৰি থকা বাৰবুৰি হেঙ্গাৰ ভাঙি-ছিঙি দলিয়াই পেলাব লাগিব। বুৰঞ্জীৰ ঘটনাসমূহ ঘূৰি-ঘূৰি হৈয়ে থাকে। বুৰঞ্জীত যিটো, সাহিত্যতো সেইটোৱেই—কাৰো একো ভিন্নপৰ নাই। অ, ভা, উ, সা, সভাই নব অভ্যুত্থানৰ যিটো যুগ সৃষ্টি কৰিলে তেনেকুৱা এটা যুগৰ আগন্তুকে আকৌ দেখা দিছেহি। দিছেহি কি দিলেহিয়েই। চুচুক চামাককৈ আমাৰ সাহিত্যৰ মজিয়াত জাবৰ-জোঁথৰ সোমালেহিয়েই। সেইবোৰ সাৰি গুচাই নেপেলালে আমাৰ ভাষা যে ঠিহিৰা লাগিবই নে, জাতীয় গৌৰৱৰো চিনছাপ নথকা হৰগৈ। গতিকে, অ, ভা, উ, সা, সভাৰ সাৰথিসকলৰ পদাঙ্ক অনুসৰণ নকৰিলে আমাৰ গত্যন্তৰ নাই।

অ, ভা, উ, সা, সভাৰ এগৰাকী বৰ উৎসাহী সাহিত্যানুৰাগী সভ্য আছিল ।ক্ষেত্ৰৰ নেওগ। ১৮৮৯-৯০ চনত জেনদিয়েক ছাত্ৰ ৬২নং সীতাৰাম ঘোষ ষ্টীটৰ "মেছ" এটাত আছিল। নেওগে তেওঁবিলাকৰ দৈনিক কাৰ্য্যকলাপ বিষয়ে

এটি হাঁহিউঠা পদ্য লেখিছিল। সেইটিতে সিসকলৰ বাহ্যিক স্বভাব-চৰিত্র কিছু আৰু সাহিত্য-অনুৰাগৰ আভাস এটি পোৱা যায়। প্ৰবন্ধটিৰ লগত ৰখিতা খোৱা দেখি, পাঠকসকলৰ আমোদাৰ্থে ইয়াকো তুলি দিয়া হল।

১। ৰজনীকান্ত বৰদলৈ (গুৱাহাটী)[১]

প্ৰথম বাৰটি ছবিৰ গেলেৰী
তিনটি মেৰিড্ যুৱাৰ বাস[২]
ৰজনী দলই বি-এ পাছ কৰা
সকলো কামতে মন উদাস,
উটটাই দিলে যেই-সেই কাম
লগতাই ধৰি কৰিব পাৰে ;
টোপনি আহিলে নানা স্বপ্ন দেখি
ইংৰাজী লেকছাৰ বেগেৰে আৰে।

২। বিনন্দিচন্দ্ৰ ফুকন (যোৰহাট)[৩]

বিনন্দি ফুকন খোৱাত পাৰ্গত
জুনা ধৰি ধৰি মাখন কটি ;
নিউমেন আদি যত কোম্পানীৰ
গোটাইছে ভাল-ভাল কেটেলগ পুথি।

৩। হেমচন্দ্ৰ গোস্বামী (গোলাঘাট)

হেম গোস্বামীৰ কিবা গুণ গাম
দিগম্বৰ বেশ বাতিত ধৰে
কোনোটো কামতে ভবাচিন্তা নাই
উপস্থিত মাত্ৰে আগ্ৰহে কৰে।
মুখৰ জোৰ নাই কোনে ভাগ পায়
হাৰিও নেহাৰে উত্তৰত ওস্তা
"পেট" আদি কৰি কবিতাক লেখি
কবি ডিপাৰ্টমেণ্টত হইছে বস্তা।
দুখী আসামৰ "বাইৰণ" তেওঁ
সকলো ঠাইতে 'পয়েট্ৰি' দেখে
বাতি হলে আহি গুঁৰি-গুঁৰি
সুন্দৰ সুন্দৰ কবিতা লেখে।

৪। ঘাবিকেশ্বৰ শৰ্মা (শিৱসাগৰ)

দ্বিতীয় বসন্ত দেখে ঘাবিকাক
খলাল বাপুটী বাওনা নৰ
সকলো কথাতে "বিয়াকিৰ পাৰে
নাইকিয়া তেওঁৰ গুণৰ ওৰ।

(১) অসমীয়া ভাষাৰ "উপন্যাস-সম্ৰাট"।
(২) বিনন্দীচন্দ্ৰ ফুকন, হেমচন্দ্ৰ গোস্বামী।
(৩) বিনন্দীচন্দ্ৰ ফুকনে যোৰহাটত ৺গোপাল বৰুৱাৰে সৈতে গোৰপ্ৰথম ছপাশাল পাতে আৰু তাৰ নাম দিয়ে "বৰ্ণা প্ৰেছ"।

৫। তীৰ্থনাথ কাকতী (শিৱসাগৰ)

একেটি বয়সে তীৰ্থ কাকতীও
মহা আনন্দত কৰিছে বাস
হাবিকাৰ কথা শুনি মাজে মাজে
তুলিছে মৃদুল মধুৰ হাস

কাৰত 'চলিত্' লৰচৰ নাই
বেমাৰ হলেও কিতাপ মেলে
"ত্ৰিগনমেট্ৰিৰ' 'এলজেবৰাক'
ঘূৰাই ঘূৰাই ঘূৰাই কৰে।

৬। লক্ষ্মীপ্ৰসাদ বৰুৱা (গুৱাহাটী)

কম তৃতীয়ত লখিমী প্ৰচাদ
"বড়ুৱাই" পুথি আনন্দে পঢ়ে

পেটটি টেকেলি বুলি বহুলোকে
সদায় ঠাট্টা বিদ্ৰূপ কৰে।

৭। বিষ্ণুপ্ৰসাদ আগৰৱালা (তেজপুৰ)[১]

বিষ্ণু বোপাটিও চতুৰ্থ বয়ত
আনন্দ মনেৰে কৰে বিৰাজ
মেছ বেনেজাৰী ফুটবল আদি
সদায় শিকিছে আপোন কাজ।

তেওঁৰ গুণৰ পৰিচয় দিওঁ
"উইট হিউমৰ" অকণো নাই
গমিপিটি চালে অনায়াসে আমি
বুলিব পাৰোঁ ব্লাইণ্টৰ ভাই।

৮। চন্দ্ৰকুমাৰ বৰুৱা (নগাওঁ)[২]

সেই বয়সতেই চন্দ্ৰকুমাৰ
বৰুৱাই পাতি আপোন খাত
লোহয়-হয় আদি কথা কই
আনন্দে কৰিছে দিনৰ পাত।

বাহিৰে দেখোতে সক লথা বেন
ভিতৰত কিন্তু টেঙৰ বৰ
দহ বাজিলেই ভাত কেটা খাই
কন্দোকলৈ দিয়ে বেগেৰে লৰ।

৯। কৃষ্ণকুমাৰ বৰুৱা (যোৰহাট) আৰু ঘনশ্যাম বৰুৱা (গোলাঘাট)

পঞ্চম কোঠাত দুইটি বৰুৱা
এলচাইক্লপেডীয়া ব্ৰিটেনিকা

বিষয়ে বিচাৰা সকলোকে পাৰা
দুইটি সকলো বিষয়ে পকা।

---

(১) স্বৰ্গীয় হৰিবিলাস আগৰৱালাৰ বৰ পুত্ৰ।
(২) এওঁ কঁহিয়া হাইস্কুলত শিক্ষক আছিল।

১০। যজ্ঞেশ্বৰ শৰ্ম্মা মেওগ (যোৰহাট)

কুঠৰী বৰ্ত্তত দেখা যজ্ঞেশ্বৰ
শৰ্ম্মাই বহি ভাবিছে কিবা
কেঁৰা চকু দুটা বেগেৰে ঘূৰাইছে
কাৰোবাৰ কিবা কৰিব চাবা।

১১। হৰকান্ত চৌধাৰী (কামৰূপ)

সপ্তম কোঠাত হৰকান্ত বাপা
নিৰীহ মনেৰে সোমাই আছে
লোকে যেনা দেখে মনে ভাবি তেওঁ
মিছাত নেথায় লোকৰ কালে।

১২। চন্দ্ৰকমল বেজবৰুৱা (যোৰহাট; হিন্দুস্কুলৰ ছাত্ৰ)

অষ্টম ৰুমত চন্দ্ৰকমলে
আনন্দ মনেৰে কটাইছে কাল
ভেবা গপাবাম নিমিত্তে তেওঁৰ
কোনোটো কামতে নেথাকে আউল।

১৩। কমলনাথ চৌধাৰী (কৰৰা, কামৰূপ)

সেই কোঠাতেই কম চৌধাৰী
মেট্ৰপলিটান কলেজে পঢ়ে
দুই ঘণ্টামান ৰাতি থাকোঁতেই
ধপাতক আহি হুঁপিব ধৰে।

১৪। লক্ষেশ্বৰ শৰ্ম্মা (যোৰহাট)

সেইটি ৰুমতে লক্ষীপতি শৰ্ম্মা
একে লগতেই কৰিছে বাস
সংস্কৃত বিদ্যাত এফ এ, অসমীয়া
একনেও নোৱাৰে চাপিব কাষ।

১৫। লক্ষীনাথ বেজবৰুৱা (শিবসাগৰ)

ওপৰত দেখা বেজবৰুৱাই
যত্ন কৰি আজি মমৰ বাঁতি
বি এ পৰীক্ষাটি দিবৰ নিমিত্তে (১৮৯০)
একান্ত মনেৰে থপিছে বাতি।
দেখোতে গপাল লোকটিক দেখি
কিন্তু প্ৰকৃতত নহয় তেনে
কামত গহীন লেখাত পাৰ্গত
হাঁহি সুধি হাঁহি তোলাব জানে।

১৬। কমলচন্দ্ৰ শৰ্ম্মা (গোলাঘাট) *

কমল শৰ্ম্মা সেই কুঠৰীতে
গোটাইটি লোক ইংৰাজীময়
ইংৰাজী পঢ়ন ইংৰাজী শয়ন
সকলো কথাতে ইংৰাজী কয়।
ইংৰাজৰ দৰে চাৰিবাৰ খায়
চাহ ব্যঞ্জন মাখন কটি
সোমালে 'প্ৰিভিত' বুৰিলেও ইফালে
বেগেৰে নোৱাৰে আহিব উঠি।[১]

---

* এওঁ ইংৰাজীৰে বৰ শুৱলা আৰু সৰ্গৰীয়াকৈ বক্তৃতা দিব পাৰিছিল। ভাৰত-বিখ্যাত বাগ্মীবৰ সুৰেন্দ্ৰনাথ বানাৰ্জীয়ে কৈছিল "Some day, you will take my place."

(১) এই মেছতে কনকলাল বৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালাও মাহমিয়েক আছিল। সীতাৰাম ঘোষ ষ্ট্ৰীটৰপৰা যোৱা ছাত্ৰ ৬৭নং মীৰ্জ্জাপুৰ ষ্ট্ৰীটৰ মেছতো-ভাৰেমান আছিল।

লক্ষ্মীনাথ বেজবৰুৱা



৺চন্দ্ৰকুমাৰ আগৰৱালা

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা

তৰ্পণ

১৮৫৯ শকৰ চ'তৰ ১২ দিন যাওঁতে, শনিবাৰে, অসমীয়া ভাব-ৰাজ্যৰ অধীশ্বৰ অসমীয়া ভাষাৰ দ্যুতি পুৰন্দৰ শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাই ইহলীলা সম্বৰণ কৰি সেই কোনোবা লোকলৈ গতি কৰিলে—যি লোকত তেওঁৰ 'অভিন্ন হৃদয়' চন্দ্ৰকুমাৰ, "গোসাঁই" হেমচন্দ্ৰ, "ৰৰমইনা" প্ৰেমধৰ চলিহা, "হৰিভকত" কমলাকান্ত ভট্টাচাৰ্য্য, "কাপ্তান" উমেশচন্দ্ৰ, "বৰউকীল" ঘনশ্যাম বৰুৱা প্ৰভৃতিয়ে তেওঁক আদৰি নিবলৈ আগবেপৰা অপেক্ষা কৰি আছিল।

পৰম ধাৰ্ম্মিক, সাধু পুৰুষ ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ দৰেই পুত্ৰেক পৰম বৈষ্ণৱ লক্ষ্মীনাথেও লুইতৰ বালিপানীৰে গঢ়া সজাটি গৌৰীপুৰে ব্ৰহ্মমুহূৰ্ত্ততে আকৌ লুইতৰ বুকুতে থাপি থৈ গুচি গল।

আমাক এৰি থৈ তেওঁৰ জীউটি যদি ভূলোকৰ ধূলি-কণা হলগৈ, তেন্তে তাৰে এটি ধূলিকণা বুটলি লৈ

টুপিকৈ চকুলো টুকি
দুখতে কান্দিম
শোকতে হাঁহিম
লক্ষ্মীনাথ যোৱাটো ফাঁকি।"

যদি হে আমাক এৰি, বেজবৰুৱাৰ পৰমাত্মাই দ্যুলোকলৈ গতি কৰিছে, তেন্তে যেতিয়া এজাৰ নিজাৰ পৰিব, লুইতত কঁহুৱা ফুলিব, ফাঁহত গছত কুঁহিপাত ওলাব, মলয়া-মাধাই-চন্দনে সুবাস বিলাব, ন-জগতত নতুন সৃষ্টিৰ আৰম্ভ হ'ব তেতিয়া আমাক......

"কেতেকী চৰায়ে উৰি কৈয়ে যাব
শুনা অসমীয়া শুনা—
তোমাৰ লক্ষ্মীনাথ, তোমাতেই আছে
প্ৰাণাৰামত ভালকৈ চিনা।

যদি হে তেওঁৰ প্ৰাণ ৰলোকলৈ প্ৰয়াণ কৰিছে, গোকুলৰপৰা গোপীসকলৰ সোণমণি শ্ৰীকৃষ্ণক পলুৱাই নিয়াৰ পিছত গোপীসকলে—

"এ প্ৰাণ হৰি, গৈলা এৰি"

বুলি যেনেকৈ বিলাপ কৰিছিল, আমিও এতিয়া তেনেকৈ নিতৌ সন্ধিয়া পৰত—সপ্তৰ্ষি মণ্ডললৈ চাই—

'মৰি গৈ সোণ সৌ
তৰা এটি হ'ল হে
তৰা এটি হ'ল'

বুলি আমাৰ বিচেষ্টা প্ৰাণত সান্ত্বনা লাভ কৰিম।

জীৱনটো যে কি এটা ফাঁকি!—এই আছে এই নাই। লক্ষ্মীনাথ বেজবৰুৱ সেইদৰে আছেও নাইও—

'যেন জোকে তৃণ পাইলে,
এৰে আউৰ বন
জীৱন মৰণ স্বপ্ন
ই (তিনি) নোহে ভিন্'।

বেজবৰুৱা-স্মৃতিৰ মৌ-সৰা কথা*

কলিকতাখন বঙালীৰে ভৰপূৰ নহলেও, হাওড়াখন নিগুটি বঙালীপেই ঠাহ খোৱা। তাত "বাঙ্গাল" নাই। প্ৰায় এটাইবিলাকেই "বাঙ্গালী"। তাৰ মাজতে সোমাই আছিল, অসমীয়া বীৰধনঞ্জয় লক্ষ্মীনাথ বেজবৰুৱা। ২২নং ৰ'জমেৰী লেনত আছিল অসমীয়া ভাষা-প্ৰেমৰ সদাগৰ বেজবৰুৱা আৰু তাৰ মুৰত, ২৭নং ডব্‌ছন ৰ'ডত আছিল বৈষয়িক ঐশ্বৰ্য্যৰ সদাগৰ ভোলানাথ বৰুৱা। এই দুগৰাকী অসমীয়া প্ৰাণীৰ বাহিৰে হাওড়াত সকলোৰে চকুত-পৰা অসমীয়া আৰু আন নাছিল। দুয়ো গৰাকীয়েই মহৰ শিঙত কঁকিলা-দাঁৰ মাৰি ফুৰিছিল। বঙালীৰ নামজলা এনে এটা অনুষ্ঠান নাছিল, য'ত বি বৰুৱাৰ (ভোলানাথ বৰুৱাৰ)

---

* ভঁৰালৰ জপাখান মৰণা মাৰি মাইকিয়া কৰাৰ পাছত ধানৰ খোকৰপৰা ছিৰোৰ ধান ভঁড়াল-চাঙত সৰি পৰি থাকে সেইবোৰক বোলে মৌ-সৰা।

সহযোগ-সহানুভূতি বঙালীৰে বৰ মূল্যবান বুলি নভবাকৈ নোৱাৰিছিল। সেই-দৰে, কৰিংকুটা জোনাকৰ নিচিনা বেজবৰুৱা-প্ৰতিভাৰ পোহৰো বঙালীৰ সুধী সমাজে নোলোৱাকৈ নাছিল। বিদ্বান-বুদ্ধিমান বঙালীপ্ৰধান হাওড়াতে তেওঁ অনাবেৰী মেজিষ্ট্ৰেটো হৈছিল। মেজিষ্ট্ৰেটৰ আসনত বহি বেজবৰুৱাই দিয়া ৰায় বা সিদ্ধান্তবোৰ উচ্চ কৰ্তৃপক্ষসকলে যে শলাগিছিলেই নে, বঙালীৰদ্বাৰাই সম্পাদিত "ইণ্ডিয়ান মিৰৰ" "বেঙ্গলীয়ে"ও শলাগিছিল।

• • • •

১৯১৬ চনত, মোৰ অন্তৰঙ্গ বন্ধু ৺বন্ধুকান্ত বৰকাকতীদেৱেসৈতে হেৰিছন ৰ'ডৰ (আজিকালি মহাত্মা গান্ধী ৰ'ড) ট্ৰামত উঠি, বেজবৰুৱাক দৰ্শন কৰিবলৈ হাওড়ালৈ গৈছোঁ। কলেজ-ষ্ট্ৰীট পাৰ হওঁতে-নৌ-হওঁতেই দুজন শ্ৰীমন্ত বঙালী আমি বহা বেঞ্চখনৰ সমুখতে গুৰিকঁঠাল-পৰাদি খপৰ কৰে "বহি পৰিলহি।" আমাৰ দুয়োৰে কথা-বতৰাবোৰ ভদ্ৰলোক দুজনে নিটাল মাৰি শুনি আছিল। অলপ পিছতে তেওঁবিলাকৰ স্বাভাৱিক মৌনতা ভঙ্গ কৰি আমাক কলৈ যায় বুলি সুধিলে আৰু সুধিলে, আমি আসামৰপৰা আহিছোঁ নে কি বুলি। আমি কলোঁ, হাওড়ালৈ যাওঁ—তাৰ পিছত বুকু ফিন্দাই অলপ টানি কলোঁ, "আমি আসামৰপৰা অহা নহয়; আমি অসমীয়াহে।' সেই দিনত আমাৰ মুখত অসমীয়া শব্দটো অচমীয়াৰূপে উচ্চাৰিত হৈছিল। কিন্তু, বঙালী কিজনে সোধাত অসমীয়া শব্দটোৰ স আখৰটোৰ বিকৃত উচ্চাৰণ নকৰি স বুলিয়েই কলোঁ। স বোলা শুনি তেওঁবিলাকৰ এজনে "অহমীয়া" বুলি দোহাৰি বঙলাৰে "শুধৰাই" দ'লে। আমি তেতিয়া ভাঙি ব্যাখ্যা কৰি দিলোঁ" সৰ উচ্চাৰণ "হ" নহয়। ইয়াৰ প্ৰকৃত উচ্চাৰণটো বৈদিক যুগত যেনে আছিল অসমীয়া মানুহে এতিয়াও তেনেকৈয়ে কৰি আহিছে। সেই কাৰণে, আমি অতি পুৰণি জাতি বুলি "দাবী" কৰোঁ। আমাৰ ইংৰাজী আৰু ভকৰা বঙলা মিহলাই কোৱা কথা শুনি ভদ্ৰলোক দুজনৰ মুখৰ বৰণ অলপ সলনি হোৱা যেন দেখিলোঁ।

অলপমান বেলি বৈ থাকি এজনে আকৌ সুধিলে, "আপোনালোকে লক্ষ্মীনাথ বেজবৰুৱাক চিনি পায় নে?"

"ভেখেতৰ তালৈকে আহিছোঁৱেই।" এই বুলি ক'বলৈহে পালোঁ, তেওঁবিলাক দুয়ো মুখখনৈত বিকটাবিকটি কৰি ঘৃণাসূচক মন্তব্য কৰিবলৈ ধৰিলে, "বেজবৰুৱা ব্ৰাহ্মণ নয়, সে ম্লেচ্ছ। সে ব্ৰাহ্ম মেয়ে বিয়ে কৰেছে। তাঁৰ

আবাৰ "বাঁশৰী" না কি একটি পত্রিকা আছে, তাতে সে বাঙালীকে গাল দেয়। সে একটা পাষণ্ড।" এইবোৰ গুৱাল-গালি পৰাৰ পিছত, হয়ুমন্তই নিজৰ মুখৰ অগনি নিজেই মুমুৰাৰ দৰে সেই বিৰেৰৰ জুইকুৰা এইবুলি কৈ কোমাজনেই আকৌ মুমুৰাইও পেলালে, "সে বেটা বৰ বুদ্ধিমান! হাওড়ায় সে একজন অনাৰেৰী ম্যাজিষ্ট্রেটও ছিলেন।" আমিও চল পাই চুঙা চাই এই বুলি সোপা এটা দিলোঁ—(অৱশ্যে আধাডুখৰীয়া বঙলাৰে) বুদ্ধিমান নহলে নো ঠাকুৰ পৰিয়ালৰ নিচিনা সম্ভ্ৰান্ত বংশৰ জীয়াৰীৰ পাণি বেজবৰুৱালৈ আগ বঢ়ায় নে? হাওড়াৰ অধিবাসী বঙালীতকৈও অসমীয়া লক্ষ্মীনাথৰ বুদ্ধি প্ৰতিভা যে শ্ৰেষ্ঠ, তাক তেওঁ অনাৰেৰী মেজিষ্ট্ৰেট পদ পোৱাটোৱেই প্ৰতিপন্ন নকৰে নে? আৰু কলোঁইক বোলো "বাঁহী"য়ে (বাঁশৰী) কেতিয়াও গালি পৰা নাই। বেজবৰুৱাৰ ঘৰৰ ল'ৰা লক্ষ্মীনাথে আপোনালোকৰ নিচিনা ভাবাতঙ্কগ্ৰস্ত ৰোগীৰ ৰোগ উপশম কৰিবলৈ "বাঁহী"ত বড়ি হে বাঁটে (বটিকা তৈৰী কৰে)।

* * * *

দ্বাৰকানাথ ঠাকুৰৰ গলীত থকা ঠাকুৰ পৰিয়ালৰ ঘৰত বছৰি আদি-ব্ৰাহ্ম-সমাজৰ মহোৎসৱ পাতে। সেই উৎসৱত যোগ দিবলৈ পোৱাটো বৰ ডাঙৰ কথা। কাৰণ, যেই-সেই লাপিলুপা মানুহক তালৈ নিমন্ত্ৰণ কৰা নহয়। যাৰ বংশ-গৌৰৱ আছে, যাৰ বিদ্যাবুদ্ধি আছে আৰু যাৰ অৰ্থসম্পদ আছে তেনে মানুহক হে তালৈ নিমন্ত্ৰণ কৰা হয়। আমাৰ কৰি ৺যতীন্দ্ৰনাথ দুৱৰাৰে-সৈতে ঠাকুৰপৰিয়ালৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। কলিকতাপ্ৰবাসী অসমীয়া মানুহলৈ ৺দুৱৰাৰ যোগেদিয়েই প্ৰায়েই নিমন্ত্ৰণ-পত্ৰ দিয়া হয়। একপ্ৰকাৰ হয় ৰঙা কাৰ্ডত আৰু একপ্ৰকাৰ হয় বগা কাৰ্ডত। ৰঙা কাৰ্ড পোৱাবিলাকে তলত অৰ্থাৎ চোঁতালত (প্ৰাঙ্গণত) বহিব লাগে আৰু বগা পোৱাবিলাকে ওপৰ মহলত স্থান পায়। হাইক'ৰ্টৰ জজ, জমিদাৰ, বেৰিষ্টাৰ আদি উচ্চপদাধিকাৰী, প্ৰতিপত্তিশালী নিমন্ত্ৰিত সকল ওপৰ-মহলতেই বহে; সেইসকলৰ লগতে আমাৰ বেজবৰুৱা ডাঙৰীয়াও।

আমি কেবাজনো গৈছোঁ, হাতত ৰঙা কাৰ্ড লৈ সেই চোঁতালৰ সমাজতে বহিবলৈ। মোৰ বাহিৰে, কেবাজনৰ ভিতৰত এই কিজনো আছিল—তেজপুৰৰ কুশাগ্ৰবুদ্ধিসম্পন্ন লক্ষীধৰ শৰ্মা, শিৱসাগৰৰ শ্ৰেণীৰ অসমীয়া সংস্কৰণ কাৰ্ত্তিকোপম ৺ভগৱতীপ্ৰসাদ বৰুৱা আৰু গোলাঘাটৰ ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱা মন্ত্ৰী

ডাঙৰীয়াৰ মাজিউ পুতেক লাজকুৰীয়া ব্যক্তি ৺গিৰীন্দ্ৰনাথ বৰুৱা। ওপৰ আওলাৰ (বাৰাণ্ডাৰ) পৰা আমাক দেখা মাত্ৰকে বেজবৰুৱাই সমাজৰ মাজৰ পৰা উঠি আহি আমাক ওপৰলৈ লৈ গ'ল আৰু তাত বহি থকা বিদ্বানসকলৰ আগত আমাক চিনাকি কৰি দি ক'লে, "এই কিজন মোৰ দেশৰ ডেকা। জলত কিয় বহিব? এতিয়া একোটোপা চাহ দিয়াহঁক।" বেজবৰুৱাৰ মুখৰপৰা কথাষাৰ ওলাল কি, বিজুলীলতা সদৃশ বৰুৱা কামিনীৰ চাহ দিবলৈ উধপ্‌থপ্ লাগিল কি? তেতিয়া বেজবৰুৱাৰ ৰং চাই কোনে?

* * * *

বঙ্গদেশৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ লগত অসমীয়াৰ বৈবাহিক সম্বন্ধ ঘটাটো 'জোনাকী'যুগৰ সাহিত্যিক সকলৰ জীৱনত হোৱা এটা ডাঙৰ ঘটনা। বি সময়ত ওচৰচুবুৰীয়া বঙ্গীয় ভ্ৰমণকাৰী জনদিয়েকে অসমীয়াক পৰ্ব্বতীয়া নিগনি বুলি হাঁহিছিল; অসমীয়াৰ জমিদাৰ নাই, অসমীয়াৰ পণ্ডিত নাই বুলি কোনো কোনো সঙ্কীৰ্ণমনা বঙালীয়ে অসমীয়া মানুহক অৱজ্ঞাৰ চকুৰে চাইছিল, সেই সময়ত বিদুষী মহিলা প্ৰজ্ঞাসুন্দৰী দেৱীৰ লগত লক্ষ্মীনাথ বেজবৰুৱাৰ বৈবাহিক সম্বন্ধ ঘটাটো সঁচাকৈয়ে লেখত লবলগীয়া ঘটনা। ঠাকুৰ পৰিয়াল আদি-ব্ৰাহ্মসমাজভুক্ত। সেই সমাজৰ ছোৱালী বিয়া দিবলৈ হ'লে পাত্ৰৰ তিনটি কথা পোন-প্ৰথমে চাই লোৱা নিয়ম। প্ৰথম, দৰাটি উচ্চবংশৰ ব্ৰাহ্মণ হ'ব লাগিব—তেহেলৈ তেওঁ যেই প্ৰদেশৰেই নহওক। দ্বিতীয়, তেওঁ দেখিবলৈ নিপোটল, সুশ্ৰ, সুশ্ৰী হ'ব লাগিব। তৃতীয়, তেওঁৰ সাংসাৰিক অৱস্থা স্বচ্ছল হ'ব লাগিব—অন্ততঃ বিত্ত-বিভূতিত মজলীয়া থাপতকৈ ওপৰৰ হ'ব লাগিব।

প্ৰজ্ঞাসুন্দৰী দেৱী যে ঠাকুৰ পৰিয়ালত ৰূপে-গুণে, বিজাই-বুদ্ধিয়ে জিলিকি আছে বেজবৰুৱাইতে এই কথাৰ পোনপ্ৰথমে শু পায় বৈকুণ্ঠনাথ দত্ত বুলি এজন মুদ্ৰাকৰৰ মুখে। অ'ড বৈঠকখানাৰ লে'ন এটাত থাকি গুণাভিৰাম বৰুৱাই পোনেই বেতিয়া আৰ্মেনীয়াম ষ্ট্ৰীটত থকা ঠাকুৰ পৰিয়ালৰ ছপাখানা এটাত "আসাম বুৰঞ্জী" ছপায়, তেতিয়াৰপৰাই অসমীয়া "মেছলৈ" বৈকুণ্ঠনাথৰ আহ-যাহ আছিল। পাছত, বৰুৱা ডাঙৰীয়া নগাওঁত থাকিব লগীয়া হোৱাত, সেই ছপাখানাতে ছপোৱা "আসাম বন্ধুৰ" আহিকাকত ওধযোৱা হৈছিল বৰুৱাৰ বৈঠকখানাৰ ঘৰত থকা অসমীয়া ছাত্ৰৰ হতুৱাই। কেতিয়াবা-কেতিয়াবা ৰায়বাহাদুৰ বৰুৱাও সেই ঘৰতে থাকেগৈ। সি যি কি নহওক, ৰায়বাহাদুৰ

গুণাভিৰাম বৰুৱাৰ লগত লেন্-দেন্ থকা-বাবেই মুদ্ৰাকৰ বৈকুণ্ঠনাথ "আসাম বন্ধুৰ" আহিকাকত পৰ্হোঁতা চন্দ্ৰকুমাৰ আগৰৱালা (এখেত আৰ্মেনীয়ান ষ্ট্ৰীটতে আছিল), হেমচন্দ্ৰ গোস্বামী আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ লগত ভাঠ চিনাকি হয়। সেই চিনাকিয়েই পিছত গুৰগুৰিয়া মেল আৰু মেলৰ পিছতেই অসমীয়া-বঙালী প্ৰণয়-পাশত আৱদ্ধ হোৱা অভিনয়ৰ প্ৰথম সূত্ৰপাত হয়।

বৈকুণ্ঠই জয়ে-জয়ে "ঘটকালি" কৰি চন্দ্ৰকুমাৰৰ লগতে প্ৰজ্ঞাসুন্দৰীৰ জোৰাটো পাতিছিল। কিন্তু, আদি-ব্ৰাহ্মসমাজৰ ১ম দফা বিবাহনিয়ম খটুৱাৰ নোৱৰাত বিয়াৰ জোৰাটো নাছিল। তাৰ পাছৰ বাছনিত পৰিল হেমচন্দ্ৰ গোস্বামী। কিন্তু, তেওঁ অসমীয়া হিন্দুৰ সামাজিক নিয়ম উলঙ্ঘা কৰিব নোৱৰাত বৈকুণ্ঠৰ প্ৰস্তাৱ পিছলি পৰিল। কোনো গুণে চেৰপেলাব নোৱৰা সেই তিনিজন কন্দৰ্পসদৃশ ডেকাৰ ভিতৰত বৈকুণ্ঠনাথৰ শেষ নিৰ্ব্বাছন পৰিলগৈ লক্ষ্মীনাথ বেজবৰুৱাৰ ওপৰত। বেজবৰুৱা ব্ৰাহ্মণ, উচ্চশিক্ষিত, শৰীৰত অকণকে ঘূণ নোহোৱা; কথা-বতৰা, খোজ-কাটল, আদানপ্ৰদান সকলোতে ডাঙৰীয়াৰৰ পূৰ্ণ নিদৰ্শন; দেউতাক দীননাথ বেজবৰুৱা ডেপুটী মেজিষ্ট্ৰেট। বিপুৱা (ঘটক) বৈকুণ্ঠনাথে বিবাহৰ পূৰ্ব্বৰাগ ৰঞ্জিত কৰিবলৈ কালিন্দ্ৰী ভোমোৰাৰ দৰে বিবিধ প্ৰকাৰে ভাও দিব লগীয়া হৈছিল। সি যি কি নহওক, অৱশেষত বেজবৰুৱায়েই প্ৰজ্ঞাসুন্দৰীৰ প্ৰণয়-পাশত বান্ধ খালেগৈ। বিয়া পাতোতে চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী দৰাধৰা হৈছিল আৰু এই অপূৰ্ব্ব মিলনত সিসকল দুয়োজনে প্ৰাণমন ঢালি সহায় কৰিছিল। কিন্তু, বিয়া হৈ যোৱাৰ কেইবছৰ মানৰ পিছত, বেজবৰুৱাই হেম গোসাঁইলৈ এখন চিঠিত লিখিছিল, "গোসাঁই, বিয়াৰ মুণ্ডিটো কল্পনাত হে চাবলৈ ভাল। হাতত পৰিলত, সেই মুণ্ডিটি দেখোন চীনা বাচনৰ দৰে ঠুনুকা যেন লাগিছে।"

* * * *

ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা এবাৰ কাশীত তীৰ্থ কৰিবলৈ গৈছিল। অসংখ্য তীৰ্থযাত্ৰীৰ মাজতে এদিন এজন নগণ্য অসমীয়া তীৰ্থযাত্ৰীয়ে তেওঁৰ ভৰিত ধৰি সুধিলে, "দেউতা নো কাহানি আহিল?" বিদেশত অসমীয়া মাত শুনি বৰুৱা ডাঙৰীয়া চক খাই গ'ল আৰু মাতৃভাষাৰ মোহত পৰি সেই মানুহজনক তেখেতে ততালিকে সৰা মাৰি ধৰিলে।* নগাৰত হোৱা হ'লে সেই নগণ্য

* গুণাভিৰামৰ এনেকুৱা কথা বহুত আছে।

মানুহজনে ৰায়বাহাদুৰৰ চৰণত ধৰা হে নেলাগে দৰ্শন পাবলৈকে সাদিন-সাত ৰাতি থাপ দিব লাগিলহেতেন। মাতৃভাষালৈ মৰম থাকিলে হে মাতৃভূমিৰ মানুহলৈ মৰম লাগে। এই কথাকে বেজবৰুৱা ডাঙৰীয়াই তেওঁৰ ওচৰলৈ যোৱা অসমীয়া ল'ৰাক সদাই কৈছিল। ৰৰকাকতীকো মোকো কৈছিল। গুণাভিৰামৰ "হেৰি"-প্রেমৰ কথাও কৈছিল।

* * * *

একোটা বাক্য বা খণ্ডবাক্য কঁহিয়াই চালেই জাতিগত বৈশিষ্ট্যটি আপোনা-আপুনি ওলাই পৰে। অসমীয়া-বঙালীৰ পাৰ্থক্যটোও সেইদৰে সাধাৰণ কথা একোটাতে ধৰা পৰে।

ৰ'দ টান হ'লে অসমীয়া মানুহে কয় 'টিকাফট ৰ'দ' আৰু বঙালীয়ে কয় "কাঠফাটা রোদ"। এদিন "লৰেলুছ"-অত (বেজবৰুৱা থকা ঘৰটোৰ নাম) এজন বঙালী ভদ্রলোকে অসমীয়াক এলেহুৱা বোলোতে বেজবৰুৱাই এই দৰে খণ্ডবাক্য এটাকে কৈ মুখি থৈছিল, "বঙালীবিলাক সঁচাকৈয়ে বনুৱা হয়! কিয় নো, তেওঁলোকে ৰ'দ টান হ'লে পিৰালিতে বহি দুৱাৰ মুখৰ গছ নো ফাটিছেনে নাই, চাই থাকিব। ৰ'দৰ তাপত গছৰ গা ফাটি গলেই, "বাপ্‌ৰে বাপ, কী কাঠ ফাটা রোদ" বুলি টিকা জঁপিয়াই উঠিব। আৰু অসমীয়াই কৰিব কি? তেওঁ-লোকে ৰ'দ-বৰষুণলৈ ভ্রূক্ষেপ নকৰি পথাৰত কোৰ মাৰিয়েই থাকিব। যেতিয়া চুৰিয়াৰ তলেদি ৰ'দৰ তাপ ভেদি টিকাত ধৰিবগৈ তেতিয়া হে তেওঁলোকৰ গম হয় ৰ'দ টান হৈছে বুলি। তেতিয়া হে 'টিকা ফটা ৰদ' বুলি তেওঁলোকে কোৰৰ নাল এৰিব। এতেকে, এলেহুৱা নো কোন, অসমীয়া নে বঙালী 'টিকাফটা ৰ'দ—'কাঠফাটা রোদ'ৰ অৰ্থটো কৰিলেই ওলাই পৰে দেখোন।"

* * * *

নিতাই-নিমাইপন্থী আওবঙালী হাওড়াবাসীৰ মাজত মহাপুৰুষীয়া আও-অসমীয়া বেজবৰুৱা ডাঙৰীয়াই অকলৈ অকলৈ শঙ্কৰ-মাধৱৰ তিথিত ভোৰতাল বজাই প্রসঙ্গীয়া নাম গাই ৰ'জমেৰী লে'নৰ দাঁতিয়ে-কাষে থকা কুঞ্জবনবোৰত অসমীয়া নামৰ ৰস আমঠু সৰকি যোৱাকৈ বোৱাই পঠিয়াইছিল। তাকে দেখি অসমীয়া ৰাজ্য আক্রমণকাৰী বঙালীবিলাক বিচুৰ্তি খাইছিল আৰু আপোন-পাহৰি বঙ্গলুৱা খলত উঁটি-বুৰি ফুৰোঁতা অসমীয়া ডেকাবিলাক তবধ লাগিছিল।

* * * *

ঘনশ্যাম বৰুৱা, ৰমাকান্ত বৰকাকতী, ৰত্নধৰ বৰুৱা আৰু গুণানন্দ বৰুৱাই “ভ্ৰমৰঙ্গ” নাটখন লেখি উলিয়াই বেজবৰুৱাক চাবলৈ দিছিল। ‘কলিমনৰ’ বচনবোৰ তেওঁ নকৈ লেখি, সেই বচন পোনেই-লেখোঁতাজনক (ৰত্নধৰ বৰুৱা) ‘কলিমনৰ’ ভাওদিয়াই কোৱাই চাইছিল। পাটুৱাতোলা লেনত ‘ভ্ৰমৰঙ্গ’ নাট মেলোতে থিয়েটৰ চাবলৈ বহুত বঙালী ভদ্ৰলোক আৰু জেনাৰেল এচেম্ব্লীজ ইন্‌ষ্টিটিউচনৰ ইওৰপীয় প্ৰিন্সিপেল ছাহাব আৰু অধ্যাপক সকলো আহিছিল। কলিমনৰ ভাওভঙ্গি আৰু বেজবৰুৱাই হাতফুৰাই দিয়া বচন-বয়ান শুনি দৰ্শকৰ হাঁহি-গিৰ্জ্জনিত ৪৫নং পাটুৱাতোলা লেনৰ ঘৰটো উৰি-যাওঁ-উৰি যাওঁ হৈছিল। সঁচাকৈ, ‘ভ্ৰমৰঙ্গ’ নাট লেখকৰ ভিতৰত বেজবৰুৱাকো ধৰিব পাৰি।

* * * *

শিৱসাগৰত অসম-সাহিত্য সভা। বেজবৰুৱা ডাঙৰীয়াক আমন্ত্ৰণ কৰি অনা হৈছে সাহিত্যসভাৰদ্বাৰাই অসমীয়া জাতিৰ সম্বৰ্দ্ধনা জনাবলৈ। শিৱসাগৰ-বৈছনৰপৰা ঢোলে-খোলে, গায়নে-বায়নে তেখেতক সমদলে আগবঢ়াই আনি শিৱসাগৰ ৰৰপুখুৰী পাৰতে অৱস্থান কৰিবলৈ দিয়া হ’ল। তাতে এজনে সাত-সেৰা কৰি বেজবৰুৱাক এখনি বুৰঞ্জী পুথি ভেঁটী দিছিলহি। সেই ভেঁটী গ্ৰহণ কৰি তেওঁ ইয়াকে ক’লে, “তোমালোক নো আৰু কিমান দিন, পেনৃপেনীয়া মৌ হৈ থাকিবা? হাঁহিবলৈ শিকাচোন।”

* * * *

Trio অৰ্থাৎ ত্ৰিমূৰ্ত্তি নহ’লে সংসাৰত একো কামকে নিয়াৰিকৈ কৰিব নোৱাৰি। তিনটা উপান হ’লে হে ধান বহাব পাৰি। সৃষ্টিৰ গুৰিতো সেই তিনি মূৰ্ত্তি—ব্ৰহ্মা, বিষ্ণু, রুদ্ৰ। তিনিজন পুৰুষে গুৰি ধৰাত হে তিনি কোণীয়া ভাৰতবৰ্ষত কংগ্ৰেছৰ জয়জয়াকাৰ হ’ল। অসমীয়া ভাষা ঠন্ ধৰোৱাৰ গুৰিতো তিনিজন পুৰুষেই—চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী আৰু লক্ষ্মীনাথ বেজবৰুৱা। রুদ্ৰমূৰ্ত্তিৰ প্ৰতীকেই হ’ল বেজবৰুৱা।

* * * *

১৯২০ চনৰ ডিচেম্বৰ মাহত নাগপুৰত সৰ্ব্ব ভাৰত-ছাত্ৰসম্মিলনী বহিছিল। তালৈকে শ্ৰীতৰুণকুমাৰ ভট্টাচাৰ্য্য, শ্ৰীশশীধৰ বৰুৱা, শ্ৰীইন্দ্ৰনাথ কাকতী, শ্ৰীইন্দ্ৰনাথ ভট্টাচাৰ্য্য প্ৰভৃতি কেইজনো অসমৰ ছাত্ৰ-প্ৰতিনিধি গৈ কলিকতাত যুৰাভিমান

খপি আছিল। সেই ছেগতে তেওঁবিলাকে হাওড়াত বেজবৰুৱা ডাঙৰীয়াক-চাবলৈ ওলাল। তৰুণ ভট্ট যাব নোৱাৰিলে; কলেজ স্কোৱাৰত বঙালী ছাত্ৰ-সম্মিলনত বক্তৃতা দিবলৈ গ'ল। এইখিনিতে ভট্টৰ কথা এবাৰ অপ্ৰাসঙ্গিক হলেও কৈ থোৱা উচিত। সেই বঙালী ছাত্ৰসভাত সকলোৱে বঙলাবেই বক্তৃতা দিছিল। কিন্তু ভট্টাচাৰ্য্যই দিলে ইংৰাজীৰে। বক্তৃতা শুনি শ্ৰোতাসকল মুগ্ধ হ'ল। তেওঁ যে লক্ষ্মীনাথ বেজবৰুৱাৰ "বংশধৰ"ৰ মানুহ, পাছত শুনি, জনদিয়েক বঙালী ভদ্ৰলোকে কোৱাকুই কৰিছিল "বেজবৰুৱা-দেশৰ আসামীৰা বুদ্ধিমান বটে।"

* * * *

মহাত্মাৰ অসহযোগ আন্দোলনত কলিকতা চহৰ চাৰিফালে-পাঁচ ফাল। সকলোৰে মুখে মুখে কেৱল "অসহযোগৰ কথা"। অসমীয়া ছাত্ৰকেইজনক লগত লৈ আগৰেপৰা কলিকতাত থকা আৰু দুজনমান ছাত্ৰ বেজবৰুৱাৰ ওচৰ পালেগৈ। বেজবৰুৱাই ছাত্ৰকিজনক নাগপুৰলৈ যোৱাৰ কথা শুনি পাছত কলেগৈ, "বুইছা, তোমালোকে অসহযোগত ধৰিব পাৰিবা। কিন্তু, যেতিয়ালৈকে এই জাতিটো (—) থাকিব, তেতিয়ালৈকে তোমালোকে উদ্‌গতি কৰিব নোৱাৰাইক। যি জাতিৰ ন-টি আখৰৰ অভাৱ সেই জাতিয়ে কি অসহযোগ সাধনা কৰিব।" এই বুলি কৈ তেওঁ হাতৰ আঙুলি-পাব ধৰি এটা এটাকৈ আখৰ মাতি গল CHARACTER—(চৰিত্ৰ)।

পোন-প্ৰথম সাহিত্যিক পেঞ্চনাৰ
পদ্মনাথ গোহাঞি বৰুৱা

অসমীয়া ভাষাৰ সমকালিক একনিষ্ঠ সেৱক দুজনক দুতি-পুৰন্দৰ বোলা হৈছিল; তাৰে এজন ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা আৰু ইজন জয়ে-জয়ে সাহিত্যিক পেঞ্চনপাওঁতা পদ্মনাথ গোহাঞি বৰুৱা। ছাত্ৰাৱস্থাত লৰা-ছোৱালীয়ে বেজবৰুৱাৰ নাম বৰকৈ শুনা নাছিল; পদ্ম বৰুৱাক হলে প্ৰায় সকলোৱেই জানিছিল। কিয় নো, বেজবৰুৱাৰ এখন পুথিও পঢ়াশলীয়া পাঠ্য হোৱা নাছিল, গোহাঞি বৰুৱাৰ কিন্তু এখন নহয় এখন পুথি পাঠ্যৰূপে পঢ়াশালিত চলিছিলেই। গতিকে, লৰাৰ আগবয়সত বেজবৰুৱাতকৈ গোহাঞি বৰুৱাৰ সম্পৰ্কটো বেচি ঘৰুৱা আছিল। তেজপুৰৰ লীলা এজেঞ্চীৰদ্বাৰাই প্ৰকাশিত গোহাঞি বৰুৱাৰ যেই-সেই এখন কিতাপৰ বেটুপাতৰ পিঠিত তেওঁখেতৰ কিতাপৰ তালিকাখন দিবলৈ কথমপি হে ঠায়ে জুৰিছিল। কিতাপৰ ভিতৰত, আমাৰ আৰু আমাৰ আগে-পাচে চামে চামে পৰিযোৱা আৰু উঠিঅহা ছাত্ৰৰ ভাগ্যগুণে স্কুল-হাইস্কুলত ২০।২৫ বছৰমান একে লেঠাৰীয়ে "নীতিশিক্ষা" আৰু "আসামৰ বুৰঞ্জীখন" পঢ়িবলৈ পোৱা হৈছিল। সেই বুলি, পদ্ম বৰুৱাৰ "গাওঁবুঢ়া" "জুৰণি" "লীলাকাব্য" "লাহৰী" "ভানুমতী" আদিও যে মনে মনে নপঢ়াকৈ থকা হৈছিল এনেও নহয়। এইবোৰো পঢ়া হৈছিল। পোনেই সেই কিতাপবিলাকৰ ভিতৰৰ বিষয়-বস্তুতকৈ বাহিৰৰ বিতোপন ছবি আৰু জিলমিলনিয়ে হে আমাৰ মন বৰকৈ আকৰ্ষণ কৰিছিল। ভাঙি কবলৈ হ'লে, প্ৰায়বিলাকৰে বেটুপাতৰ ধুনীয়া বাহ্নছাট, আটোমটোকাৰিকৈ সজোৱা আখৰৰ (টাইপ) থাক, বাছকবনীয়া বিশেষণেৰে গঁথা উচৰ্গা পত্ৰখনইতে আমাৰ চকুত বৰকৈ লাগিছিল। আটাইতকৈ ভাল পাইছিলোঁ, তেওঁৰ বেলেগ-বেলেগ বয়সত বেলেগ-বেলেগ সাজপাৰেৰে তোলা, কিতাপটোইত-লেখা-সময়-নিৰ্দেশক বেলেগ-বেলেগ পোহৰ-ছবিবোৰ চাই। কোনোখনত দেখিব ভাবুক পদ্মনাথ উপন্যাস লিখাত আটক-ধুনীয়াটি হৈ

আছে, কোনোখনত পাব সংসাৰ-বিৰাগী বিবহ-বলীয়া কবি পদ্মনাথৰ জীৱন চুলিবোৰ আউলি-জাউলি হৈ আছে, কোনোখনত আকৌ বিভমান থাওকৰ বুঢ়াগোহাঞিৰ ৰক্তৰীজৰ সন্তান পদ্মনাথ ৰূপে—মূৰত টোকনীয়া পাগ বান্ধি সাইলাখ বুঢ়াগোহাঞি ডাঙৰীয়াৰ দৰেই থমথমকৈ বহি আছে। আৰু এখনত দেখিব নিখুঁত-নিমজ ইউৰপীয় পোছাকত, যেন লৰাকালতে কৰা "জকৰ চাহাব হম ইবাৰ মৰিলে" প্ৰতিজ্ঞাপূৰণৰ ভঙ্গী। বিদেশী চৰ্কাৰৰ আগত অসমৰ ন্যায্য দাবী জনাবলৈ যাওঁতে আকৌ দেখিব—চাহাবী হলেও শিৰত্ৰাণ অসমীয়া পাগুৰি।

লাহে-লাহে আমাৰো সোঁ-বয়স পালেহি, গোহাঞিবৰুৱাৰ বয়সো ভাটী দিলে। তেওঁৰ কোনো-কোনো কিতাপৰ ৩।৪ তাঙৰণ হৈ গ'ল, তথাপি তেতিয়াও দেখিব, সেই ১৯ বছৰীয়া ডেকা কঁহকঁহীয়া পদ্মনাথ বৰুৱাৰ তেল-পৰি-পিছলা বিতোপন চিত্ৰপটখন। কিতাপৰ আখৰ অসমীয়া হলেও ছবিৰ তলত লিখা আখৰ কেইটি ইংৰাজী—Padmanath Gohain Barooah in his teens (১৯ বছৰ বয়সত পদ্মনাথ গোহাঞি বৰুৱা)। ভাটী বয়সত ৰচনা কৰা গ্ৰন্থৰাজিত গোহাঞি বৰুৱা বিৰাজ কৰিছে—তত্বান্বেষী, ধৰ্মজ্ঞানী, গুৰু ভক্ত-ৰূপে। কিছুমান কিতাপত আৰু এটা বিশেষৰ আমাৰ চকুত পৰিছিল। সেইটো হৈছে তেওঁৰ নামৰ আগে-পাছে তেতিয়ালৈকে পোৱা ৰাজহুৱা-বজাৰৰীয়া ৰাব-বিষয় পদ-উপপদ এটাইবোৰকে কুঁকিটো যেনকৈ সজাই কিতাপৰ কাঁড় পাতত (টাইটেল পেজত) মেলি দিয়া। সেইখিনি পঢ়ি বোৱাৰ লগে লগেই পদ্ম বৰুৱাৰ প্ৰতি অজানিতে আমাৰ মনত এটি শ্ৰদ্ধাৰ ছাপ পৰি গৈছিল। আজিকোপতি সেই ছাপ মোহাৰ খোৱা নাই আৰু নেথাৱও।

গোহাঞিবৰুৱা উপাধিটো পদ্মনাথৰ অকল ৰকীয়েই নহয়, একপ্ৰকাৰ ৰন্থুও। ১৯১৪ চনত শিৱসাগৰৰ কোৰবপুৰত আহোম-বংশাৱলীৰ সবাহ এটা পতা হৈছিল। তাতে আহোমসকলৰ প্ৰত্যেকটো বংশৰে উপাধিৰ খাঁতি গুৰি বুৰঞ্জীৰ যোগেই প্ৰমাণিত আৰু জীৱিত ডাঙৰীয়াসকলৰ যোগেই-অনুমোদিত কৰাই লোৱা হয়। সেই সময়ত আহোম-সভাৰ সভাপতি আছিল ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ ভাবেক শিৱনাথ দোলাকষীয়া বৰুৱা নাওবৈচা ফুকনৰ নাতি জীৰ্যেশ্বৰ বুঢ়াগোহাঁই (ৰাজি গোহাঁই) ডাঙৰীয়া। মৰাণ-বৰুৱাৰ পদ্মনাথ যে মৰাণ-সঁগে নহয়,

থাওকক বুঢ়াগোহাঞিৰ হে সন্ততি, এই সত্যটো ৰবপকৈ সেই সভাতে নিৰ্ণীত হয় আৰু তেতিয়াৰপৰাই পদ্মনাথে "বৰুৱাৰ" আগত্তে "গোহাঞি" আখৰ কিটা দি উপাধিটো পকাকৈ প্ৰতিপন্ন কৰি পেলায়। যথাৰ্থ-বৰুৱা খেলৰ বা বংশৰ এটাইবিলাকেই যদিও থাওককৰপৰা বঢ়া, তথাপি গোহাঞি বৰুৱা উপাধিটো সন্তালনিকৈ চলোৱা বাবে পদ্মনাথবেই স্বকীয় উপাধি হোৱাদি হ'ল। বুঢ়াগোহাঞি থাওকক বীৰ্য্যৰপৰা বঢ়া বুলি পদ্মনাথ বৰুৱা গৌৰৱত আপ্লুত হৈ ফুৰিছিল। সেই হে গোহাঞি বৰুৱা বুলিলে পদ্মনাথ গোহাঞি বৰুৱাৰ উপাধিটোলৈ হে বিশেষকৈ মনত পৰে। গতিকে, ই আগৰেপৰা আছিল যদিও পদ্মনাথৰ নিজা সৃষ্টি বুলি কলে সত্যৰপৰা অলপো আঁতৰি যোৱা নহয়।

বুৰঞ্জী আৰু বংশাৱলী ঘাটি-ঘুটি গোহাঞিবৰুৱা উপাধিটো উলিয়াৰ ৰাজনীতিক কাৰণ এটাও আছিল। তেতিয়া ৰাজবংশৰ হলেও যেই-সেই আহোমেই আহোম বুলি গৱৰ্ণমেণ্টৰ ঘৰত কোনো বিষয়বাব দাবী কৰিব নোৱাৰিছিল। আহোম হলেও, হয় তেওঁ "আহোমৰ ভিতৰৰ কুহুম" হব লাগিব, নহয়, সাতঘৰীয়া আহোমৰ হব লাগিব"। সাম্প্ৰদায়িক ভেটিত যেতিয়া পাটশাহৰ অঙহী-বঙহী বুলি বৃটিচ চৰকাৰে সদ্বংশৰ মোচলমানক উচ্চ পদ দিবলৈ স্থিৰ কৰিলে, পদ্মনাথে তেতিয়া আমাৰ ছশ বছৰীয়া ৰাজপাট অধিকাৰী আহোম-বঙহৰ প্ৰাপ্য দাবী আগ বঢ়ালে। এই দাবীৰ যৌক্তিকতা প্ৰমাণ কৰিবলৈকে বংশাৱলী সগ্ৰহ আৰু উপাধি উদঘাটনৰ বিশেষ আৱশ্যক হৈছিল। গোহাঞিবৰুৱা ডাঙৰীয়াৰ সাঁচতীয়া কয়নাটি বংশাৱলী-সবাহৰ যোগেদিয়েই ফুলাই তুলিলে। অনতিপলমে বৃটিচ চৰকাৰৰদ্বাৰা আহোমৰ দাবী পূৰণ কৰা হল।

বৃটিছ-আমোলত অনেকেই অসমীয়া সাহিত্য চৰ্চ্চা কৰিছিল আৰু অনেকেই আকাঙ্ক্ষা অনুসৰি সুখ্যাতিও লাভ কৰিছিল। কিন্তু কোনেও বিদেশী চৰ্কাৰৰপৰা মন পুতি সাহিত্যসেৱাত লাগি থকা বাবে পেঞ্চন বা বৃত্তি পোৱা নাছিল। পদ্মনাথ বৰুৱাই হে তেনেকুৱা পেঞ্চনটি পোনপ্ৰথমেই লাভ কৰে। পেঞ্চনটোৰ এটা বিশেষত্ব আছিল। সেইটো হৈছে, সেই পেঞ্চন প্ৰাদেশিক বা ভাৰত গৱৰ্ণমেণ্টৰপৰা দিয়া নহৈছিল। দিয়া হৈছিল লৰ্ড মৰ্লীৰ পৰামৰ্শমতে "ত'ৰ বৃটিছ পাৰ্লিয়ামেণ্টৰপৰা।" বৃটিছ চৰ্কাৰৰদ্বাৰাই সম্মানিত হোৱাত বৰুৱা ডাঙৰীয়াই গৌৰৱ অনুভৱ কৰিছিল। কথাই-কথাই গোহাঞি বৰুৱা ডাঙৰীয়াই উৎফুল্ল হৈ কৈছিল "হব পাৰে ·মোৰ পেঞ্চনৰ টকা মাহে মুঠেই ২৫৲ টকাকৈ,

সেইবুলি ই উলামূলা নহয়। এ পেঞ্চন ত'ৰ বিলাতৰ পাৰ্লিয়েমেণ্ট সভাৰ-দ্বাৰাই মঞ্জুৰ হৈ অহা। কিন্তু এটা লিখিয়েই প্ৰাদেশিক চৰকাৰৰপৰা পোৱা পেঞ্চন নহয়।”

পদ্মনাথ বৰুৱা সাদিনীয়া বাতৰি কাকত “আসাম বন্তি” (পাছত “অসম বন্তি” আৰু “বন্তি”) আৰু মাহেকীয়া সাহিত্যালোচনী কাকত “উষা”ৰ সম্পাদক আছিল। আমি হাই-স্কুলৰ তলৰ শ্ৰেণীত পঢ়োঁতে “বন্তিখন” উবাই-ঘূৰাই পঢ়িছিলোঁ। তেতিয়া ‘বন্তি’ আছিল ১২ পিঠীয়া ফুলস্কেপ আকাৰৰ। কাগজো আছিল মিহি, আখৰো ফটফটীয়া। মাজ ভাগতে ডবল ক্ৰাউন কাগজ এখনতো ছপা হৈছিল। “বন্তিত” ৰাজনীতি-সংক্ৰান্ত বিষয়কেই যে অকল আলোচনা কৰা হৈছিল এনে নহয়, গাৱঁলীয়া অভাৱ-অভিযোগৰ বা-বাতৰিৰ লগতে তামশিলৰ কলি পাঠো প্ৰকাশ কৰা হৈছিল। সেই সময়ত ৰজাঘৰে-প্ৰজাঘৰে সেই খনেই হে আছিল অসমীয়া ভাষাৰে লিখা একমাত্ৰ বাতৰি কাকত। গাঁৱে-ভূঞে, ইয়াৰ ইমান গ্ৰাহক আছিল যে সকলোৱে “হিতবাদী” “বঙ্গবাসী”. “সঞ্জীৱনী” কাগজকো ‘বন্তি’ বুলি হে কৈছিল। কিন্তু কবলৈ দুখ লাগে “বন্তিৰ” সম্পাদকীয় নীতি অলপ লৰচৰ হোৱাত আশীৰ্ব্বাদীয়া হ'ল অৰ্থাৎ গ্ৰাহকে বৰগুনি নিদিয়া হ'ল। তথাপি পদ্মনাথে মৰিবৰ দিনালৈকে তেওঁৰ “তেজৰ শলিতাৰেই” “বন্তিখন” জ্বলাই আছিল। “বন্তিৰ” দৰেই “উষাতো” ন লিখকক যিমান পাৰে সিমান উৎসাহ দিছিল। সঁচাসচিকৈ কবলৈ হলে, “উষা” উলিয়াই তেওঁ এচাম সাহিত্যিকক নিজহাতে গঢ়িলে। “উষাৰ” সম্পাদকৰ শৰাইখনি আটোম-টোকাৰিকৈ সজাই বিষয় চাই সম্পাদকীয় মতামত আগ বঢ়াইছিল। প্ৰথম তিনি বছৰলৈকে “উষাৰ” লিখকবৰ্গৰ ভিতৰত জোনাকী-যুগীয়া পৈণত সাহিত্যিক সকলেই আছিল। “উষাৰ” আটাইতকৈ ডাঙৰ দান হেমচন্দ্ৰ গোস্বামীৰ সেই “শৰাইঘাটৰ যুদ্ধ” বোলা প্ৰবন্ধটো। ‘উষাৰ’ সম্পাদক পদ্মনাথ নোহোৱা হলে, হেমচন্দ্ৰ গোস্বামীৰ কাপৰপৰা সেই হেন গ্ৰেৱণামূলক প্ৰবন্ধ কিজানি নোলালেইহেতেন। লক্ষ্মীনাথ বেজবৰুৱাৰ ৰূপাৱলী প্ৰবন্ধ— এংলো-ইণ্ডিয়ান, বয়কট, ভাৰত-উদ্ধাৰ প্ৰভৃতি বেওচনীয়া ৰাজনীতিমূলক আলোচনায়ো “উষাৰ” সৰবৰহিতা বৃদ্ধি কৰিছিল।

পদ্ম বৰুৱাৰ “উষাৰ” নিৰ্গমন হোৱাৰ লগে-লগেই লক্ষ্মীনাথ বেজবৰুৱাৰ “বাঁহীৰ” আগমন। কলিকতীয়া ডেকা ছাত্ৰখিলাকে “মাহোৰবাওঁতৈ” লাগি

বেজবৰুৱাৰ হতুৱাই "বাঁহী" উলিওৱায়। কিন্তু "বাঁহী" উলিয়াৰ আৰু এটি ভিতৰি কাৰণ আছিল। সেইটি হৈছে 'উষাৰ' লগত কৃপাবৰ বৰুৱাৰ অমত।

সেই সময়ত, বঙ্গভঙ্গ আৰু স্বদেশী আন্দোলনে বঙ্গদেশখন থোকিথোকি লগাই আছিল। বৃটিছসকলেও বাতৰি-কাকত উলিওৱা প্ৰবন্ধৰ ছাটোটো বাৰটো দেখিছিল। কৃপাবৰৰ নামত বেজবৰুৱাই যেতিয়া 'উষাত' স্বদেশীভাব-উদ্দীপক প্ৰবন্ধবাজি লেখিবলৈ ধৰিলে, অসমত থকা বৃটিছ কৰ্তৃপক্ষসকলৰ মূৰ ঘূৰি গ'ল। ফলত 'উষা' সম্পাদক পৰিল বিপাঙত – চৰকাৰৰ ঘৰতো কৃপাবৰী প্ৰবন্ধৰ বাবে "জবাব দিহি" হব লগীয়া হ'ল। "জবাব" নিদিলে কাকতকে বন্ধ কৰি দিয়া যাব—এনে ভাবুকিও আহিল। ইপিনে কৃপাবৰৰ প্ৰবন্ধ নহলে 'উষাৰ' জেউতি, মান-মৰ্য্যাদা সকলো ৰসাতললৈ যায়। এনে মালধাৰৈ-গজহস্তীৰ মাজত পৰি, পদ্মনাথ বৰুৱাই "কৃপাবৰৰ লগত আমাৰ অমত" বুলি চৰ্কাৰৰ ওচৰত ক্ষমা খুজি 'উষাৰ' লগত কৃপাবৰৰ সম্পৰ্কক ছেদ কৰিলে। 'উষা' নমৰিল—কোনোমতে হাড়-ছাল লৈ জীয়াই থাকিল। সিফালে কলিকতীয়া ছাত্ৰবিলাকে বেজবৰুৱাৰ "বাঁহী" উলিয়াবলৈ হেঁচুকিয়েই আছে। ইফালে 'উষাইও' কৃপাবৰৰ লগত সম্পৰ্ক ছেদ কৰিছে, এনে সন্ধিক্ষণতে 'বাঁহীৰ' আৱিৰ্ভাৱ হ'ল।

'উষা'-'কৃপাবৰৰ' মতভেদৰদ্বাৰা আন হওক নহওক, অসমীয়া সাহিত্যৰ আলোচনাই নতুন বাটে হনা লবলৈ সুবৰ্ণ সুযোগ লাভ কৰিলে। "জোনাকী" "বিজুলীৰ" দিনত যেনেকৈ অভিনৱ যুগ এটাৰ সৃষ্টি হ'ল, 'উষা' আৰু "বাঁহী"-ৰ দিনতো তেনেকৈ নতুন যুগৰ অধ্যায় এটি উদয় হ'ল। দুয়ো গৰাকী হ্যুতি পুৰন্দৰে "উষা" বাঁহীৰ পাতত যি ধনুৰ্ব্বাণ জুৰিছিল তাত কুৰু-পাণ্ডৱৰ যুদ্ধৰ দৰে আমাৰ সাহিত্যিক ধনুৰ্দ্ধৰ সকলেও দুফৈদ হৈ পক্ষাপক্ষ অৱলম্বন কৰিছিল।

"উষাৰ" অনুকূলে আছিল ৺চন্দ্ৰনাথ শৰ্ম্মা, দণ্ডিনাথ কলিতা, শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা বৰুৱা, তুলসীচন্দ্ৰ হাতীবৰুৱা, ৺যোগানন্দ দত্ত, ৺সূৰ্য্যকুমাৰ ভূঞা, ৺প্ৰেমৰ গোঁহাইকে ধৰি ভালেমান ন লিখক।

চন্দ্ৰনাথ আৰু শ্ৰীযুত সৰ্ব্বেশ্বৰ বৰুৱাই আছিল উষাৰ সোঁবাহু-বাওঁবাহু। ন লিখকে প্ৰবন্ধ একোটাত ভুলৰ বাৰৰি ফুল বাছি পঠিয়ালেও উষা সম্পাদকৰ কাজুৱা হতত পৰি সেই প্ৰবন্ধ একেবাৰেই নিৰ্ভুল আৰু সুৱলা হৈ আহে।

'উষাতে' "জোনাকী" যুগৰ লেখক সকলৰ প্ৰায় অৱসান আৰু নতুন লিখক সকলৰ অভ্যুত্থান। 'উষাৰ' ভাগ পাঁচোটা প্ৰকাশ হৈছিল। প্ৰথমতে ইয়াক মাহেকৰ মূৰে-মূৰে উলিয়াৰ কথা আছিল আৰু সেই ৰূপে ওলাইছিলও। কিন্তু, তেওঁৰ সুখ-দুখৰ একমাত্ৰ লগৰীয়া ভদৰাম দাসেসৈতে পদ্ম বৰুৱাই নিজে আথৰ বাছি "বন্তি" আৰু "উষা" ছপাব লগীয়া হোৱাত "উষা" "বন্তিয়ে" নিৰ্দ্ধাৰিত সময়ত দেখা দিব নোৱৰা হৈ আহিল। ইং ১৯০৬ চনত জন্ম হোৱাৰ ১০ বছৰ মানৰ মূৰত উষাৰ পঞ্চম ভাগ পূৰ্ণ হ'ল আৰু সেয়ে শেষ ভাগ।

"উষাৰ" সবহ ভাগ প্ৰবন্ধই অসমীয়া ভাষাৰ অপূৰ্ব্ব সম্পদ। অসমৰ কৃতী সন্তান সকলৰ জীৱনী, ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ "আহোমৰ দিন" শ্ৰীযুত সৰ্ব্বেশ্বৰ বৰুৱাই কৰা দেবেন্দ্ৰনাথ বেজবৰুৱাৰ অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী" কিতাপৰ পুঙ্খানুপুঙ্খ সমালোচনা, আগত কৈ অহা "শৰাইঘাটৰ যুদ্ধ," "দেহাই বেহা," সত্যনাথ বৰা ডাঙৰীয়াৰ বিবিধ নিভাঁজ আৰু মৌলিক ৰচনা 'উষাৰ' যুগমীয়া দান। শেহত "উষা" মৰিল, "বাঁহী" জীলে। কিন্তু, সম্পাদক দুজনৰ দুয়োৰি ভাব আঁতৰাবলৈ সময়ে মাহেন্দ্ৰ যোগলৈ বাট চাই থাকিল।

সেই যোগ মিলা চাবলৈ সবহ দিন ৰবলগীয়া নহল। ১৯২৪ চনত গুৱাহাটীত সদৌ অসম সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশন বহিল। সভাপতি আছিল "বাঁহীৰ" সম্পাদক ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা। সভাৰ প্ৰথম দিনা সভাপতিৰ অভিভাষণ পাঠ কৰাৰ পিছত গধূলিলৈ উজান বজাৰৰ নাট ঘৰত (আজি কালিৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত) ছয় মান বজাৰপৰা বিষয়-বাছনী সভা বহিছে। গহীন পৰিৱেশৰ মাজত উত্থাপিত প্ৰস্তাৱাদিৰ সমালোচনা, তৰ্কাতৰ্কি শান্তভাৱে চলি আছে, সন্ধিয়া ঘড়ীৰ কাটাও গৈ গৈ ৯ৰ ঘৰ চোঁও-চোঁও হৈছে. এনেতে মূৰত ফেল্ট্ হেট্, হাতত লাখুটি আৰু কিলাকুটিৰ চুকত অলষ্টাৰ কোটটো ওলোমাই লৈ গোহাঞি বৰুৱা ডাঙৰীয়া সোঁ-শৰীৰেৰে সভাঘৰত প্ৰবিষ্ট আৰু ইউৰুপীয় দস্তুৰ মতে পোনছাটেই তেওঁ টুপিটো সোলোকাই বাঁও হাতলৈ লাখুটি আৰু কোটটো লি, সভাপতি মঞ্চৰ ওচৰ চাপি খপ কৰে সোঁ হাতেৰে বেজবৰুৱাৰ হাত জোকাৰি সম্ভাষণ জনালে :—Mr. Bezbaroa, we meet after twenty years." (কুৰি বছৰৰ মূৰত আমাৰ দেখাদেখি হ'ল, মিঃ বেজবৰুৱা। অসমীয়া ভাষা-সাহিত্যৰ দুয়োগৰাকী ওজা নায়কে যেই হাত জোকৰা-জুকৰি.

কৰিলে, সেই সভাস্থলৰ লোকসমূহ চকু-পচাৰতে পিৰিপ কৰে থিৰ হ'ল। তাৰ পিছত সভাৰৰ গোটেইটো কাহপৰি ক্ষীণ গ'ল। সেইদিনা গোহাঞি বৰুৱা আৰু বেজবৰুৱাৰ মিলন দৃশ্যটো এনে উপভোগ্য হৈছিল যে 'টাইমচ অব আসামৰ বাৰ্তাযোগনিয়াৰে দৃশ্যটো দেখি লেখিছিল—"It was a sight for God's to see" অৰ্থাৎ দুতি পুৰুষৰ দুজনৰ মিলন দৃশ্যটো দেৱতাই চাবৰ হে উপভোগ্য হৈছিল।

তেওঁৰ জন্মভূমি উত্তৰ লখীমপুৰত সদৌ অসম-সাহিত্য-সভাই তেওঁক সম্বৰ্দ্ধনা জনোৱাৰ পাছদিনা ৰামপ্ৰসাদ কাকতী ডাক্তৰে জলপনীয়া মেল এখন পাতিছিল। বহোঁতে তাত তেখেতৰ কিতাপত উপাধি যোকা আঁখি দিয়াৰ 'অভিপ্ৰায়টো কি আছিল' বুলি সুধিলত বৰুৱা ডাঙৰীয়াই নিজ মুখেৰেই কৈছিল "নেজানিছাইক, অসমীয়াৰ বাহিৰত বৰচুৰিয়াৰ কেৰ। তেজপুৰীয়া অসমীয়া বিৰোধীহঁতক এইদৰেই দমাই থৈছোঁ। ইয়াকে নকৰা হলে সিহঁতে মোক কাহানিবাই তেজপুৰৰপৰা খেদি পঠিয়ালেহেতেন।

সেই মেলতে, তেওঁ তেজপুৰত কেনেকৈ জীৱন নিৰ্ব্বাহ কৰে, কেনেকৈ নিশা দুপৰলৈকে গীতা-ভাগৱত লেখাত ব্যস্ত থাকে আৰু কেনেকৈ 'বন্তি'খন জলাই থাকিবলৈ প্ৰবন্ধৰ শলিতা লগায়—ইত্যাদি নানান ভিতৰুৱা কথাও প্ৰকাশ কৰে। গোহাঞি বৰুৱাক আগেয়ে বৰ গহীন-গম্ভীৰ, গোমোথা বুলি ভাবিছিলোঁ। সেইদিনা হে বুজিলোঁ, আমাৰ ধাৰণা তেনেই ওলোটা ; গোহাঞি বৰুৱা গহীন যেনেকৈ বসিকো তেনেকৈ, গোমোৰা যেনেকৈ ফলিকো তেনেকৈ। এৰা, নহলে নো তেওঁ টেটোন তামুলী, গাওঁবুঢ়া, জয়মতী আৰু গদাধৰ নাট লেখিব পাৰে নে ? 'জুৰণি' কবিতা আৰু "লীলা" কাব্য লিখিবলৈও কম ভাবুক, কথা-গৰকা আৰু জনা হব নালাগে! বুৰঞ্জী-শাস্ত্ৰালোচনাৰ কথা, বাক বাদেই দিছোঁ। সঁচাসঁচিকৈয়ে গোহাঁঞি বৰুৱা আছিল গধুৰ-পাতলৰ সমান সমাবেশ।

কথাৰ চলতে তেতিয়াৰ "অসমীয়া" সম্পাদক শ্ৰীযুত পদ্মধৰ চলিহাই সুধিলে, "গৱৰ্ণমেণ্টক সমালোচনাকৰা বা সাহিত্য-সম্পৰ্কেদিয়া মতামতৰ প্ৰবন্ধ দেখোন আপোনাৰ "বন্তিত" বৰ পলমকৈ ওলায় ? আমি দিয়া মন্তব্যলৈ বাট চাই থাকে নে কি ?" গোহাঞিবৰুৱাই বাঁওহাতখন বহা দলিছাতে ভেজা দি টানি মাত লগালে, "তোমালোক ডেকাহঁতে নো কি কোৱাঁ, টলকি চাই হে থাকোঁ। পলম হলেও পাচত মই টাহি দিওঁ, নহয়। "আমি আৰু হাঁহি যাখিব নোৱাৰিলোঁ।"

১৯১৯ চনত পুনৰ বছৰত, তেজপুৰত অসম ছাত্ৰ সন্মিলনৰ ৪ৰ্থ অধিবেশন বহে। নিৰ্ব্বাচিত সভাপতি আছিল আচাৰ্য্য ডক্টৰ প্ৰফুল্লচন্দ্ৰ ৰায়। সভাপতি গৰাকী দেশপ্ৰেমত যেনেকুৱা নিৰ্ভীক, কৰ্মত যেনেকুৱা নিজেই আহিপুৰুষ, স্পষ্টবাদিতা আৰু পাণ্ডিত্যত যেনেকুৱা অতুলনীয় আছিল, তেওঁক বৰণ কৰিবলৈ পতা অভ্যৰ্থনা সমিতিৰ সভ্যসকলো আছিল সকলো তেনেকুৱাই। শ্ৰীঅমিয়কুমাৰ দাস, শ্ৰীচন্দ্ৰকমল ভুঞা, ৺লক্ষ্মীধৰ শৰ্ম্মা, শ্ৰীহেমচন্দ্ৰ হাজৰীকা, ৺লালমোহন চৌধুৰী, (ডাঃ) হেমবৰুৱা প্ৰভৃতি চাৰিচুৰবীয়া, নচুৰবীয়া, ছয়চুৰবীয়া ডেকা-ইতৰ মণিকাঞ্চনৰূপ উৎসাহ-উদ্দীপনাৰ ভৰত সেই কেইদিন তেজপুৰখন দলদোপ-হেন্দোলদোপ লাগি আছিল।

তেজপুৰ জাহাজ-ঘাটত নমা মাত্ৰকে তেজপুৰীয়াসকলৰ হৈ অভ্যৰ্থনা জনাই চেয়াৰমেন গোহাঞিবৰুৱা ডাঙৰীয়াই তেখেতৰ ডগা যোৰা-ঘাগী ডোখৰতেই তুলি আচাৰ্য্য ৰায়ক তেজপুৰ পৰিভ্ৰমণ কৰাই ছপৰীয়া সভা মণ্ডপত যথাযোগ্যভাৱে উপৱিষ্ট কৰালেগৈ। ডাঃ ৰায়ক আদৰি নিবলৈ বঙালী ভদ্ৰলোক সকল খাপ দি থকাতে থাকিল। গোহাঞি বৰুৱাই মুখৰ টোপটো চিগনীয়ে খাপ মাৰি নিয়াদি সাউৎ কৰে তেওঁবিলাকৰ আগৰ পৰা আচাৰ্য্যক লৈ গ'ল। তেখেতৰ জ্ঞাতিবন্ধুসকলে ততকে ধৰিব নোৱাৰিলে। মুকলি অধিবেশনত ডাঃ ৰায়ে যেতিয়া অসমীয়া গন্ত সাহিত্য বঙলা সাহিত্যতকৈ পুৰণি বুলি বিপুল হৰ্ষধ্বনিৰ মাজত প্ৰকাশ্যে ঘোষণা কৰিলে, তেতিয়া গোহাঞি বৰুৱাই উশাহ ছাৰি মাত লগালে "এতিয়া আৰু য'ত আলহী থাৰ্কৈ থাওক গৈ, আমাৰ এৰি দিয়াঁহঁক"। পাৰোঁতে নো পি আৰ টি গৰ্ডন কমিশ্যনাৰে কৈছিল যে—Hem Chandra (Goswami) is very intelligent and Padmanath (Gohain Barooah) is too clever. হেমচন্দ্ৰ (গোস্বামী) বৰ বুধিয়ক আৰু পদ্মনাথ (গোহাঞি বৰুৱা) বৰ চৈতৰ" বুলি।

·গোহাঞি বৰুৱাৰ একনিষ্ঠতাই অসমীয়া সাহিত্য-ভঁড়াল যে চহকী কৰিলেই নে, চাম গছৰ দৰে এচাম সাহিত্যিককো সৃষ্টি কৰি গল। "উষা"-'বন্তি' নোহোৱা হলে সুসাহিত্যিক জনদিয়েকৰ সুখ্যাতি ফুলিবলৈকে নেপালেহেঁতেন। সমসাময়িক পৰিস্থিতি আৰু পৰিবেশ ও যে প্ৰতিভা মূল্যাঙ্কণৰ এবিধ মানদণ্ড—পদ্মনাথ গোহাঞি বৰুৱা ডাঙৰীয়াৰ গাতে এই কথা খজিতা থায়।

সাত্ত্বিক পণ্ডিত হেমচন্দ্ৰ গোস্বামী

কলিকতা অ, ভা, উ, সা সভাৰ যি কেইগৰাকী দূৰদৰ্শী মাতৃভাষা-সেৱকে "জোনাকী"-মৰলৰ বাজে-ভিতৰে থাকি অসমীয়া ভাষাৰ বন্দিআল পেলাই আছিল, সেই কেইগৰাকীৰ ভিতৰৰে আগশাৰীৰো আগশাৰীৰ এগৰাকী আছিল পণ্ডিত হেমচন্দ্ৰ গোস্বামী।

"হেম গোস্বামীৰ কিবা গুণ গাম
দিগম্বৰ বেশ বাণ্ডিত থাকে ;
কোনোটো কামতে ভবা-চিন্তা নাই
উপস্থিত মাত্ৰে সকলো কৰে।
মুখৰ জোৰ নাই, কোনে ভাগ পায়
হাৰিও নেহাৰে উত্তৰত ওজা ;
'পেট" আদি কবি কৱিতাক লেখি
কবি ডিপাৰ্টমেণ্টত হইছে ৰজা।
দুখী অসমৰ "বাইৰণ" তেওঁ
সকলো ঠাইতে 'প'য়েত্ৰি' দেখে
ৰাতি হ'লে আহি সুঁৱৰি-সুঁৱৰি
সুন্দ-সুন্দৰ কৱিতা লেখে।"

তেওঁৰেসৈতে একেলগে থকা যজ্ঞেশ্বৰ শৰ্মা নেওগে ৰহস্যতে এই ধেমেলীয়া কৱিতাটো লেখিছিল যদিও, ইয়াতে হেমচন্দ্ৰ গোস্বামীৰ স্ব-ৰূপটো দিন-যেনকৈ ওলাই আছে।

তেওঁ যে কৱি, অসমীয়া 'চনেট' লেখোঁতা আৰু শিশু-প্ৰকৃতিৰ, তাৰ চিন "ফুলৰ চাকি", "অকণ" কাকত আৰু অ'ত-ত'ত সিঁচৰি-হৈ-থকা পদ্য-গদ্য সমূহত পাই আছোঁ। তেওঁৰ গদ্য ৰচনাৰ ভাষা নিমজ, নিভাঁজ আৰু ইংৰাজী দোষে নপৰশা। লেখাৰ ভঙ্গিমাও অতি সৰল, কিন্তু তাৰ ভিতৰতে উমি-উমি অনুভূতি প্ৰেৰণাৰ জুই একুৰা জ্বলি থাকে। ১৮১০-১১ শকৰ 'জোনাকীত



হেমচন্দ্র গোস্বামী

প্ৰকাশিত "মহাৰাজ কন্দ্ৰসিংহৰ দিনত অসম", ১৮১২ শকৰপৰা ধাৰাবাহিক ৰূপে ওলোৱা "অসমীয়া ভাষা"ৰ ৰচনা, ১৯০৬ চনত, প্ৰথম ভাগ 'উৰাভ' প্ৰকাশ হোৱা "শৰাইঘাটৰ যুদ্ধ" আৰু সপ্তম ভাগ "আলোচনীত' থকা "মাণিকচন্দ্ৰ বৰুৱাৰ জীৱনী"— এইবিলাক আপুৰুগীয়া প্ৰবন্ধই তাৰ সাক্ষ্য। 'অসমীয়া ভাষা' বোলা ৰচনাখনিৰ আৰু এটি বিশেষত্ব আছে। সংক্ষিপ্ত হ'লেও, যুগ নিৰ্ণয় কৰি অসমীয়া ভাষা সাহিত্যৰ ধাৰাবাহিক বুৰঞ্জী আলোচনা কৰা হয়, পোনেই এইখন ৰচনাতে। এইখনতে খোপনি লৈ হে পৰৱৰ্তী লেখকসকলে ক্ৰমাম্বয়ে বগাই গৈ অসমীয়া ভাষা-সাহিত্যৰ বিস্তাৰিত বুৰঞ্জী লেখিবলৈ সক্ষম হ'ব পাৰিছে। ১৯২৯ চনত ছপা হৈ শেষ হোৱা পুথি "অসমীয়া সাহিত্যৰ চানেকি" আৰু ১৯২৭ চনত প্ৰকাশিত হোৱা "চমু আভাস থকা অসমীয়া পুথিৰ তালিকা"—এই দুখনেই হেম গোসাঁইৰ প্ৰাচীন সাহিত্য-প্ৰীতিৰ কীৰ্ত্তিস্তম্ভ। যিসকল সাহিত্যসেৱী অসমীয়া ভাষাত সিদ্ধহস্ত হ'ব পাৰিছে বা যাৰ হ'বলৈ ইচ্ছা আছে, সেইসকলৰ নিমিত্তে এই দুখনি পুথি এতিয়াও অমূল্য নিধি— 'গুপ্তমণি' স্বৰূপ হৈয়ে আছে। এই গুণেই পুথি দুখনৰ গুণত মুগ্ধ কৰ্ণেল গৰ্ডনে হেম গোসাঁই লোকান্তৰ হোৱাৰ পাছত ডক্টৰ সূৰ্য্যকুমাৰ ভূঞালৈ লেখিছিল— "একল অসমীয়া পুথিৰ বৰ্ণনাত্মক তালিকা খনৰ" বাবেই হেমচন্দ্ৰ গোস্বামী পুৰুষানুক্ৰমে স্মৰণীয় হৈ থাকিব'।

কাব্যিক প্ৰতিভাৰ উপৰিও, গোস্বামীদেৱৰ জন্ম লগ্নতে লাগি আছিল প্ৰাচীন সাহিত্যৰ প্ৰতি অচলা ভক্তি আৰু জাতীয় বুৰঞ্জীৰ প্ৰতি ঐকান্তিক আসক্তি। সেই হে, নৱন্যাস যুগৰ কাৰ্য্যপতিত তেওঁৰ কবিসুলভ চিন্তাচৰ্চ্চা সকলো ঐতিহাসিক তথ্য-ৰত্ন উদ্ধাৰৰ চালে হৰা ললে। এই যে হৰা ললে, ইয়েই তেওঁক যশস্যা-কলচীত তুলি আগৰ সেই "সুন্দৰ-সুন্দৰ কবিতা লেখা" কবি-নাম ভল পেলাই প্ৰত্নতাত্ত্বিক পণ্ডিত বুলি সুবৰ্ণৰ কণ্ঠাভৰণ পিন্ধালে।

• বহল অৰ্থত, সাহিত্যিক-ঐতিহাসিক-প্ৰত্নতাত্ত্বিক সম্বন্ধটো বৰ ডাঠ, কোনেও কাকো এৰিব নোৱাৰে। ঢোকাতে কল, কলতে ঢোকা। উঁই-বৰ্ব্বৰাৰ অকণমান লডা এটিও যদি ক'ৰবাত পৰে, তাৰপৰাই উঁই পৰুৱাই একোটা-একোটা ওখ হাঁফলু বাঢ়ে। তেনেকৈয়ে, সামান্য ঐতিহাসিক তথ্য এটিৰপৰাও ধীশক্তিসম্পন্ন সুসাহিত্যিকে নিজা-নিজা অভিৰুচি অনুসৰি একো-একোটি সাহিত্যৰ মধুচক্ৰ নিৰ্ম্মাণ কৰে। শাক-পাচলি গোটাই নিদিলে ৰান্ধনীয়ে

যেনেকৈ তৃপ্তি লগোৱাকৈ আঙ্কা বাদ্ধিব নোৱাৰে, প্ৰত্নতাত্ত্বিকে বাছি-বিচাৰি আনি আহিলা-পাতি গোটাই নিদিলেও তেনেকৈ ঐতিহাসিকে প্ৰমাণী ইতিহাস প্ৰণয়ন কৰিব নোৱাৰে। সহজলব্ধ সবলৰ ওপৰত বিচাৰবুদ্ধি খটুৱাই পাঠকতে বুৰঞ্জী পুথি এখন ৰচনা বা প্ৰণয়ন কৰা যেনে কষ্টসাধ্য, উত্তমৰূপৰ দৰে খানিকুৰুকি, চিলনী চকুৰে চাই-চিন্তি, বাছি-বিচাৰি আনি বুৰঞ্জীবিদক হাতে তুলি পোৱা কৰি দিয়াটোও তেনে কষ্টকৰ। ঐতিহাসিকৰ স্বকীয় সিদ্ধান্ত বা মতামত একোটা কালক্ৰমত লৰচৰ হোৱাৰ আশঙ্কা থাকে, প্ৰত্নতাত্ত্বিকৰ তথ্য কিন্তু তথ্যই—ৰূপান্তৰিত হোৱাৰ সম্ভাৱনা নাই। গতিকেই, ঐতিহাসিকতকৈ ইতিহাস-সমলিয়াৰ সূক্ষ্মদৰ্শিতা অধিক দায়িত্বপূৰ্ণ আৰু গুৰুত্বপূৰ্ণ। যথাযথপক্ষে কৰলৈ গলে, অবিকৃত তথ্য চিৰকলীয়া আৰু তাৰ ওপৰত ভেজা দি কৰা মন্তব্য সময়সাপেক্ষ।

অসমৰ বুৰঞ্জী প্ৰণেতা চাৰ এডোৱাৰ্ড গেইট, গুৱাহাটীত থকা আমাৰ "ৰৰকুকন" বুলি গৌৰৱ কৰোঁতা আৰু অসমীয়া জাতিক ভালপাওঁতা কৰ্ণেল পি, আৰ, টি গৰ্ডন, মনীষা চাৰ আশুতোষ মুখোপাধ্যায়, আচাৰ্য্য প্ৰফুল্লচন্দ্ৰ ৰায়, কবি-গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ, মহাৰজা মণীন্দ্ৰচন্দ্ৰ নন্দী, মহামহোপাধ্যায় পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদ, অসমীয়া সদাগৰ ভোলানাথ বৰুৱা প্ৰভৃতি কীৰ্ত্তিমন্তসকলৰ যেয়ে গোসাঁইৰ লগত এখন্তেক কথা পাতিছিল সেয়ে তেওঁৰ সাত্ত্বিক প্ৰকৃতি, সাহিত্যানুৰাগিতা আৰু লোকক প্ৰত্যয় নিয়াব পৰা মধুৰ বাকশক্তি দেখি বিমুগ্ধ হৈছিল।

সাত্ত্বিক আৰু মহামনা এই প্ৰশস্তিসূচক শব্দ দুটি পিন্ধাব পাৰি সেইজনৰ কণ্ঠত, যিজনৰ সুসম্পাদিত কাৰ্য্যসমূহৰ সুফল পাছৰ পুৰুষে পুৰুষানুক্ৰমে উপভোগ কৰি থাকিবলৈ পায় আৰু যিজনৰ ক্ষন্তেক বাক্যালাপেই আলাপ কৰোঁতা জনৰ মনত বিশ্বস্ততাৰ খাবিবন্ধা ছাপ এটি মাৰি থৈ যায়। প্ৰত্নতাত্ত্বিক পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে ১৩।১৪ বছৰ বয়সৰপৰা মৃত্যুৰ আগমুহূৰ্ত্তলৈকে অৰ্থাৎ ১৮৮৪।৮৫ চনৰ পৰা ১৯২৮ চনলৈকে প্ৰাণপৰিশ্ৰমেৰে চিন্তা-গৱেষণা, অধ্যয়ন-অনুসন্ধান কৰি অসমীয়া সাহিত্য-বুৰঞ্জীৰ ভঁড়ালত যি বিভূতি সুমাই থৈ গ'ল আৰু তেওঁৰ অমায়িক ভাৱণ আৰু সাত্ত্বিক ব্যক্তিত্বৰ দ্বাৰাই অসমীয়া সাহিত্যৰ যি দৃঢ় ভেটি প্ৰতিষ্ঠিত হ'ল, তালৈ চাই তেওঁৰ কণ্ঠত সাত্ত্বিক আৰু মহামনা—এই বিশেষণ দুটা অকুণ্ঠিত ভাৱে পিন্ধাবই লাগিব।

(২)

ভালেমান লেখালেখি আৰু তিতা-কেহা লগোৱা আলোচনাৰ বৃৰত, ১৮৭৩ চনৰপৰা অসমত বঙলাৰ ঠাইত পুনৰ অসমীয়া চলাবলৈ ছুমলীয়া লাটৰ চৰকাৰী আদেশ প্ৰচাৰিত হ'ল। কিন্তু, বাটত কণাবিখিয়ে পথালি দিলে; অসমীয়া ভাষা-বিৰোধী কিছুমান চৰকাৰী বে-চৰকাৰী লোকে আহুকাল লগোৱাত ভাষাৰ প্ৰচলন সোনকালে নহ'ল। ১৮৮১ চনৰ মানুহ পিয়লৰ মন্তব্যত অসমীয়া ভাষাক পৃথক বুলি স্বীকাৰ কৰিও, তলেপুতল দি বঙলা ভাষাকে চামৰ-পিৰা-পাৰি-দিয়া হ'ল। ভাৰতৰ ইম্পীৰিয়েল গেজেটীয়েৰৰ সম্পাদকেও বক্তব্যত মোখনি মাৰিলে, অসমীয়া ভাষাটো বঙলাৰে অপভ্ৰংশ বুলি। এনেবোৰ এচঁহীয়া অভিমতৰ উপৰিও অসমীয়া ভাষাৰ বিপক্ষতাচৰণ কৰোঁতা কেতবোৰ অপহুতা-অসুৰাও ওলাল, চিঞৰ-বাখৰ কৰি অসমত অসমীয়া ভাষা চলোৱাত প্ৰতিবন্ধক জন্মাবলৈ। স্থানীয় কৰ্তৃপক্ষসকলে এইবোৰ গতিগোত্ৰকে চাই, চৰকাৰৰ আদেশ সোনকালে পালন নকৰি লেহেম কৰিবলৈ ধৰিলে। চৰকাৰ আৰু পক্ষপাতদুষ্ট তলতীয়া কৰ্মচাৰী কিছুমানৰ গতিমতিয়ে স্পষ্টকৈ দেখুৱাই দিলে যে আমাৰ মাটিত বঙলা-সাপ মৰিল যদিও, নেগুৰৰ বিষ মৰা নাই।

"বিলম্বে কাৰ্য্য নাশ"। পোৱা-স্বত্বটোও এতিয়া হাতত্তে হেৰায় দেখোন! মাতৃভাষাৰ এনে ফুটা-কপলীয়া অৱস্থা দেখি অ, ভা, উ, সা সভাৰ সভ্যসকলে

'উৰি গ'ল শগুনী
পৰি গ'ল পাখি
কোন কোন বিষক
থৈছে ৰাখি'

বুলি শক্তি অনুসৰি যেয়ে যেনেকৈয়ে পাৰে তেনেকৈয়ে এই বিষ জাৰিবলৈ ধৰিলে। হেমচন্দ্ৰ গোস্বামীয়ে এই উদ্দেশ্যেই অ, ভা, উ, সা সভা এখনত 'অসমীয়া ভাষাৰ' ৰচনা এখনি পাঠ কৰে। অসমীয়া ভাষা যে বঙলাৰপৰা সম্পূৰ্ণ স্বতন্ত্ৰ, তাক তেওঁ পৌৰাণিক যুগৰপৰা আৰম্ভ কৰি বুৰঞ্জীৰ দিনলৈকে ঐতিহাসিক প্ৰমাণেৰেসৈতে কঁহিয়াই দেখুৱায় আৰু এফোটা যুগৰ সন্ধিক্ষণত ভাষাই কেনেকৈ ৰূপ সলায়, তাকো দেখুৱায়। লেখকীয়া দিক

উকৰাৰ এই কাঁকিয়েই হাতে-হাতে গুণ পোৱা মন্ত্ৰ। ইয়াৰ জাল আৰু কোৰ ইমান চৰা আছিল যে তাক ওকোৰাই পঠিয়াবলৈ বিষ-খুৰা নেগুৰ ভালেও আকৌ উভতি কৈঁট তুলিবলৈ আৰম্ভ কৰিলে। এই কৈঁট তোলাত প্ৰায় সমগ্ৰ বঙলা ভাষাভাষীয়েই বল দিছিল। সিহঁতাকৰ মাজত গোসাঁইৰ ৰচনা বা প্ৰবন্ধই কেনেকুৱা প্ৰতিক্ৰিয়া কৰিছিল, তাৰ আভাস এটি দিলে হে "অসমীয়া ভাষা" প্ৰবন্ধটোৰ ব্যাপকতাই কিমান দূৰলৈকে ভেজিছিল বুজিব পৰা হব।

সেই সময়তে, "প্ৰবাসেৰ অস্ফুট স্মৃতি" নামে এখনি ভ্ৰমণমূলক পুস্তিকা প্ৰকাশ হয়। গ্ৰন্থকাৰজন অসমীয়া ভাষাতঙ্কগ্ৰস্ত বুলি তেওঁৰ লেখাৰপৰা ভালকৈ বুজিব পাৰি। পুস্তিকাখনি সৰু। সৰু হ'লেও, বিষৰ কি সৰু-বৰ আছে? এৰেঁই পুস্তিকাত থুনুৰাই বিষাৰ মাত দিছিল, সেইবাবেই "বঙ্গীয় সাহিত্য পত্ৰিকাৰ লব্ধপ্ৰতিষ্ঠ সম্পাদক" আৰু "বঙ্গীয় সাহিত্য পৰিষদ পত্ৰিকাৰ" সম্পাদক স্বনামখ্যাত ৰজনীকান্ত গুপ্ত"ৰ মুখতো ঘিটিঙাই বাজিছিল।

"অস্ফুট স্মৃতি" লেখকৰ পুথিত স্ফুট হৈছিল :—

"সম্প্ৰতি আসামী ভাষায় লিখিত "জোনাকী" নামক সাময়িক পত্ৰে অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ" সম্পাদক, ধীমান শ্ৰীযুক্ত হেমচন্দ্ৰ গোস্বামী মহাশয়, বাঙ্গালা ও আসামী ভাষাৰ স্বাতন্ত্ৰ্য প্ৰতিপাদনে ততোধিক পাণ্ডিত্য প্ৰকাশ কৰিয়াছেন। * *

"দুঃখেৰ বিষয়, বঙ্গভাষাৰ সহিত "অসমীয়া ভাষাৰ" ঘনিষ্ঠ সম্বন্ধেৰ কথা কৌশলে গোস্বামী মহাশয় লোপ কৰিবাৰ চেষ্টা কৰিয়াছেন।" * *

"শঙ্কৰদেৱেৰ সময়ে মিথিলা ও উৰিষ্যা বঙ্গদেশভুক্ত ছিল। ঐ সমস্ত প্ৰদেশেৰ কথাও বঙ্গভাষাৰ অঙ্গভূত ছিল—সুতৰাং শিক্ষা ও সংশ্ৰৱ গুণে ঐ সকল স্থানেৰ কথা তাহাৰ ৰচিত গ্ৰন্থে সহজেই প্ৰবিষ্ট হইয়াছে... . শঙ্কৰদেবেৰ সময়ে বঙ্গ ও মিথিলায় একই অক্ষৰ চলিত। তিনিও বঙ্গদেশে ঐ অক্ষৰ শিখিয়া স্বদেশ প্ৰত্যাবৰ্ত্তনপূৰ্ব্বক সেই অক্ষৰেই আপন গ্ৰন্থ লিখিয়াছিলেন।"

স্বৰ্গদেৱসকলৰ ৰাজত্ব আৰম্ভ হোৱাৰ বহু পূৰ্ব্বৰপৰা অসমত অসমীয়া ভাষা স্বতন্ত্ৰীয়া ভাৱেই চলি আহিছে বুলি কোৱা কথাষাৰত হে 'স্মৃতি' লেখকৰ গা-মন চেংচেঙাই গৈছিল।

সি বাৰু যি-কি-নহওক, এনেবোৰ শোথকলীয়া মন্তব্যৰপৰা লাভৰ ভিতৰত এইটোৱেই হলগৈ যে অ, ভা, উ সভাৰ সভ্যসকল আগতকৈও দুগুণে সজাগ

সষ্টম আৰু শক্তিমন্ত হৈ উঠিল। ইয়াৰ পিছত কেইবা বছৰো সকলোৰে উবুৰি খাই ধৰাসাৰে মাৰ দিয়াত নেওৰীয়া বঙলা-বিষ পানীকৃত্য হৈ উৰি গ'ল আৰু অসমীয়া ভাষাক জয়-জয় ময়-ময় কৰিবলৈ সকলো কাচি পাৰি ওলাল।

হেমচন্দ্ৰ গোস্বামীও ওলাল, পুৰণি সাহিত্যৰ সম্পদ বিচাৰি আনি সেই-বোৰ মণি জলজলীয়া প্ৰমাণেৰে অসমীয়া ভাষাৰ প্ৰাচীনত্ব গজগজীয়া কৰিবলৈ। বিশ্ববিদ্যালয়ৰ ছাত্ৰ হৈ থকা অৱস্থাত সকলোৰে অন্তৰত সাহিত্য চৰ্চা কৰা বা সাহিত্যৰ প্ৰতি সহানুভূতি দেখুৱা ধাউতিটো প্ৰবল ভাৱেই জন্ম লয়। কিন্তু শিক্ষা সাঙ্গ কৰি সংসাৰ-ক্ষেত্ৰত প্ৰবেশ কৰিলেহিয়েই সেই ধাউতি ধোঁৱা হৈ উৰি যায়। আটাইৰে যে তেনেকৈ উৰি যায় এনে নহয়, বহুতৰ কিন্তু যায়। হেমচন্দ্ৰ গোস্বামী আছিল এই নোযোৱা-শাৰীৰ। গ্ৰেজুৱেট হ'বলৈ সকলোৰে হাবিয়াস। দেশ জাগ্ৰত হওক—এই ভাব লৈ, দিনে নিশাই সাহিত্য-সেৱাত লাগি থাকোঁতেই সকলোৱে হাবথাও কাঢ়ি ফুৰা বি, এ, ডিগ্ৰীটো লোৱাৰ পৰাও তেওঁ বঞ্চিত হ'ল। তথাপি হতাশ নহ'ল ; সংসাৰ-ক্ষেত্ৰত প্ৰবেশ কৰিও মৰণ কাললৈকে সাহিত্যৰ বিবিধ অৰিহণাকে যাচি থাকিল।

১৮৯৪ চনত, কলিকতা এৰি তেৱেঁই আৰম্ভ কৰি যোৱা গুৱাহাটীৰ প্ৰাইভেট স্কুল এটিত হেডমাষ্টৰ হয়হি। তাত ছমাহ কাম কৰাৰ পিছত, স্কুল প্ৰতিষ্ঠাপক সোণাৰাম উকীলেৰেসৈতে মতভেদ হোৱাত কাম ইস্তফা দিয়ে। ঠিক সেই সময়তে, আসামৰ অস্থায়ী চীফ্ কমিছনাৰ মিঃ চি জে লায়ালে হাতে লিখা পুৰণি বুৰঞ্জী আৰু পুথি-বিলাক উদ্ধাৰ কৰিব লাগে বুলি এটি প্ৰস্তাব কৰে। প্ৰস্তাৱৰ তাৰিখ ১৮৯৪ চনৰ ১৮ জুলাই। তেতিয়া "আসামৰ বুৰঞ্জী" লেখক এডোৱাৰ্ড গেইট আছিল কৃষি আৰু ৰাজহ বিভাগৰ ৰৰমূৰীয়া বিষয়া। জাতিতত্ত্ব বিভাগৰ অনবেৰী ড'ইৰেক্টৰৰ ভাৰো আছিল তেওঁৰ গাতেই। লায়ালৰ নিৰ্দেশ অনুসৰি গেইটে সেই চনৰ অক্টোবৰ মাহলৈকে স্থানীয় ভদ্ৰলোক আৰু জিলাধিপতিসকলৰ যোগেদি ১৭ খন বুৰঞ্জী সংগ্ৰহ কৰিব পাৰিলে। তাৰে ছখন আহোম ভাষাত লিখা আৰু ১১ খন অসমীয়া ভাষাত। অসমীয়া কিখনৰ ভিতৰতে গুৱাহাটীৰ মনকান্ত সিংহ ফুকনৰ পত্নী মাহেন্দ্ৰী দেৱীৰ ঘৰত পোৱা ৰজাঘৰীয়া বুৰঞ্জীখনো [illegible]। এইখন পুথি ফুকনৰাম দাসে (পাছত ৰায়বাহাদুৰ) ৰজাঘৰৰপৰা

আনিছিল। দাস ডাঙৰীয়াই পুথিয়ে-সৈতে পৰিচয় পত্ৰ দি হেমচন্দ্ৰক গেইটৰ ওচৰলৈ পঠিয়ায় আৰু হেমচন্দ্ৰই ১৮৯৪ চনৰ ১ নবেম্বৰ তাৰিখে গেইটক দেখা কৰে। গেইটে গোসাঁইক বুৰঞ্জীখন ইংৰাজীলৈ অনুবাদ কৰিবলৈ কয় আৰু মূল পুথিখনৰ প্ৰতিলিপি এটি খোজে। গোসাঁয়ে বৰ দক্ষতাৰে অনুবাদ আৰু প্ৰতি-লিপি কৰি ১৮৯৫ চনৰ ১৩ আগষ্ট তাৰিখে চাহাবক বুৰঞ্জীখন শোধাই দিয়েগৈ আৰু সেই কামৰ বাবে ৯০৲ টকা পাৰিতোষিক পায়।

এই বুৰঞ্জীৰ অনুবাদ আৰু প্ৰতিলিপিতেই হেমচন্দ্ৰ গোস্বামীৰ কীৰ্ত্তি-কৈকুৰি আৰম্ভ। তাতেই গেইট-গোসাঁই দুই ৰতনৰ চিনাচিনি হয়। সমসাময়িক ইংৰাজ বিষয়াবিলাকো তেওঁত আকৃষ্ট হয়। সেই ডেকা-কালতে তেওঁ যে ভাষা-সাহিত্যৰ পৈণত অনুৰাগী, এই কথাও এডোৱাৰ্ড গেইটে বচ্‌ৰিয়াকৈ বুজে। প্ৰথম সাক্ষাততে গোসাঁইৰ প্ৰতি তেওঁৰ যি ধাৰণা হৈছিল, বুৰঞ্জীৰ সুৰলা আৰু নিৰ্ভুল অনুবাদ আৰু মুকুতা হেন হস্তলিপিয়ে সেই ধাৰণা ডহডহীয়া কৰি পেলালে। অসমীয়া ভাষা-বুৰঞ্জীত তেওঁৰ পকা অভিজ্ঞতা থকাটো ঠাৱৰ হ'ল।

ইতিমধ্যে, চীফ কমিছনাৰৰ অফিছত অসমীয়া-ইংৰাজী জনা এজন কেৰেণীৰ আৱশ্যক হয়। বিশ্ববিদ্যালয়ৰ ভালেমান এম-এ উপাধিধাৰী উমেদাৰেও কামটোৰ নিমিত্তে দৰ্খাস্ত দিছিল। চৰকাৰী নিৰ্ব্বন্ধমতে তেওঁবিলাকৰে এজনে সেই কাম পাবও লাগিছিল। কিন্তু বিশেষ গুণ থকাৰ নিমিত্তে অণ্ডাৰ গ্ৰেজুৱেট হোৱা সত্ত্বেও হেম গোসাঁইক বাচি দিয়া-দি সেই কাম দিয়া হ'ল, আৰু ১৮৯৫ চনৰ ২ ডিচেম্বৰ তাৰিখৰপৰা মাহে ৭৫ টকা দৰ্মহাত গোসাঁয়ে চীফ্ কমিচনাৰৰ অফিচত প্ৰবেছনাৰ স্বৰূপে কাম কৰিবলৈ ধৰিলে।

১৮৯৫ চনৰ নবেম্বৰৰপৰাই তেওঁ অসমীয়া জাতিৰ সাংস্কৃতিক বিষয়ক জানিব-লগীয়া সকলো কথাৰ ভু-ভা, এথ্‌নগ্ৰেফী (জাতিতত্ত্ব) বিভাগৰ অনৰেৰী ডাইৰেক্টৰ এডোৱাৰ্ড গেইটক দি আহিছিল। সেই আপাহতে, (পাছকালৰপৰা ধৰা খাটনিৰ "অনুগ্ৰহত" নহয়) ১৮৯৭ চনৰ ১৭ মে তাৰিখে পদোন্নতি কৰি ডেড় বছৰৰ মূৰত তেওঁক চৰ ডেপুটী কলেক্টৰ কামত নিগাজী কৰে। বহুত গ্ৰেজুৱেটৰ দাবী অগ্ৰাহ্য কৰি তেওঁক প্ৰবেছনাৰ কামত লোৱা বাবে বাইজৰ মাজত অসন্তোষৰ সৃষ্টি হ'ব পাৰে বুলি অলপ সংশয় হৈছিল। কিন্তু অভয়শঙ্কৰ গুহৰ নিচিনা সেই কালৰ প্ৰতিপত্তিশালী মুৰীয়াল লোকেই যেতিয়া যোগ্যজনক যোগ্য কামত নিযুক্ত

কথা হৈছে বুলি অভিমত প্ৰকাশ কৰিলে আৰু "টাইমচ অৱ আসাম" কাকতেও আনন্দ প্ৰকাশ কৰি চৰকাৰক শলাগিলে, সংশয় কৰিবলৈ আৰু একো নেথাকিল।

বিশ্বস্ততা, দায়িত্বশীলতা আৰু কৰ্ত্তব্যনিষ্ঠাৰ গুণত তেওঁ দোপতদোপে ওপৰলৈ উঠি ১৯২৫ চনত ছুটি লৈ, ১৯২৬ চনত ই, এ, চি পদৰপৰা একেবাৰেই চৰ্কাৰী কামৰপৰা অৱসৰ গ্ৰহণ কৰে।

ইয়াৰ ভিতৰতে তেওঁ ভালেমান বছৰ অসম উপত্যকাৰ কমিছনাৰ চাহাবক পাৰ্চনেল এচিষ্টেণ্ট হৈও আছিল। কমিছনাৰ গৰ্ডন ছাহাবৰ যে তেওঁ সোঁ-হাত-সোঁ-চকুৱেই আছিল বুলিব লাগে। কিয় নো, সেই সময়ত আমাৰ ভাষা, বুৰঞ্জী, ধৰ্ম, সমাজ, বিষয়-নিযুক্তি আৰু অসামৰিক বিধিব্যৱস্থা প্ৰণয়ন ইত্যাদি প্ৰত্যেকটো বিষয়তে, অসমীয়াৰ স্বাৰ্থ ৰক্ষাত সদায়-তৎপৰ গৰ্ডনে গোসাঁইক নোসোধাকৈ একো কামতে হাত দিয়া নাছিল। গৰ্ডন-গোসাঁইৰ তৰ-নপৰা উদ্যম আৰু আশাশুধীয়া অসমীয়া প্ৰেমে "হেমকোষ' উদ্ধাৰৰপৰা আৰম্ভ কৰি গুৱালপাৰত অসমীয়া ভাষাক স্থিতাপি দিয়ালৈকে, কিমান নো কি নকৰিলে! সেইবোৰ নেদেখা বা নজনা, নতুবা, মুগুনা মানুহ কোনো নাই বুলিলেই হয়। চমু চপাই কবলৈ হ'লে, গৰ্ডন-আমোলৰ অন্তৰালত থাকি, হেম গোসাঁয়ে ছুখন জিলাৰ উন্নতিবিধায়ক ব্যৱস্থাৰ চেৰেকী ঘূৰাইছিল আজৰি নোহোৱাকৈ। ৬ ফুট ২ ইঞ্চি ওখ, হটঙা গৰ্ডন চাহাবৰ মূৰটো যে ৫ ফুট ৫ ইঞ্চি ওখ, খাটুহা হেম গোসাঁইৰ মূৰটোৱে বলাব পাৰিছিল, তাতে হে আচৰিত! গৰ্ডনে যেনেকৈ গোসাঁইৰ মোল বুজিছিল, ইবিলাক ইংৰাজ বিষয়ায়ো তেওঁৰ কাৰ্য্যদক্ষতা আৰু সাহিত্যানুৰাগিতাৰ মোল নুবুজাকৈ থকা নাছিল। আন কি, তেওঁৰ কিছুমান ভিতৰুৱা পৰামৰ্শমূলক টোকা পঢ়ি চীফ্ কমিছনাৰো গোসাঁইৰ প্ৰতিভাত মুগ্ধ হৈছিল। পাৰ্চনেল এচিষ্টেণ্ট হৈ থাকোঁতেই, তেওঁৰ বিদ্যা-বুদ্ধি আৰু সকলো কামৰ পাৰগতাই চৌকলীয়া ৰ'দৰ দৰে কেউপিনে প্ৰকাশ পায়। এহাতে ছুখন জিলাৰ শাসন-কাৰ্য্য সুচাৰুৰূপে চলোৱাৰ দিহা-বুদ্ধি দিব লাগে, আনহাতে হেকা নপৰাকৈ অসমীয়াৰ স্বাৰ্থ ৰক্ষা কৰি চাকৰি জীৱনৰ কৰ্ত্তব্যও সমাধা কৰিব লাগে; এইবোৰৰ উপৰিও আকৌ "ৰাজ ভগনৰপৰা কলথোকা বাহুলিয়ে খোৱালৈকে" ৰজা-প্ৰজা উভয় ৰৰবে আউল মাৰিব লাগে। ইমান কামৰ হেঁচাত পৰিও তেওঁ তৰৰলগোৱাকৈ মাতৃভূমি মাতৃভাষাৰ উন্নতিকল্পে চিন্তা কৰিবলৈ এখন্তেকো পিঠি দিয়া নাছিল।

চৰ্‌ডেপুটী কলেক্টৰ হৈ থাকোতে অকিছুত, কি, মকচললৈ গ'লেও তেওঁৰ আটাইতকৈ আগ-কাম আছিল, মণ্ডল-কাননগুৰ হতুৱাই পুৰণি পুথি পাজিৰ তুভা লোওৱা; চেটেলমেণ্ট অফিছাৰ হওঁতেও অফিছৰ কৰ্মচাৰী আন আন বিষয়াবিলাকক মৌখিক আদেশ-অনুৰোধেৰেই পুৰণি পুথি, পুৰণি তত্ত্ব অন্বেষণ কৰিবলৈ লগাইছিল; ই, এ, চি হৈ থাকোঁতে হাকিমী আদেশেৰে ঐতিহাসিক সম্পদ সংগ্ৰহ কৰোৱাৰ যে কথাই নাই, য'ত সেই আদেশ বলবৎ কৰিব নোৱাৰি বা কৰোৱাটো অনুচিত, ত'লৈ অৰ্থাৎ থানসত্ৰসমূহলৈ তেওঁ নিজেই গৈছিল। গৈ, তাত থকা শাস্ত্ৰ, চৰিত পুথি, বুৰঞ্জী পুথি আদি পৌৰাণিক পুথি-পত্ৰসমূহ তন্নতন্নকৈ পঢ়ি চাইছিল। ইমানতে পুৰাতত্ত্ব অনুসন্ধানৰ সামৰণি পৰা নাছিল। তামৰ ফলিৰ লিপি, শিলালিপি, মুদ্ৰালিপি আৰু অন্যান্য বুৰঞ্জী-মূলক লিপি চকুত-চলিহা-লগাকৈ জুপি-জুপি পঢ়ি, তাৰপৰা সত্যাসাৰথিনি উদ্‌ঘাটন কৰিছিল। চৰ্কাৰৰ চাকৰি সকলোৱে কৰে, বহুতে চাকৰি কৰি টকাৰ দুৰা বান্ধে, কিন্তু আৰ্থিক উন্নতিৰ ফালে নোচোৱাকৈ শৰাইঘটীয়া আদৰ্শেৰে অনুপ্ৰাণিত হৈ, নবন্যাস যুগৰ কৰ্মযোগী হেমচন্দ্ৰ গোস্বামীৰ দৰে কেইজনে এক (অ) হাতে দুই ফল ধৰিব" পাৰে? অৰ্থাৎ এফালে বিদেশী চৰকাৰক সন্তুষ্ট ৰখা আৰু ইফালে জন্মভূমিৰ গৌৰৱ উজলোৱা—এই দুয়োটা কাম তালে-কাকে মিলাই কেইজনে কৰিব পাৰে?

১৯১২ চনত চীফ কমিছনাৰ চাৰ আৰ্চডেল আৰ্লৰ আদেশ-অনুসৰি হেমচন্দ্ৰ গোস্বামীক ছমাহৰ নিমিত্তে পুথি অনুসন্ধানৰ কামত আচুতীয়াকৈ নিযুক্ত কৰা হয়। এই বাছনিত "আসাম বন্তিৰ" যে কথাই নাই, ইংৰাজী কাকত "টাইমচ অব আসামে"ও সন্তোষ প্ৰকাশ কৰি লেখিছিল—

"পুৰাতত্ত্ব অনুসন্ধানেই যাৰ স্বাভাৱিক প্ৰবৃত্তি আৰু আমাৰ লুপ্ত গৌৰৱৰ চিন এচাঁহীমান উদ্ধাৰ কৰিবলৈকো যাৰ মন সততে উৰাউল হৈ থাকে, আমাৰ পুৰণি পুথি অনুসন্ধান আৰু সংগ্ৰহৰ নিমিত্তে সেইজনেই সঁচাকৈয়ে যোগ্যতৰ ব্যক্তি।"

কামত নিযুক্ত হৈয়েই তেওঁ পুথি থকাৰ উহ বিচাৰি-বিচাৰি আমাৰ প্ৰায় সকলো জিলালৈকে যাবলগীয়া হৈছিল। কোচবেহাৰলৈও গৈছিল। অসমীয়া মানুহৰ নিমিত্তে পুৰণি পুথি পৰম আদৰৰ বস্তু, তাক তেওঁবিলাকে বাপতিসাহোন ৰূপে সাঁচি থয় আৰু কেতিয়াও কাকো হাত-এৰি নিদিয়ে। তথাপি, পুথিৰ

মমতা এৰিব নোৱৰা এনেকুৱা হাতটান মানুহৰপৰাও গোসাঁয়ে পুথি উলিয়াই আনিছিল। তেওঁ এনেভাৱে পুথিপিৰিহঁতৰ মনবুজি মনগলোৱা কথা ক'বলৈ ধৰে আৰু জোৰ-লগাদি-লাগি থাকে যে পিৰিহঁতজনে মুখ-হৰিব নোৱাৰি, ৰকাৰ-আজোককাইহঁতৰ দিনৰপৰা সাঁচি থোৱা পুথি একোখনিকো সিংহাসন বা থাপনা, নাইবা, আতালৰপৰা আনি হৰ্ষচিত্তে গোসাঁইৰ হাতত অৰ্পণ কৰেহি। পুথি-সধা বুধিটোলৈ চালে, ন'টৈক নোৱাৰি যে হেম গোসাঁই অকল প্ৰত্নতাত্ত্বিকেই নহয়, মনস্তাত্ত্বিকো।

এই 'চফৰত" তেওঁ নিজে খুজি বা কিনি আনি গোটোৱা আৰু আগেয়েও গোটাই আনি থোৱা, জিলাধিপতিসকলেও অনাই দিয়া পুথি সৰ্ব্বমুঠ ১২০০ মান হৈছিলগৈ। সময় পোৱা হ'লে, আৰু সংগ্ৰহ কৰিব পাৰিলেহেতেন। ছমাহৰ ভিতৰত যিখিনি পালে, তাকে পোনে-পোনে আনি কমিছনাৰৰ অফিছত জমাকৈ থোৱালে। তাৰ পিছত, তেৰেঁই গুৰিত-থাকি-চলোৱা কামৰূপ অনুসন্ধান সমিতিৰ পুথিভঁড়াললৈ সেইবোৰ অনোৱা হল।

এনেতে, গৱৰ্ণমেণ্টে স্থিৰ কৰিলে যে পুথিবিলাক ভালকৈ সংৰক্ষণ কৰিব লাগে আৰু পোনেই তাৰ তালিকা এখনি কৰি প্ৰত্যেক পুথিৰে আভাস মাত্ৰ পৰিচয় একোটা দিব লাগে। পৰিচয়ত থাকিব লাগিব পুথিৰ নাম, গিৰিহঁতৰ নাম আৰু বিৱৰণ, লেখকৰ নাম, লেখাৰ শক-তাৰিখ আৰু বিষয় বস্তুৰ চমু বিৱৰণ। এই গোটেইখিনি কথা ইংৰাজী ভাষাত লেখি পুথিৰ আকাৰেৰে পাছত তালিকাখন ছপাই প্ৰকাশ কৰিব লাগিব। ই, এ, চি কামৰ লগতে, ১৯১৪ চনৰ ১ জুনৰপৰা হেমচন্দ্ৰ গোস্বামীক আকৌ ছমাহৰ নিমিত্তে সেই বৃহৎ কাম সম্পাদন কৰাৰ ভাৰটোও দিয়া হল।

গোসাঁয়ে ১৩৩৪ খন সাঁচিপতীয়া পুথি পঢ়ি, সেইবিলাকৰ ভিতৰৰপৰা লাগতিয়াল-অলাগতিয়ালখিনি ভাগে-ভাগে ঘুকিয়াই লৈ লাগতিয়ালখিনিৰ ভাবাৰ্থ-গূঢ়াৰ্থ উলিয়াই চৰ্কাৰী নিৰ্দ্দেশমতে জুঁটিয়াৰ এজনো নোহোৱাকৈয়ে নৰিয়া গাৰেই ২৩৩ খন পুথি ইংৰাজীলৈ সম্পাদনা কৰি উলিয়ালে। সেই পুথিকে "অসমীয়া পুথিৰ বৰ্ণনামূলক তালিকা" নাম দি ১৯২৭ চনত গৱৰ্ণমেণ্টে প্ৰকাশ কৰিলে। গোসাঁয়ে তালিকাখন সম্পূৰ্ণ কৰিব নোৱাৰিলে। ৫২৫ খন পুথিৰ তালিকা যুগুত কৰা হৈছিল, কিন্তু চৰ্কাৰৰ খচখচনিত পৰি সেই ২৩৩ গ্ৰন্থতে সামৰিব লগা হ'ল। বাকীখিনি লেখাতেই থাকিল।

ইমান খৰখৰকৈ হাতত লোৱা কামটো আদখিনিতে এৰিব নেলাগিলহেতেন, যদি যুদ্ধৰ লগতে আমাৰ চকুচৰহা কিছুমানেও বাতৰি-কাকত আৰু ব্যৱস্থাপক সভাত (তেতিয়াৰ) সংগৃহীত পুথিসমূহ সুৰক্ষিত আৰু সম্পাদিত হোৱাত ব্যতিক্রম ঘটিছে বুলি গোসাঁইৰ ওপৰত দোষাৰোপ কৰি যোজাল-যোজালকৈ সমালোচনা নকৰিলেহেতেন।

কমাৰে দুখীয়াৰ লোৰ দুখ নুবুজাৰ দৰে হেম গোসাঁইক ভাৰ দিয়া কামটোৰ দুখ সমালোচকসকলে বুজিব পৰা নাছিল। তথাপি, তেনেবোৰ অজ্ঞ লোকৰো চেৰেউ-ফেৰেউবোৰ যেতিয়া 'আসাম ব্যৱস্থাপক সভাত প্রতিধ্বনিত হ'লগৈ, তেতিয়া এইচ চি বাৰ্ণছে (H. C. Barnes) পুথি সংগ্রহ-সংৰক্ষণ-সম্পাদনাৰ কথাটো এইদৰে খৰচি মাৰি বুজাই দিলে :—

"For the information of those who may not know, I should like to say that the Assames Puthis are written on leaves made of the bark of a tree—the Sanchi tree. They are written some in Sanskrit and some in very old Assamese character. They are works of great interest and in many cases of considerable historical value, and the Govt. has, always, since its attention was called to their existence, held the idea that it would be a sound thing to take measures to preserve these Puthis, to print them, and to have them translated into English. Accordingly, just before the War began, on the 1st June 1914 the Govt. deputed Sreejut Hem Chandra Goswami. Extra Asst. Commissioner, to special duty for six months to make a collection of these Puthis, and to make a catalogue. The catalogue was not merely to be a list of the Puthis, but it was to give an account of the origin of the Puthis, an account of the persons from whom they were obtained—they are in most cases family heirlooms of value —and he had also to read the Puthis through and in some cases to transliterate them, and the work in addition to that involved a great deal of research in order to give a proper description to the Puthis which would satisfy and be useful to scientific people, that work was carried on ; but owing to the economy necessary during the war it was no longer possible to keep an officer on special duty, still this officer has worked on this compilation in his spare time—

between his arduous duties as a Magistrate. I am glad to say that although the work was hindered by his transfer to Jorhat and partly by ill-health, he has now completed the catalogue ; and it is very interesting production, a very interesting and scholarly production which will be of great value.......”

অসমীয়া আৰু সংস্কৃত ভাষাত লিখা পুৰণি পুথিবিলাকৰ তালিকাখন ওপৰত কোৱা-নিয়মে সজাই-পৰাই ছপাকৈ উলিয়াৰ পিছত, সকলোৰে চকুত কামটো নিচেই উজু যেন লাগিছিল। কিন্তু, বুজা লোকেহে তাৰ দুখ মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰিছিল। বাৰ্ণছ চাহাবৰ উল্লিখিত বিবৃতিয়ে গোসাঁইৰ কামত আসোঁৱাহ থকা-বিলাকৰ মুখকে যে বন্ধ কৰিলে এনে নহয়, গোসাঁইৰ অধ্যয়ন-পৰিশ্ৰমৰ প্ৰতি কথাৰ চলতে ওলগো জনালে।

১৯১৯ চনৰ পূজা-বন্ধত, তেজপুৰত অসম-ছাত্ৰ সন্মিলনৰ চতুৰ্থ অধিবেশন বহে। সভাপতি আছিল বঙ্গনেতা, বঙ্গীয় সাহিত্য-সন্মেলনৰ ভূতপূৰ্ব সভাপতি আৰু ভাৰতবিখ্যাত বিজ্ঞানাচাৰ্য্য প্ৰফুল্লচন্দ্ৰ ৰায়। তেওঁ সভামণ্ডপৰ তলতে থিয় হৈ প্ৰকাশ্যে ঘোষণা কৰে :—

“বঙলাতকৈ অসমীয়া গড্ড সাহিত্য বহুত পুৰণি...। এই কথা আজি অসম ছাত্ৰ সন্মিলনৰ সভাপতি হৈয়েই যে কৈছোঁ এনে নহয়, বঙ্গীয় সাহিত্য সন্মেলনৰ ভূতপূৰ্ব সভাপতি আৰু বঙ্গদেশৰ প্ৰতিনিধি হিচাপেও কৈছোঁ। ইয়াতে যদি কোনোবা অসমীয়া পণ্ডিতে অসমীয়া সাহিত্যৰপৰা ধাৰ কৰি নিয়া সম্পদেৰেহে বঙলা ভাষাটো চহকী হৈছে বুলি কয়, তেন্তে তেওঁৰ কথা সততাই ওকবোৱা টান হব।”

*আচাৰ্য্য ৰায়ৰ নিচিনা মনীষী এগৰাকীৰ সোণৰূপৰ মুখৰপৰা ওলোৱা এই কথা কেইষাৰে অসমীয়া ভাষাৰ গৌৰৱ কিমান বঢ়ালে তাক কোৱা বাহুল্য মাথোন। এই গৌৰৱৰ গুৰিতে আছিল হেমচন্দ্ৰ গোস্বামী।

তেজপুৰ-অভিমুখে আহি আচাৰ্য্য ৰায় গুৱাহাটী পাওঁতে-নোপাওঁতেই হেম গোস্বামীয়ে তেওঁক লগ ধৰে আৰু অসমীয়া সাহিত্যৰ পুৰণি সম্পদবিলাক দেখুৱায়; লগতে তাঁৰেৰৰ “কথাগীতা” খনো। কথাপ্ৰসঙ্গতে তাঁৰেৰে যে

শ্ৰীচৈতন্য দেৱৰ সমসাময়িক, তাকো পদে-প্ৰমাণে বুজাই দিয়ে। হেম গোসাঁয়ে যদি তেতিয়াই “কথাগীতা” খন নেদেখুৱালেহেঁতেন আৰু তেওঁ শ্ৰীচৈতন্যদেৱৰ সমসাময়িক বৈষ্ণৱ ধৰ্মপ্ৰবৰ্ত্তক বুলি বুজাই নিদিলেহেঁতেন, আচাৰ্য্য ৰায়ে ছাত্ৰ-সম্মিলনৰ সভাপতি হৈ কোনো কোনোৰ বুকু হম্‌হমাই যোৱাকৈ “ৰঙলাতকৈ অসমীয়া গদ্য পুৰণি” বুলি কেতিয়াও ডিঙাই কব নোৱাৰিলেহেঁতেন বা নকলেই-হেঁতেন।

১৯০৭ চনত অসমীয়া সাহিত্যৰ আঁতিগুৰি আৰু ক্ৰমোন্নতিৰ বিষয়ে পৰিপাটিকৈ জানিব খুজি অসম-গৱৰ্ণমেণ্টে কটন কলেজৰ প্ৰিন্সিপেল এক্, ডব্লিউ চুদ্‌মাৰ্চন চাহাবক অনুৰোধ কৰে—তেওঁ যেন অসমীয়া জনা সুবিজ্ঞ লোকেৰে সৈতে পৰামৰ্শ কৰি সেই বিষয়ে সকলো কথা বিবৰি লেখি পঠিয়ায়। হেম গোসাঁই তেতিয়া তেজপুৰত ই, এ, চি হৈ আছিল। চুদ্‌মাৰ্চনৰ চিঠি পাই তেওঁ ৺পদ্মনাথ গোহাঞি বৰুৱাৰেসৈতে লগ লাগি অসমীয়া ভাষা-সাহিত্যৰ আমূল ইতিবৃত্তটি এটি লেখে আৰু সেইটিকে এতিয়াও “অসমীয়া সাহিত্যৰ চানেকি”ত ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাদেৱে জিলিকাই থৈছে।

বাৰ্লিন বিশ্ববিদ্যালয়ৰ ভাৰতীয় ভাষাতত্ত্বৰ অধ্যাপক এইচ ভোঁ গ্লেচেনেপ পি এইচ ডিয়ে “অসমীয়া সাহিত্যৰ চানেকি” খন ইমান মূল্যবান বুলি ভাবিছিল যে তেওঁ সেই পুথিৰ কিছু অংশ তেওঁ প্ৰণয়ন কৰা গ্ৰন্থত সন্নিবিষ্ট কৰিবলৈ লৈছিল আৰু সেই বাবেই হেমচন্দ্ৰ গোস্বামীক অসমীয়া ভাষা-সাহিত্যৰ চমু-বুৰঞ্জী এটি দিবলৈ অনুৰোধ কৰিছিল। তাতে এইটোও, অধ্যাপক গৰাকীয়ে কৈছিল—“জাৰ্ম্মাণ ভাষাত লেখা গ্ৰন্থখনৰ ৭০০০ ছপা হব। আপোনাৰ টোকাটি ওলালে, আপুনিও জাৰ্ম্মেণীত সুখ্যাতি লাভ কৰিব।”

নানান কাৰণৰ নিমিত্তে গুৱালপাৰত অসমীয়া ভাষা পূৰ্ণমাত্ৰায় চলিবলৈ এতিয়াৰ পোৱা নাছিল। ১৯১২ চনত চীফ্ কমিছনাৰে তাত অসমীয়া চলিবলৈ আদেশ জাৰি কৰে। কিন্তু, সেই আদেশ কাৰ্য্যকৰী কৰাত কিছুমান আসোঁৱাহে দেখা দিলে। আসোঁৱাহবোৰ আঁতৰোৱাৰ উপায় বুধি সুধি তেতিয়াৰ স্কুলসমূহৰ এচিছেণ্ট-ইন্‌স্পেক্টৰ দুৰ্গাধৰ বৰকটকীয়ে হেম গোসাঁইলৈ এখন চিঠি দিয়ে। সেই চিঠিৰ উত্তৰত গোসাঁয়ে লেখিলে :—

"২১।৫।১৯১২

আপোনাৰ ১৭ তাৰিখৰ চিঠিৰদাৰা চীফ্ কমিছনাৰে গুৱালপাৰত বঙলাৰ ঠাইত অসমীয়া চলাবলৈ স্থিৰ কৰা শুনি বৰ বং পাইছোঁ। এইটোৱেই আমাৰ সোণাময় ছেগ, এতিয়াই চলাব পাৰিলে অসমীয়া ভাষাৰ জয়, নোৱাৰিলেই আক চিৰকাললৈ গল। শ্ৰীযুত সত্যনাথ বৰা, শ্ৰীযুত তৰুণৰাম ফুকন আৰু জনদিয়েকেসৈতে গোট খাই আপোনালৈ সম্ভাব্য প্ৰশ্ন তিনিটাৰ সমাধান লেখি পঠিয়াৰ্লো। ন'ট দিবৰ সময়ত ই আপোনাক নথৈ সহায় কৰিব।" প্ৰশ্ন কেইটা আছিল, (১) পুৰণি কামৰূপৰ বিস্তৃতি কিমানলৈকে আছিল আৰু কিমানলৈকে অসমীয়া ভাষা এতিয়াও চলি আছে। (২) গুৱালপাৰৰ কথিত ভাষাৰ লগত অসমীয়া ভাষাৰ কিমান মিল আৰু (৩) ভাষাবিদসকলৰ মতামত।"

সমিধানৰ লগত প্ৰশ্ন তিনিটাৰ উত্তৰো দি পঠিয়াইছিল। আজি আৰু সেইবিলাক কথা ন হৈ থকা নাই। সকলোৱে জনা পুৰণি হৈ গ'ল। তথাপি কি শাসক, কি শাসিত, সকলোৱে মনত হেম গোসাঁই যে ভাষা সম্পৰ্কে বুৰি-ভাৰসাৰে নিৰ্ভয়-দিব-পৰা এগৰাকী বিশ্বস্ত পণ্ডিত আছিল, সেই কথা আজিও মৰিচা পৰা নাই—চকচকীয়া হৈয়ে আছে আৰু থাকিবও।

ৰাতিপুৱা আবেলি দেখিব, কৰ্মপ্ৰাৰ্থী, কৰ্মচাৰী, গোসাঁই-মহন্ত, টোলৰ পণ্ডিত, সাহিত্যিক—এই সকলে তেওঁক লগ পাবলৈ ঘৰৰ আগচোতালত অবিয়া-অৰি লগাইছেহি। বেৰৰ ভিতৰ পিনে বহি-বহি, হয় তেওঁ কিবা কাগজ জুপি-জুপি চাই আছে, নহয় কিবাকিবি লিখি আছে। বাহিৰত মানুহৰ হৃমগম শুনি খিৰীকিদিয়েই জুমি চাই ভিতৰৰপৰাই প্ৰত্যেকৰে লগত আলাপ কৰি হুআৰাৰ সমিধান দিছে—সকলোৱে সন্তুষ্ট মনে ঘৰাঘৰি উলটি বাওঁতে বাটে-বাটে কৈ গৈছে, "হেম গোসাঁইৰ ওচৰ পালত, আমি কৰ খোজা কথাখিনি পাহৰি গৰ্লো, তেওঁৰ কথাই আমাক মুহি পেলালে।" জনমত কবিতা বা প্ৰবন্ধ নেলেখা এনে মানুহ বহুত আছিল, যি তেওঁৰেতৈ কন্তেক আলাপ কৰিয়েই একোটা একোটা চিৰস্মৰণীয় কবিতা বা মূল্যবান প্ৰবন্ধ লিখিব পাৰিছিল। এনেকুৱাকৈ উদগনি দিয়া সাদৰী প্ৰেৰণামূলক বাক্য আছিল হেম গোসাঁইৰ। ডেকা সাহিত্যিকক পালে বে কথাই নাই—পোনেই কৰ— লাগি থাকাঁ, লাগি থাকাঁ, নেৰিবাঁ। "সাহিত্য নিত্য, বাকী সকলো অনিত্য।"

১৯২১ চনত, কেউকালে ৰেভিয়া বৃটিছ শাসনৰ দমনচক্ৰ চলিছিল আৰু-

প্ৰায়ভাগ কৰ্মচাৰীয়ে আনুগত্যৰ আধিক্য দেখুৱাই চৰকাৰবাবা পুৰস্কৃত হবলৈ বিচাৰি ফুৰিছিল তেতিয়া চৰকাৰৰ প্ৰিয়পাত্ৰ হৈও হেমচন্দ্ৰ গোস্বামীয়ে আত্মবিবেক-আত্মসন্মান জলাঞ্জলি দিয়া নাছিল। সেই সময়ত "চেতনা" আলোচনীয়েই আছিল একমাত্ৰ ৰাজনীতি আলোচনা কৰা কাকত। তাৰ সম্পাদকৰ স্ফুলিঙ্গ সদৃশ প্ৰবন্ধ একোটাই চৰকাৰৰ ঘৰত মাজে-সময়ে একোটা জোকাৰ মাৰিছিল। তাতে উচপ খাই কোনোবা বৃটিছভক্তই বেটিছ কমিছনাৰ চাহাবক লগালেগৈ বোলে "চেতনা"ই বিদ্ৰোহৰ জুই জ্বলাইছে। হেম গোসাঁইক প্ৰবন্ধবিলাক পৰীক্ষা কৰিবলৈ কোৱাত গোসাঁয়ে লেখিলে: 'চেতনা' খন আদ্যোপান্ত পঢ়ি চাই প্ৰেছ-এক্ট মতে প্ৰেছ বন্ধ কৰিবলগীয়া একো প্ৰবন্ধ নেপালোঁ।"

মহাত্মা গান্ধী আহিবৰ সময়ত গোসাঁইক কোৱা হ'ল তেওঁ যেন সকলো কৰ্মচাৰীকে গান্ধী মিটিঙলৈ যাবলৈ মানা কৰে। গোসাঁয়ে তদুত্তৰত জনালে,—মহাত্মা গান্ধী ভাৰতৰ অবিসম্বাদী নেতা। তেখেতক চাবলৈ যোৱাটো একো অগৎৰ কথা নহয়, তেওঁৰ অনুবৰ্ত্তী হৈ চৰ্কাৰ-বিৰোধী কাম কৰিলে হে বিচাৰৰ ভিতৰলৈ আহিব পাৰে।

১৯২৫ চনতে চৰকাৰী কামৰপৰা গোসাঁইৰ অৱসৰ লোৱা হল সঁচা, সাহিত্য-সেৱাৰ পৰা কিন্তু অৱসৰ লোৱা নহ'ল—ছেদ-ভেদ নোহোৱাকৈ সেৱাৰ কাম চলিয়েই থাকিল। বজাৰবীয়া বিষয়-জঞ্জালৰপৰা হাত আজৰি কৰি সাহিত্য-পুৰাতত্ত্বৰ চৰ্চ্চাতে জীৱনৰ বাকীছোৱা কাল অতিবাহিত কৰিবলৈ তেওঁ কৃতসঙ্কল্প হৈছিল আৰু ভালেমান কাম কৰিবলৈ জুৰিও লৈছিল। কিছুমানৰ আধা কৰাও হৈছিল, কিন্তু এনেতে ইটোৰ পাচত সিটোকৈ বিপদে জুমুৰি দি ধৰাত বহুত কাম আধৰুৱা হৈয়ে থাকিল। ১৯২৭ চনত বৰ পুতেক কিৰণৰ মৃত্যু হ'ল। সেই শোকৰ জুই নুমাবলৈ নৌ-পাওঁতেই বৃদ্ধা মাতৃয়েকো পৰলোকপ্ৰাপ্তা হ'ল। ১৯১৮ চনত হোৱা অপঘাত এটায়ে তেওঁৰ শৰীৰ ঘুণীয়া কৰি থৈছিল, তাতে অলপ বহুমূত্ৰদোষো আছিল। পুত্ৰ-মাতৃ শোকতে জৰ্জ্জৰিত হৈ থকা দেহত এই দুয়োটা প্ৰবল ভাবে উক্ দিয়াত অন্তিম কালৰ আগজাননী স্বৰূপ নাৰেঙা এটি উদয় হল। সেই নাৰেঙা হোৱাৰ ১৮ দিনৰ মূৰতে নিঠুৰ কালে আমাক নিঠৰুৱা কৰি আমাৰ মাজৰপৰা হেমচন্দ্ৰক নেদেখা লোকলৈ লৈ গুচি গ'ল।

১৮৭১ চনৰ ৫ আষাৰীত, গোলাঘাট ঢেকীয়ালৰ গৌৰাং সত্ৰত জন্মগ্ৰহণ কৰি ১৯২৮ চনৰ ২ মে'ত প্ৰাগজ্যোতিষপুৰৰ লৌহিত্যতট পৰতীৰ্থত হেমচন্দ্ৰ গোস্বামীয়ে দেহা ত্যাগ কৰিলে। দেহাত্যাগৰ লগে লগে অসমীয়া ভাষা-সংস্কৃতি, ঐতিহ্য-গৌৰৱৰ থাই থৰণী এটি খহি পৰিল; বিষাদৰ ছাঁয়ে গোটেই দেশ ঢাকি খালে; জাতিধৰ্মনিৰ্বিশেষে সকলো লোক অভিভূত হ'ল। অসম ছাত্ৰসন্মিলনৰ মুখপত্ৰ 'মিলনৰ' হেমচন্দ্ৰ-সংখ্যা এটিও উলিওৱা হ'ল; তাতে গোস্বামী প্ৰভুৰ প্ৰতি শ্ৰদ্ধাভক্তি জনাই কঁ'ৰ পৰা অসমে অসীম কৃতজ্ঞতা জ্ঞাপন কৰিলে।

হেমচন্দ্ৰৰ বিয়োগত তেওঁৰ বন্ধুবান্ধৱ-সকলে কেনেকৈ চকুলো টুকিছিল, তাৰে চিন স্বৰূপে তলত দুখনমান চিঠি তুলি দিয়া হ'ল।

(১)

পোনপ্ৰথম সাহিত্যিক লেখক পদ্মনাথ গোহাঞি বৰুৱাই শোকসন্তপ্ত পৰিয়ালৰ সমবেদনা জনাই গোস্বামীৰ পুত্ৰেক শ্ৰীশৰৎ চন্দ্ৰ গোস্বামীলৈ লেখিছিল :—

মৰমৰ সোণাই বাপপেন,

লিখিবলৈ কাপ ভুঠে। বুজাবলৈ কথা নাপাওঁ। সঁচা কথা কবলৈ হলে তোমালোকক বুজনি দিম কি, আজি মই নিজে অবুজন। সময়ে শান্ত নকৰেগৈ মানে সতকাই আমাৰ মনঃপ্ৰাণ শান্ত নহৈছে এপোন। তথাপি, ইয়াকে মানি শান্তি বিচাৰিছোঁহক যে ইচ্ছাময়ৰ ইচ্ছাত আমাৰ হাত নাই। ঈশ্বৰে কি কৰে মানুহৰ ভালৰ বাবে।

তোমালোকৰ লগত আমাৰ মৰ্মান্তিক সহবেদনাৰ চিন মোৰ অন্তৰঙ্গ ৺বন্ধুৰ অকাল-বিয়োগত ওলোৱা চকুলোৰ "চনেট" এখনি ইয়াৰ লগতে জাৰি পঠালোঁ।

তেজপুৰ
অং ২১।১।৫০ শক

তোমাৰ শুভাকাংক্ষী
শ্ৰীপদ্মনাথ গোহাঞি বৰুৱা

(২)

অসমীয়া উপন্যাসৰ সম্ৰাট, গোস্বামীৰ সুহৃদ বন্ধু ৺ৰজনীকান্ত বৰদলৈয়ে লেখিছিল :—

হেবেদা বাগান

মাকুম জংচন ৭।৫।২৮

প্ৰিয় শ্ৰীমান শৰৎচন্দ্ৰ গোস্বামী,

সপোনতো ভবা নাছিলোঁ যে মোৰ সৰুকালৰ পৰা, কলেজত পঢ়া দিনৰে পৰা, মোৰ পৰম বন্ধু পূজনীয় লগৰিয়া গোসাঁইদেৱে এইদৰে মোক পিচ পেলাই এৰি যাব। মই বয়সে চেত্ৰেতকৈ ৪।৫ বছৰে ডাঙৰ হলেও তেখেতে মৰে একপ্ৰকাৰ অভিন্ন হৃদয়ৰ আছিলোঁ। দাঁতত ভাত এটা লাগিলেও কোৱা-কুই কৰিছিলোঁ—কলেজত একে মেছে থাকোঁতে কিমান যে উভয়ে ঠাট্টা ধেমালি কৰিছিলোঁ—চাকৰি জীৱনতো যেতিয়াই লগ লাগোঁ তেতিয়াই কত কথা, কত বতৰা দুয়ো আলচিছিলোঁ, দুয়ো একেলগে কলিকতাত থাকিবৰে পৰা সাহিত্য আলচিছিলোঁ—হেৰ', সিদিনাখন একে-লগে দুয়ো চিলভান লেভী (Sylvan Levie) আহোঁতে মহাৰাজ মণীন্দ্ৰ চন্দ্ৰ নন্দীৰ ঘৰত আলহী, দুয়ো একে খাটতে ওচৰাউচৰিকৈ শুইছিলোঁ—এইবিলাক কথা মনত পৰি মোক আকুল কৰি তুলিছে। হেৰ' সিদিনাখন, অলপতে সৰু মাজিউজনী জীয়াৰী শদিয়াত ঢুকাল —সেই শোককে পাহৰিব পৰা নাই—এতিয়া আকৌ বন্ধুবিয়োগৰ বাতৰি! ধন্য মোৰ কঠিন হিয়া আৰু কপাল। সৰুৰে পৰা ৪ ভাই হেৰুৱালোঁ—যোগ্য ওপৰৰ ল'ৰা হেৰুৱালোঁ। এতিয়া আকৌ এজন পৰম বন্ধু মোৰ সহোদৰ সদৃশৰ বিয়োগ-বাতৰি! কি কৰিম—গ'ল সকলো গ'ল—আমিও যাম। মোৰ বিশ্বাস, মই গিপুৰীলৈ যেতিয়া যাওঁ তেতিয়া এই সকলোকে লগ পাম কৃষ্ণৰ ওচৰত। মই থিয়চোফিষ্ট—মই বিশ্বাস কৰোঁ প্ৰত্যেক সু জীৱই অন্ততঃ ১০০ৰ পৰা ১৫০০ বছৰ স্বৰ্গপুৰীত থাকে, তাৰ পিচত হে জনম লয়—সেই দেখি মই ভ্ৰাতৃ-বন্ধু-পুত্ৰ-কন্যা সকলোকে লগ পামগৈ।"

তাৰ পিছত ভায়েক জগতচন্দ্ৰ গোস্বামীলৈ লেখে :—

"গোটেই অসম গোসাঁইদেৱৰ বিয়োগত এন্ধাৰ হ'ল। এতিয়ানো কোনে হেমকোষ অভিধান ছপোৱাব—কোনে অসমীয়া ভাষাক এম, এ পৰ্য্যন্ত পাঠ্যত পেলাব—কোনে প্ৰত্নতত্ত্ব উদ্ধাৰ কৰিব—

তোমাৰ মৰমৰ
শ্ৰীৰজনীকান্ত বৰদলৈ

(৩)

গোস্বামীদেৱৰ কলিকতা-কলেজত একেলগে পঢ়ালগৰীয়া গুৱাহাটীৰ বঙালী সমাজৰ এজন মুখ্যলোক, সুসাহিত্যিক সুৰেশচন্দ্ৰ বন্দ্যোপাধ্যায়ে গোস্বামীৰ বৰ-জোঁৱায়েক ৺কামাখ্যানাথ বৰুৱালৈ হেমচন্দ্ৰৰ মৃত্যুত এই বুলি লেখিছিল :—

"হেমচন্দ্র কৃতী পুরুষ। তাঁর কৃতিত্ব তাঁকে চির স্মৃতিপটে রক্ষা করিবে। সাহিত্য-ইতিহাস-প্রত্নতত্ত্ব বিভাগে তাঁর অনুরাগ ও কৃতিত্ব ছিল। তাহাই তাঁহাকে চিরস্মরণীয় ভাবে জীবিত রাখিবে। লোকপ্রিয়তা ও শিষ্টাচারী সদালাপী গুণ ছিল তাঁর। সে গুণও ত্বরায় লোকে ভুলিতে পারিবে না।
যশমন্ত ৰোড, গৌহাটী, ২৫ বৈশাখ '৩৫ সাল। শ্ৰীসুৰেশচন্দ্ৰ বন্দ্যোপাধ্যায়"

(৪)

যিজন পুৰাতত্ত্ব আৰু জাতিতত্ত্ব বিভাগৰ অনবেষী ডাইৰেক্টৰ গেইটে ১৮৯৪ চনৰ ৩০ চেপ্তেম্বৰ তাৰিখেই চীফ্ কমিছনাৰৰ চেক্ৰেটৰীলৈ দিয়া চিঠিত হেম গোসাঁইক "An intelligent young Assamese who has passed the F. A. Examination বুলি প্ৰশংসা কৰি লেখিছিল, সেইজন ছাৰ এডোৱাৰ্ড গেইটে গোসাঁই ঢুকুৱা শুনি ডক্টৰ সূৰ্য্যকুমাৰ ভূঞালৈ চিঠি লেখি আক্ষেপ কৰিছিল :—

"It is over thirty years since I saw Hem Chandra Goswami. He was then quite a young man, but already took much interest in Assamese history & literature. He helped me a good deal in hunting up references to ancient Kamrupa in the

Puranas, Tantras etc. His death will be a great loss to his country."

গোস্বামীদেৱৰ গুণমুগ্ধ লেঃ কৰ্ণেল পি, আৰ, টি, গৰ্ডনেও সেইদৰেই বৰ দুখ কৰি ডাঃ ভূঞালৈ চিঠি দিছিল :—

"Truly a great and good man has passed away and one whose place it will be extremely difficult to fill."

তেওঁ আৰু লেখিছিল :—

"The descriptive catalogue of Assmese literature was the work of Hem Gossain alone, and it is on this great achievement that his fame will, probably rest and go down to posterity."

সঁচাকৈয়ে, পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ সাত্ত্বিক প্ৰকৃতি, ঋষিসুলভ অমায়িকতা, কৰ্মযোগিক সাধনা, ঐতিহাসিক অনুসন্ধিৎসা, আৰু সাহিত্যিক অনুৰাগৰ প্ৰতি অসমীয়া ভাষা থাকে মানে অসমীয়া জাতিয়ে চাবে-চাবে অৰ্ঘ্য আগবঢ়ায়ে থাকিব।

অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্য

কৌটীকলীয়া সামাজিক প্ৰথা আৰু অন্ধবিশ্বাসৰ মুণ্ড ছেদ কৰি, তাৰ ঠাইত নৱযুগসম্মত জাতীয় ধৰ্ম প্ৰতিষ্ঠা কৰিবলৈকে যি জনে আত্ম উৎসৰ্গ কৰিছিল, স্বদেশ-উন্নতি-চিন্তাৰ অনল যাৰ হৃদন্তৰত অহৰহ ৰকমাৱেই আছিল, শত-সহস্ৰ-দুৰ্দ্দিন-দুৰ্দ্দৈৱৰ নিগ্ৰহকো যি জনে টিলিকিতে উকমাই দিছিল আৰু জড়াজীৰ্ণ

কমলাকান্ত ভট্টাচাৰ্য্য

অৱস্থাতো যাৰ মুখত প্ৰাণখোলা হাঁহিৰ খোখোৱনি ফুটুচিছিল সেই জনেই আছিল ঋষিতুল্য পুৰুষ অগ্নিকৱি কমলাকান্ত ভট্টাচাৰ্য্য।

"আসাম বন্ধু", "জোনাকী" আৰু "বাঁহীত", এই গৰাকী মনীষীৰ অজস্ৰ অগ্নিময় কৱিতা পঢ়ি আৰু বৈপ্লৱিক চিন্তাৰ ঢৌত লুটি-বাগৰ খাই তেখেতৰ প্ৰতি

অযাচিতে আমাৰ অন্তৰত শ্ৰদ্ধা ভক্তিৰ একোখনি আচুতীয়া আসন পাতি থোৱা হৈছে। তেখেতৰ কথা অপাৰ শুনিছিলোঁ আৰু তেখেত কি ধাতুৰে নিৰ্ম্মিত তাকো জনা আছিল ; কিন্তু সৌ-শৰীৰেৰে তেখেতক দেখিবলৈ পোৱা নাছিলোঁ। তেখেতক চাবলৈ মনৰ ভিতৰতে হেঁপাহে খোকিবাথো লগাই আছিল। “ভাবিলে ভাবক পায়” বুলিয়েই হবলা, বিধিয়ে এদিন বলাই-ঘটাই আনি তেখেতক আমাৰ আগতে পেলাই দিলেহি।

কলিকতাৰ ১৪নং হেৰিছন ৰ’ডত সংস্কৃত কলেজৰ এটি মেছ আছিল। তাতে আমাৰ নিবাস। এদিন দুপৰীয়া লাখুটিসহ আধাকেঁচা-আধাপকা (ডঁৰা) চুলিৰে, চক্ৰেটিচৰ আৰ্হ্যাৰে চুটি-চাপৰ বয়সীয়া মানুহ এজন ঘপ্ কৰে আমাৰ কোঠাত সোমালহি। সোমায়েই মানুহ জনে পোনেই সুধিলে, “তোমালোক কেইটিমান থাকাইত, ইয়াত ?” অভ্যাগত জনতকৈ এক ইঞ্চিমান চাপৰ ভজ কাকতীয়ে মাত লগালে, “দহজনমান থাকোঁ।” “তেন্তে, বসচোন তইতৰ এটা, মোক বাইকট্ বিল্ডিংটো দেখুৱাই দেগৈ”। এই বুলি পুৰুষ গৰাকীয়ে আমাৰ ওপৰত অভিভাৱকত্বৰ সম্পূৰ্ণ অধিকাৰ খটুৱাই আমাক ডাটি ধৰিলে। পিছত জা-জলপান খাই সুস্থ হ’লত তেখেতে নিজেই আটাসভঙা হাঁহি এটি মাৰি তেখেতৰ পৰিচয় দিলে। তেতিয়াহে জানিলোঁ—এই জনেই সেই কমলাকান্ত ভট্টাচাৰ্য্য, যাক চাবলৈ ইমান দিনে আমাৰ মন উদগুদাই আছিল। স্বভাৱতে, আমাৰ কথাবতৰাৰ সুৰ সলনি হৈ আছিল আৰু তেতিয়ালৈকে দেখুৱাই থকা আমাৰ উইচিৰিঙা যেন পাতল আচৰণেও মোট সলালে।

বাইকট-বিল্ডিংটো বাইকটসকলৰ কোম্পানীৰ অফিছ থকা ঘৰ। কোচবেহাৰ-ৰাজবংশৰ পৰা ফাটি গৈ যিটো ঠালে বেহাৰৰ বাহিৰত জমিদাৰী উপভোগ কৰিছিল, সেই ঠালকে বায়কত বোলে। বাইকটসকলৰেসৈতে ভট্টাচাৰ্য্যৰ চিনাকিটো বহুত দিনীয়া পুৰণি। ১৯০১-২ চনতে, যেতিয়া তেখেত কোচবেহাৰলৈ যায় তেতিয়াই বাইকট পৰিয়ালৰ যুৱকজন তেখেতৰ প্ৰতি আকৃষ্ট হয়। আকৃষ্ট হোৱাৰ মূল কাৰণটো আছিল এই—সেই সময়ত মহাৰাজ ভূপেন্দ্ৰনাৰায়ণ ভূপ বাহাদুৰ আছিল কোচবেহাৰৰ অধিপতি। ৰাজ আজ্ঞা পাই ভট্টাচাৰ্য্যই মহাৰাজক দেখা কৰিবলৈ গ’ল আৰু কোচবেহাৰেই যে প্ৰাচীন কামৰূপৰ ধৰ্ম্ম-সাহিত্যৰ কেন্দ্ৰস্থল আছিল আৰু নৰনাৰায়ণ মহাৰজাৰ দিনাৰেপৰা কামৰূপবাসীৰ নিমিত্তে কোচবেহাৰখনো

যে তীৰ্থস্থান ৰূপে পৰিগণিত হৈ আহিছে—ইত্যাদি বেহাৰ-কামৰূপৰ মাতৃ-পুত্ৰ সম্বন্ধটো বিবৰি ভট্টাচাৰ্য্য ডাঙৰীয়াই ইংৰাজী ভাষাৰেই ছন্দোময় প্ৰশস্তি এটি মহাৰজাৰ আগত তৎমুহূৰ্ত্তেই মুখে-মুখে ৰচনা কৰি গাই শুনালে। ভট্টাচাৰ্য্যৰ অদ্ভুত কৱিত্বশক্তি আৰু ইংৰাজী ভাষাৰ জ্ঞান দেখি মহাৰজাই বিচুৰ্তী খাই তৎক্ষণাৎ ভট্টাচাৰ্য্যক ৫০০৲ টকা দক্ষিণাস্বৰূপে পুৰস্কাৰ দিয়ালে। কমলা কান্তৰ কৱিত্ব প্ৰতিভাত ভূপেন্দ্ৰনাৰায়ণ ভূপ বাহাদুৰেই হে যে কেৱল মুগ্ধ হৈছিল এনে নহয়, তেওঁৰ অমাত্যবৰ্গ আৰু ৰাজপৰিয়ালৰ মিত্ৰকুটুম্ব সকলো মুগ্ধ হৈছিল। ৰাইকট-বিল্ডিঙৰ প্ৰতিষ্ঠাপক জনো সেইসকলৰ ভিতৰৰে এজন।

অসমৰ হৈ খোৱা ঘাটৰ ওচৰত, চাহখেতি কৰিবৰ নিমিত্তে ছৰ্কাৰে কিছুমান গ্ৰাণ্ট অৱস্থাপন্ন লোকক দিছে বুলি শুনি তেওঁ এটি গ্ৰাণ্টৰ বাবে দৰ্খাস্ত কৰিলে। কিন্তু অচিন ঠাইৰ খোৱাকো নোলোৱা-নীতি মনা তেওঁ পুৰণি চিনাকি ভট্টাচাৰ্য্যক মাতি পঠিয়ালে—ছৰ্কাৰৰ লগত লেখালেখি কৰি গ্ৰাণ্ট লোৱাৰ সকলো বন্দবস্ত সম্পূৰ্ণ কৰিবলৈ। ৰাইকটৰো পূৰা বিশ্বাস আছিল ভট্টাচাৰ্য্যই হে চাহ-বাগিছা সম্পৰ্কে সকলো কথা নিখুঁত ভাৱে জানে।

বিল্ডিংটো দেখুৱাই দিবলৈ কলত মইয়ে ওলালোঁ তেখেতৰ লগত। ঘৰ দেখুৱাই, ৰাইকটৰ লগত দেখা-সাক্ষাৎ কৰোৱাই ঘূৰি আহিলত সুধিলোঁ—

"এই বুঢ়া বয়সত, লোকৰ হৈ লোকে মৰিবলৈ কিয় ওলাইছে? ৰাইকটে মাটি ল'ব, চাহ-বাগিছা খুলিব আৰু ধনৰ তুপীত বাগৰি থাকিব। আপোনাৰ কি লাভ হ'ব?"

তেখেতে প্ৰাণখোলা হাহি এটি মাৰি ক'লে "তইতে কি বুজিবি? ইংৰাজে বাগিছা খুলি আমাৰ দেশখনকে গৰকি পেলালে। ৰাইকটেই খোলক, দিও ভাল; সিইত অচমীয়া নহল, কি হ'ল! ভাৰতীয় হয় হে তেও? দুখীয়া অচমীয়াই কৰিব নোৱৰা কামটো ভাৰতবাসীকে দিবি, কদাপি সাতসাগৰ-তেৰ নৈৰ সিপাৰৰপৰা অহা ইংৰাজক নিদিবি। ৰাইকটে অসমত মাটি এডোখৰ ললে, অসমীয়ালৈ পূৰ্ব্বপুৰুষৰ মৰমটো আকৌ ঘূৰি আহিব পাৰে।" আশাধাৰী ভট্টাচাৰ্য্য ডাঙৰীয়াৰ দেশপ্ৰেমৰ ৰৰতি বা গণ্ডীটো দেখি তম্মান খালোঁ। ভালে তো হে, এই বুঢ়া বয়সতো অসমক ভাঙৰ কথা ভাবটোতে জোক-লগাদি লাগি আছে।

তেখেতেৰ লগত তিনি দিন ফুৰিলোঁ। এই তিনিউ দিনে তেখেতে যিমান কথা ক'লে, তাৰ অন্ত নাই। এদিন কথাৰ মাজতে সুধিলোঁ, "আপুনি নো

কাকতৰ পাত ভৰাই-ভৰাই ইমানবোৰ কৱিতা-প্ৰবন্ধ কেনেকৈ লেখে? আমি লেখিবলৈ গ'লে, কথা দেখোন আটেই নেথায়?

তেখেতৰ চিৰলগৰীয়া খো-খোৱা হাঁহিটিৰে সমিধান দিলে, "মোৰ লেখাই মোৰ জীৱনৰ অভিব্যক্তি। মই লেখোঁ বুলি নেলেখোঁ, মনে-কাপে যি লেখে সেয়ে। সেয়ে মোৰ "চাহিত্য"।

বৰ-পৰাকী স্বৈণীয়েক ঢুকোৱাৰ পাছত ভট্টাচাৰ্য্য ডাঙৰীয়া ভালমানে দিন বলিয়াৰ দৰে দিহিঙে-দিপাঙে ভ্ৰমি ফুৰিছিল। এই দৰে ফুৰোঁতে-ফুৰোঁতেই তেখেত শদিয়া ওলালগৈ; সেই সময়তে বহাগৰ বিহুও; তাতে বহাগৰ বিহু নাম দি এটি কৱিতা লেখিলে। সেই কৱিতাটোৰ আঁতি-গুৰি কৈ যাওঁতে-যাওঁতে তেখেত আবেগত ইমান তন্ময় হৈ গৈছিল যে কথাৰ মুখতে কৱিতাটো গলগলীয়া মাতেৰে আবৃত্তিকে কৰি পেলালে; তাৰ মাজতে কেইফাঁকিমান আছিল:—

"আবৰ পৰ্ব্বতে বোলে মিপাকৃভাং-মিপাকৃভাং (গোলাম বান্ধ গুচা)
হেৰ' অসমীয়া তই গা দাং, গা দাং।"

পত্নী শোকত জৰ্জ্জৰিত হৈ ফুৰিছিল সঁচা, কিন্তু কৱিতাত সেই শোক-বেঙ্গাৰ তল পৰিল, ওপৰ উঠিল দেশৰ দুৰ্দ্দশা। সঁকীয়াই দিলে—

'হেৰ' অসমীয়া গা দাং, গা দাং।

তেতিয়াই তেখেত খাচীয়া পৰ্ব্বততো ওলাইছিলগৈ। তাতে তেওঁতে দেশৰ দুৰ্দ্দশা দেখি কবিতা লেখিলে। অসমীয়াৰ অৱস্থা আগলৈ পানীত হাঁহ-নচৰা হব বুলি তাতেই ভবিষ্যদ্বাণীও কৰিলে। স্মৃতিধৰ ভট্টাচাৰ্য্য ডাঙৰীয়াই তাকো আমাক গাই শুনালে। তেখেতে প্ৰায় চাৰিকুৰি বছৰৰ আগেয়েই ভবা কথাবাৰ কেনেকৈ আজি হাতে-হাতে ফলিয়াইছে তাক গুণি চোৱা উচিত বুলি কৱিতাটোৰ দুশাৰীমান তুলি দিলোঁ।—*

"আচামৰ মাটি পৰম উৰ্ব্বৰা
এনে ভূমি যদি আদৰ নকৰা
ভাটীৰ চাউল আমদানী নহলে
ধিক অসমীয়া তোমাৰ জীৱন নচলে।

* ইয়াৰ অনেক নবচৰো হব পাৰে। মনত যেনেকৈ পৰিছে তেনেকৈ হে লিখিছো। দু-শ

নিদ্ৰা পৰিহৰি এবাৰ ভাবা কি হ'ল !
"ঘৰত জুই, চোৰ এৰাহত তেও বিহ্বল'।
এতিয়া নকৰা মন নিশ্চিন্তা উপায়
পিচত পস্তাবা সবে থাকিলে নাপাই।
লাগিব হুৰতৈ সবে বিদেশৰ চাকৰ
তেতিয়া বুজিবা সবে "আসাম আজি কাৰ ?"

কমলাকান্তই হৰিবিলাস আগৰৱালাৰ লগত বৰৰ এঠাৰ কাৰবাৰ কৰিছিল। খাতৰি-কাকত "আসাম বন্তি" উলিয়াবলৈ জোঁটাশলীয়াকৈ কোম্পানী পাতিছিল, হাতী মহল লৈছিল, বিশ্বনাথ—চাৰিআলিত ব্ৰজকান্ত বিদ্যাৰত্ন আৰু ৰঘুনাথ বিদ্যাবাগীশক আনি টোল স্থাপন কৰিছিল, জীৱনৰ বাৰ্দ্ধক্য-বেলি ওলোৱা-পৰতো বিশ্বনাথ—গড়াহাবি গাৱঁত ৰায়তসভা পাতিছিল। "আসাম হিতৈষী" কাকতৰ সম্পাদকো আছিল। স্বৰূপাৰ্থত কবলৈ গলে, কমলাকান্ত ভট্টাচাৰ্য্যৰ গভীৰ চিন্তা, আৰু অকুৰন্ত উৎসাহ ছয়াটাই পাশাত* চলিছিল।

ৰবৰ এঠাৰ ব্যৱসায় গ্ৰাহকৰ অভাৱত দইন পৰিল। গাৰো পৰ্ব্বতৰ হাতী মহল ললে, ক'লাজ্বৰে পাই ফান্দী-মাউত, চৰ্দ্দাৰ-গৰৱালা সকলোকে মাৰিলে। মহলৰ মানুহো মৰিল। ভেৰোণীয়াকৈ নিয়া কুন্‌কীৰ (বন্দীয়া হাতী ধৰিব পৰা শিক্ষিত ঘৰচীয়া হাতী) গিৰিহঁত আৰু বহুদপাতি যোগোৱা মাৰোৱাৰীহঁতৰ ধনৰ আক্ৰোহ কিন্তু মৰিব নেজানিলে। সেই আক্ৰোহেই কমলাকান্তক চঞ্চলা কমলাৰ কান্ত কমলাকান্ত গুচাই শুম্ভিবা পাৰ্ব্বতীৰ কান্ত দিগম্বৰ কৰিলে। দিব্যাস হৈয়ো তত্ত্বদৰ্শী কমলাকান্তই দৈপ্লৱিক চিন্তাধৰাৰাই ভবিষ্যত অসমীয়া জাতিলৈ বৰভঁৰাল এটি বান্ধি থৈ গ'ল।

তেখেতে কৈছিল—পূৰ্ব্বে মনুৰ দিনত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ এই চতুৰ্ব্বৰ্ণ আছিল আৰু গুণ কৰ্ম লৈয়েই সেই বৰ্ণৰ সৃষ্টি হৈছিল। মনুৰ মন্বন্তৰ কাহানিবাই ওৰ পৰিল ; কিন্তু জাতিভেদ ওৰ নপৰিল। এতিয়াও সিয়েই নতুন ৰূপত আমাৰ সমাজত বিৰাজমান—যথা—

* সমানে-সমানে লৰমৰা—ৰে'চ।

(১) খুঁটিপোতা :—ধৰমৰ খুঁটি পোতোঁতা ; সত্ৰ-মহন্তসকল।

(২) নিকপ্‌কপীয়া :—প্ৰাচীন বিশ্বাসকে খামোচ মাৰি ধৰোঁতা ; ৰক্ষণশীল শ্ৰুতি-স্মৃতি আৰু চেৰিয়াট অনুগামীসকল।

(৩) পাৰত গঙ্গা :—ঐতিহ্য নোহোৱাই ঐতিহ্য বিচাৰি ফুৰোঁতা ; উপাধি থকুৱাসকল।

(৪) হুমুনিয়াহ কঢ়া :—সহায় সাৰথি পাইও সামাজিক মৰ্য্যাদাত তল পৰি থাকোঁতা ; নিজকে নীহ বুলি ভবা সম্প্ৰদায়সকল।

আমাক ধৰ্ম যে নেলাগে এনে নহয়। লাগে। সেয়ে কিন্তু লোকৰ বোধ বুজা হব লাগে। ৰক্ষণশীলতাৰো সীমা আছে। বৰকৈ আঁটিলে ফাটি যায়। সেই গুণে, আনৰ আৱৰ্জ্জনাও সংশোধন বা সংস্কাৰ কৰি নিজৰ ভিতৰত সুমাই লব পৰা গ্ৰহণশীলতা লাগে। উপাধি-থক অতি মাৰাত্মক। যোগ্য জনে যোগ্যতা আৰ্জ্জিলে উপাধি আপুনি আহিব, হামৰাও কাঢ়ি ফুৰিব নেলাগে। সাহসেই আত্মপ্ৰতিষ্ঠাৰ মূল। সাহ নাই যাৰ, ঠাই নাই তাৰ। সেই বুলি, উচ্ছৃঙ্খলতা দেখুৱাবলৈ কোৱা নাই। সাহসেৰে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰক, সকলোৱে প্ৰশংসা কৰা ৰুচি অনুসৰি চলিবলৈ শিকক, হুমুনিয়াহ কাঢ়োঁতাৰ আত্মসন্মান অক্ষুণ্ণ হৈয়ে থাকিব।

ধৰ্মতত্ত্ব-সমাজতত্ত্বৰ নিচিনা ওখ আৰু গভীৰ বিষয়বিলাকৰ কথা কৈ থাওঁতেও তেখেতে কেতিয়াবা-কেতিয়াবা আধুনিক শিক্ষা-শাসন ব্যৱস্থাৰ কথা উলুকিয়াই ধেমালীৰ চলতে অলপ-অচৰপ ৰসিকতাও কৰিছিল। তাৰে এটিৰ নমুনা এই :—আধাখুন্দাকৈ পঢ়ি শুনি যিবিলাকে শাসনকাৰ্য্য চলায় সেইবিলাকৰ নাম দিছিল সিদ্ধি দিয়া ; চোৰক নিচোৰ আৰু নিচোৰক চোৰ কৰিবলৈ বা দোষীক নিৰ্দ্দোষী আৰু নিৰ্দ্দোষীক দোষী কৰিবলৈ আদালতত যিবিলাকে থকাথকে বক্তৃতা মাৰে সেইবিলাকৰ নাম বুকুপতা ; আৰু যিটো বিভাগৰ কৰ্মচাৰীয়ে ঘটনা তদন্ত কৰিবলৈ যাওঁতেই ভয় বা ভাবুকি দেখুৱাই দুই চাৰি টকি সৰকায় সেইবিলাকৰে নাম দিছিল শোহামৰা অৰ্থাৎ পুলিছ।

১৯৩৬ চনৰ ১৪ ডিচেম্বৰ তাৰিখে গুৱাহাটীত কমলাকান্ত ভট্টাচাৰ্য্যই পাঞ্চভৌতিক দেহা পৰিত্যাগ কৰে আৰু তাৰ লগে-লগেই দেশাত্মবোধৰ জুই-আঙনি এটিও চিৰকাললৈকে নুমাই যায়। তেখেতৰ জীৱনত বহুত ঘাত-প্ৰতিঘাত হ'ল ; শোক-সন্তাপ আৰু অৰ্থ সমস্যাই দেহা তেনেই জুকলা কৰিলে। তথাপি ঢুকুৱাৰ

আগলৈকে –চাৰিকুৰি এবছৰ বয়সতো কৈয়েই ফুৰিছিল—“আহ ডেকা লৰাহঁত, চাহিতা’ কৰোগৈ” আৰু কৈছিল “ধন নহলে, সংসাৰত একো কামেই নিসিজে। ‘অচমীয়া মানুহে কাৰবাৰলৈ মন মেলিব লাগিব। অচমীয়াৰ উদ্যোগ নাই, সেই দেখি ধনো নাই। আমাৰ মানুহবোৰ কেৱল পৰশ্ৰীকাতৰ। বংশ-গৌৰৱৰ ভেমেই খালে। * * * কুসংস্কাৰেৰেই ভৰা ধৰ্মটোকে ধৰ্ম, ধৰ্ম বুলি চিঞৰি থাকিলে নহয়। মনুসংহিতাৰ দোহাই দি থাকিলে আমাৰ কেতিয়াও আধ্যাত্মিক উন্নতি হব নোৱাৰে, আমাক লাগে দয়ানন্দ সৰস্বতী—আৰ্য্য-সমাজ পাতি নতুন জাতি এটা সৃষ্টি কৰিবলৈ ; আমাক লাগে গেৰিবল্ডী-মেটচিনি—যৰা শ-দৰৰ অচেতন হৈ পৰি থকা অচমীয়া মানুহবোৰক সঞ্জীৱনী মন্ত্ৰ শুনাবলৈ ....।” জয়তু কমলাকান্ত ভট্টাচাৰ্য্য’

ঐতিহাসিক কনকলাল বৰুৱাৰ কথা তুষাৰমান

ঐতিহাসিক পণ্ডিত কনকলাল বৰুৱা শিৱসাগৰত মুন্সিফ হৈ থাকোঁতেই তেওঁৰ নাম শুনো। তাৰ পিচত, তেওঁৰ বংশ-পৰিয়ালৰ কথাও শুনো। নামতীয়াল কাকতী বংশৰ পৰিয়ালেই তেতিয়া শিৱসাগৰৰ আমোলাপটি জুৰি, আছিল। নামতীয়ালৰ ইন্দীবৰ বৰুৱা চিৰস্তাদাৰ, বংশীধৰ বৰুৱা, বজ্রধৰ বৰুৱা,

কনকলাল বৰুৱা

দামোদৰ বৰুৱা, শশীধৰ বৰুৱা, চন্দ্ৰধৰ বৰুৱা এই সকল ডবা-গবা লোকৰ নাম শুনিলেই মানুহে ভয় খায়। কনকলালো সেই বংশৰে। তেওঁৰ দেউতাক লক্ষ্মীৰাম বৰুৱা গুৱাহাটীৰ মুন্সিফ আৰু ককাদেউতাক প্ৰিয়লাল নামনি অসমৰ

"ডেপুটী ইন্‌স্পেক্টৰ অৱ্ স্কুলছ" আছিল। তাৰ উপৰিও, কৰ্ণেলউত্তাক ছুটিবাম চিৰন্তাদাৰক মণিৰাম দেৱানৰ লগত ইংৰাজ শাসনৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰা বুলি কলীয়াপানীলৈ মেলি আকৌ গুৱাহাটীতে নজৰবন্দীকৈ থোৱা হৈছিল। এইবোৰ সাতে-পাঁচে, ল'ৰা-মানুহ আমি কনকলালৰ ওচৰকে চাপিব নোৱাৰিছিলোঁ। কিন্তু আবোলাপটিৰ নাট-ঘৰত, বাল্যাশ্ৰম আৰু ছাত্ৰ-সভাৰ অধিবেশনত আৰু কাছাৰীলৈ যোৱা মানুহ মুখত তেওঁৰ কথা শুনিবলৈ পাইছিলোঁ।

১৯১৮ নে ১৯ চনত তেওঁ শিল্প বিভাগৰ ডাইৰেক্টৰ আছিল। তেতিয়াই কিবা এটা চৰকাৰী লেঠাত দিল্লীলৈ গৈছিল। তাৰপৰা ঘূৰি শিলঙলৈ যাবলৈ আহি শিয়ালদহ ষ্টেছনৰ যাত্ৰী-জিৰোৱা খোটালি এটাতে বেললৈ খাপ দি আছে। ফুৰিবলৈ গৈ আমিও কিবা স্বৰূপত সেই খোটালিলৈকে সোমাই গলোঁহঁক। আমি তেতিয়া কলেজৰ ছাত্ৰ। আমি মানে অভয়াপুৰীৰ হৰেন্দ্ৰ সিং, ডিব্ৰুগড়ৰ ভদ্ৰ কাকতী আৰু মই। তেওঁ একাষৰীয়াকৈ আৰামী চকী এখনতে বহি মনপুতি কিতাপ পঢ়ি আছে। আমাৰ কথা-বতৰা শুনি, হাতৰ কিতাপখন জপাই থৈ, বৰ গহীনাই আমাক সুধিলে, "তোমালোক অসমীয়া ল'ৰা, নহয় নে ?" আমি 'হয়' বুলি সসম্ভ্ৰমে সম্বিধান দিলোঁ। তাৰ পিচত আকৌ আমাৰ ঘৰ ক'ত, কাৰ ঘৰৰ ল'ৰা, ক'ত পঢ়োঁ, ক'ত থাকোঁ, কলিকতাত কিমান দিন আছোঁ—ইত্যাদি বাৰবুৰি প্ৰশ্ন সুধি আমাৰ জাঁতি শুৰি ল'লে। ইতিমধ্যে তেওঁৰ লগুৱাটোক আমালৈ চাহ-জলপান আনিবলৈ ক'লে। চাহ খুৱাই, আমাৰ আগত তেওঁৰ কলেজীয়া জীৱনৰ চমু বৃত্তান্ত এটি দিলে। বৃত্তান্তটি সৰু-সুৰা উদগনিমূলক বক্তৃতাকে বুলিব পাৰি। তাৰো দুটামান কথা কোৱা ভাল বুলি ভাবো।

তেওঁবিলাকৰ দিনত, কলিকতাত থকা প্ৰত্যেকটি অসমীয়া ল'ৰায়েই অসমৰ উন্নতিৰ অৰ্থে চিন্তা কৰিছিল। যাৰ যি বিষয়ত ৰাপ আছিল তেওঁ সেই বিষয়ৰ কিতাপ-পত্ৰ পঢ়ি জ্ঞানৰ সীমা বঢ়াইছিল। পাল মাৰি কাম কৰোঁতাজন নিন্দাৰ পাত্ৰ হৈছিল। বৰুৱা ডাঙৰীয়াই বুৰঞ্জী বিষয়টো বৰকৈ ভাল পাইছিল। সেইদেখি, অসমৰ বুৰঞ্জী এখন লেখিবলৈ যি যি সমল লাগে সেইবোৰ গোটাবলৈ তেতিয়াৰপৰাই তেওঁ যত্ন কৰি আছে। কলিকতাত অসমীয়া-ভাষা-উন্নতি-সাধিনী-সভাৰ থাই সম্পাদক ৰমাকান্ত বৰকাকতীৰে লগ লাগি অসমীয়া প্ৰিয়াৰ্-

পুথিৰ বিৱৰণ তালিকা সংগ্ৰহ কৰিছিল, সেইখন তেওঁ সহকাৰী সম্পাদক নথকা হ'লে কেতিয়াও উলিয়াব নোৱাৰিলেহেঁতেন। অসমীয়া ভাষা ৰক্ষা কৰা ৰণত যিটো শৰাইঘটীয়া দল আছিল, কনকলালো তাৰে এজন। 'জোনাকী"ৰ পাততো অসম-বুৰঞ্জীৰ কথা আলোচনা কৰা তেতিয়ালৈকে সোণাৰাম চৌধুৰী, মাটিৰাম দাস, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ গোস্বামীয়েই প্ৰধান আছিল। গোস্বামীৰ পিচতে কনকলাল বৰুৱাই "আমাৰ দেশৰ বুৰঞ্জী", "অসমীয়া ছিলৈ", "আমাৰ দেশৰ উৎপন্ন বস্তু" আদি কৰি ভালেমান প্ৰবন্ধ লেখিছিল।

"ভ্ৰমৰঙ্গ" নাটকৰ পোন-প্ৰথমেই যেতিয়া মঞ্চ পাতি, কলিকতাৰ পাটুৱাটোলা লেনত অভিনয় কৰা হয় তেতিয়া সোণাৰিগঢ়ী কনকলাল বৰুৱাই "মালতীৰ" ভাও লৈছিল। সেই সময়ত বৰুৱাৰ বায়েক আৰু ভিনীহিয়েক অসম-গৌৰৱ মাণিকচন্দ্ৰ বৰুৱা কলিকতাত আছিলগৈ। বায়েকৰপৰা সিংখাপৰ ৰিহা-মেখেলা, থুৰিয়া, ঢুগঢুগী আৰু পাণবটা এটা আনি তেওঁ "মালতীৰ" ভাও দি যেতিয়া নামি আহিল, মঞ্চত সজাই-পৰাই লোৱা সুৱাগী "অসমীয়ানীজনী" চাই বঙালী আৰু চাহাব দৰ্শকসকলে বাঃ বাঃ দিলে আৰু অসমীয়া তিৰোতাৰ সাজপাৰ দেখি সকলো মুগ্ধ হ'ল। "ইণ্ডিয়ান ডেইলী নিউজত" প্ৰকাশ হোৱা সেই অভিনয়ৰ সমালোচনাত অসমীয়া মহিলাৰ সাজপাৰ আৰু অলঙ্কাৰক বিশেষভাৱে প্ৰশংসা কৰা হৈছিল।

সাধাৰণতে দেখা যায়, ডাঙৰ কাম পাই ধনত বাগৰি ফুৰিলে আমাৰ মানুহে সাহিত্য সম্পৰ্কীয় কলাবিদ্যা চৰ্চা কৰিবলৈ পাহৰি পেলায়। এই শোচনীয় প্ৰবৃত্তিয়ে আজিকালি বৰকৈ লাগ লৈছে। আগৰ ডোখৰ কালত তেনে নাছিল। কনকলাল বৃটিছ-চৰকাৰৰ উচ্চতম বিষয়া আছিল আৰু মন্ত্ৰীও হৈছিল। তথাপি কামৰূপ বুৰঞ্জীৰ তথ্য আহৰণ কৰি, সেইবোৰ ঘুকিয়াই সিদ্ধান্ত কৰোঁতে বাস্তিক দিনকৈ অধ্যয়ন কৰিছিল। কামৰূপৰ গৌৰৱ বাঢ়ক বুলি জেপৰ পইচা খৰচ কৰি অনুসন্ধান পত্ৰিকা এখন উলিয়াইছিল। মহকুমাই-মহকুমাই একোখন অনুসন্ধান সমিতিও পতাইছিল।

ঐতিহাসিক সম্পদ আহৰণ কৰোঁতে তেওঁ সদায় আপোন-পাহৰা হয়। ১৯৩২ নে ৩৩ চনত, কনকলাল বৰুৱা শিৱসাগৰলৈ যাওঁতে জোৱালবলদ-গড়ৰ ওচৰতে শিলৰ নিচিনা মিহি ইটা এচলা পাই মটৰতে তুলাই লৈ গৈছিল।

তাকে দেখুৱাই আনন্দ প্ৰকাশ কৰিবলৈকে মোক দহ বাইল দূৰৰ পৰা মতাই নিয়ালে। মই গৈ পালত তেওঁৰ যে কি আনন্দ! মোক দেখামাত্ৰকে ভিতৰৰ পৰা হাতত ইটাচলা লৈ বেগাবেগিকৈ আহি কৈছে, চোৱাঁচোন এই চলা কিমান পুৰণি ইটা! গুৱাহাটী-পদিয়াত পোৱা ইটাতকৈ ই বাৰু পুৰণি নহয় নে? ইটা চিনাত মই কালিৰ ছুৱাল। মোক তেনে প্ৰশ্ন সোধাত পেপুৱা লাগিলোঁ। অলপ বৈ তেওঁ নিজেই ক'লে, "তুমি ক'ব নোৱাৰা বুলি বুজিছোঁ। কিন্তু সুধি চাইছোঁ কি নো কোৱা! নাস্তুত-নাশ্ৰুত উত্তৰ এবাৰো সময়ত, ঐতিহাসিক সত্য হ'ব পাৰে।" তেতিয়া আৰু মোৰ বুজিবলৈ বাকী নাথাকিল যে বুৰঞ্জীস্পৃহা ধন যশস্তুৰ লোভে আনি দিব নোৱাৰে। ই আপোনা-আপুনি অন্তৰত উদয় হোৱা স্বাভাৱিক ধৰ্ম; পাৰত নগজে।

আমাৰ দেশৰ মাটি-তলত পুৰণি সভ্যতা পোত খাই আছে। সেইবোৰ খানি উলিয়াবলৈ তেতিয়াৰ বিদেশী চৰকাৰক তেওঁ টানি ধৰিছিল। কামৰূপৰ প্ৰাগ্‌জ্যোতিষপুৰ আৰু পশ্চিম ভাৰতৰ প্ৰাগজ্যোতিষপুৰৰ ভিতৰত থকা খলি-মেলি গুচাবলৈ তেওঁ প্ৰাণটাকি লাগিছিল। খনন কাৰ্য্যত চৰকাৰৰ উদাসীনতা দেখি মাজে মাজে পুৰাতত্ত্ব বিভাগক বিৰূপ সমালোচনাও কৰিছিল। তোৰবাৰে তেওঁ চৰকাৰৰ অপ্ৰিয়ও হৈছিল। সেই বিষয়ে লেখালেখি কৰা চিঠি-পত্ৰবোৰ আমাক দেখুৱাইছিল। চৰকাৰক কৰা সমালোচনাৰ চোক বৰুৱা ডাঙৰীয়াৰ জীৱনৰ কীৰ্ত্তিস্তম্ভ "প্ৰাচীন কামৰূপৰ বুৰঞ্জী" বা আৰ্লি হিষ্টৰী অব্ কামৰূপৰ" পাতনিত এতিয়াও লাগি আছে। বিস্মৃতিৰ গৰ্ভত লীন হ'ব খোজা এই ঐতিহাসিক গৱেষণাৰ অপূৰ্ণ আকাঙ্ক্ষাটি পূৰাবলৈ আমাৰ নিজা চৰকাৰ কেতিয়াবাকৈ সজাগ আৰু সক্ষম হ'ব নে?

১৯২৯ কি ৩০ চনত শিলঙৰ কেঞ্চাচ ষ্ট্ৰীটত এদিন আবেলি তেওঁৰ বহাতে চাহ খাবলৈ বহিছোঁ। চাহপানী টোপা কাঁহৰ বান-বাটিত, জা-জলপানো কাঁহৰ ফুল-কটা পাজোৱাত আৰু মুখ-হাত ধুই মুখশুদ্ধি কৰিবলৈ তামোল ছুখনো পাণ-বটা এটাত সজাই থোৱা হৈছে। চাহ খাই থাকোঁতেই তেওঁ কথাৰ চলতে ক'লে......"(অমুকে)......বক্তৃতা দি ফুৰিছে স্বদেশী হবলৈ। ঘৰলৈ গ'লে দেখিবা তেওঁৰ কাঁহৰ বাটি এটাও নাই। বিলাতী কাপ-প্লেটকে ব্যৱহাৰ কৰিছে। চাহৰ বাহন কাপ-প্লেটেই ঠিক। কিন্তু তাকে আমাৰ দেশত তৈয়াৰ কৰিবলৈ

শিকাব লাগে।" শিল্প বিভাগৰ ডাইৰেক্টৰ হ'বৰ দিন-ধৰি সভায়-সমিতিয়ে ছৰ্কাৰা বিৱয়া হিচাপে তেওঁ উদগনি দিয়াত, সৰ্ব্বোবাধীত অৱস্থে, কাঁহৰ কাপ প্লেট তৈয়াৰ হৈছিল।

বেহাই-বেপাৰে খেতিয়ে-বাতিয়ে দেশ একোখন উন্নত কৰিবলৈ হ'লে সকলো কাম বৈজ্ঞানিক ভাবে কৰিব লাগিব আৰু আধুনিক জগতৰ লগত ফেৰ মাৰিব পৰা হ'ব লাগিব। অসমীয়া পাট কাপোৰ কৌটীল্যৰ দিনৰে। এনে হেন আপুৰুগীয়া বস্তু এটি অসমত নোহোৱা হৈ গৈছে। সেই কাৰণে, তেওঁ তিতাবৰত চৰকাৰীকৈ পাট-পলু, মুগা-মেজাঙ্কৰীৰ কাৰ্য্য এখন খোলালে আৰু উপযুক্ত ছাত্ৰ শ্ৰীৰমানন্দ শৰ্ম্মাক বৃত্তি দি জাপানৰপৰা শিক্ষা দিয়াই অনালে।

শিল্প বিভাগৰ ডাইৰেক্টৰ থাকোতেই তেওঁ "আলোচনী" কাকতত লেখিছিল:—

"আমি তামোল খাওঁহে খাওঁ, তাৰ বাবে কিমান টকা নো বিদেশলৈ পঠিয়াওঁ কিবা গম লওঁ জানো? বাঁহ, পাটীদৈ, বেত-ইকৰা-খাগৰি নি বিদেশী চৰুকী হৈছে আৰু আমি খৰলি খাই মৰিছোঁ। প্ৰবন্ধটো লেখাত, চৰকাৰে লুকুৱাই থোৱা ভালেমান কথা ওলাই পৰিল। সেইবাবে প্ৰবন্ধটো হঠাতে বন্ধ কৰিব লগীয়া হ'ল।

মন্ত্ৰীয়ে ইচ্ছামত খৰচ কৰিব পৰা পুঁজিৰ টকা তেওঁ যথে-মধে খৰচ কৰা নাছিল। উপযুক্ত পাত্ৰ আৰু কামৰ ফলাফল চাই হে দান আগ বঢ়াইছিল। এনে দানৰদ্বাৰা উপকৃত হোৱা এতিয়া বুঢ়া, তেতিয়াৰ ডেকা জনদিয়েকে কনকলাল বৰুৱাৰ নিৰপেক্ষ বিচাৰৰ কথা পাহৰিব পৰা নাই।

কনকলাল কংগ্ৰেছী নাছিল। অথচ, ছাদুল্লা মন্ত্ৰীসভা গঠনৰ সময়ত কংগ্ৰেছে মন্ত্ৰীপদ নোলোৱাত তেওঁ বৰ বেজাৰ কৰিছিল। কংগ্ৰেছ-নেতা এজনক সেই পদ লবলৈ কোৱাত তেওঁ কেনেকৈ অপমানিত হ'ব লগীয়া হৈছিল তাকো ৺ঘনকান্ত বৰকাকতীৰ সাক্ষাতে মোৰ আগত কৈছিল।

কনকলাল বৰুৱাই মালিহা মাৰি কুৰা মানুহক সমূলি দেখিব নোৱাৰিছিল। ব্যৱস্থাপক সভাৰ ডেকা কংগ্ৰেছী প্ৰতিনিধি দুজন মানে তেওঁক হোৱাই-নোহোৱাই আক্ৰমণ কৰি থাকে। তাতে ত্যক্ত লাগি তেওঁ এই কথা কওঁতা জনলৈ লেখিছিল, "কংগ্ৰেছত লাগিছা লাগাঁ। উদ্ধত নহবাঁ।"

দেখাত গহীন, যুক্তিত অচল, ধৰ্মবিশ্বাসত অটল, মাতৃভাষাৰ অনুৰাগী, ইষ্ট-মিত্ৰ, বংশ-পৰিয়ালৰ স্নেহত গলি যোৱা, সঁচাসঁচি বুৰঞ্জীবিদ ৰায়বাহাদুৰ কনকলাল বৰুৱাই ১৯৪০ চনৰ ৮ জানুৱাৰী তাৰিখেই ইহ সংসাৰৰপৰা বিদায় ল'লে। তেওঁ ঢুকাৱৰ বহু বছৰ হ'ল। দেশৰ সকলোৱে মোট পলালে। কনকলাল বৰুৱাৰ দৰে এহাতুৱীয়াকৈ বুৰঞ্জী চৰ্চ্চা-গৱেষণা কৰা মানুহ যে এতিয়ালৈকে অসমত ওলাব নেজানিলে!

প্ৰত্নতাত্ত্বিক সৰ্ব্বেশ্বৰ কটকী

বুৰঞ্জীমূলক তত্ত্ব আৰু তথ্য, ভাস্কৰ্য্য-স্থাপত্য-শিলালিপি প্ৰভৃতি ঐতিহাসিক উপাদানসমূহ উদ্‌ঘাটিত নহ'লে ইতিহাসৰ পূৰ্ণাঙ্গ দৌল নিৰ্মাণ কৰা অসম্ভৱ প্ৰত্নতাত্ত্বিক অৰ্থাৎ খুঁচৰি-খুঁচৰি পুৰণি সম্পদ উদ্ধাৰ কৰোঁতা আৰু যৰত বহি সেই উদ্ধৃত বা আবিষ্কৃত সম্পদৰাজি বহিয়াই মিলাই যুকিয়াই চাই তথা

সৰ্ব্বেশ্বৰ কটকী

সম্পদৰ পাৰস্পৰিক কাৰণ-কাৰ্য্যৰ সমন্বয় নিৰ্ণয় কৰোঁতা উভয়ে একে-কাকো এৰি কোনো থাকিব নোৱাৰে। গৱেষক-অনুসন্ধানকাৰী দুয়োশ্ৰেণীৰ যুটীয়া প্ৰচেষ্টাৰ ফলতেই বুৰঞ্জী। নিৰস ঐতিহাসিক তথ্য সংগ্ৰহ কৰোঁতা লোক অতি বিৰল; তাতোকৈও বিৰল স্বতঃপ্ৰণোদিত হৈ অনা-বানচে প্ৰাচীন সম্পদ বিচাৰি

কৰিছিল। কামৰূপ-অনুসন্ধান-সমিতি স্থাপিত হয় ১৯১২ চনত। ক্ৰমান্বয়ে নিঃচিহ্ন হবলৈ ধৰা ঐতিহাসিক সম্পদৰাজি সংৰক্ষণ কৰাৰ সেইটোৱেই অসমৰ পোনপ্ৰথম যাদুঘৰ। তাক মেটমৰা কৰিবলৈ ঠায়ে-ঠায়ে অবিহণা যোগোৱাসকলৰ ভিতৰত প্ৰত্নতত্ত্ব অনুসন্ধান কৰোঁতা সৰ্বেশ্বৰ কটকীও এজন। তেওঁৰ অহেতুকী পুৰাতত্ত্বপ্ৰেমৰ ফলতেই কামৰূপ-অনুসন্ধান-সমিতি আজিও ভালেমান স্থাপত্য-ভাস্কৰ্য্যৰ নিদৰ্শনমূলক প্ৰাচীন সম্পদেৰে চহকী হৈ আছে।

ইং ১৯৪৬ চনত সৰ্বেশ্বৰ কটকীৰ মৃত্যু হয়। তেতিয়া তেওঁৰ বয়স হৈছিল মুঠেই ৫৪ বছৰ। ১৯১৪ চনত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছৰপৰাই তেওঁৰ সাহিত্য-প্ৰতিভা প্ৰকাশ পায়; "আলোচনী","বাঁহী","অৰ্ঘ্য" আৰু "উষা"ত নানান্ তৰহৰ কবিতা, প্ৰবন্ধ আৰু ৰচনা ওলায়। পণ্ডিত হেমচন্দ্ৰ গোস্বামী আৰু বুৰঞ্জীবিদ্ কনকলাল বৰুৱাৰ সান্নিধ্যই কটকীদেৱক সাধাৰণ সাহিত্যিক বিষয়ৰ পৰা টানি নি বুৰঞ্জীৰ গঢ়মৰা কামত প্ৰবৃত্ত কৰালে। সেয়ে শেহলৈ তেওঁৰ বুৰঞ্জী-মন্দিৰত প্ৰত্নতত্ত্বেৰে পুষ্পাঞ্জলি যচাটো ধৰ্ম হৈ পৰিল।

কটকীদেৱে সহায়-সাৰথি নোহোৱাকৈ অকলৈয়ে ইমান পৰিপাটিকৈ সংগৃহীত তথ্যৰাজিৰ টোকা লেখিছিল যে তেওঁৰ কষ্টৰ পাৰাপাৰ নাছিল। অনুসন্ধান সমিতিৰ নিমিত্তে বুৰঞ্জী-সম্পদ বিচাৰি অসমৰ বহু ঠাই চ'লাথ কৰিছিল। তথ্যবিলাকৰ খাঁতিগুৰি বিচাৰি, খৰচি মাৰি, ভ্ৰান্তই হওক বা অভ্ৰান্তই হওক, নিজা বুদ্ধি বিবেচনাৰে বুজি চাই সেইবোৰৰ একোটা ব্যাখ্যা দিছিল। ডাঙৰ-ডাঙৰ সভা-সমিতিত ছাঁয়া চিত্ৰৰ সহায়েৰে পুৰণি কলীয়া শিল্পসম্ভাৰ সম্পৰ্কে বক্তৃতা দি প্ৰাচীন সম্পদৰ সংৰক্ষণলৈ বুৰঞ্জীপ্ৰিয় অসমীয়া ৰাইজৰ মবিমূৰ্তিটো নকৈ বোৱাই আনিছিল। ছাঁয়া চিত্ৰৰদ্বাৰাই ৰাইজৰ আগত অসমৰ গৌৰৱ-মণ্ডিত যুগটো দাঙি ধৰাত সৰ্বেশ্বৰ কটকীদেৱেই প্ৰথম বাটকটীয়া।

তেওঁ কেইবা খনো পাঠ্য পুথি নিজে ৰচনা কৰিছিল আৰু অন্যৰ আৰু নিজৰো প্ৰবন্ধ সংগ্ৰহ কৰি সেইবিলাক সম্পাদন কৰি উলিয়াইছিল। কটকীৰ দ্বাৰাই ৰচিত-সংগৃহীত প্ৰকাশিত নানান বিষয়ৰ :২।১৩ খনমান পুথিৰ ভিতৰত: এই কেইখনেই বিশেষ লেখত লব লগীয়া :—

(১) হেমচন্দ্ৰ বৰুৱাৰ জীৱন-চৰিত :—

এইখন পুথি প্ৰকাশ কৰে ১৯২৭ চনত। 'হেমকোষ' ৰচোঁতা হেমচন্দ্ৰ বৰুৱাৰ এইখনেই প্ৰথম জীৱনী।

(২) সত্যনাথ বৰা :—গুৱাহাটীৰপৰা ওলোৱা 'জোনাকীৰ' সম্পাদক, 'সাৰথি'ৰ নিচিনা অতুলা ঠাচৰ গ্ৰন্থ আৰু "বহল ব্যাকৰণ" লেখক, কবি, হাস্যৰসিক, দেশহিতৈষী পুৰুষ সত্যনাথ বৰা ডাঙৰীয়াৰ জীৱনী।

(৩) অসমীয়া প্ৰাচীন লিপি :—ব্ৰাহ্মী, গুপ্ত, দেৱনাগেৰী, অসমীয়া, বঙলা আদি ভাৰতীয় লিপিবিলাকৰ ক্ৰমবিকাশ কেনেকৈ হৈছিল তাৰ ক্ৰমিক ইতিবৃত্ত এটা ইয়াত আছে।

(৪) "তত্ত্ব আৰু তথ্য":—১৯২৫ চনত লেখা। এই পুথিখনত কটকীয়ে তত্ত্ব-তথ্যৰ অঙ্গাঙ্গী সম্বন্ধ আৰু তাক কিয় গৱেষণা কৰিব লাগে তাৰ কথা ফঁহিয়াই দেখুৱায়।

আৰু অসমৰ পুৰাতত্ত্ব আৰু স্থাপত্যৰ ধ্বংসাৱশেষ সম্পৰ্কে বহল আলোচনা কৰি অসমত সেই বিষয়ে চৰ্চ্চা গৱেষণা কৰিবলৈ কেন্দ্ৰ এটি স্থাপন কৰিব লাগে বুলি প্ৰায়েই আবেদন-নিবেদন কৰি আছিল আৰু তাতে অসমৰ অৱহেলিত পৌৰাণিক ক্ষেত্ৰবিলাকৰো বিশদ বিৱৰণ দিছিল।

খৃষ্টীয় সপ্তম শতাব্দীৰ আগৰেপৰা অসমীয়া মানুহ নৌবিদ্যাত যে পাকৈত আৰু নাও-নাৱৰা চলোৱাত যে কাজুৱা আছিল ১৮২৯ চনত কটকীদেৱেই তাক"মিলন" কাকতৰ যোগে অসমীয়াৰ দৃষ্টি আকৰ্ষণ কৰে। ভাৰত-বিজয়ী মোগলক পৰাস্ত কৰিব পৰা এটি ধাই কন্দী আছিল অসমীয়া মানুহৰ নাও খেলোৱা কৌশল। সেইটিৰ বিৱৰণো ইয়াত সন্নিবিষ্ট কৰা হৈছিল।

"পুতলা নাচৰ" কথা তেনেই তল পৰি আছিল। আজি সদৌ ভাৰতত সেই নাচৰ অনুশীলন হবলৈ ধৰিছে আৰু তাৰ বাবে চৰকাৰে পৃষ্ঠপোষকতাও আগ বঢ়াইছে। অসমত যে সেই "পুতলা-নাচ" মহাকাব্যৰ দিনৰেপৰা প্ৰচলিত আছে তাক তেওঁ ১৯৩২ চনৰ 'আৱাহনত' পত্ৰিকাৰকৈ দেখুৱাই দিয়ে।

অসমৰ প্ৰাচীন নৃত্যভঙ্গীৰ বিষয়েও কটকীদেৱে বিস্তাৰিত ভাৱে আলোচনা কৰিছিল। "শ্ৰীহস্ত মুক্তাৱলী" আৰু অন্যান্য দুষ্প্ৰাপ্য সংস্কৃত পুথিৰ সাহায্যেৰে সেই বিষয়েটো সুন্দৰভাৱে বিশ্লেষণ কৰি প্ৰবন্ধ যুগুত কৰে। কবিৰাজ চক্ৰবৰ্ত্তী-কৃত সংস্কৃতীয়া বিহুবৰ্ণনা এটিও উলিয়ায় তেওঁৱেই।

দৰং জিলাৰ শিঙৰী বাগিছাত পৰি থকা প্ৰাচীন ধ্বংসাৱশেষৰ বিৱৰণৰ বাহিৰেও, পুৰণি মূৰ্ত্তি, ভাস্কৰ্য্য আৰু স্থাপত্যবিদ্যা-সম্পৰ্কে তেওঁ ভালেমান প্ৰবন্ধ লেখিছিল। তাৰ ভিতৰত এই কেইটাৰ নাম কলেই যথেষ্ট হব বুলি ভাবোঁ—

অসমৰ পুৰণি শিল্পকলা, অসমৰ মূৰ্ত্তি আৰু ভাস্কৰ্য্য, নালন্দাৰ ধ্বংসাৱশেষ, গুৱালপাৰাৰ শ্ৰীসূৰ্য্য পাহাৰৰ পুৰাতত্ত্ব আৰু প্ৰাচীন অসমৰ ধনৰত্নৰ ক-খ।

শিৱসাগৰৰ ৰাণমুখত সদৌ অসম চুতিয়া-সন্মিলনৰ বিখন বছৰেকীয়া অধিবেশন বহিছিল তাত কটকীদেৱে যি ভাৱে চুতীয়া ডেকাক অনুপ্ৰাণিত কৰিছিল সি সন্মিলন থাকেমানে স্মৰণীয় হৈ থাকিব।

১৯২৮, ১৯৩০ আৰু ১৯৩৫ চনত, ক্ৰমান্বয়ে লাহোৰ, পাটনা, মহীশুৰত বহা প্ৰাচ্য সন্মিলনত (Oriental conference) অসমৰ পুৰাতত্ত্ব গৱেষক স্বৰূপে ঐতিহাসিক পণ্ডিতমণ্ডলীৰপৰা তেওঁ স্বীকৃতি লাভ কৰে। মহীশুৰ অধিবেশনত সভাপতি মিঃ কে এন দীক্ষিতে কটকীৰ বিষয়ে এই মন্তব্য প্ৰকাশ কৰিছিল।—

"কুৰি বছৰ হল, অসমত কামৰূপ অনুসন্ধান সমিতি প্ৰতিষ্ঠিত হবৰ। এই কুৰি বছৰে সমিতিয়ে অশেষ বাধাবিঘিনি নেওচিও ভাৰতৰ এচুকীয়া প্ৰদেশ অসমত পুৰাতত্ত্ব গৱেষণাৰ বিজয় পতাকা উৰাই আছে। এই বছৰ অসমৰপৰা সন্মিলনীলৈ অহা বীৰ পুৰুষ দুজনৰ ভিতৰৰে মিঃ সৰ্ব্বেশ্বৰ কটকীয়ে কালি গধুলি অসমৰ পুৰাতত্ত্ব বিষয়ে বক্তৃতা দি গভীৰ জ্ঞানৰ সুন্দৰ পৰিচয় দিছে।" তদুপৰি মিঃ (ডক্টৰ) ৰমেশ মজুমদাৰ, মিঃ কৃষ্ণস্বামী আয়েঙ্গাৰ, মিঃ কে পি জয়গোপাল, ডাঃ লক্ষ্মণস্বৰূপ প্ৰমুখ্যে ভাৰতীয় যশস্বী প্ৰত্নতাত্ত্বিকসকলে কটকীদেৱৰ প্ৰাদেশিক তত্ত্বাদি আৱিষ্কাৰ কৰাত দেখুৱা উৎসাহ আৰু সম্যক জ্ঞানৰ বিশেষ প্ৰশংসা কৰে।

১৯৩৯ চনৰ ডিচেম্বৰ মাহত লক্ষ্ণৌত সদৌ ভাৰতীয় প্ৰাচ্য-সন্মিলন বহে। মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ ভাইচ চেন্সেলৰ মিঃ শেষাদ্ৰী, কাশীৰ ডক্টৰ ৰাধাকৃষ্ণন, পণ্ডিত জৱাহৰলাল নেহৰু আৰু ৰায় ডঃ এচ এন চাহেও উপস্থিত আছিল। সিসকলেও কটকীদেৱৰ উদ্যোগ নথৈ শলাগিছিল। লক্ষ্ণৌ মিউজিয়মত বৰতোপ এটা আছিল। তাৰ ওপৰত লিখা লিপিবিলাক পঢ়ি বহুতে তোপটো গাজীপুৰ নবাবৰ বুলি ঠাৱৰাই থৈছিল। পিছে, কটকীদেৱে সেই ভ্ৰম ভাঙি দিলে। তেওঁ পদে-প্ৰমাণে দেখুৱাই দিলে সেইটো গাজীপুৰৰ নহয়, অসমৰ হে।

হাইদ্ৰাবাদ সন্মিলনত তেওঁ "লৱকুশৰ যুদ্ধ"ৰ সাঁচিপতীয়া পুথিত থকা চিত্ৰবিলাক দেখুৱাই প্ৰাচীন অসমত চিত্ৰকলাৰ কিমান উন্নতি সাধন কৰা হৈছিল তাৰ প্ৰত্যক্ষ চানেকি দেখুৱায়। কাশী-সন্মিলনতো সেই পুথি ভাৰতীয়

মনীষীসকলক দেখুৱাই অসমীয়া মানুহৰ পুৰণি চিত্ৰকলাৰ প্ৰতি আগ্ৰহ-অনুশীলন থকা কথাটো প্ৰতিপন্ন কৰে।

১৯৩৩ চনত, অসম সাহিত্যসভাৰ যিখন অপূৰ্ব্ব অধিবেশন বহিছিল, তাৰ বুৰঞ্জী শাখাৰ সভাপতি হৈ কটকী দেৱে অসম বুৰঞ্জীৰ অন্ধকাৰ যুগৰ উজ্জল পোহৰ এছাটি পেলাই দিয়ে।

১৯২৮ চনত, কোচবেহাৰলৈ গৈ তাৰ ৰাজভঁড়ালত থকা অসমীয়া পুথি-সমূহৰ তালিকা এখনো যুগুত কৰে।

কটকীয়ে অহোপুৰুষাৰ্থ কৰি ভিনভিন ঠাইলৈ নিজে গৈ বহুত প্ৰাচীন পুথি আৰু বহুত আপুৰুগীয়া সম্পদ গোটাই আনি কামৰূপ অনুসন্ধান সমিতিত জমা থৈছে। সেইবিলাকৰ ভিতৰত কাৰুকাৰ্য্যপূৰ্ণ এইবোৰ বস্তুৱে এতিয়াও দৰ্শকৰ মনত কৌতূহল সৃষ্টি কৰে :—

(১) হেঙুল-হাইতাল লগোৱা দৰঙ্গী বজাৰ কাঠৰ বৰ পেৰা।

(২) অষ্টধাতু নিৰ্ম্মিত “বেল” কাঁহী।

(৩) কৰটি শিল।

(৪) নৃত্যকলাৰ সঁজুলি :—ভেৰী, চেৰেঙা, চমটা, চোলা।

(৫) যুদ্ধৰ আহিলা-পাতি :—

গঠীয়াজুমুৰ, ৰামচাঙ্গী হিলৈ, ঢাল, নাকৈ-দা, দুমুখীয়া দা ইত্যাদি।

(৬) গোমচেং কাপোৰ।

অসমীয়া গৌৰৱৰ বিলুপ্ত প্ৰাচীন শিল্পবিদ্যা উদ্ধাৰ কৰা কামত লাগি থাকোতেই ১৯৪৬ চনৰ ১০ মে তাৰিখে (২৭ বহাগ, ১৮৬৮ শক) মহাকালে সৰ্ব্বেশ্বৰ কটকীদেৱক আমাৰ মাজৰপৰা লৈ গুচি গল। তেনেকুৱা এজন উদ্যোগী প্ৰত্নতাত্ত্বিকৰ নিমিত্তে এতিয়াও আমি হামৰাও কাঢ়িয়েই আছোঁহক।

গ্ৰন্থৰক্ষক যাদৱচন্দ্ৰ বৰুৱা

খৃষ্টীয় উনৈছ শতিকাৰ শেষ-ছোৱাত গোলাঘাট-অঞ্চলত এনেকুৱা এজন অধ্যৱসায়ী, বিদ্যোৎসাহী, পুস্ত কানুৰাগী, প্ৰভাৱশালী ৰাজবিষয়া আছিল, যাৰ নাম আজি দুই-চাৰিজন সমসাময়িক লোকৰ স্মৃতিত হে কেৱল টিমিক্-চামাককৈ জ্বলি থকা দেখিবলৈ পোৱা যায়। বাঁহৰ একাল, মানুহৰ একাল বুলি যে আমাৰ কোৱাকথা এষাৰ আছে, এইজন পুৰুষৰ গাতেই খাটে। উধা-কছিমা-এককচাং সাম্ৰাজ্যৰ অন্তৰ্গত কৰোঁতে বৃটিছ সাম্ৰাজ্যবাদৰ বুৰঞ্জীত ভালেমান ইংৰাজ সামৰিক বিষয়াই প্ৰাণবিসৰ্জ্জন দিয়াৰ উল্লেখ পোৱা যায় আৰু দুৰ্যোৰ সঙ্কটকালত সেইসকল সাম্ৰাজ্যলিপ্সুৱে কিৰূপে আত্ম জলাঞ্জলি দিছিল, তাৰো চিন পোৱা যায়। কিন্তু, সেইসকল ৰাজপুৰুষৰ যশস্তা-দোল নিৰ্ম্মাণ কৰাত এজন তলতীয়া অসমীয়া কৰ্ম্মচাৰীৰ কৃতিত্ব ক'ত যে লুকোৱা হল বা লুকাই থাকিল, ক'ব নোৱাৰি। কৰ্ম্মচাৰীজনৰ বুদ্ধি আৰু কাৰ্য্যতৎপৰতা নোহোৱা হ'লে, যি নগা পৰ্ব্বতৰ ওপৰত আজি আমি ভাৰতীয় ধ্বজা উৰাবলৈ সমৰ্থ হৈছোঁহক, সেই পৰ্ব্বত এতিয়াও দূৰান্তৰৱৰ্ত্তী বা ভাৰতৰ সীমাৰ বাহিৰ হৈয়ে থাকিলেহেতেন। যিসকল কৰ্ত্তব্যপৰায়ণ পুৰুষৰ দায়িত্বশীলতাই আমাৰ ৰাজ্যিক ভেঁটি কটকটীয়া কৰি থৈ গ'ল, সেইসকলৰ জীৱন-বৃত্তান্ত এতিয়া খুঁচৰি উলিয়াৰৰ দিন হৈছে। বৃটিছ-সাম্ৰাজ্যৰ সীমাবৰ্দ্ধনত ৰাজভক্ত প্ৰজাৰূপেই হওক বা নিজৰ নিজৰ কাৰ্য্যকুশলতাৰ পৰিচয় দিবলৈকে হওক, ভালেমান ভাৰতীয় কৰ্ম্মচাৰীয়ে মনপ্ৰাণ ঢালি অৰিহণা পেলাইছিল। সেই অৰিহণা পেলোৱাৰ সুযোগতে সেই সকলে জ্ঞানৰ অৱেষা উপলব্ধি কৰি বৰ সমাদৰেৰে আধুনিক পৌৰাণিক গ্ৰন্থ সমূহ বৰ পৰিপাটিকৈ সংৰক্ষণ কৰিছিল। এইৰূপে ইংৰাজৰ আহিৰে অণুপ্ৰাণিত হৈ, নিজে গ্ৰন্থালয় স্থাপন কৰি, মৃত্যুৰ আগ মুহূৰ্ত্তলৈকে গ্ৰন্থৰাজিৰ তত্ত্বাৱধান লৈ আছিল ওপৰত উল্লেখ কৰিয়াই অহা গ্ৰন্থস্পৃহ পুৰুষ জনে। তেওঁৰে নাম হল যাদৱচন্দ্ৰ বৰুৱা।

বৰুৱা ডাঙৰীয়াৰেসৈতে প্ৰথম দেখাদেখি হয় ১৯২২ চনৰ ডিচেম্বৰ মাহত। তেতিয়া তেখেতৰ বয়স ৭২ বছৰ; গাত বিৰ, লাখুটিত ভৰ দিনিয়াকৈ উঠিৰ

নোৱাৰে। প্ৰায়েই বিচনাতে পৰি থাকে। এনে লৰচৰ কৰিব নোৱৰা অৱস্থাতো দেখিব—ৰকমাই কিতাপৰ ফটা-ছিটা পাতবোৰ এঠা লগাই জোৰা দি আছে; বুৰঞ্জী পুথি বুৰঞ্জীৰ থাকত, অসমীয়া কিতাপ অসমীয়া-থাকত, বঙল



ৰায় বাহাদুৰ যাদৱচন্দ্ৰ বৰুৱা

বঙলাৰ ভাগত, ইংৰাজী ইংৰাজী থুপত, হাতেলিখা এতুলা-বিৰ্পট আৰু বাৰমিহলি বজাৰৰীয়া কাকত-পত্ৰ থাকে-থাকে, ভাগে-ভাগে আটোমটোকাৰিকৈ সজাই থৈছে। কোনোবাই যদি কেতিয়াবা তেখেতৰ কিতাপ এটা পঢ়িবলৈ খোজে,

তেখেতে কয়, "পঢ়া যদি, ইয়াতে পঢ়া, ঘৰলৈ নিব নোৱাৰা। আমাৰ মানুহে এবাৰ কিতাপটি লবকালেই কিতাপ আৰু ওলোটাই নিদিয়েহি, এনে কি, ছুনাই আৰু তেওঁৰ দেখিবলৈকে পোৱা নহয়। সমৰথ থাকিলেও সেই জাতৰ মানুহে কিতাপ নিকিনে। লোকে যতন কৰি সাঁচি থোৱা কিতাপটি লৈ ছুপাতমান মাথোন লুটিয়াই চায়, এনেতে, কিতাপেই হেৰায়। সেই কাৰণে, কিতাপ এৰি দিব নোৱাৰো।"

ইংলেণ্ডৰ বদ্‌লিয়ান লাইব্ৰেৰী বা পাটনাৰ খোদাবক্স লাইব্ৰেৰীৰ লগতে হে যাদৱ বৰুৱাৰ 'লাইব্ৰেৰী'টো তুলনা কৰিব পাৰি। কলিকতাৰ মহাৰাজ মণীন্দ্ৰচন্দ্ৰই যেনেকৈ নিজৰ পেৰাৰ ধন ভাঙি বিৰাট গ্ৰন্থাগাৰ এটি স্থাপন কৰিছিল, অসমৰ যাদৱচন্দ্ৰ বৰুৱাইও অন্তৰ সহায় উদগণি নোপোৱাকৈয়ে আপোনাআপুনি তেখেতৰ ঘৰুৱা গন্ধীয়া ভঁড়ালটো পাতি লৈছিল। পুথি ভঁড়ালৰ কোনটো কিতাপত কি আছে, আন কি, কোন পিঠিত কি বিষয়টো আছে, তাকো তেখেতে সোধা মাত্ৰকে টপৰাই কৈ দিব পাৰিছিল। "লাইব্ৰেৰী"টোত "অৰুণোদই"ৰ দিনৰেপৰা প্ৰকাশ হোৱা সকলো অসমীয়া কাকত-পুথি সুন্দৰকৈ বন্ধাই থোৱা দেখিছিলোঁ। ১৯২৪ চনত, ৭৪ বছৰ বয়সত তেখেতৰ মৃত্যু হয়। তাৰ পিছত, ৰবজোঞায়েক যোগেন্দ্ৰনাথ বৰুৱাই তেখেতৰ পুথিপাঁজিবোৰ উত্তৰ গুৱাহাটীৰ আনন্দৰাম বৰুৱা লাইব্ৰেৰীত দান দিলে।

যাদৱ বৰুৱা নিচেই দৰিদ্ৰ অৱস্থাৰপৰা ডাঙৰ হোৱা মানুহ। তেখেতৰ পূৰ্ব্বতে ঘৰ আছিল নগাবঁৰ হাতীচোঙত। ইংৰাজী পঢ়িলে জাতযোৱাৰ ভয়তে দেউতাকে তেখেতক ইংৰাজী পঢ়িবলৈ নিদিছিল। কিন্তু পঢ়িবলৈ ৰব মন থকাত, ঘৰৰপৰা পলাই আহি নামতীয়াল কাকতী বংশৰ প্ৰিয়লাল বৰুৱা ভিনীহিয়েকৰ ঘৰত থাকি তেখেতে ইংৰাজী পঢ়েহি। শিৱসাগৰ হাইস্কুলত বৰুৱাই এণ্ট্ৰেঞ্চ শ্ৰেণীলৈকে পঢ়ে। তেতিয়া তেখেতৰ সহপাঠী আছিল উজনিৰ প্ৰথম গ্ৰেজুৱেট "বি-এ জগন্নাথ", শিক্ষাবিদ গোবিন্দ বেজবৰুৱা, কৰ্ণেল শিৱৰাম বৰা, হৰিপ্ৰসাদ ভুয়া (দেৱান), ৰমাকান্ত গোহাঁই (নাজিৰ) আৰু "ডেপুটী ইন্সপেক্টৰ" ধনুধৰ বৰুৱা।

সেই সময়তে, বৃটিছ গৱৰ্ণমেণ্টে নগা পৰ্ব্বতটো বৃটিছ সাম্ৰাজ্যৰ ভিতৰত 'চামিল' কৰিবৰ নিমিত্তে বটলাৰ নামে এজন কাৰ্য্যদক্ষ ইংৰাজ বিষয়া পঠিয়ায়। তেওঁ আহি গোলাঘাটৰ জামুগুৰি আৰু বৰপথাৰত ছুটা কিল্লা বনায়হি। এই

বাটেদি তেতিয়া নগা অহাযোৱা কৰিছিল। সেই কাৰণে বাটচোক মগাবাট খোলা হৈছিল। বৰ্টলাৰ আহিয়েই জামুগুৰি-বৰপথাৰেদি গোলাঘাটৰপৰা আলিবাট এটা বন্ধালে। ছাহাবৰ লগত তেতিয়া হিন্দুস্থানী চিপাহী গোট দুই-এক হে আছিল। জনাবুজা অসমীয়া কৰ্মচাৰী এজনৰ আৱশ্যক হোৱাত বৰ্টলাৰ ছাহাবে প্ৰিয়লাল বৰুৱাৰ পৰামৰ্শমতে যাদৱ বৰুৱাকে মাহে ৪০৲ টকা দৰ্মহাত আলি-মহৰী-কামত লয়। বৰুৱাই ডাকঘৰ আৰু অহাযোৱা-পথ নিৰ্মাণ কৰোৱায়। তেতিয়াই বৰুৱাই জামুগুৰিৰ লক্ষীপতি খাটনীয়াৰৰ জীয়েকক বিয়া কৰায়।

বৰুৱা ভূঞা বংশৰ আদিপুৰুষ সমুদ্ৰ ভূঞাৰপৰা অধস্তন ষষ্ঠদশ সন্ততি; দেউতাকৰ নাম খগেশ্বৰ। ইং ১৮৫১ চনৰ ৯ এপ্ৰিলত তেওঁৰ জন্ম। ওখই ৫ ফুট ৭ ইঞ্চি। ১৮৬৮ চনৰ ৭ নৱেম্বৰত, মাহে ৫০৲ টকা দৰ্মহাত পুলিচ-অফিচৰ কেৰেণী কামত মকৰল্ হয়। তাৰপৰা ক্ৰমাৎ কহিমা, মককচাং আদিত কাম কৰি-কৰি ১৮৯৮ চনত চব ডেপুটী কলেক্টৰ হয়। ১৯০৩ চনত কামৰপৰা অৱসৰ লয়। সুখ্যাতিৰে কাম কৰা বাবে চৰ্কাৰে বৰুৱাক ৰায়বাহাদুৰ উপাধি দিয়ে; উপাধিৰ লগতে পুৰুষানুক্ৰমে ভোগদখল কৰি থাকিব পৰাকৈ এহেজাৰ একৰ মাটিৰ গ্ৰাণ্ট এটিও দান কৰে। ১৯০১ চনত একেটি মাথোন পুতেক জগৎচন্দ্ৰ ২০ বছৰ বয়সতে মৃত্যুমুখত পৰিব লগা হোৱাত, বৰুৱাৰ জীৱনটো তেনেই জুৰুলা হয়।

কেনেকুৱা সঙ্কটাৱস্থাত পৰিও, ৰায়বাহাদুৰে নিজৰ কৰ্তব্য সম্পাদন কৰিছিল, তাক তেখেতৰ ডায়েৰীৰ পৰাই তুলি দিয়া হল,—

"১৮৭৭ চনত মেজমা নগাৰ বিৰুদ্ধে যি ৰণ চলোৱা হয়, তাত নগা পৰ্ব্বতৰ ডেপুটী কমিশ্যনাৰ কাৰ্ণেগী ছাহাবৰ গাত গুলী লাগি তৎক্ষণাৎ মৃত্যু হয়। তেতিয়া আমাৰ চিপাহীয়ে লঘোনে-ভোকে থাকিব লগীয়া হোৱাত মই নগাবোৰৰ সৈতেই মিলিজুলি বহুদ যোগাইছিলোঁ। ছাহাব মৰা শুনিয়েই মই ধানৰ বস্তাবোৰ মাটিত পুতি থৈ, পাছত মনে-মনে তাৰপৰা উলিয়াই খাবলৈ দিছিলোঁ। কৰ্ণেল মেকগ্ৰেগৰ আৰু কেপ্টেইন উইলিয়ামছনৰ ফৌজ নোপোৱাহিলৈকে সেই জুইলগাই পুৰিথৈৰোৱা গাৰঁৰ তলত পুতিথোৱা ধানকে খুন্দি উলিওৱা চাউল নিদিয়া হলে মেজমা নগাই ইংৰাজক তাতে শেষ কৰিলেহেঁতেন। নগা-ইংৰাজৰ মাজত মৰে মধ্যস্থ হৈ কাম কৰাত ইংৰাজৰ গৌৰৱ ৰক্ষা হল।

"১৮৭৭-৭৮ চনত মেজৰ ব্ৰাইডনে ৪২ নম্বৰী গুৰ্খা পল্টনটো লৈ নগাৰ লগত যুঁজ দিওঁতে নগাই ইংৰাজৰ ছাউনী পুৰি পেলায়। তেতিয়া মই হে তাৰ হিচাপ-পত্ৰবোৰ লুকুৱাই ৰাখোঁ। মেজৰ্মা যুদ্ধৰপৰা ঘূৰি আহি কৰ্ণেল কীটিঙে মোক লগত লৈ নগাপৰ্ব্বতৰ সদৰ ঠাই পাতিবলৈ কহিমা আৰু উখালৈ যায়। তাৰপৰা তেওঁৰ লগতে বাট-পথ দেখুৱাই গোলাঘাটলৈ যাওঁ। মোক মিকিৰ, ৰেংমা, লোটা আৰু আঙ্গামী নগাই বৰ ভাল পায় আৰু এই ভালপোৱাৰ বলত হে যে এই ডুখৰি ঠাই বচাৰ পথ হৈছে, তাক চীফ্ কমিছনাৰ কীটিঙে বঢ়িয়াকৈ জানে। কেপ্টেইন বটলাৰ ছাহাবে মোৰ ওপৰতে সকলো ভাৰ অৰ্পণ কৰি দিয়ে। তেবেঁই মোক ৰায়বাহাদুৰ পাতিবলৈ লেখে। ১৮৭৯ চনত, কহিমা কিল্লাটো নগাই কেউফালৰপৰা বেঢ়ি ধৰিলত, মই হে উদ্ধাৰ কৰিছোঁ। এই চনতে ডেমেণ্ট্ আৰু কৰ্ণেল্ মেক্‌গ্ৰেগৰে চাংমা নগাৰ গাওঁ লবলৈ যাওঁতে মানুহ এটাই কলেহি বোলে, নগাই গোটেই ফৌজটোৰ চিপাহীকে মাৰি শেষ কৰিলে। মই হে তেতিয়া বহুদপাতি লৈ গৈ লগত যোৱা চিপাহীবোৰক খোৱাৰ সমল যোগাইছোঁ।"

"থনমাত ডেমেণ্ট্ চাহাবক নগাই কচুকটা দিলত, সেই খবৰ আহি ৰাতি কহিমা ওলালহি। ১৮৭৯ চনত অক্টোবৰ মাহত এই ঘটনা হয়। খবৰটো পায়েই মই ৰাতিয়েই উখাত থকা হাইও আৰু গোলাঘাটত থকা মেয়ৰেল ছাহাবলৈ হৰকৰা পঠিয়াই খবৰ দিওঁ। পাছ দিনা বিহানেই মণিপুৰৰ পলিটিকেল্ এজেণ্ট কৰ্ণেল্ জনষ্টন্ চাহাবৰ ওচৰলৈ নগা এটা পঠিয়াই বিপদৰ কথা জনাওঁ। ফৌজৰ চিপাহী তাকৰ হোৱাত জন্‌ষ্টন্ আগ বাঢ়িব নোৱাৰিলে। মেয়ৰেলো সেইদৰে চাৰওটিওতে থাপ দি থাকিব লগীয়া হল। আমি কিন্তু থনমাতে নেথাই-নবৈ ১৪ দিন বন্ধ হৈ থাকিলোঁ। মই নোহোৱা হলে, তেতিয়া আমাৰ দশা কি হলহেতেন কব নোৱাৰোঁ। মই মনে মনে কহিমাৰপৰা গৈ বহুত ছলবুদ্ধি কৰি নগাইতক আঁতৰাই পঠিয়ালোঁগৈ। তেতিয়া হে হাইও্ ছাহাব আগবাঢ়ি যাব পাৰিছে।"

সেই সময়ত এনে এজন সামৰিক বা অসামৰিক উচ্চ বিষয়া নাছিল যি ৰায় বাহাদুৰৰ কাৰ্য্যদক্ষতা শত মুখে প্ৰশংসা নকৰি নোৱাৰিছিল। ৰায় বাহাদুৰৰ বিৱৰণীবোৰ পঢ়িলে সঁচাকৈয়ে আফ্ৰিকাৰ নিগ্ৰো জাতি ধৰোৱাৰ দুঃসাহসিক কাহিনী যেন লাগে।

আমাৰ দাঁতিয়ে-কাষৰে থকা আৰু অসমীয়াৰ লগত ঘনিষ্ঠ সম্পৰ্ক ৰাখোতা পৰ্ব্বতীয়া জাতিবিলাকক বৰাবৰৈ যোগ্য অসমীয়া মানুহহেই যে উপযুক্ত লোক তাক সেইদিনৰ বৃটিছ কৰ্তৃপক্ষসকলে সুন্দৰকৈ উপলব্ধি কৰিছিল। সেই নিমিত্তেই, মণিপুৰীয়া ৰজা আৰু আঙ্গামী-খনমা নগাৰ লগত ৰাজনীতিক সম্পৰ্ক ৰাখিবলৈ ৰায়বাহাদুৰ যাদবচন্দ্ৰ বৰুৱাকে নিযুক্ত কৰা হৈছিল।

নগা পৰ্ব্বতৰ চুপাৰিণ্টেণ্ডেণ্ট থাকোতে মণিপুৰীয়া ৰজাই বৰুৱাৰ বুদ্ধি-পৰামৰ্শমতেই বৰুৱাৰ ঘৰৰ দুৱাৰ মুখতে থকা এডোখৰ মাটিত ৰজাৰ পদচিহ্ন ৰাখিব খুজিছিল। সেই অভিপ্ৰায় জনাই মেক্‌কেৱ চাহাবক যিখন দৰ্খাস্ত দিয়া হৈছিল, সেইখন মেক্‌কেৱে বৰুৱালৈকে পঠিয়াই দি কামটো সমাধা কৰোৱাইছিল। মণিপুৰীয়া ৰজাই চিঠিখন এইদৰে লেখিছিল :—

"মহামহিম শ্ৰীযুক্ত আৰ বি মেক্‌কেৱ সিং এস্ ঐগি থোই দোকনা চান্নাৰ মকশ :—

শ্ৰীযুক্ত সাহেবতা খঙহনখি। শ্ৰীযুক্ত সাহেবনা পিৰকপা ১৪ নবেম্বৰগি লাইৰিক ফংলদুনা য়ামনা নুঙাইৰে। শ্ৰীযুক্ত সাহেবনা "হৌজিক ৺পিতা মহা-ৰাজগি পদচিহ্ন লৈৰিবা মফম অদু মুসলমাননা চিংবালৈ; মৱম অদুনা মফম্ অদুদগি হোংদুকতুনা শ্ৰীযাদৱ বাবুগী য়ুমগি মমঙ থংবদা। অৱাংবা মফম্ অমা লৈ মাদুদী হিন্দু সিংনা লৈ, মাদুদ্ কত্তা পদচিহ্ন অদুমলবদী অমসুং পদচিহ্ন অদুগী ৰক্ষণাবেক্ষণ শ্ৰীযাদব বাবু তৌহল্লবদি য়ামন, ফগনি হাইৰ কপা অদু ঐসুং মাদুমত্তৌনা মফম্ অদুদা থমলবদি ফগনি হাইনা খল্লি। তোই গুমবসুং মাসিএকতা কৰি থোই দোকপা। হাইন বা লৈতে শ্ৰীযুক্ত সাহেব না চান বিদুনা হওক হোংবা অসিগি মুখেদি অমুক হোন্দাবা মফম্ অফবা য়েং দুনা থম বিহল্লবদী, য়াম না নুঙাইগণি। ঐসু মঙ্গল ওইনা লৈৰি শ্ৰীযুক্ত সাহেবসুং য়াইফনা লৈৰিগণি।

লৈৰিগনি, ইতি—
মণিপুৰ
শক ১৮০৫, মাহ ১৩ অগ্ৰহায়ণ

শ্ৰীযুক্ত সাহেবকি লেঙেদবা মকপ
শ্ৰীযুত চন্দ্ৰকীৰ্ত্তি সিংহ মহাৰাজা,
কে সি এস আই*

* "মহামহিম শ্ৰীযুত আৰ বি মেক্‌কেৰ চি এচ আই চাহাবৰ সমীপেষু

শ্ৰীযুত চাহাবক জনাওঁ যে আপোনাৰ ১৪ নৱেম্বৰৰ চিঠিখনি পাই সুখী হলোঁ। মোৰ ৺পিতৃদেৱৰ পদচিহ্ন স্থাপনৰ ঠাইডোখৰ বৰ্ত্তমান মুছলমানৰ বসতিপ্ৰধান হোৱা বাবে হিন্দুৰ

এই চিঠিখনৰ মূলত দুটা কথা বিশেষকৈ লক্ষ্য কৰিব লগীয়া আছে। মণিপুৰীয়া ৰজাৰ কেৰেণীয়ে লেখোঁতে বঙলা আখৰেৰে চিঠিখন লেখিছিল (মণিপুৰীয়া ভাষাৰ আখৰ অহণ্ডে আমাৰ দৰেই)। কিন্তু "ৰাজা কীৰ্ত্তিসিংহই চহী কৰোঁতে অসমীয়া পেট কটা ৰ দি চহী কৰিছিল। আৰু ৰজাৰ চিঠিত আছিল অসমীয়াই ব্যৱহাৰ কৰাৰ দৰে শক; বঙালীৰ দৰে "সাল নহয়।"

সেই দৰে, হাচুং হাজোৰ ২০ খন গাৱঁৰ গাওবুঢ়াই আঙ্গামী নগাৰ দৌৰাত্ম্যৰ হাত সাৰিবলৈ এখন দৰখাস্ত দিছিল। দৰ্খাস্তকাৰীৰ নাম আছিল :—১। ৰাজজ বা নগা গাওবুঢ়া, ভেৰণ গাওঁ। ২। গিয়ংবাও গাওবুঢ়া, গুপুইল গাওঁ ইত্যাদি। এইখন দৰ্খাস্তও বঙলাতেই লিখা। তথাপি তাতো "লৰা তিৰোতা", "ধৰিবৰ ইচ্ছা" ইত্যাদি শব্দ আছিল। নগাৰ দৰ্খাস্তবোৰ ৰায়বাহাদুৰে বৰ পৰিপাটিকৈ ভাগ-ভাগ কৰি ফাইল কৰি থৈছিল আৰু নগাৰ ভিতৰত চলিত ভাষা যে অসমীয়া, সেইকথা তেওঁ পাদুৰী চাহাব আৰু এচ. ডি. অ চাহাবক চিঠিবোৰ দেখুৱাই বুজাই দিছিল।

ৰায়বাহাদুৰ যাদৱচন্দ্ৰ বৰুৱাৰ সাহ, উপস্থিত বুদ্ধি আত্মনিৰ্ভৰশীলতা, কৰ্ত্তব্য পৰায়ণতা আৰু নিয়মতন্ত্ৰমতে চলাটোৱেই আছিল জীৱনত কৃতবিদ হোৱাৰ মূলমন্ত্ৰ। জন্মভূমিৰ প্ৰতি শ্ৰদ্ধা আৰু জ্ঞান বিদ্যা আৰ্জ্জনৰ স্পৃহাই আছিল তেওঁৰ ধৰ্ম্ম। এনে ধৰ্ম্মানুৰাগী গ্ৰন্থৰক্ষকজনৰ স্মৃতি ৰক্ষা কৰা সৰ্ব্বতোভাৱে বাঞ্ছনীয়।

ঘনবসতি থকা যাদৱ বাবুৰ ঘৰৰ ওচৰলৈ সেই চিহ্ন স্থানান্তৰিত কৰা ভাল হৈছে। সেই পদ-চিহ্নৰ ৰক্ষণাবেক্ষণৰ ভাৰ যাদৱ বাবুৰ ওপৰতেই থকা ভাল বুলি কৰা প্ৰস্তাৱটো মই সমৰ্থন কৰিছোঁ। কিন্তু ঠাই পৰিৱৰ্ত্তন এইবাৰ যি হ'ল, আৰু যাতে আগলৈ নহয় তাকে আশা কৰিলোঁ। আমাৰ মঙ্গল। আশা কৰোঁ আপোনাৰো মঙ্গল।

চাহাবৰ অকৃত্ৰিম বন্ধু
শ্ৰীযুত চন্দ্ৰকীৰ্ত্তি সিং মহাৰাজ

সাংবাদিক কৃষ্ণকান্ত ভট্টাচাৰ্য্য

একাল আছিল, যেতিয়া কিছুমান ইংৰাজ কৰ্ম্মচাৰীৰ আত্মম্ভৰিতা, পৰদেশীয় মানুহৰ স্বাৰ্থপৰ হেঁচা আৰু জাতীয় দৰিদ্ৰতাই আছিল অসমীয়া জাতি উধোৱাৰ প্ৰধান অন্তৰায়। ইয়াৰ বিৰুদ্ধে যুঁজিবলৈ নাই মানুহ, নাই বাতৰি-কাকত আৰু নাই সেই কাকত চলাবলৈ ধনী খামিডাঠ মানুহ। দিনক দিনে দেশৰ সমস্যা ইমান জটিল হৈ আহিছে আৰু চাই থাকোঁতেই বিদেশী কাটৰীয়ে অ'মাৰ মুখৰ ভাত কাঢ়ি নিছে যে সময়ৰ শৰ মাৰি তেতিয়াই যদি দুৱাৰ চোকা কথা কৈ চৰকাৰ আৰু ৰাইজক সতৰ্ক কৰি দিয়া নহয় তেন্তে অচিৰেই অসমীয়া জাতি দণ্ডকাৰণ্যত প্ৰবেশ কৰিবগৈ লাগিব। অসমৰ অসমীয়া জাতীয় স্বাৰ্থটো কেনেকৈ সৰ্ব্বপ্ৰকাৰে ৰক্ষা কৰিব পাৰি সেকাৰ কৃষ্ণ ভট্টাচাৰ্য্যৰ খালি সেই হে চিন্তা। বহুত ভাবি-চিন্তি ঠিক কৰিলেগৈ যে আমাক বাতৰি-কাকত এখন লাগেই। লাগে বুলি চৰ্কাৰক শলাগি থকা কাকত এখন আমাক নেলাগে। এনে কাকত লাগিব যি কাকত সঁচাকৈয়ে চৰ্কাৰৰ চকুৰ কুটা দাঁতৰ শাল হব আৰু ৰাইজকো দেখুৱাই দিব যে মাউঁথে উটিলে গুৰি পকমাৰো মৰণ নাই।



কৃষ্ণকান্ত ভট্টাচাৰ্য্য

কাকত এখন লাগে বুলি ভাবিলেই বা কলেই জানো উলিয়াব পাৰি? তালৈ লাগে ধন, লাগে সাহ, লাগে ৰাইজৰ সহযোগ আৰু লাগে চিন্তাশীল লেখকৰ এটা দল।

সেকাৰৰ নিমিত্তে এটাইবোৰেই হোৱাৰ আশা আছে, নাই কিন্তু ধনৰ পুঁজি।

হাতত বিত্ত নোহোৱাকৈ পিট্‌পিট্‌কৈ থকা মনটোৰ বলেৰে কাকত চলাবলৈ যোৱা যেনে, তিতিকত কলহ বান্ধি দিখৌনৈত জঁপ দি মৰাও তেনে।

'আসাম নিউচ', "আসাম" "বিশ্ববার্ত্তা" প্ৰভৃতি কাকতৰ দশা দেখি, অসমত কাকত চলাবলৈ যোৱাটো বিড়ম্বনা মাত্ৰ। ভাল ছপাশাল নহ'লেও আপদ। সাহিত্যিক, পেঞ্চনাৰ, ৰাজনীতিক আৰু সুলেখকৰদ্বাৰাই পৰিচালিত হোৱা 'বন্তিবো' দুৰ্নাম, সেই বেয়া ছপাশাল ছপোৱা লেপথেপ পঢ়িব নোৱৰা আখৰৰ বাবেই। গতিকে, ভাল ছপাশাল এটি নহলে কাকত উলিয়াবলৈ কোৱা-প্ৰয়াস একেবাৰেই বৃথা। নতুন এটা কিনিবলৈও ধন ক'ত? তথাপি তেওঁ শস্তা দামতে প্ৰেছ এটা কিনিবলৈ ঠিক কৰিলে।

'আউনীআটী' সত্ৰতে পূৰণি প্ৰেছ এটা পৰি আছিল। সেইটোতে সত্ৰাধিকাৰ পূজ্যপাদ শ্ৰীশ্ৰী৺দত্তদেৱ গোস্বামী প্ৰভুৱে ধৰ্ম্মগ্ৰন্থ ছপাইছিল আৰু তাতে প্ৰভু ঈশ্বৰৰ তত্বাৱধানত "আসাম বিলাসিনী" কাকত ছপা হৈছিল। প্ৰেছটোৰ নাম আছিল "ধৰ্ম্মপ্ৰকাশ যন্ত্ৰ"। তেতিয়াৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী৺কমলদেৱ গোস্বামী প্ৰভুক খাটিলুটি প্ৰেছটো খুজি আনি পেঞ্চাৰে নিজাঘৰ তৰাজানতে বহুৱালেহি। নিৰ্ব্বন্ধ থাকিল—প্ৰেছটোৰ নাম 'ধৰ্ম্মপ্ৰকাশেই' থাকিব আৰু পেঞ্চাৰে উলিয়াবলৈ লোৱা কাকতখনৰ নামটো শ্ৰীশ্ৰী৺দত্তদেৱ গোস্বামীৰ স্মৃতি ৰক্ষাৰ্থে "আসাম-বিলাসিনী" হব আৰু তাত আগেয়ে সত্ৰৰপৰা ওলোৱামতে প্ৰভু ঈশ্বৰৰ উদ্দেশ্য থকা শ্লোকৰ মোহৰটো থাকিব। সেইমতেই ১৯০২ চনত যোৰহাটত "ধৰ্ম্ম-প্ৰকাশ প্ৰেছ" স্থাপিত হল।

'বাণিজ্যে বসতে লক্ষ্মী। অসমীয়া মানুহে কিন্তু বাণিজ্যত হাত দিয়াটো অপমানসূচক বুলি ভাৱে। কৃষ্ণ পেঞ্চাৰে চৰ্কাৰী আমোলা হৈও তেনে বাণিজ্য কৰিবলৈ আহি এটি দেখুৱালে—ঘৰতে সৰু দোকান এখন খুলি। আউনীআটি সত্ৰৰ মুক্তিয়াৰ জয়ুৰাম খাৰঘৰীয়া, সোমেশ্বৰ মজিন্দাৰ বৰুৱা, আনন্দৰাম ঢুলীয়া বৰুৱা, হৰকান্ত ভুৱৰা ডাক্তৰ আৰু মণিলাল বৰুৱা—এইসকলে মিলি "আসাম প্ৰডিউচ ট্ৰেডিং কোম্পানী" নাম দি এটা কোম্পানী খুলিছিল। সেই কোম্পানী অংশ বিক্ৰী কৰি অসমত বৃহৎ বাণিজ্য প্ৰতিষ্ঠান এটা পাতি অসমত মাৰোৱাৰীৰ একাধিপত্য আঁতৰাবলৈ অভিলাষ কৰিছিল। আন কি, পতিত মাটিৰ পট্টা লৈ তাত চাহখেতি কৰিবলৈও মন মেলিছিল। সেই কোম্পানীৰ অনুষ্ঠান মতে অসমীয়া মানুহক কাৰবাৰী আৰু বণিয়া কৰিবলৈ হ'লে পোনেই এখনি চুচুঁৰীয়া

দোকান পাতি দেখুৱাব লাগে। সেই গুণে পেকাৰ ডাঙৰীয়াই খোলা দোকান খনকে 'প্ৰডিউচ কোম্পানীৰো প্ৰথম দোকান বা অনুষ্ঠান বুলি সকলোকে জনোৱা হল। কোম্পানীৰ অনুষ্ঠান-পত্ৰ, ৰছিদ-বহী. গোহাৰি ইত্যাদি সকু সুৰা ছপাকামবিলাক ধৰ্ম্মপ্ৰকাশ প্ৰেছতে ছপা হৈছিল। এই সময়তে শিক্ষা বিভাগৰ কৰ্ত্তৃপক্ষৰপৰা হুকুম আহিল বোলে হাই স্কুলত পঢ়া যি ছাত্ৰই একে লেথাৰিয়ে ছুৰছৰ প্ৰমোছন নোপোৱাকৈ থাকে তাক স্কুলৰপৰা নাম কাটি দিব লাগে। সেই হুকুম শুনি ভট্টাচাৰ্য্যদেৱৰ গা পুৰিবলৈ ধৰিলে। শিক্ষাবিদ উপেন্দ্ৰনাথ বৰুৱা ডাঙৰীয়া তেতিয়া যোৰহাটতে আছিল। তেখেতে ইতিপূৰ্ব্বে উত্তৰ লক্ষীম-পুৰত মাইনৰ স্কুল এটা পাতি থৈও আহিছে আৰু পূৰ্ব্বেও যোৰহাটত ইংৰাজী স্কুল পাতিছিল। তেখেতকে ভট্টাচাৰ্য্যই ধৰিলেগৈ বোলে—আপুনি যেনেতেনে মতে স্কুল এটা খুলিবই লাগে; নহলে, নামকটা ল'ৰাবোৰৰ দুৰখোৱা হব। বৰুৱা ডাঙৰীয়াই ঘৰ এটাৰ অভাব দেখুৱালে। কিন্তু ঘৰ পালে শিক্ষক হবলৈ আপত্তি নাই বুলিও ক'লে। মহৰদ্ধা-কোম্পানীৰ চুপাৰিণ্টেণ্ডেণ্ট সোমেশ্বৰ শৰ্ম্মাৰ বঙলাটো তৰাজানত খালি হৈ পৰি আছিল। পেকাৰে শৰ্ম্মা ডাঙৰীয়াক কৈ সেইটোতে স্কুলৰ কাম আৰম্ভ কৰি দিলে। শিক্ষাবিদ উপেন্দ্ৰনাথ বৰুৱা হ'ল হেড মাষ্টৰ,ঘনকান্ত ভট্টাচাৰ্য্য চেকেণ্ড মাষ্টৰ, ভীমসেন শৰ্ম্মা থাৰ্ড মাষ্টৰ, মহেন্দ্ৰনাথ চক্ৰবৰ্ত্তী ফৰ্থ মাষ্টৰ আৰু গোলোক চন্দ্ৰ কাব্যবিনোদ হ'ল সংস্কৃত পণ্ডিত। নতুন স্কুলত আশাতীতৰূপে ছাত্ৰই নামো লগালেহি।

ইতিমধ্যে শনি ভলাল। কোনোবা টুটকীয়াই চীফ কমিছনাৰক দৰ্খাস্ত দি লগালে বোলে, কৃষ্ণকান্ত ভট্টাচাৰ্য্যই এপিনে কছাৰীত ক্ৰিমিনেল পেকাৰৰ কাম কৰে আৰু সিপিনে গুচৰীয়া-পদকীয়াৰ ভেটী খাই দোষীক নিৰ্দ্দোষী আৰু নিৰ্দ্দোষীক দোষী কৰে। তাৰ উপৰিও, তেওঁ হাই স্কুল এটি খুলিছে আৰু দোকানো এখন দিছে। সিমানেই অকল নহয়, প্ৰেছ এটাও কিনি আনিছে। ডেপুটী কমিশ্বনাৰ প্লেফেয়াৰে, এই দৰ্খাস্ত পাই পেকাৰক সুধিলে—এইখন দৰ্খাস্ত কোনে দিছিল? পেকাৰে "কোনে দিছে, কব নোৱাৰোঁ, আখৰ চিনি নেপাওঁ" বুলি ক'লে। ডি চিয়ে অলপ ইতিকিঙৰ সুৰত খেজেলিয়াই-খেজেলিয়াই ক'লে, "আপুনি ক'ব পাৰে। নকওঁ বুলিহে কোৱা নাই। আপোনাৰ বহুত টকা হৈছে। আপুনি হাই স্কুল পাতিছে। কোম্পানী পাতি দোকান খুলিছে। আৰু ছাপাখানা আনিছে! আৰু আপুনি কি কৰিছে? ফৌজদাৰী পেকাৰ হৈ

আচামী-ফৰিয়াদীৰ ভেটা খাই দোষীক নিৰ্দ্দোষী কৰি নিৰ্দ্দোষীক ফাটেক দিয়াইছে? আপোনাৰ এইবিলাক বৰ বেয়া কাম। আপোনাক ইয়াৰপৰা বদলি কৰিব লাগিব।” ছাহাবৰ কথা শুনি পেস্কাৰৰ খং উঠিবলৈ বাকী নেথাকিল। কিন্তু, সেই সময়ত খং দেখুৱা মানে নিজৰ মহাপাৰ নিজে চিন্তা। সেই দেখি, তেওঁ সাম্যভাৱ দেখুৱায়েই সমিধান দিলে, “আপোনাৰ এলাকাৰ বাহিৰলৈ যদি বদলি কৰে বৰ বং পাম। শিৱসাগৰ বা গোলাঘাটলৈ কৰিলে, আপুনি ভাবিছে নে কি যে, স্বয়ং আপুনিয়েই যাক চলাব নোৱাৰিলে, সেই মহকুমাৰ অধিপতি এজোজনে মোক চলাব পাৰিব?” সমিধানৰ ফল এই হোৱেই হলগৈ যে সেই ঘটনাৰ পিছদিনাই পেস্কাৰক শিৱসাগৰলৈ বদলি কৰিলে।

শিৱসাগৰত কাম কৰি অলপ দিন আছে, এনেতে তেখেত নৰিয়া পৰিল। চিভিল চাৰ্জ্জন কৰ্ণেল জেম্‌ছৰ হতুৱাই স্বাস্থ্য পৰীক্ষা কৰোৱাই চাৰ্টিফিকেট দাখিল কৰি ডি-চি প্লেফেয়াৰলৈ পঠিয়াত, ডি, চিয়ে কমিছনাৰ গৰ্ডনলৈ লেখিলে বোলে কৃষ্ণকান্ত ভট্টাচাৰ্য্যক ছুটী নিদি, কামৰপৰা একেবাৰেই অৱসৰ দিব লাগে। কমিশ্যনাৰে পিছে তেওঁক ছিলঙৰ ইন্‌স্পেক্টৰ জেনাৰেললৈ দৰ্খাস্ত দিবলৈ ডি চিৰ হতুৱাই কোৱালে। সেই মতে দৰ্খাস্ত দিলত, ইন্‌স্পেক্টৰ জেনাৰেলে আকৌ ডিব্ৰুগড়ৰ মেডিকেল বৰ্ডলৈ পঠিয়ালে—তেওঁবিলাকৰপৰা চাৰ্টিফিকেট আনিবলৈ। পেস্কাৰ ডিব্ৰুগড় পাই বেৰীহোৱাইট মেডিকেল কলেজত চিভিল চাৰ্জ্জন কৰ্ণেল লেভেণ্টনক দেখা কৰিলেগৈ। লেভেণ্টনে কলে, “আপোনাৰ বিষয়ে লেখালেখি কৰা কাগজ-পত্ৰবোৰ চাওঁতে-চাওঁতে আজি নিশা এফাল গল। বাৰু, আপুনি দহ মিনিটমান ৰওক।” দহ মিনিটৰ মূৰত তেওঁ ডাক্তৰ ছাহাবৰ আগত হাজিৰ হ’লত, ছাহাবে ক’লে, “চাওঁ, আপোনাৰ জিভাখন মেলকচোন।” জিবা চাই ছাহাবে আচৰিত হৈ মাত লগালে, “আপোনাৰ পেটত বদ্ হজম্. হৈ নাড়ী ফুলি গৈছে। কাম কৰি থাকিলে, আপুনি আৰু জীয়াই থকাৰ আশা নাই।” সেই কথাটো ৰৰ্ডত জনোৱাত, বৰ্ডে তেওঁৰ কাগজপত্ৰ চাই ছিলঙলৈ কিবা এটা অভিমত লেখি পঠালে আৰু দুসপ্তাহমানৰ মূৰত পেস্কাৰলৈ খবৰ আহিল বোলে তেওঁক মাহে ১২॥৶০ অনাকৈ অৱস্থ পেঞ্চন দি কামৰপৰা বিদায় দিয়া হৈছে। সেই অনুসৰি কৃষ্ণকান্ত ভট্টাচাৰ্য্য ১৯১৬ চনৰ ২৬ মাৰ্চৰপৰা পেঞ্চনভোগী পেস্কাৰ হ’ল।

কাছাৰীৰ কাম কৰি থাকোতে পেন্ধাৰ আছিল দেখি পেঞ্চন পোৱাৰ পিছতো তেখেতৰ কৃষ্ণ পেন্ধাৰ নামটোৱেই জলিল।

১৯১৩ চনৰপৰাই "ধৰ্মপ্ৰকাশ প্ৰেছতে" 'আসাম বিলাসিনীৰ' দ্বিতীয় পৰ্য্যায় ছপা হৈ ওলাইছিল। ভট্টাচাৰ্য্যদেৱৰ পেন্ধাৰ কামত থকা গুণে ঘনকান্ত ভট্টাচাৰ্য্যই দেখাদেখি ৰূপত সম্পাদক হৈ আছিল আৰু বিস্তাধৰ শৰ্মায়ো সহায় কৰিছিল। ১৯১৬ চনৰপৰা, কৃষ্ণকান্ত ভট্টাচাৰ্য্যই নিজে সম্পাদকৰ বাব লৈ 'বিলাসিনী' চলাবলৈ ধৰে।

চৰ্কাৰী কাম কৰোঁতেই তেওঁ বৃটিছ কৰ্মচাৰী বিলাকৰ ব্যৱহাৰত যিবোৰ তিতাকেহা পাইছিল আৰু তেওঁবিলাকৰ যিবোৰ সন্ধি-অভিসন্ধি তেওঁ নিজ চকুৰেই দেখি আহিছিল, সেইবোৰকে এতিয়া কাৰ্য্যৰ ভাও বুজি প্ৰকাশ কৰিবলৈ ধৰিলে আৰু কোনে কৰ্মচাৰীয়ে নীতিবিৰুদ্ধ কাম কৰি অসমীয়াৰ হকত বাংং জন্মালে খণ্ডত টিঙিৰিতুলা হৈ বিলাসিনীৰ পিঠিত সেই দুৰাচাৰৰ কীৰ্ত্তি-কলাপ সকলো ভোঁহাৰি পেলোৱাত লাগিল। বাতৰি-কাকতৰ সম্পাদক হোৱা নিচেই উজু নহয়। সত্যকথা কব পৰা সাহ, বিষয়টোৰ আদ্যোপান্ত-অনুগতি, শব্দৰ যথাযথ ব্যৱহাৰ-জ্ঞান, এই তিনিওটা গুণ থাকিব লাগিব। বৃটিছ-আমোলত ইয়াৰ এটা মানো নহব লাগিলেই জাতীয়তাবাদী কাকতৰ থিতাতে মৰণ। 'আসাম বিলাসিনী' অকল জাতীয়তাবাদী কাকতেই নাছিল, আমোলাতন্ত্ৰৰ অধীনত থকা নিচেই তলখাপৰ কৰ্মচাৰীৰপৰা ৰাজধানীত থকা উচ্চ বিষয়া-সকললৈকে—সকলোৰে নিমিত্তে সোকাজৰা বেজস্বৰূপ আছিল অৰ্থাৎ সোকাজৰা বেজে যেনেকৈ খেদি-খেদি চোৰ ধৰা পেলাইছিল, "বিলাসিনীয়েও" তেনেকৈ দুৰন্ত-দুৰ্নীতিপৰায়ণ কৰ্মচাৰীবিলাকৰ দোষ খুচৰি উলিয়াইছিল। যি সময়ত ইংৰাজ এজন দেখিলেই মানুহে "মানুহ নহয়, ছাহাব" বুলি ভয়তে কোঁচমোচ খাইছিল, সেই সময়ত ইংৰাজ বিষয়াসকলৰ দোষ আঙুলিয়াই, মুখলৈ নোচোৱাকৈ বাতৰি কাকতত সমালোচনা কৰা বাবেই 'আসাম বিলাসিনী'ক সকলোৱে আদৰ কৰিছিল। চেনিবন্ধা কাগজতেই 'বিলাসিনী' ছপা হৈছিল আৰু খবৰো নিচেই তাকৰ ওলাইছিল, তথাপি যেয়ে-সেয়ে 'বিলাসিনী' বুলিলে আতোল-তোলকৈ হাতত তুলি লৈছিল আৰু বৰ হেঁপাহেৰে পঢ়িছিল।

'বিলাসিনীয়ে' গৱৰ্ণমেণ্টক থুকুচি সমালোচনা কৰিছিল ; সেইবাবে সম্পাদক-

জন গৰিহণাৰ পাত্র হোৱা নাছিল। চৰকাৰেও ‘বাতৰিকাকতৰ মতামতৰ মূল্য বুজিছিল।

আসাম উপত্যকাৰ কমিছনাৰৰ অফিচত কমললোচন নামে এজন চিলটীয়া কেৰেণীক প্রমোছন দি কমিছনাৰৰ পাৰ্চনেল এচিষ্টেণ্ট জনক স্পেচিয়েল গ্রেডত মকৰল কৰা বাবে বিলাসিনীয়ে লেখিছিল :—

"আসাম ভেলীৰ কমিচনাৰ চাহাবৰ
ৱাৰ একনমী (War Economy)

"আমি শুনি সম্ভোষ পাইছোঁ যে আসাম ভেলীৰ কমিচনাৰ মহামতি গৰ্ডন বাহাদুৰৰ পা-সহকাৰী (পাৰ্চনেল এচিষ্টেণ্ট) এণ্টেঞ্চ পাছ চিলটীয়া কেৰেণী-জনক ২৫০ টকাৰপৰা বছৰি ২০ টকা বঢ়াই ৩০০ টকালৈ স্পিচিয়েল গ্রেডত দিয়া হৈছে আৰু সেই প্রমোচন যোৱা ১৯১৭ চনৰ জানুৱাৰী মাহৰপৰা আৰম্ভ হৈছে অৰ্থাৎ কমললোচন বাবুৱে যোৱ ১৬ মাহৰ বাকী দৰমহাইসৈতে এতিয়া ৪৫০ টকা পাব। এই যুদ্ধ (১ম জাৰ্মান যুদ্ধ) চলি থকাৰ ভিতৰতে গৰ্ডন চাহাবে তেওঁৰ পাচোৱাৰী বাবুক পাৰ্চনেল এচিষ্টেণ্ট পাতি প্রভিঞ্চিয়েল চাভিছত দিবলৈ অশেষ পুৰুষাৰ্থ কৰিছিল, কিন্তু তাত কৃতকাৰ্য্য হব নোৱাৰি এই বিশেষ গ্রেডত দি টকাৰ উন্নতি দিছে। আমি জনাত এণ্টেঞ্চ পাছ চিলটীয়া বাবুক পদমৰ্য্যাদাতকৈ ধনৰ টোপোলাটোহে লাগে, এইয়ে কৰ্ণেল বাহাদুৰৰ War Economy-ৱাৰ একনমী! He is true to the people—! (হি ইজ ট্ৰু টু দি পিপোল), সেই কথা আজিকালি সকলোৱেই স্বীকাৰ কৰিবলৈ বাধ্য হৈছে and true to the Govt. as well, (ট্ৰু টু দি গৱৰ্ণমেণ্ট এজ ৱেল) গৱৰ্ণমেণ্টৰ এনে দুৰ্দ্দিনৰ সময়ত অৰ্থ অপব্যয়ৰ এটা ঢোম্দোলা বাট বৈ কোন সতেৰে দুখীয়া ৰাইজক ধন দি সহায় কৰিবলৈ কয়?"

এই সমালোচনা ওলোৱাৰ এমাহ মানৰ পিচতে গৰ্ডন চাহাব আহক যোৰহাটলৈ। তেওঁ আহিয়েই চাৰ্কিউট হাউচলৈ সম্পাদক কৃষ্ণকান্ত ভট্টাচাৰ্য্যক মতাই নিয়ালে। সেই দিনত, বিভাগীয় চাহাব কৰ্ত্তৃপক্ষসকলক দেখা কৰিবলৈ গলে সাধাৰণতে কলা ভাৰতীয় জন থিয় হৈ থাকিব লাগে। সেইদিনা কমিছনাৰে "বিলাসিনী"-সম্পাদকক থিয় হৈ থাকিবলৈ নিদি ওচৰলৈকে মাতি নি চকিত বহিবলৈ দিলে। বহুবাই লৈ, কমিচনাৰে ভট্টাচাৰ্য্যক পোনেই ঘৰৰ বা-বাতৰি সুধি, "বিলাসিনীলৈ" বাতৰি পঠিয়াওঁতা সকলৰ নামকিটা ক'বলৈ

অনুৰোধ কৰিলে। ভট্টাচাৰ্য্যই নাম কৰলৈ অপাৰগ বুলি জনালে। গর্ডন চাহাবে কেৰাবাৰো উলমুলাই-উলমুলাই সুধি চাইছিল। পিছে, একোপধ্যেই সম্পাদকৰপৰা বাতৰি-যোগনীয়াৰৰ নাম কিটা উলিয়াব নোৱৰা যেন দেখি শেহত্ত কলেগৈ, ভট্টাচাৰ্য্য, আপুনিও বুঢ়া হৈ আহিছে, মইও অসমত বুঢ়া হলোঁহি, মোৰ বিষয়ে কোনোবাই কিবা লেখিলে, আপুনি মোলৈ এবাৰ চাব লাগে।" তাৰ পিছতে ক'লে, "ভেঁটী সকলোৱেই খায়। পাছে কাৰো অনিষ্ট নকৰাকৈ ভেঁটী খোৱ'টো বেয়া নহয়। তেওঁলৈকে চোঁৱাই কথাবাৰ কোৱা যেন ভাবি পেক্কাবে মাত লগালে, "ভেঁটী খোৱাটো মহাপাপ। মোৰ মনেৰে, ভেঁটী খালে মানুহ মানুহ হৈ নেথাকে। আপনি যেন বায়তক খেতিপথাৰ কৰিবলৈ মাটি-বাৰী দিয়ে, হালৰ গৰু-মহ কিনিবলৈ সা-সুবিধা কৰি দিয়ে, কাছাৰীৰ আমোলা-বিলাকৰ দৰ্ম্মহা বৃদ্ধি কৰে আৰু যেন আসাম উপত্যকাৰ চকাৰী কামবিলাক অসমীয়া মানুহক দিয়ে—এই কেইটাই মোৰ খাটনি। ৰাইজ সন্তুষ্ট থাকিলে বজাৰেই সদ্‌নাম, নেথাকিলেই বদনাম। 'বিলাসিনীয়ে' ৰাইজৰ মনোভাৱ হে প্ৰকাশ কৰিছে।"

জিলাৰ বৰ-চাহাবে 'বিলাসিনী'ৰ প্ৰত্যেক স্তম্ভটোকে পঢ়িছিল আৰু দুবুজা কথাবোৰ ইংৰাজীলৈ অনুবাদ কৰাই লৈছিল। তেতিয়া যুদ্ধৰ দিন। কোনো বাতৰি-কাকতে যাতে বৃটিছৰ গ্লানি লাগে তাৰ নিমিত্তে জিলাধি-পতিসকলে বিশেষ চকু ৰাখিছিল। এনেকুৱাতে এটা ঘটনা হ'ল। যোৰহাটৰ ৰেলখন নিশা একমান বজাত মৰিয়নীৰপৰা আহোঁতে বাটতে ইঞ্জিনে মানুহ এটা কাটিলে। ৰেলখন ৰখাই থৈ গার্ডে হাতত ৰেলৰে লণ্ঠন এটি লৈ চাকি নোহোৱাকৈ ৰৈ থকা ট্ৰলী এখনৰ ট্ৰলীৱালাক (টালীৱালা) খবৰটো দিবলৈ গ'ল। ট্ৰলীতে ইওৰপীয় ছাহাব এটি বহি আছিল। গার্ডক দেখা-মাত্ৰকে ট্ৰালীৱালাই ডকাইত-ডকাইত বুলি চিঞৰিবলৈ ধৰিলে। যেই চিঞৰিলে সেই ছাহাবটি ভয়তে জাঁপ মাৰি আঠুৱনীয়া বোকাত সোমালগৈ।

এই বাতৰিটোকে 'বিলাসিনী'ত ছপাওঁতে সম্পাদকে লেখিলে—ডকাইতৰ নাম শুনিয়েই যি ইংৰাজ আঠুৱনীয়া বোকাত সোমায়গৈ, সেই ইংৰাজক কাপুৰুষ বুলি আৰু কি বুলিব পাৰি? 'বিলাসিনী'ত বাতৰিটো ওলোৱাৰ দুদিন মানৰ পাছতে জিলাধিপতি বৰ ছাহাবে সম্পাদকক মতাই নি টান মাত দি কলে, "মই ঘটনাটো অনুসন্ধান কৰি চালোঁ। আপুনি লেখাকথা তেনেই

মিছা। ইংৰাজক কাপুৰুষ বোলা শুনিলে বিপক্ষ দলৰ সাহ বাঢ়ি যাব। এনে আপদীয়া কথা মুৰুৰ দিনত কেতিয়াও নেলেখিব। আজিৰপৰা আপুনি সতৰ্ক হৈ থাকিব।"

চীফ কমিছনাৰ বীটচন বেলে গোপচাৰ বা চৰণীয়া পথাৰত টেক্স লগালত, বীটচনক বিদ্ৰূপ কৰি লেখা প্ৰবন্ধ এটি 'বিলাসিনীত' ওলাল। ডেপুটী কমিছনাৰে মতাই নিয়াই পেকাৰক তাৰ বাবে বহুত কিবাকিবি কলে আৰু তেনে প্ৰবন্ধ আগলৈ দুলিয়াবলৈ সাৱধান কৰিও দিলে। ইয়াৰ ছমাহমানৰ পিছত বীটচন বেল যোৰহাটলৈ আহক। কৃষ্ণ পেকাৰো যক দেখা কৰিবলৈ। চীফ কমিছনাৰে পেকাৰক ইয়াকে মাথোন কলে বোলে, "মই গ্ৰেজিং টেক্স লগাইছোঁ। তাৰ বাবে আপুনি "বিলাসিনীত" মোক আক্ৰমণ কৰিছে। মোৰ ওপৰত পাৰ্লিয়ামেণ্ট সভা এখন আছে। সেই সভাৰ আদেশ-নিৰ্দ্দেশ পলাটোও মোৰ কৰ্ত্তব্য। বাৰু, যি হৈছে, হৈছে। 'বিলাসিনী'খন চলায়েই আপুনি জীৱন প্ৰবৰ্ত্তাই আছে। গতিকে আপুনি তাক ভাল কৰিবলৈ যত্ন কৰিব লাগে ভাল মানে—চৰ্কাৰক সমালোচনা কৰিব নেলাগে।) গৱৰ্ণৰ হেন্‌ৰি কাৰ ছাহাবে 'বিলাসিনী' সম্পাদকক স্পষ্ট কথা প্ৰকাশ কৰি গৱৰ্ণমেণ্টক সভায় কৰা বাবে শলাগিছিল।

মহাত্মা গান্ধী যোৰহাটত পদাৰ্পণ কৰাৰ পিছৰপৰাই "বিলাসিনীত" কিলিঙ্গা লাগিল। "বিলাসিনীয়ে" অসহযোগ-সম্পৰ্কে ধাৰাবাহিক প্ৰবন্ধ প্ৰকাশ কৰিবলৈ ধৰিলে আৰু গাৱেঁ-ভূঞে হোৱা চৰ্কাৰবিৰোধী সভা-সমিতিবিলাকৰ বিৱৰণ আৰু নেতাসকলৰ বাণী উলিয়াই ৰাইজক সজাগ আৰু শাসনবিৰোধী কৰি তুলিলে। ডেপুটী কমিছনাৰ ক্ৰিল ছাহাবে কৃষ্ণকান্ত ভট্টাচাৰ্য্যক চকুপাৰি দেখিব নোৱৰা হল। চৰ্কাৰৰ দমন নীতি নিন্দা কৰাৰ ফলত সম্পাদক ভট্টাচাৰ্য্যদেৱৰ শাৰীৰিক মানসিক লটিঘটি যে হৈছিলেই নে, পৈতৃক মাটি-ভেটি ও লীলামত হেৰুৱাই সৰ্ব্বস্বান্ত হৈছিল। জীৱনৰ সম্বিয়া বেলিকা, যিবা এটি আদ-বয়সতে চৰ্কাৰৰ নাম মাত্ৰ অল্পৰ পেঞ্চন পাইছিল তাকো গৱৰ্ণমেণ্টে বন্ধ কৰি দিলে। পুহিব নোৱৰাত প্ৰেছৰ কৰ্মচাৰীবিলাকো গুচি গ'ল; আন কি 'বিলাসিনীখন' ছপাই ডাকত পঠিয়াবলৈ টিকত ৫৲ টকাৰো একে লগে যুগুত কৰিবলৈ সমৰথ নোহোৱা হ'ল। তথাপি, নিজেই কম্পজিটৰ হৈ সাতদিনে-সাতদিনে নিয়মমতে কাগজ উলিয়াই আছিল। খোজনীয়া

পইচাবেবেই ডাক টিকত কিনি গ্ৰাহকলৈ পঠিয়াইছিল। ক্ৰমাৎয়ে ছৰ্কাৰৰ হৈঁচা ইমান টান হ'লগৈ যে ছপাশালখন ডিম্বেশ্বৰ বৰুৱা নামে এজনৰ নামত বিক্ৰী কৰি হে 'ধৰ্মপ্ৰকাশ' নামটো ৰক্ষা কৰিব পৰা হল। সিমানতে পেঞ্চাৰৰ ওপৰত ছৰ্কাৰৰ খোপ নেভাগিল—'বিলাসিনী' বন্ধ কৰাই হে এৰিলে! এপিনে অন্নচিন্তা, আনপিনে দেশৰ চিন্তা—এই দুয়োটা চিন্তাই তেওঁক পাৰ নোপোৱা কৰি পেলাইছিল। ইমানতো আকৌ নতুনকৈ "সুপ্ৰভাত" আৰু "জননী" নামেৰে দুখন মাহেকীয়া আলোচনী প্ৰকাশ কৰিবলৈ লৈছিল হে।

ৰাজহুৱা স্বাৰ্থ আৰু ঐক্য স্থাপনৰ অৰ্থে ভট্টাচাৰ্য্যদেৱে নেতৃস্থানীয় লোকৰ প্ৰতিও কটু বাক্য প্ৰয়োগ কৰিবলৈ পৰাঙ্মুখ নহৈছিল। কংগ্ৰেছৰ নিৰ্দ্দেশ মতে ১৯২৪ চনত কাউন্সিল 'বয়কট' কৰা হৈছিল। সেই কাৰণে, তেতিয়া সকলো নিৰ্ভীক জাতীয়তাবাদীয়েই হয় সভ্যপদ প্ৰত্যাহাৰ কৰিছিল, নহয় প্ৰাৰ্থীয়েই নহৈছিল। কাউন্সিললৈ উঠিব খোজা প্ৰায় সকলো প্ৰাৰ্থীয়েই নাম প্ৰত্যাহাৰ কৰিলে, কিন্তু "আসাম বন্তিৰ" সম্পাদক ৺পদ্মনাথ গোহাঞি বৰুৱা ডাঙৰীয়াই তেতিয়াও প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ নকৰি মনে মনে আছিল। তাতে, তেখেতৰ প্ৰতি বহুতৰ সন্দেহ হ'ল। গোহাঞি বৰুৱা ভট্টাচাৰ্যৰ বন্ধুও। ৰাইজ মৰিলে মৰিব দিছে, নমৰিলেও চকু মুদিবলৈ কৈছে—এনে স্থলত গোহাঞি বৰুৱাই হয় মৰা, নহয় চকু মুদা—এই দুটাৰ এটাও নকৰা দেখি ভট্টাচাৰ্য্যই 'বিলাসিনীৰ' সম্পাদকীয়ত এই কেষাৰি ঘাঁওচনীয়া বাক্য লেখি গোহাঁই বৰুৱাৰ কৈফিয়ৎ খুজিছিল :—

"বৰপেটা, তেজপুৰ মঙ্গলদৈৰ সকলো সভ্যপদ প্ৰাৰ্থীয়ে প্ৰাৰ্থীপদ ত্যাগ কৰা বাবে আমাৰ হিয়া আনন্দই নধৰা হৈছে। আশা কৰোঁ, আসামৰ আন-আন ঠাইতো এনে উদাহৰণ পাম।

কিয় নাই?—প্ৰাৰ্থীপদ ত্যাগ কৰা লিষ্টৰ ভিতৰত শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱাৰ নাম কিয় নাই? তেওঁ, বোধ কৰোঁ, আমাক সংবাদকে দিয়া নাই, কিম্বা, আমাৰ লিষ্টত ভুলক্ৰমেই বাদ পৰি গৈছে।"

সেইদৰে বঙালী গ্ৰন্থকাৰৰ বঙলা কিতাপ অসমীয়ালৈ অনুবাদ কৰোৱাই শিক্ষাবিভাগৰ কৰ্ত্তৃপক্ষই অসমীয়া ছাত্ৰৰ মূৰত মাধমাৰ মৰা দেখি 'বিলাসিনীয়ে মাত লগাইছিল।

"সৰস্বতী আইৰ বৰপুত্ৰ শিক্ষা বিভাগৰ কাৰ্য্যৰ গূঢ়াৰ্থ আমাৰ দৰে সামান্য

মানুহে চুকি পোৱা টান। * * * * আমাৰ স্কুলত চলাবৰ নিমিত্তে বঙলা কিতাপ অসমীয়াত ভৰ্জমা কৰোৱাই শিক্ষা বিভাগে আমাৰ লেখকসকলৰ প্ৰতি অন্যায় কৰিছে। এনেকৈ যদি, অসমীয়া লেখকৰ প্ৰতি সদায়ে সতিয়ৈ ব্যৱহাৰ কৰি থকা হয়, তেন্তে আমি তাৰ ঘোৰ প্ৰতিবাদ কৰিবলৈ বাধ্য হব।”

জীৱনৰ বেলি মাৰ যোৱাৰ বেলিকাও কৃষ্ণ পেষ্কাৰে যোৰহাটত সংস্কৃত কলেজ এটা পাতিবলৈ সকলোৰে ওচৰত ভিক্ষা কৰি ফুৰিছিল। কিন্তু মহাকালে তেওঁৰ জীৱন চমু চপাই আনিলে, কল্পনা আৰু কাৰ্য্যত পৰিণত কৰিবলৈ নেপালে। আপোন মানুহৰ বিয়া এখনত তেখেত বৰযাত্ৰী হৈ গৈছিল। ঘূৰি আহোঁতে বাটত গটৰ দুৰ্ঘটনা এটি হোৱাত তেখেতৰ ভৰি এটাত বিষমকৈ আঘাত লাগিল। সেই আঘাতেই তেখেতৰ মৃত্যুৰ কাৰণ হ'ল। ইং ১৯৫০ চনৰ ১৮ জানুৱাৰী তাৰিখে নিশা ৯ বজাত, ৮৮ বছৰ বয়স পাই, যোৰহাটৰ তৰাজানত কৃষ্ণকান্ত ভট্টাচাৰ্য্য পেষ্কাৰ ডাঙৰীয়াই ইহ সংসাৰৰপৰা বিদায় ললে। ত্ৰিতাপক্লিষ্ট সাংবাদিক কৃষ্ণকান্ত ভট্টাচাৰ্য্যই যি আত্মবিশ্বাস, দৃঢ় মনোবল, স্বধৰ্মৰ প্ৰতি ঐকান্তিক নিষ্ঠা আৰু জাতীয় প্ৰেমৰ নিদৰ্শন দেখুৱাই গল তাৰ বাবে যোৰহাটৰ ৰাইজে মহাসমাৰোহেৰে চাৰিকুৰি বছৰীয়া জয়ন্তী পালন কৰি আগতেই তেখেতৰ প্ৰতি কৃতজ্ঞতা জনাইছিল।* মানুহে মানুহক পাহৰিবলৈ সৰহ দিন নেলাগে। কিন্তু পেষ্কাৰ ডাঙৰীয়াৰ সাংবাদিক জীৱনৰ ত্যাগ আৰু সাহ কেতিয়াও পাহৰিব নোৱাৰি।

* “বাণীৰ একনিষ্ঠ নিৰ্ভীক সেৱক শ্ৰীকৃষ্ণকান্ত ভট্টাচাৰ্য্য :— অসমত জনমত প্ৰচাৰৰ কাৰণে আপুনি “আসাম বিলাসিনী” প্ৰকাশ কৰি অসমীয়াক এক নতুন বাটৰ পোহৰ দিলে। আঁপোনাৰ নিৰ্ভীকতাৰ কথা অসমীয়াই সদায় সুঁৱৰি থাকিব আৰু অসমীয়াক সদায় সৎসাহৰ উদগনি দিব। আমাৰ নমস্কাৰ গ্ৰহণ কৰক।” যোৰহাটৰ শিল্পী সম্বৰ্দ্ধনাত “বাণী সম্মেলনে” ১৯৫১ চনত জনোৱা শ্ৰদ্ধাৰ্ঘ্য।

অভিধান লেখোঁতা
"জাদুৰাম ডেকা বৰুৱা"

লেবেলী ডেকাবৰুৱা বা যাদুৰাম ডেকাবৰুৱা অসমীয়া ভাষাৰ প্ৰথম অভিধান লেখোঁতা। ডাক্তৰ ফ্ৰেঞ্চিছ বুকানন্ ছাহাব অসম-পৰিভ্ৰমণ কৰিবলৈ আহোঁতে কচিনাথ নামেৰে এজন কামৰূপীয়ই অৰ্থাৎ কামৰূপ-কামাখ্যাৰ লোকে ১৮১০ চনত এখন শব্দকোষ লেখিছিল। পুথিখনত ভাষাৰ বৈয়াকৰণিক নিয়ম বা পদ্ধতিৰ একো উল্লেখ নাছিল; আছিল কেৱল নামনি অসমত ব্যৱহাৰ হোৱা কিছুমান শব্দৰ বঙলা প্ৰতিশব্দ। অভিধান লেখাৰ নিয়ম পালন কৰি, আখৰ-ঘোঁটনিৰ এটা বেহা লগাই (সৰ্ব্ববাদীসন্মত নহলেও) প্ৰকৃত অসমীয়া ভাষাৰ পোনপ্ৰথম অভিধান লেখিছিল স্বৰ্গীয় যাদুৰাম ডেকাবৰুৱাই। অভিধানখন লেখা হৈছিল সেই সময়ত, যি সময়ত আমাৰ চিৰন্তা বঙালী আমোলাবেই ভৰি আছিল আৰু যি সময়ত "আচাম দেশৰ অচমীয়া ভাষা নচলাৰ কাৰণে চহা চহকিৰ মহাপ্ৰমাদ। বঙ্গালী পুথি এখনৰ ভাৱ জানিবলৈ ইচ্ছা হ'লে আধা খৰচিয়াকৈ বঙ্গালী ভাষা জনা পণ্ডিত মহাশয়সকলে অনুগ্ৰহ কৰি জি বুজায় সেয়েই। গোচৰ-হাৰি লাগিলেও উকিল মোচাৰসকলে আমোলা মোচাইসকলে অনুগ্ৰহ কৰি জি দিহা বুধি দিএ তাকেই সাৰোগত কৰি গানি চকু মুদি পেট পেলাই পৰি থাকি হৰ্স বা বিসাদ একবিধ ওপৰৰ পৰা পৰিলে জেন বুজি স্বিকাৰ কৰি থাকিবলৈ বাধ্য" হৈছিল।* নহয়, অসমীয়া যে একেবাৰেই স্বকীয়া, এই কথাটো অবুজন ইংৰাজী কৰ্তৃপক্ষ অসমীয়া ভাষা যে বঙলা সকলক বুজাবলৈকে ডেকাবৰুৱাই অসমীয়া-বঙলা অভিধানখন লেখিছিল। বৰ পৰিতাপৰ বিষয় যে সেই অভিধানখন কাৰোবাৰ হাতত লুপ্ত পালে। পালে যদিও, তাৰ মূল অকা এটি ডক্টৰ নেথান ব্ৰাউনে আমালৈ দি থৈ গল, যাৰ বলত ডেকাবৰুৱাক "আমাৰ কোন কি আছিল" অৰ বুৰঞ্জীত সুমাই থৈ আমি গৌৰৱ কৰিব পৰা হৈছোঁহক।

---

* বলোৰাম ফুকনৰ "হৰ্ষ-বিসাদ বিষয়ক ৰচনা।"

ইং ১৮০১ চনত, পূৰ্ব্বৰ উত্তৰ লক্ষীমপুৰৰ খিলাধাৰীত যাদুৰাম ডেকাবৰুৱাৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম কৃষ্ণদাস ভণ্ডাৰী বৰুৱা। চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱৰ নগৰীয়াসকলৰ পৰিচয় দিওঁতে এজন বুৰঞ্জী লেখকে কৃষ্ণদাসৰ বিষয়ে এই বুলি কৈছিল যে তেওঁ বুঢ়া গুজা. বগাদমৰা, জগধৰ দৈচুতীয়া, চিত্ৰসেন গন্ধীয়া ফুকন প্ৰভৃতিৰে সৈতে লগ লাগি পূৰ্ণানন্দ বুঢ়া গোহাঁইৰ হতাশনীয়া গৰ্ব্ব অহঙ্কাৰ চূৰ্ণ কৰা আলচত আছিল।

মান-মৰাণৰ বিদ্ৰোহত দেশ এৰি কৃষ্ণদাস ভণ্ডাৰীবৰুৱা দেশান্তৰ হৈ আছিলগৈ। দেশ সুস্থিৰ হলত সপৰিয়ালে যোৰহাটত বসতি কৰিবলৈ ল'লেহি। পুতেক যাদুৰামৰ গা-পাৰি নাছিল ; সেই কাৰণে, তেওঁক লেৰেলি ডেকাবৰুৱা বুলি মতা হৈছিল। যাদুৰাম ভণ্ডাৰীবৰুৱা সদৰামিন হোৱাৰ পিছতো তেওঁৰ সেই নামেই থাকি গ'ল। নউহিল-বাৰ্ণেট আদি ছাহাবে দেশখন নকৈ পাতিবলৈ লওঁতে সেউত্তাক-পুতেক দুয়ো অসমৰ নতুন পুৰণি তথ্য সংগ্ৰহ কৰি দিছিল। ডেকা-বৰুৱাই পলিটিকেল বিভাগত কাম কৰিছিল। গমধৰ কোঁৱৰৰ বিচাৰ হওঁতে মণিৰাম দেৱান, মাধৱৰাম বৰগোহাঁই প্ৰভৃতিৰে সৈতে পঞ্চায়ত বহি কোঁৱৰৰ ৰাজবিদ্ৰোহিতাৰ ৰায় দিছিল।

লেৰেলি ডেকাবৰুৱাই 'অভিধান' লেখাৰ বাহিৰেও সেই সময়ৰ বঙলা কাকত "সমাচাৰ দৰ্পণত" আৰু "সমাচাৰ চন্দ্ৰিকাত" নানান বিষয়ে চিঠি-প্ৰবন্ধ প্ৰকাশ কৰিছিল। হলিৰাম ঢেকীয়াল ফুকনে "আসাম বুৰঞ্জি" খন ছপা কৰাই ভায়েক যজ্ঞৰাম খাৰঘৰীয়া ফুকনৰ হাতত তাৰে এখন ডেকাবৰুৱালৈ সমালোচনাৰ নিমিত্তে পঠিয়ায়। ডেকাবৰুৱাৰ বুৰঞ্জী জ্ঞানো সম্যক আছিল। তেওঁ সেই বুৰঞ্জীৰ এটা ভুল আঙুলিয়াই দি দৃঢ়তাৰে সৈতে সেই ভুল স্বীকাৰ কৰিবলৈ কয় ; "তৃতীয় খণ্ডৰ ৭ পৃষ্ঠায় দৃষ্ট হইল যে আসামেৰ পূৰ্ব্ব সীমা তেজি নামক্ৰপকে নিৰূপণ কৰিয়াছেন। আমি জানি তাহা যথাৰ্থ নহে। বস্তুতঃ ঐ স্থানেৰ অনুমান ১০০ ক্ৰোশেৰ পূৰ্ব্বদিকস্থ পাতকাই নামক পৰ্ব্বত শ্ৰেণী। সে প্ৰকৃত সীমা, যাহাৰ এক প্ৰশস্ত প্ৰস্তৰতে মহাৰাজ চুকাফা চিংফৌ দেশৰ ৰাজাৰ সহিত আপন সীমা নিৰ্দ্ধাৰ্য্য কৰিয়া আশাম অক্ষৰেতে গন্ত খোদাই ৰাখিয়াছেন এবং যাহা ঐ ১৮২৮ সনে লিউটিনেণ্ট বৰ্ণাট সাহেব মুঃ কং দেশ ভ্ৰমণাৰ্থে গিয়া দেখিয়া আসিয়াছেন।"

—১৮৩১, ২৯ আগষ্ট, শ্ৰীজাদুৰাম ডেকা বড়ুয়া, মুন্সী এজেণ্টি, মুলুক ওপৰ আসাম।

'সতীযোৱা প্ৰথাৰ' বিৰুদ্ধেও, যাদুৰাম বৰুৱাই বুৰঞ্জী আৰু শাস্ত্ৰৰ প্ৰমাণ দি, শিৱসাগৰ-কোঞ্চৰপুৰৰ সতীযোৱা ঘটনা এটি লৈ, সেই বাতৰি কাকতত্তে এই খোচামৰা মন্তব্যটি দিছিল "যাহারা স্ত্রীহত্যাকরণে উদ্যোগী তাহারা ধার্ম্মিক, যাহার প্রাণ রক্ষণে যত্নবান তাহারা দোষী—এমত অবস্থ ভাব যাহারা পোষণ করিয়া থাকেন তাহারা আপন কোন অঙ্গকে অগ্নিসঙ্গ করিয়া দেখুন দেখি কি সুখ হয়।" ডেকাবৰুৱা যে অকল সতীযোৱাৰে বিৰোধী আছিল এনে নহয়, বিধৱা বিবাহৰো দুৰ্ঘোৰ পক্ষপাতী আছিল। আন কি, সেই ৰক্ষণশীল দিনত সমাজৰ গ্লানিলৈ ভ্ৰূক্ষেপ নকৰি তেওঁ নিজেই বিধৱা বিবাহ কৰাইছিল।

১৮৩২ চনত ২০ জুলাই তাৰিখে, তেওঁক নতুনাৰ বিদ্যাধাৰীত (বৰ্ত্তমান দৰং জিলাৰ অন্তৰ্গত) বাঙ্গোৱা পাতি আডাম হোৱাইট ছাহাবে এখনি চনদ দিয়ে। সেই অনুসৰি, যাদুৰাম বৰুৱাই খিলাধাৰী মৌজাৰ তুলাজৰা, চমুৱা, বহতীয়া, দেৱলীয়া পাইক ৩৪টা পাইছিল। কলাবাৰীত ৩০০ পুৰামান মাটিৰ এটি গ্ৰাণ্টো পায়।

বুটিছে অসম দেশ অধিকাৰ কৰাৰ পিছতেই তেওঁ পলিটিকেল বিভাগত সোমাই দোপতদোপে উঠি শিৱসাগৰ যোৰহাট-গোলাঘাট-লক্ষীমপুৰত মুঞ্চিপ-সদৰামিন হৈ বিষয়া জীৱনৰ সামৰণি মাৰে। ডিব্ৰুগড়লৈ বদলি হোৱাৰ লগে-লগে যোৰহাটৰ পকামুৰাৰপৰা কেইবা ঘৰো ব্ৰাহ্মণ নি তেওঁ ডিব্ৰুগডত থানথিত লগাই পাতি থয় আৰু দুৰ্গোৎসৱ পূজা কৰোৱায়।

যাদুৰাম বৰুৱাই উচ্চাৰণ অনুসৰি কোৱা আৰু লেখা ভাষাৰ গঢ় দিব খুজিছিল। তেওঁৰ মতে সংস্কৃত, সংস্কৃত ; বঙ্গলা, বঙ্গলা ; অসমীয়া, অসমীয়া। অসমীয়াৰ উচ্চাৰণ, অসমীয়াৰ কথা কোৱা গঢ় বঙালীৰ লগত সমুলি নিমিলে। এতেকে অসমীয়া উচ্চাৰণ অনুযায়ী আখৰ যোঁটনি হোৱা উচিত। এই বুলি তেওঁ—

১। ই ঈ ৰ ঠাইত ই টো হে ৰাখিছিল।

২। উ ঊ ৰ দীৰ্ঘ উ টো এৰি দিছিল।

৩। ঌ ৡ-দুটা আখৰক অভিধানত ঠাইকে দিয়া নাছিল।

৪। চ ছ ৰ পৰিবৰ্ত্তে চ আৰু ঠাই বুজি জ ঝ ৰ পৰিৱৰ্ত্তে জ আখৰটো ৰাখিছিল।

৫। সংস্কৃতৰ শ, ষ, আৰু স আখৰ কিটাৰ ভিতৰত অকল স টো হে

বাখিছিল। কিন্তু 'আসাম' নেলেখি "আশাম" লেখিছিল। তালব্য শ দিয়াৰ অৰ্থ আছে।

৬। অকল দন্ত্য ন টো ব্যৱহাৰ কৰিছিল।

৭। ক্ষ ৰ ঠাইত খ লেখিছিল।

য ৰ ঠাইত জ আক ষৰ ঠাইত খি লিখিছিল। নিজৰ নামটোত জাদুৰাম দন্ত্য জ ব্যৱহাৰ কৰিছিল। জয়ে-ক্ৰমে অসমীয়া ভাষাৰ ব্যাকৰণ লেখোঁতা ডঃ নেথান ব্ৰাউনে ডেকা বৰুৱাৰ অভিধান সম্বন্ধে কৈছে :—

"It was.....necessary to make the Orthography correspond with the pronunciation... The work which made the nearest approach to a regular system was a manuscript Bengalee Dictionary with Assamese definitions prepared by Jaduram Deka Barua, a learned Assamese Pundit.....the great portion of the redundant letters were discarded, while the general forms of words agreed, for the next part, with their bud in the Buranjis.

যাদুৰাম বৰুৱাই ১৮৩৯ চনত হাতেলিখা অৱস্থাতে অভিধানখন তেতিয়াৰ কমিচনাৰ জেনকিন্স্ চাহাবক দিয়ে। ১৮৬৭ চনত ডাঃ ব্ৰন্সন চাহাবে তেওঁৰ অভিধানত ডেকাবৰুৱাৰ বৰ্ণবিন্যাসকে ৰাখে। ১৯০১ চনত হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ'ওলাই "অসমীয়া ভাষাৰ আখৰ যোঁটনিৰ আউল ভাঙি দিয়ে।" আকৌ যে আউল নেলাগিব, লাগিলে ভাঙিব লগীয়া নহব, তাক নো কোনে ছিদ্ৰাংকৈ কব পাৰে ? আখৰ-যোঁটনিৰ নতুন কিবা কৰিব লগীয়া হলেই "জাদুৰাম ডেকা বৰুৱাই" আকৌ দেখা দিব্ছি।

দেশহিতৈষী ৰায় বাহাদুৰ জগন্নাথ বৰুৱা

যাৰ স্মৃতি ৰক্ষাৰ্থে যোৰহাটত ওয়ে-ওয়ে পতা কলেজটোৰ নাম "জগন্নাথ বৰুৱা কলেজ" দিয়া হ'ল, সেই জন জগন্নাথ বৰুৱায়েই ১৮৭২ চনত কলিকতা প্ৰেচিডেন্সি কলেজৰপৰা বি-এ 'পাছ' কৰি অহা উজনি অসমৰ প্ৰথম গ্ৰেজুৱেট। তেওঁৰ আগেয়ে যি জনে বি-এ পাছ কৰিছিল, তেওঁ আছিল আনন্দৰাম বৰুৱা—নামনি অসমৰ। সেই দেখি, উজনি অসমত জগন্নাথ বৰুৱাক আটায়ে বি-এ জগন্নাথ বুলিবলৈ ধৰিলে আৰু সেই নামেৰেই আজিকোপাতি প্ৰসিদ্ধ হৈ আছে।

কটন কলেজ পতাৰ একুৰি বাৰ বছৰ মানৰ আগেয়ে গুৱাহাটী ইংলিছ চেমিনাৰৰ (হাইস্কুল) লগতে এফ্ এ, (ফাষ্ট আৰ্টছ) পৰ্য্যন্ত এটি দ্বিতীয় শ্ৰেণীৰ কলেজ প্ৰমাণমূলক ভাৱে স্থাপন কৰা হৈছিল। প্ৰেচিডেন্সি কলেজৰ বি-এ শ্ৰেণীত নাম লগোৱাৰ আগেয়ে বৰুৱা ডাঙৰীয়াই সেই কলেজৰপৰাই এফ এ পৰীক্ষাত উত্তীৰ্ণ হৈ যায়।

১৮৬৯ চনত সেই গুৱাহাটী স্কুলত "গুৱাহাটী স্কুল ক্লব" নামেৰে এটি ক্লব প্ৰতিষ্ঠা কৰা হৈছিল। তাৰ উদ্দেশ্য আছিল ছাত্ৰৰ নৈতিক-মানসিক চৰিত্ৰৰ উন্নতি সাধন কৰা, জ্ঞান আৰ্জ্জিবৰ নিমিত্তে পুথি-পাঁজি পঢ়িবলৈ অভ্যাস ওপজোৱা, নানান বিষয়ে ৰচনা লেখিবলৈ উদগনি দিয়া আৰু সভায়-সমিতিয়ে বক্তৃতা দিবলৈ অভ্যাস কৰোৱা। জগন্নাথ বৰুৱা সেই ক্লবৰ এটি উজ্জ্বল ৰত্ন আছিল। তেওঁ আৰু মাণিকচন্দ্ৰ বৰুৱা ক্লবৰ সভ্য আছিল বুলি হে ক্লবটোৰো মান-মৰ্য্যাদা বাঢ়িছিল। তথাপি সিবিলাক দুজনৰ যি কেইজন সমনীয়া আৰু সহপাঠীয়ে ক্লবৰ জেউতি চৰাইছিল, সেই কেৱোজনে সময় বালিত একোটি একোটি খোজৰ চিন এৰি নোযোৱাকৈ থকা নাই। সিসকলৰ নাম কেইটাও ইয়াতে উল্লেখ কৰা ভাল :—ৰমাকান্ত দাস (চৌধুৰী), কাশীনাথ বৰুৱা, লক্ষ্মীচন্দ্ৰ শৰ্ম্মা, বলীনাৰায়ণ বৰুৱা, কালিৰাম দাস (চৌধুৰী), ভীবিৰাম বৰুৱা, উমাচন্দ্ৰ বৰুৱা, মণিৰাম বৰুৱা, গোবিন্দচন্দ্ৰ বৰুৱা, মুন্সি নেছাৰ আহমদ।

জগন্নাথ বরুৱা

গুৱাহাটী স্কুল-ক্লবত জগন্নাথ বৰুৱাই ১৮৬৯ আৰু ১৮৭০ চনত এই কিটা বিষয়ে ৰচনা পাঠ কৰিছিল—1. French Revolution—ফৰাচী বিপ্লৱ; 2. Physical circumstances of a country with regard to civilization—সভ্যতাৰ সম্পৰ্কত প্ৰাকৃতিক অৱস্থা; 3. History of Assam—অসমৰ বুৰঞ্জী। বৰুৱাৰ বাপ কিছুত আছিল ৰচনা কেইখনৰ নামেই কৈ দিয়ে। তাতেই যেন তেওঁ ভৱিষ্যতৰ নিমিত্তে ধীৰ বিবেক বুদ্ধি আৰু গধুৰ চিন্তাশীলতাৰ একোটিইও চুপহি নিৰ্ম্মাণ কৰিবলৈ লৈছিল। যি কাই পাচিৰ ছুপতীয়াতেই চিন। তেওঁ যে আগলৈ বাগ্মিতাৰে শ্ৰোতাসকলক মুগ্ধ কৰিব পাৰিব, তাৰ চিন 'গুৱাহাটী স্কুল ক্লবতে' সকলোৱে দেখিবলৈ পাইছিল। ১৮৭১ চনৰ ১০ মাৰ্চ্চ তাৰিখে বহা সেই স্কুল ক্লবৰ বছেৰেকীয়া উৎসৱৰ কাৰ্য্যবিৱৰণী বা ৰিপৰ্টত, সম্পাদক বাবু ৰামচন্দ্ৰ ভৌমিকে জগন্নাথ বৰুৱাৰ বাক-চতুৰতা সম্পৰ্কে ভুয়সী প্ৰশংসা কৰি যি কৈছিল সেয়ে তাৰ প্ৰমাণ। ভৌমিকে কৈছিল,—

"The most valuable services to the cause of the infant institution, were rendered by Babu Jagannath Baruya, then a student of the first year class who latterly distinguished himseif so much by the capacity of long and correct speeches. He has since joined the Presidency College, with a Scholarship."

* * * *

"Jagannath Baruya frequently delighted the audience with his speeches * * and it was perceived that the Club was a decided success."

"চালুকীয়া সভাখনৰ উদ্দেশ্য সাধন কৰাত তেতিয়াৰ প্ৰথম বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ বাবু জগন্নাথ বৰুৱাৰ অৱিহণাই আটাইতকৈ ডাঙৰ। পাছলৈ, তেওঁ শুদ্ধ ভাবাৰে দীঘলীয়া বক্তৃতা দিব পৰা সামৰ্থ্য দেখুৱাই আকত ভিনিকা হলগৈ আৰু তাৰ পিছত ছৰ্কাৰী জলপানী (বৃত্তি) পাই প্ৰেচিডেঞ্চি কলেজত নাম লগালেগৈ। মাজে-মাজে জগন্নাথ বৰুৱাই দিয়া বক্তৃতাবিলাক দৰ্শকসকলে বৰ উপভোগ কৰিছিল। ইয়াৰদ্বাৰাই সভাৰ উন্নতি হৈছে বুলি বুজিব পৰা গৈছিল।"

১৮৭২ চনত, কলিকতা-অসমীয়া সাহিত্য সভাৰ হৈ জগন্নাথ বৰুৱা আৰু

মাণিকচন্দ্ৰ বৰুৱাই ভাৰতৰ বৰ লাট লৰ্ড নৰ্থব্ৰুকক হাতে-হাতে এখনি আবেদন পত্ৰ দিয়ে। পত্ৰখন দিছিল কেতিয়া ?—যেতিয়া দুয়োজন ছাত্ৰ আছিল ; আৰু দিছিল তেতিয়া, যেতিয়া জিলাৰ সামান্য অধিপতি একোজনকো দেখা কৰিবলৈ হ'লে আগেয়েই অনুমতি লব লাগে। তদুপৰি, তেতিয়া অসমীয়া বুলি যে এজাতি মানুহ আছে, সেই কথাও কলিকতীয়া সমাজে স্বীকাৰকে কৰিব নোখোজে এনে স্থলত, আঙুলিৰ আগত লেখিব পৰা কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰই বৰলাটৰ হাতত আবেদন পত্ৰ দিয়ে !—ই কোন দেশৰ কথা ! কলেজীয়া ছাত্ৰৰ বিষম সাহস দেখি "ইণ্ডিয়ান মিৰৰ", "হিন্দুপেট্ৰিয়ট" "অমৃতবাজাৰ পত্ৰিকা" আদি কাকত বিলাকে এনে কাম উদ্ধতালি বুলি চোকা সমালোচনা কৰিবলৈ ধৰিলে। কিন্তু সেই সমালোচনাৰদ্বাৰা উচ্চ কৰ্ত্তৃপক্ষৰ কাণে৷ গা কাণ-পাতি নেকাটিলে। অসমলৈ ৰেলৰ লাইন খুলি, ভাৰতৰ আন-আন প্ৰদেশৰ দৰে অসমকো সমৃদ্ধিশালী কৰিব লাগে বুলি সেই আবেদন-পত্ৰত জনোৱা হৈছিল তাৰ ১০।১২ বছৰৰ পিছতে, ডিব্ৰুসদিয়া ৰেল আৰু তাৰ পাছত আসাম-বেঙ্গল ৰেল খোলাত জগন্নাথ বৰুৱাৰ কামনা পূৰ হল।

বৰলাটৰ হাতত দৰ্খাস্ত দিয়া কথাটো আজিকালি স্বাধিকাৰ প্ৰমত্তৰ দিনত বহুতেই ভাতৰ লগত খোৱা পানী যেন বুলি ভাবিব পাৰে। কিন্তু, যি কালত দেশাধিকাৰ একোজনক লগ পাবলৈকে ওপৰত কোৱাদৰে বাৰকুৰি খাটনি ধৰিব লাগিছিল, সেই কালত ভাৰতৰ ভাগ্য নিয়ন্তা এজনক স্বইচ্ছায় লগ ধৰি মাতৃভূমিৰ অভাৱ অভিযোগ জনাবলৈ আগবাঢ়ি যাব পৰাটো সঁচাকৈয়ে অসমীয়া ছাত্ৰজীৱনৰ বুৰঞ্জীত নতুন কথা। আবেদন পত্ৰখনি ঐতিহাসিক দলিল স্বৰূপ বুলি ভাবি হুবহু তুলি দিয়া হল :—

"To

His Excellency
The Right Honourable Baron Northbrook,
Viceroy and Governor General of India.

May it please your Excellency.......

We, the members of the committee of the Assamese Literary Society in Calcutta, beg, on behalf of the Society, most respectfully and cordially to welcome your Lordship to the Viceregal throne of India.

At a time when India is distracted with grief and sorrow at the untimely death of the late lamented Viceroy, when discontent pervades the length and breadth of the land owing to many financial measures not conformable to the ideas of the people, the advent of a statesman like your Lordship to this country is peculiarly welcome to us.

Your Lordship combines with a scientific knowledge of finance, a grave sense of the responsibility attached to your high office, an earnest desire for improvement of the teeming millions under your rule and a sincere regard for the principle of equity and benevolence. Your Lordship will therefore, allow us to say that Her Majesty could not have made a better selection to govern one fifth of the Human race and the people of India could not have obtained a better ruler.

When occupied with multifarious affairs of the more important provinces, we pray that Your Lordship will occasionally cast your eyes on the condition of the frontier province of Assam to which we belong and which bids fare with all her natural resources to obtain a high position in competition with her sister provinces. And the most effectual means, we submit, of developing those resources would undoubtedly be, to connect the province with Bengal by a railway line—a proposal already brought to Your Lordship's consideration in England.

We fervently pray to the Almighty bestow upon Your Lordship physical and mental vigour, for the fulfilment of these ardent expectations, which all India entertains from your Excellency.

We have the honour to be
Our Lord
Your Excellency's most obedient servants.
Jagannath Barooah
Manik Chandra Barooah
Members of the Committee of the
Assamese Literary Society.

Calcutta
21st. May, 1872

জগন্নাথ বৰুৱাই ১৮৭২ চনত বি-এ পাছ কৰি আহি অসমত "নেটিভ চিভিল চাৰ্ভিছৰ" পৰীক্ষা দিয়েছি। তাতো তেওঁ সুখ্যাতিৰে উত্তীৰ্ণ হ'য়। বৰুৱা ডাঙৰীয়াই ভাবিছিল হবলা—এই পৰীক্ষাত কৃতকাৰ্য্য হব পাৰিলেই চৰকাৰৰ খৰত উচ্চ খাপৰ বিষয় খাব পৰা যোগ্যতা অৰ্জ্জন কৰিব। বাস্তৱিকে তেওঁ সেই যোগ্যতা আৰ্জ্জনো কৰিলে আৰু ভৱিষ্যতে চৰকাৰৰ ঘৰৰপৰা উচ্চ পদৰ আহ্বানো আহিল। কিন্তু, কিবা এটা মন উফৰিল, তেওঁ সেই পদ নললে। ন'লৈ, দেউতাক পুলিছ ইন্‌স্পেক্টৰ হেমধৰ বৰুৱাই গৱৰ্ণমেণ্টৰপৰা যি গ্ৰাণ্ট উপঢৌকন স্বৰূপে পাইছিল, সেই গ্ৰাণ্টৰ মাটিত্তে চাহখেতি কৰিবলৈ লাগিল। উপযাচি দিয়া চৰকাৰী কামটো নোলোৱাত বহুতে তেওঁক বেয়াই পাইছিল। এনে কি, তেওঁৰ প্ৰিয় বন্ধুৱেক এজনে তেওঁক বলিয়া বুলি কদৰ্থনাকে কৰিছিল। কুৰি বছৰমানৰ মূৰত, চাহ খেতি উন্নতি হোৱাৰ লগে-লগে তেওঁৰ অৰ্থ-সম্পদো উভৈনদী হ'ল আৰু কেউফালৰপৰা তেওঁক মান-সন্মানেৰে ওপচাই পেলোৱা হল। তেতিয়া এদিন চাহ খাওঁতে তেওঁ সেই বন্ধুৱেক জনক কথাৰ ছলতে সোধিবালে, "চৰকাৰী চাকৰী কৰিলে হে মানুহে মানুহ বোলাই খাব পাৰে বুলি কৈছিলা, নহয়? এতিয়া পিচে, কি বোলা? স্বাধীন ব্যৱসায় কৰিও মানুহে মানুহ বোলাই খাব পাৰে।"

যোৰহাটৰ "সৰ্ব্বজানিক" সভাৰ প্ৰতিষ্ঠাতাও জগন্নাথ বৰুৱায়েই। "আসাম এচচিয়েচন" স্থাপিত হোৱাৰ আগলৈকে সেইখনেই হে মাথোন আছিল জাতিধৰ্ম-সম্প্ৰদায় নিৰ্ব্বিশেষে ৰাজহুৱা মতামত জনাব পৰা একমাত্ৰ ৰাজনীতিক সভা বা অনুষ্ঠান—যাৰ সুচিন্তিত প্ৰস্তাৱাদি গৱৰ্ণমেণ্টে পতহুৱা বুলি অগ্ৰাহ্য কৰিব নোৱাৰিছিল, বৰং সেইবিলাকত উল্লিখিত অভাৱ-অভিযোগবোৰৰ তুৰন্তে প্ৰতিকাৰ হে কৰিছিল। ১৮৮৬ চনৰ ২ জুন তাৰিখে যোৰহাটৰ উইলিয়ামচন স্কুলৰ আগচোঁতালত "ভূমি আৰু জঙ্গল আইনৰ" প্ৰতিবাদ কৰিবলৈ এখনি বিৰাট সভা বহিছিল। সভা "লোকে লোকাৰণ্য" হৈছিল—নাই বুলিও দহ হেজাৰ দৰ্শকৰ কম নহয়। সভাপতিৰ আসন অলঙ্কৃত কৰিছিল ৰজা নৰনাৰায়ণ সিংহই। প্ৰস্তাৱাদি আলোচনা কৰোঁতে বৰ তেজী ভাষা ব্যৱহাৰ কৰা হৈছিল। সেই দিনা বক্তাসকল ইমান উত্তেজিত হৈছিল যে কোনো-কোনো জনৰ গাৰ কাপোৰ খহি মাটিত পৰিছিল। বিশিষ্ট বক্তা আছিল উপেন্দ্ৰনাথ বৰুৱা, দেৱীচৰণ বৰুৱা, গোবিন্দ বেজবৰুৱা আৰু সভাৰ প্ৰধান সম্পাদক জগন্নাথ বৰুৱা স্বয়ং। সিসকলৰ উপৰিও,

ৰাজকুমাৰ হেমকান্ত গোহাঁই, যদুনাথ ফুকন, ব্ৰজনাথ বেজবৰুৱা, চতুৰ্ভুজ আগৰৱালা, মুঞ্চি চামচুদ্দিন, ধৰ্মেশ্বৰ বৰুৱা, বাবু ক্ষীৰোদপ্ৰসাদ বানাৰ্জ্জী, চৈয়দ আবদুল ৰহমান আৰু ভোলানাথ বৰুৱা। জগন্নাথ বৰুৱায়েই সভা মুকলি কৰিছিল।

১৯০২ চনত সপ্তম এডোৱাৰ্ডৰ অভিষেক-উৎসৱ-উপলক্ষে, চৰ্কাৰৰ দ্বাৰাই নিমন্ত্ৰিত হৈ, জগন্নাথ বৰুৱা বিলাতলৈ যায়। লগত তেওঁৰ চেক্ৰেটৰী ৰূপে যায় Anglo Assamese Dictionary লেখোতা বুদ্ধীন্দ্ৰনাথ দিলীহিয়াল ভট্টাচাৰ্য্য। অভিষেক উৎসৱ হৈ যোৱাৰ পিচত লণ্ডনৰ মেয়ৰে প্ৰতিনিধি সকলক অভ্যৰ্থনা জনাবলৈ টাউন হলত সভা পাতে। সভাত ভোজনৰো আয়োজন কৰা হৈছিল। তাত সকলোৱে একোটি-একোটি বক্তৃতা দি ভোজনদ্বীয়াসকলৰ লৈতে চা-চিনাকি হৈছিল। আমাৰ বি-এ জগন্নাথেও বক্তৃতা এটি দি অভ্যাগতসকলক সম্ভাষণ জনাইছিল। বক্তৃতাটো ইমান শুদ্ধ আৰু সুৱলা হৈছিল যে "মেনচেষ্টাৰ গাৰ্ডেন" আদি বিলাতৰ বহু কাকতে আচৰিত মানি একোটা আকৰ্ষণীয় শিতানেৰে বৰুৱা ডাঙৰীয়াক নথৈ শলাগিছিল।

জগন্নাথ বৰুৱাই বিশুদ্ধ ইংৰাজীৰে উচ্চ ভাবৰ কেনেকুৱা বক্তৃতা দিছিল আৰু সেই বক্তৃতাই গুণীৰ গুণৰ মোল বুজোতা ইংৰাজসকলৰ মাজত কেনেকুৱাকৈ সমাদৰ লাভ কৰিছিল তাক পঢ়ি টলকি চাবৰ নিমিত্তে "ছেফিল্ড ইন্‌ডিপেণ্ডেণ্ট" (Sheffield Independent) বোলা কাগজ খনে লিখা কথাখিনি তলত তুলি দিয়া হ'ল :—

After the Mayor had welcomed his guests with a speech, six of them followed with speeches of thanks. The first of two spoke in their own tongue, though probably, they could have managed in English. Dr. Pollen translated for them in a style afterwards acknowledged with complaints. Then a visitor began in English and went in, in Maharattee language. Next a gentle. man from Nagpur in the Central Provinces, who it was explained, was probably the Mayor of the city, spoke in fluent English.

This brought on the surprise of the gathering, namely, a beautifully worded, as well as, thoughtful address by the repersentative from Assam. The Speaker explained that until he set foot on shore at Plymouth he had never been in England. Yet he spoke with an ease and purity which ninetynine out of a hundred public speakers would envy"

ইয়াৰ ভাৰুনী দিলে কাৰণত অভিমত আৰু তাৰ ভাষা আপচু কৰা হে হব। সেই দেখি ঠাউকতে ইয়াকে কলেই ভাল হব যে অসমৰপৰা যোৱা প্ৰতিনিধি জগন্নাথ বৰুৱাই বিশুদ্ধ ইংৰাজী ভাষাৰে যিটো সৰ্গৰীয়া বক্তৃতা দিলে তেনে বক্তৃতা শুনিলে শতৰবা ৯৯ জন বাগ্মীৰো থিয়াল নেলাগি নোৱাৰে। এইকিবাৰ কথাকে কৈ ছেফিল্ড ইনডিপেণ্ডেণ্ট বৰুৱা ডাঙৰীয়াক ওলগ জনাইছিল। গুৱাহাটী স্কুল ক্লবত যে চাত্ৰাৱস্থাতেই বক্তৃতা দিবলৈ আখৰা কৰিছিল, তাৰ ফলতেই জগন্নাথ বৰুৱা সসাগৰা পৃথিৱীৰ ভাষা-ৰাজধানী লণ্ডন চহৰতো ইংৰাজ জাতিৰ শ্ৰদ্ধান্বিত হব পাৰিছিল।

বিলাতলৈ যাওঁতে বৰুৱা ডাঙৰীয়াই তিনদিন-চাৰিদিন অন্তৰি, ভায়েক কৃষ্ণকুমাৰ বৰুৱা (পাচত ৰায়বাহাদুৰ) ডাঙৰীয়ালৈ চিঠি-টেলিগ্ৰাম দি গৈছিল। প্ৰত্যেকখন চিঠিয়েই শুৱলা ইংৰাজীৰে লেখা। তাৰে এখনৰ অসমীয়া ভাঙনি কৰি পঢ়োঁতাসকললৈ আগবঢ়োৱা হ'ল—ভ্ৰাতৃস্নেহৰ জুতি চাওক বুলি :—

"এচ এচ পাৰ্চিয়া (জাহাজ)

জুন ৯, ১৯০২

পৰ্ট চৈয়দৰ ওচৰ পাওঁতে।

'মৰমৰ কৃষ্ণ,

আজি কেঁচুজালি দিওঁতেই আমি চুৱেজ পালোঁহি আৰু এতিয়া খালটোৰেদি আহিয়েই আছোঁ ; নিশা দহমান বজাত পৰ্ট চৈয়দ পামগৈ। কাইলৈ ৰাতিপুৱাই সেই বন্দৰ বা পৰ্ট এৰিম। ১৪ তাৰিখে মাৰ্ছেল পামগৈ। তাত জাহাজৰপৰা নমা নহব আৰু কৰাচী দেশৰ মাজেদিও যোৱা নহয় ; কিয় নো, আমি বি ৫ জন এই জাহাজত আহিছোঁ, তাৰ ভিতৰৰে ৯ জনক ভাৰত গৱৰ্ণমেণ্টে ডাক্তৰ প'লেনৰ তত্বাৱধানত পঠিয়াই কৈ দিছে যোলে তেওঁ আমাৰ কেইজনকে সাগৰেদি লৈ গৈ একেবাৰে প্লিমাউথত নমাই দিবগৈ, তাৰপৰা স্পেছিয়েল ট্ৰেইনেৰে লণ্ডন পোৱাবগৈ। সেই দেখি, ডাক্তৰ প'লেনে আমাকে একে লগেই যাবলৈ কলে। তেওঁবিলাকক এৰি মই অকলে মহাদেশৰ মাজেদি যাওঁ বুলিলে বেয়া দেখুৱায়—এই গুণে, তেওঁৰ কথাতে মান্তি হলোঁ। অৱশ্যে যাওঁ বুলিলে যাব পাৰোঁ, ডাঃ প'লেনে বাধা দিব নোৱাৰে। কিন্তু ভদ্ৰতাৰ "খাতিৰত" তেওঁৰে লৈতেই যাম বুলি কলোঁ। মাৰ্ছেলেদি গলে ১৫ তাৰিখেই লণ্ডন পামগৈ। কিন্তু সাগৰেদি গলে ১৯ তাৰিখে সন্ধিয়া হে পামগৈ। মুঠতে, চাৰি দিনৰ ইকাল-

সিফাল। চুৰ্য্যৰ খালটো ভোগদৈৰ সমানেই—তলৰ গড়া তলৰ দৰে আৰু ওপৰৰ পাৰ ওপৰৰ দৰে। আমি লাহে-লাহে আহি আছোঁ দৃশ্যবোৰ চাই চাই, বৰ ভাল লাগিছে। ই সঁচাকৈয়ে পৃথিৱীৰ এটা আচৰিত বস্তু।

এডেনৰপৰা ৫ তাৰিখে দিয়া টেলিগ্ৰামখন পাব পোৱা। পাৰিলে, কাইলৈ ১০ তাৰিখেও এখন দিম। মাৰ্ছেলৰপৰা দিব পাৰোঁ নে নোৱাৰোঁ কব নোৱাৰোঁ এখোন, ২০ তাৰিখে হলে লণ্ডনৰপৰা দিমগৈয়ে। মোৰ এতিয়া একো আহুকাল হোৱা নাই, সম্পূৰ্ণ ভালেই আছোঁ। বুদ্ধিবো ভাল। সাগৰৰ মূৰঘূৰণিয়ে অ'মাক নেপালে। এদিন হে মাথোন ৰাতিপুৱা বাঁতি আহিছিল—তাৰপৰা আৰু নাই। এই ৯ দিন গাত উম লাগিয়েই আছে। কাইলৈ ইওৰোপ সোমালেগৈ হে যদি, জাৰ-জাৰ লাগে। লেটেকুজান আৰু খবৈয়া বাগিছা দুখনৰ কামবোৰ ভালকৈ চাবা। বাগিছা চলোৱা হুকুম-হাকাম দিয়া-শুধবোৱা এটাইবোৰ কামৰ ভাৰ তোমাৰ ওপৰতে। বাগিছালৈ ঘনাই গৈ থাকিবা। লাগিলে, লেটেকুজানৰপৰা ঘোঁৰা এটাও আনি লবা। কামবোৰত ভালকৈ চকু দিবা, কিবা বেয়া দেখিলে তোমাৰ বুদ্ধিমতেই যেনে ভাল দেখা, কৰাবা। নেবেনৰ (জগন্নাথ বৰুৱাৰ একেটি মাথোন পুতেক) বিষয়ে কি নো লেখিম? তাক ভালকৈ চম্ভালিবা, টলৌটলৌ'কৈ ফুৰি ফুৰিবলৈ এৰি নিদিবা! তোমাৰ কথা নুশুনিলে কোবকে ছাটচেবেক লগাবা—সঙ্কোচ কৰিব নেলাগে। চাবা—যাতে সি নিতৌ পঢ়াশুনা কৰে আৰু ভালমতে চলে। নৰিয়াপাটীত পৰি থকা মোৰ গৃহিনীকো তোমাকে গতাই থৈ আহিছোঁ। ভালকৈ শুশ্ৰূষা কৰিবা, যাতে তেওঁৰ মনটো সদায় ভালে থাকে।

আইদেও আৰু তাইৰ লৰাছোৱালী কিটা ভালে আছে নে? বৰমইনা (মুৰলীধৰ বৰুৱা)ৰ জ্বৰ এৰিলে নে? মোৰ বাপৰ (শ্ৰীপ্ৰসন্নকুমাৰ বৰুৱা) গা কেনে? আইকণ, সুৰথ আৰু তাক মোৰ মৰমচেনেহ দিবা। এতিয়া চটৈগে, বাপে মোক পাহৰিব পায়। চন্দ্ৰধৰ, (জোঁৱায়েক সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা), ৰাধা (৺ৰাধানাথ ফুকন) আৰু ইষ্টমিত্ৰ বন্ধুবান্ধৱ সকলোটিলৈকে মোৰ আশীৰ্ব্বাদ পঠালোঁ। জে, বৰুৱা।"

৺জ্ঞানদাভিৰাম বৰুৱা তেতিয়া বিলাততে আছিল। তেৱেঁই জগন্নাথ বৰুৱাক লণ্ডনৰ বাট-পথ দেখুৱাই ফুৰিছিল। লেণ্ড' গাড়ীত উঠি যাওঁতে বাটৰ দাঁতিত দৈত্যাকাৰ হৈ থিয় হৈ থকা বৃহৎ-বৃহৎ অট্টালিকাবোৰ দেখি বৰুৱা

ডাঙৰীয়াই আচৰিত হৈ সুধিছিল, "ঐ আই, এইটো কিও! এইটো কিহৰ ঘৰ!"—ইত্যাদি। লণ্ডন হেন চহৰত এনেকুৱাকৈ আশ্চৰ্য্য প্ৰকাশ কৰা অসমীয়া কথা শুনিবলৈ পাই ডেকা বৰুৱা পুলকিত হৈছিল। ইংৰাজী ৰাতকথাবোৰ অসমীয়াৰে কওঁতে অসমীয়াৰ দৰেই কৈছিল, "হে'ৰা, জান ৰোপা, মোক লেটৰ পেপৰ এখন দিয়াচোন ; আৰু ইংৰাজীৰে কওঁতে ঠিক ইংৰাজৰ দৰেই কৈছিল।

স্বাধীন চিত্ত, ওখ মন, উদাৰ হৃদয়, অমায়িক আচৰণ, মধুৰ সম্ভাষণ আৰু স্বাৰ্থহীন দেশপ্ৰেমেই আছিল জগন্নাথ বৰুৱাৰ চৰিত্ৰ-ভূষণ। কি বুঢ়া, কি ডেকা, কি নব্য শিক্ষিত, কি প্ৰাচীন পন্থী সকলোৰে নিমিত্তে বি, এ জগন্নাথ আছিল আশা-ভৰসা আৰু অনুপ্ৰেৰণাৰ উৎস।

১৯০৭ চনত, কলিকতাত ৰায় বাহাদুৰ জগন্নাথ বৰুৱাৰ নশ্বৰ দেহা এৰা পৰে। তেওঁৰ স্বৰ্গাৰোহণৰ বাতৰি পালত গোটেই অসমতে হুৱাদুৱা লাগিল ; নগৰে-নগৰে গাৱেঁ-গাৱেঁ শোকৰ হুমুনিয়াহ পৰিল, অসম মাতৃৰ কোলা উদং হৈ গ'ল। সেই হে শোকে-বেজাৰে মৰ্মাহত হৈ তেওঁৰ প্ৰয়াণত কবিয়ে মাতৃৰূপে বিলাপ কৰিছিল,

"লগালোঁ জগৰ যদি
নেজানি মাতৃয়ে তোৰ
আশাৰ সমল তয়ে
তয়ে দেখোঁ যশ
ঘৰে পৰে ভয়ে দেখোঁ
কণাৰ লাখুটি ডালি
বিদেশতো তয়ে মোৰ
আশাৰ মুমলি পুলি।
বজাৰ ঘৰতো দেখোঁ
তোকে বাপি, আগ কৰেঁ
বিদেশত কিবা হয়,
চিন্তাত শুকাই মৰোঁ।"*

* "মাতৃবিলাপ" (ৰায় বাহাদুৰ জগন্নাথ বৰুৱাৰ স্বৰ্গাৰোহণ উপলক্ষে)—বেণুধৰ দাস।



ফণিধৰ চলিহা

স্পষ্টবাদী ফণিধৰ চলিহা

পৰাধীনতাৰ পৰত যি সকল অসমীয়া ৰত্নই জন্ম গ্ৰহণ কৰিছিল সেই সকল পুৰুষ-ৰত্নৰ ভিতৰত স্বৰ্গীয় ৰায় বাহাদুৰ ফণিধৰ চলিহাও এজন। আজি দেশ ন হ'ল। সকলো ভাব-গতি নতুন হ'ল। পৃথিৱী খনেই ৰূপ সলাবলৈ কাৰবাৰ কৰিছে। যুগৰ এনে সন্ধিক্ষণত পুৰণি পৃথিৱীখন নকৈ এবাৰ চাই লবলৈ সঁচাকৈয়ে বৰ মন যায়। চলিহা ডাঙৰীয়া অন্তৰ্হিত হবৰ ভালেমান বছৰ হল। তথাপি তেখেতৰ স্মৃতিয়ে ছঁয়া-মঁয়াকৈ আজিও দেখা দি থাকেহি। তেখেতৰ ৰূপহ ব্যক্তিত্ব, ৰাজহংস যেন খোজ-কাটল আৰু বাঘ-যেন চকুৰ দৃষ্টি আজিও ট-ট কৰে চকুৰ আগতে জিলিকি আছে। "চলিহা ছাহাবৰ" সেই ৰূপালি-তাঁৰত বজ্ৰাদি বজা কাঁহতলীয়া মাতষাৰ আজিও যেন কাণত গুৰগুৰাই আছে। সেই কাগৰ শিৱসাগৰ বুলিলেই যিজন পৰিমিতা-চাৰৰ চূড়ান্ত নিদৰ্শন, যিজন অসমীয়া ভাষা-নিন্দুকৰ প্ৰতি সদায় ঘৃতাগ্নিৰ আগুনি যেন, পালে তেতিয়াই যেন পুৰি ভস্ম কৰিব, যাৰ নীতি "শত্ৰুৰ আগত বৰ কথা, মিত্ৰৰ আগত সেও" আৰু নিয়মীয়া ভগন, শিষ্টাচাৰ, সময়-বান্ধনি-বন্ধা—নিয়মানুবৰ্ত্তিতা যাৰ ধ্যানমান জীৱন-দেৱতা, কেশী পুৰণিমেলীয়া বকমাৰ পুত্ৰ সেইজন ফণিধৰ চলিহা মুক্তিপ ডাঙৰীয়ালৈ শ্ৰদ্ধাত আপোনা আপুনি মূৰ দোঁ খাই আছে।

তেতিয়া আমি টপটপৌ ইস্কুলীয়া ল'ৰা—হাইস্কুলৰ ছাত্ৰ। আমাৰ পিন্ধাত বঙ্গলক্ষ্মী কটন মিলৃছৰ বহল শেলৰ চুৰিয়া। চুৰিয়াখন খুৰিয়াই খোৰটোকে কষৰ মাৰি শেলটো সৰু-গাঁঠিত পৰাকৈ বোৱাই পঠিয়াওঁ। মূৰৰ সেওঁতা কালোঁ বাওঁ হাতে। সেই সেওঁতাৰ সোঁ হাতে চুলিবোৰ চেপেনাৰে চেপি এনেভাৱে কেঁকোৰা-কেঁকুৰিকৈ লিপিত খুৱাই থওঁ যে দেখোঁতাই তাক পকী দেৱালৰ ওপৰত কটা বা আঁকা লতাফুলেই নে চুলিয়েই ততকে ধৰিব নোৱাৰে। এনে অ'টক ধুনীয়া ফিতাহি মাৰি ফুৰা লৰাৰ নিমিত্তে চলিহা ছাহাব সাক্ষাৎ যমৰজা। তেনেকুৱা ল'ৰা লগ পালেই তেখেতে হেড্‌মাষ্টৰলৈ লেখি সিহঁতক শাস্তি দি

দিয়াৰই নে নিজেই ঘৰলৈকো মাতি নিব। নি, বেঙৰ ওপৰত থিয়কৈ থবগৈ। শিৱসাগৰীয়া অভিভাবকসকলৰ এখেতেই নপতা অধিৰজা।

ভালৰ হম্‌ছুৰ লগৰীয়া ৱাটছনৰ দৰে, আনন্দসাগৰ ছুৱৰা ভাণ্ডাৰীয়া ফণিধৰ চলিহাৰ আবেলি ফুৰাৰ একমাত্ৰ লগৰীয়া। ছুৱৰা ভাণ্ডাৰীয়া চলিহা ছাহাবৰ যেনিবা, এটি ভিতৰুৱা কথাৰ থুন্‌পাক হে। চলিহাই কয়, ছুৱৰাই শুনে আৰু, সেই কথা ছুৱৰাৰ পেটতেই থাকে। ছুৱৰা, চলিহাৰ শ্ৰোতা মাত্ৰ।

নিতৌ বান্ধনি-বেলি ওলাওঁতেই চুৰিয়া-যোৰৰ আগটো সোঁ হাতেৰে মুঠি মাৰি (সৰ্ব্বসাধাৰণে বাওঁহাতে ধৰে) মেৰেক-মেৰেক খোজেৰে মেচামেচকৈ "কানাহুৰ" কাপোৰৰ থিয়"কলাৰ"ৰ কোটটো পিন্ধি, কানত খুৰিয়া চেলেংখন পেলাই, দিখৌ-মঠাউৰিয়েদি ভটীয়াই অসমীয়া জনছন যাদুৰাম ডেকাবৰুৱাৰ নাতি ৺ৰাধিকাপ্ৰসাদ বৰুৱাৰ ঘৰৰ ফালে চৰণ চলায়। লগত, পাতে গ' লগাই, নাইবা অলপ আগ-পিছা হৈ সেই 'থুন্‌পাক'জন আছেই।

পূৰ্ব্বোক্ত প্ৰকাৰে বহু যত্নেৰে প্ৰসাধন কাৰ্য্য সুসম্পাদন কৰি আৰু সেই প্ৰকাৰেই পোছাক পৰিচ্ছদেৰে সুশোভিত হৈ আমিও জনদিয়েক ওলাই যাওঁ চলিহা চাহাব ওলাই অহা বাটৰ অভিমুখে। যাওঁ হে যাওঁ, আমাৰ গা কিন্তু চেবায়েই থাকে, জানোচা চলিহা মুখিপে বাটতে লগ পায়! এই ভয় সদায় থাকে যদিও, আমি ওলাই নোযোৱাকৈ নেথাকোঁহঁক।

আমি যাওঁ বায়ুকোণৰপৰা। কেতিয়াবা কেতিয়াবা ৰিণিকি-ৰিণিকি যুগল মূৰ্ত্তিৰ দৃশ্য এটা মঠাউৰিৰ ওপৰত দেখিলেই আমাৰ বুকু চিৰিংকৈ যায় আৰু ওচৰ পাই যেতিয়া, যঁজা দৃশ্যটোৰ ফাল ছুটা স্ব-ৰূপত দেখিবলৈ পাওঁ, তেতিয়া আমাৰ কলৈ যাওঁ-গোপাল, কলৈ-যাওঁ-কুপাল লাগে। পলাবলৈ ঠাই নাই! উপায় নেপাই, তৎক্ষণাৎ চুলিৰোৰ মোহাৰি মুখটো জপৰা কৰি পেলাওঁহঁক আৰু চুৰিয়াৰ শেলটো কোঁচাই খোচনাত খুঁচি থওঁহঁক। তেখেতসকল আমাৰ ওচৰ পালেহিয়েই আমি সসম্ভ্ৰমে তেখেতসকলক বাট এৰি দি কুঁজাকুঁজ হৈ অচিনাকি ভাও ধৰি, কাৰৰি কাটোঁ। কিন্তু, শেন-চকুৱা চলিহাই মাত এবাৰ লগাই সুধিবই, "সেইকিটি কোন হে?" এই বুলি কৈয়েই তেখেতে অলপ বেলি বাৰচকুৰেৰে আমাক মূৰৰপৰা ভৰিলৈকে টলকি চকুপকাই চাব। তাৰ পিছত ক'ব, "বাইক, চাকিচুকা লগাই পঢ়গৈ; আকৌ লগ পালে শুদাই নেপাব।"

১৮৮৫ চনত, চৰ্বডিনেট একজিকিউটিভ চাৰ্ভিছৰ বাবে চলিহাই প্ৰতিদ্বন্দ্বিতা

মূলক পৰীক্ষা এটা দিব লগীয়া হৈছিল। পৰীক্ষাত অসমীয়া ভাষাৰো এখন প্ৰশ্ন কাকত আছিল। কেম্প্‌বেল বুলি এজন ইংৰাজো তেওঁৰ সহ পৰীক্ষাৰ্থী আছিল। দুয়ো পৰীক্ষা দিলে। পৰীক্ষা হৈ গ'ল। খবৰ ওলাল—অসমীয়া কণিকা চলিহাই অসমীয়াৰ কাকতত ৩০ নম্বৰ ধৰিছে আৰু ছাহাব কেম্প্‌বেলে ৭০ নম্বৰ পাইছে। শুনি, চলিহাৰ মূৰৰ থিঁউ কিবানলৈকে উঠিলিছিল, বুজাজনে এনেয়ে বুজিব। চলিহা ডাঙৰীয়াই কথাটো বিশ্বাস কৰিব নোৱাৰি চয়-নিচয় এটা প্ৰমাণ কৰিবলৈ দৰ্খাস্ত কৰি নিয়ম মতে উত্তৰ কাকতবোৰ অনাই নিজে চালে। দেখিলে—কথা সঁচা, ছাহাবে সঁচাকৈয়ে ৭০ আৰু তেখেতে ৩০ নম্বৰ পাইছে।

অসমীয়া কাকত খনৰ প্ৰশ্ন আছিল মুঠেই এটা। প্ৰশ্নটো আছিল :—

Translate into idiomatic Assamese :—

"Look before you leap."

উত্তৰ-কাকতত ওলাই পৰিল চলিহা ডাঙৰীয়াই অনুবাদ কৰিছে—

"জাঁপ মাৰিলে চাই জাঁপ মাৰিবা।"

সাতসাগৰ তেৰ নৈৰ সিপাৰৰপৰা আহি আমাক শাসন কৰা ছাহাবে লিখিছে :—

"নেচাই ডেলে পালৈকে যাটি।"

প্ৰশ্নোত্তৰ দেখি কণিকা চলিহা চমূৰা পৰিল। তেতিয়া তেখেতে স্বগতঃ উক্তি কৰিলে, "মই ত্ৰিছ নম্বৰো পাব নেপাওঁ। মই পৰীক্ষক হোৱা হলে, সেই ত্ৰিছ নম্বৰো কেম্প্‌বেলকে দি দিলোঁহেতেন। এনে সুন্দৰ তৰ্জমা তুমি-আমি কৰিবলৈ কেতিয়াও যত্ন নকৰোঁ। কলিকতাৰ আমহাৰ্ষ্ট ষ্ট্ৰীটত থকা চকু-আস্পতাল এটাত পৰি থাকোঁতে পিতৃ-পুৰুষ চলিহা "দেউতাই" এই কথা কৈইবাৰ কৈছিল।

চলিহা চাহাবে অসমীয়া ভাষাটোক বঙলা বোলা কেতিয়াও সহ্য কৰিব নোৱাৰিছিল আৰু তেওঁ কোনো অসম প্ৰবাসী বঙালীৰ লগত বঙলাৰে কথা নেপাতিছিল। ধুবুৰীত তেওঁৰ প্ৰিয় বন্ধুৱেক পিয়াৰিমোহন চৌধাৰীৰ ঘৰত চলিহাৰ চিনাকি মহেন্দ্ৰমোহন লাহিড়ী নামেৰে এগৰাকী বঙালী ভদ্ৰলোকে কেৰেহৌতালি কৰি কথাৰ চলতে ক'লে, "বাংলা ভাষাৰ হ টাকে চ(স) বলিলেই আসামী হয় আৰ আসামী ভাষাৰ চ(স) টাকে হ বলিলেই বাংলা হয়। ইহাই ত

আসামী-বাংলাৰ ভকাৎ ?" টপটপাই থকা লাহিড়ীৰ মুখ মাৰোঁ বুলি চলিহা ডাঙৰীয়াই এই বুলি কৈ চুঙা চাই সোপা এটা দি থলে, (অৱশ্যে বঙলাৰে নহয়, নিজৰ মাতৃভাষা অসমীয়াৰে) :—

"ধৰক যেনিবা, আপোনাৰ নামটোৱেই এতিয়া। আপোনাৰ নাম হৈছে মহেন্দ্ৰমোহন লাহিড়ী। আপোনাৰ নিজা সূত্ৰমতে আপোনাক যদি এতিয়া মোৰ ভাষাৰে "মচেন্দ্ৰ মোচন লাচিড়ী" বুলি সম্বোধন কৰোঁ আপুনি কেতিয়াও বেয়া নেপায় নহয় ?" লাহিড়ীয়ে আৰু কি মাতিব ? সেইপিনে কেৰেলুৱাটোৰ দৰে লাক বান্ধিলে।

নহক আৰু পনকৰ সলনি বছুন আৰু পিঁয়াজ কোৱা বাবে তেওঁৰ মৰমৰ পুতেক এজনে লপাথপা খোৱাটো আচৰিত হৈছিল এই কাৰণেই যে, চলিহা ফণিধৰৰ পুতেক বাপুৱে কিয় বঙকৰা ভাষা ব্যৱহাৰ কৰিব।

সঙ্গীতৰ ওজা লক্ষীৰাম বৰুৱাৰ মৃত্যু-বাতৰি শুনি শিৱসাগৰত এখনি ৰাজহুৱা শোক-সভা আহ্বান কৰা হৈছিল। সভা বহাৰ সময় আছিল বিয়লি ৩ বজাত। ঘড়ীত কাটাই-কাটাই তিনি বাজিছে কি, চলিহা-'চাহাব' সভা-ঘৰত উপস্থিত হৈছে কি। সভাঘৰত কিন্তু তেতিয়াও জনপ্ৰাণী অসঞ্চাৰ। সময়জ্ঞাহে নেলাগে, পাতিব খোজা সভাপতি গৰাকীয়েই স্বয়ং পোৱাহি নাই। অৱশেষত, সমজুৱা গোট খালেহি যদিও, সভাপতিৰ অভাৱত সভা ভঙ্গ কৰিব লগীয়া হৈছিল। এনেতে যেনিবা ৪॥ বজাত নিৰ্দ্দিষ্ট সভাপতি গৰাকী ওলালহি। শোকৰ সভা যদিও, আমাৰ মানুহৰ সময়লৈ কাণসাৰ নোহোৱা দেখি চলিহাই নকৈ নোৱাৰিলে যে "শুই থকা শিয়ালে কেতিয়াও হাঁহ ধৰিব নোৱাৰে। মিছা কথা। কোৱা যেনে পাপ, বান্ধিলোৱা সময় মতে কাম নকৰাও তেনে পাপ।"

ফণিধৰ চলিহাৰ জন্মস্থান উত্তৰ লক্ষীমপুৰ। শিৱসাগৰ ডাঙৰ-দীঘল হোৱা ঠাই হে। সেইদেখি তেওঁৰ মানত উত্তৰ লক্ষীমপুৰ-শিৱসাগৰ বৰষৰ-মাৰলঘৰৰ নিচিনা। যেতিয়া ৺তাৰাপ্ৰসাদ চলিহা, ৺দুৰ্গানাৰায়ণ বৰুৱা, ৺ভৰতচন্দ্ৰ চলিহা আৰু ইন্দ্ৰেশ্বৰ বৰঠাকুৰে বি-এ পাছ কৰে আৰু একে সময়তে শিৱসাগৰত চাৰিজনকৈ গ্ৰেজুৱেট হয়, তেতিয়া চলিহা ডাঙৰীয়াৰ মনত কি মহোল্লাস ! তেখেতে উৰ্দ্ধবাহু হৈ সকলোকে সগৌৰৱে কৈ ফুৰিছিল, "আজি মোৰ শিৱসাগৰত চাৰিজন গ্ৰেজুৱেট, (পুতেক ৺কুলধৰ চলিহা আগৰ খাপৰ)। অসমীয়াৰ চব্‌-ডেপুটী কলেক্টৰ, ই, এ, চি কাম দিয়াত গৱৰ্ণমেণ্টে শিক্ষিতৰ

সংখ্যা কম বুলি যি ওজৰ দেখুৱাইছিল, সেই ওজৰ খণ্ডন কৰিবলৈ পোৱা যাবেই এই আনন্দ।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ খবৰ ওলালেই তেখেতে গেজেটখন আনি কোন জিলাৰ কিমান লৰা 'পাছ' হৈছে তাক তন্ন-তন্নকৈ লেখি ৰাখিব। "পাছ" হোৱা লৰাবিলাকক মাতি আনি, নানিলেও বাটে-পথে লগ পালেও তেখেতে ক'ব, "শিৱসাগৰ অসমৰ ৰাজধানী আছিল, এতিয়া মৰিল; তোমালোকেই জীয়াব ৮ লাগিব।"

ইং ১৮৫৫ চনৰ আৰম্ভতে ফণিধৰ চলিহাৰ জন্ম আৰু ১৯৩২ চনত মৃত্যু। তেখেতৰ জীৱনকাল ৬৮ বছৰ। ১৮৭১ চনত এণ্ট্রেন্স পৰীক্ষাত উত্তীর্ণ হৈ কলিকতাৰ জেনাৰেল এচেম্বলী বা স্কটিছ চার্চ কলেজত এল এ (আই এ) পঢ়েগৈ। মাকৰ নৰিয়া হোৱাত তাতে উচ্চশিক্ষাৰ আধ্যা পেলাব লগীয়া হয়। তাৰ পাছত ১০।১২ বছৰ শিক্ষা বিভাগত চব-ইন্স্পেক্টৰ—ডেপুটী ইন্স্পেক্টৰ হয় হি। ১৮৮৫ চনত প্রাদেশিক চিভিল চার্ভিছৰ প্রতিযোগিতামূলক পৰীক্ষা দি ১৮৮৬ চনত প্রাৰম্ভতে দৰং জিলাৰ চব্‌ডেপুটি কলেক্টৰ পদত নিযুক্ত হয়। ১৮৯১ চনত মঙ্গলদৈৰ পৰা শিৱসাগৰলৈ আহে। ১৮৯৫ চনত একষ্ট্রা এচিষ্টেণ্ট কমিশ্যনাৰ হয় আৰু মঙ্গলদৈ ধুবুৰী আদিত সেই কাম কৰে। ১৮৯৭ চনৰপৰা শিৱসাগৰত নিগাজীকৈ বহে। ১৯০৩ চনত পেঞ্চন লৈ তাতে থাকি, সেই কামৰ পৰা একেবাৰে অৱসৰ লয়।

১৯০৭ চনত শিৱসাগৰ জিলাৰ সদৰ ঠাই শিৱসাগৰত এই চাৰিজন অনাৰেৰী মেজিষ্ট্রেট নিযুক্ত হৈছিল:—১। ৺ফণিধৰ চলিহা। ২। ৺সোমেশ্বৰ শর্ম্মা বৰুৱা ৩। ৺কৃষ্ণপ্রাণ চাংকাকতী ৪। ৺প্রিয়ৰাম দত্ত। এই চাৰিও জনৰ ভিতৰত কেৱল চলিহা ডাঙৰীয়াই হে অকলে বহিব পৰা প্রথম শ্রেণীৰ ক্ষমতা পাইছিল আৰু ইংৰাজী ভাষাৰে ৰায়-জবানবন্দী লেখিবলৈ এক্তিয়াৰ লাভ কৰিছিল। ১৯১৪ চনত তেখেত আসাম এছচিয়েশ্যনৰ সভাপতি হয়। সেই সময়তে অগ্রগন্য ৰাজনৈতিক পুৰুষ ৺মাণিকচন্দ্র বৰুৱাৰ পৰলোক হোৱাৰ পিচত "চলিহা চাহাব" কাউন্সিলৰ সদস্য নির্ব্বাচিত হয়। গুৱাহাটীৰ আর্ল ল কলেজ পতা, আৰু কটন কলেজৰ ছাত্রাবাস বঢ়োৱাৰ মূলত ৺মাণিকচন্দ্র বৰুৱাৰ পিচতে আছিল চলিহাই প্রধান।

"স্কুল-চব-ইন্স্পেক্টৰী বিষয়-বাৰত থকা কালত, তেওঁ ডাঙৰ অফিচাৰ চাহাব-

চুহুবক সাক্ষাৎ কৰোঁতে, কিচ্‌কিচ্‌ কৰে ক'লা চুলতানী বনাতৰ আঁঠুৰ তললৈকে পৰা চাপকন আৰু পেণ্টলুন পিন্ধি, বগলী পাখি যেন বগা, ধৰত বোৱা আগী নৰৰী সূতাৰ দীঘল চেলেং দীঘে-দীঘে মুঠিয়াই লৈ পিঠিৰ কালৰপৰা বুকুৰফাললৈ ঘূৰাই নি চুকান্ধে পেলাই লৈ সাজ-পাৰ কৰিছিল; আৰু উৰং মূৰটিও তোলোৱা-কলিয়া চুলিৰে ঢকা, মুঠেই সুন্দৰ গোলাপী মুখখনি সদৌ কলাৰ মাজত জোনটি যেন হৈ জিলিকি থাকে। সেই সাজে তেওঁক ভুলি ধৰে। এনে সাজেৰে ওপৰৱালা ডিৰেক্টৰ,মিঃ জে উইলচন চাহাবেৰেসৈতে খোজ মিলাই আলিবাটেদি যাওঁতে বাটৰ বাটকৰাৱো খন্তেক বৈ মুগ্ধ হৈ চায়। আদহীয়া বয়সতো নবীয়া —পেঞ্চনৰ অনুমতি বিচাৰি সাক্ষাৎ কৰোঁতে সেইকালৰ চীফ্‌ কমিচনাৰ মিঃ কটন চাহাবে বং মনেৰে এই বুলি সম্বিধান দিছিল :--

"Phanidhar, a perfect picture of health, why should you go on an invalid pension before time ?" বাস্তবতে বুঢ়াবয়সলৈকে ফণিধৰ চলিহা-বৰুৱা ডাঙৰীয়া পকাথেকেৰা যেন মুখাকৃতিৰে এজন ধুনীয়া পুৰুষ আছিল" :—পদ্মনাথ গোহাঞি বৰুৱা।

জীৱনৰ শেষ ছোৱাত তেখেতৰ স্বাধীনতা-কিৰিণটি উকৰি ওলায় তেতিয়া, যেতিয়া চাৰ বীটচন বেলক (প্ৰথমতে চীফ কমিশ্বনাৰ, পিচত একটিং গৱৰ্ণৰ) ভুৱন্তে আসামৰ পৰা কানি উঠাবলৈ কয়। তাৰ উত্তৰত বীটচন বেলে অপমানজনক ভাষাৰে চলিহা ডাঙৰীয়াক তুচ্ছভাৱে ভৰ্ৎসনা কৰাত আত্মসম্মান ৰক্ষা কৰি ফণিধৰ চলিহাই সদস্যপদ পৰিত্যাগ কৰে। চলিহা-বীটচনৰ বাদানুবাদে সেই সময়ত স্থানীয় গৱৰ্ণমেণ্টৰ কথাই নকওঁ, বৃটিছ পাৰ্লিয়ামেণ্টতো ঘমঘণ্টা লগাইছিল। অসমৰ জনমত যে তল-ওপৰ লাগিয়েই গৈছিল। বিলাত প্ৰৱাসী (তেতিয়া) ছাত্ৰ ৺বিজ্ঞানন্দ ফুকনাই লণ্ডনত সভাসমিতি পাতি চলিহাক সমৰ্থন কৰি বীটচন বেলৰ আচৰণক তীব্ৰ নিন্দা কৰিছিল।

তেখেতে নিজে কোৱা এই কেষাৰি কথাই চলিহাৰ মাতৃভাষাৰলৈ থকা অকৃত্ৰিম অনুৰাগৰ পৰিচয় দিয়ে। "যি জাতিৰ মাতৃভাষা নাই, সেই জাতি মাউৰা। মাউৰা ল'ৰা যেনেকৈ কাৰো আদৰ্যা হব নোৱাৰে, সেই দৰে যি জাতিৰ মাতৃভাষা নাই, সেই জাতিয়ে কেতিয়াও জগতত উন্নতি কৰিব নোৱাৰে—"।

সমবায় সমিতিৰ যোগে শিক্ষিত ডেকা লৰাই কিয় ব্যৱসায় বাণিজ্য কৰিব লাগে, তাৰ বিষয়ে 'চলিহা চাহাবে' এই বুলি কৈছিল :—

"চাকৰি কৰি কোনো জাতি স্বাধীন হ'ব পৰা নাই (পৰাধীন হৈ থাকোতে কোৱা)। চাকৰৰ কোনোৰকম ভাগ্যৱান্তা হ'ব নোৱাৰে, তেহেলৈ তেওঁৰ যিমানেই ধন থাওক, লোকৰ আদেশ পালি থাকিবলৈ তেওঁ বাধ্য। এতেকে অসমীয়া জাতিটোক যদি ঠন ধৰাব খুজিছাইক তেনেহলে গঠন কাৰ্য্যত লাগাঁ। গাৱেঁ ভুঞে প্ৰাথমিক শিক্ষা বিস্তাৰ কৰা। যিবিলাক শিক্ষিত হৈ ওলাইছাইক তোমালোকে বৈজ্ঞানিক বা আন সুপ্ৰথাৰে খেতি-বাতি, তাঁতবোৱা, বাঢ়ৈ কাম কৰা, দেশৰ সৰ্ব্ব সাধাৰণক শিকোৱাঁ। ন্যায় পথত থাকি কেতিয়াও মৰিবলৈ ভয় নকৰিবা। এজনৰ পতন হলেহে আন এজনৰ জাগৰণ অৱশ্যম্ভাৱী।" এনে উদগনি দিয়েই তেখেতে অকল শিৱসাগৰতে ১০০খন মান ক'অপাৰেটিভ্ ক্ৰেডিট চচাইটি পোন প্ৰথমে স্থাপনা কৰে। তাৰ পাচত ক্ৰমে-ক্ৰমে যোৰহাট, ডিব্ৰুগড়, গুৱাল-পাৰা আৰু তেজপুৰতো পতায়। শিৱসাগৰ আৰু তেজপুৰতে জয়েজয়ে শিক্ষিত অসমীয়াৰদ্বাৰাই যুটীয়া দোকান পাতি কম দামত কেনেকৈ বস্ত্ৰ-বেহানি বেচি উভয়পক্ষীয়া ভাৱে সকলো লাভবান হ'ব পাৰে তাৰ আৰ্হি দেখুৱায়।

চলিহা ডাঙৰীয়াই দৈনিক ডায়েৰী লিখিছিল। সেই বিলাক যে আজিৰ দিনত কিমান আপুকগীয়া আৰু অনুপ্ৰেৰণামূলক তাৰ মূল্য নিৰ্ণয় কৰা অসম্ভৱ। চমু যদিও, প্ৰত্যেক শাৰী কথাই একোখন বুৰঞ্জীৰ মৌ-বিচনী ; সেই কালৰ ঘটনা, সামাজিক ৰীতি-নীতি, মানুহ আৰু মানুহৰ আচাৰ ব্যৱহাৰ আদি সকলো কথাৰে জৰচৰ কৰিব নোৱৰা একোটা থাপ বা খোপনি ; "সমবায় আন্দোলন" সম্পৰ্কে ডায়েৰীত লিখি থৈ যোৱা টোকা গোটাদিয়েক মাত্ৰ এই খিনিতে তুলি দিয়া হল* ।

৫ মে ১৯০৭, ২২ বহাগ ১৮২৮ শক।

ৰাতি পুৱাই শুই উঠোঁ। ল'ৰাহঁতক পঢ়ুৱাওঁ (তেখেতৰ তাত ভালেমান-ছাত্ৰই পঢ়িছিল)। বুবুল, কেশৱ ভড়ালী আছে। শিৱসাগৰ গৱৰ্ণমেণ্ট স্কুলত সভা বহে। বিয়লি ৩-৫০ বজাত ৰহৰাপ্ৰৰ (আমগুৰি ঘাটৰ হেৰ্থ্ ৰহৰাৰ) গাড়ীৰে গৌৰীসাগৰলৈ যাওঁ। গাড়ীখন বৰ লেহেম। ৬॥০ বজাত গৌৰী-সাগৰ পাওঁ (৭ মাইল বাট)। ত্ৰাহিৰাম বৈৰাগীক (জকাইচুকৰ মৌজাদাৰ) দ্বৰত লগ পাওঁ। জিৰোৱা ঘৰত থাকোঁ। মাছ নেপালোঁ। গধুলি তায়েকেসৈতে কদাই আৰু পষ্ট মাষ্টৰ আছে। লগতে কদাই গাওঁবুঢ়াও

---

* বাঙলী চিনৰ দূৰ্বিকা প্ৰবন্ধ লিখকৰ।

(নামদাং কৈৱৰ্ত্ত গাৱঁৰ)। টৰু বোপা (টংকেশ্বৰ চলিহা), গৌৰীকান্ত হুৱৰাকৈ চিঠি লেখোঁ। বাধা আকাণতৰ চৰণ পাল আছে। আজি শ্ৰীযুত গঙ্গাগোবিন্দ ফুকন কলিকতাৰপৰা পায় হি। তিচেৰৰ মাহত তেওঁ কলিকতালৈ গৈছিল।

৬।৫।০৭ :—বতৰ জুৰ। গাড়ীত অহা বাবে গাটো বিষাইছে। আবেলি শৌচ খোলোচা হ'ল। বৰাইৰ ভায়েকে বাতিপুৱা-পধুলি মাছ দিয়েহি। ত্ৰাহি-ৰাম মৌজাদাৰো আছে। চিঠিৰ ফাইলবোৰ লৈ বাতিয়া আহে। দেবেশ্বৰ বোপালৈ (৺দেবেশ্বৰ চলিহা) চিঠি লেখোঁ। গৌৰীসাগৰৰ পণ্ডিত মাষ্টৰ আৰু বহু নেওগ আছে। ডাঃ বৰকাকতিৰ (চাৰিঙৰ-কুশকান্ত বৰ কাকতী ডাক্তৰ কলিকতাৰ হাহনেমান কলেজত পঢ়ি অহা হোমিয়পেথিক ডাক্তৰ) সৰৱীয়া মানুহ এজনৰ হাতত চিঠি এখন দি পিচ দিনা ১০ বজাত আহিবলৈ কওঁ।

৮ মে' :—গৌৰীসাগৰৰপৰা জাঁজীলৈ যাওঁ। ১৯০১ চনৰপৰা আজি হে আকৌ ঘোৰাত উঠিছোঁ। মই অহা গৰু গাড়ী খনৰ ব'ম বাঁহ ভাগ ভাগি থাকিল। বাপু (পুতেক পুণ্যধৰ), বঙ্গেশ্বৰ মৌজাদাৰ আৰু কেশৱ ভৰালীলৈ চিঠি দিওঁ। গৌৰীসাগৰৰপৰা জাঁজীলৈ ৮॥ মাইল; সন্ধিয়া ৬ বজাত জাঁজী পাওঁহি। অজ বৰুৱা (জাঁজীত মাইনৰ স্কুল পাতোঁতাৰ তৃতীয় জন), পণ্ডিতমাষ্টৰ, ডাক্তৰ, মুকুতা মণ্ডল, আৰু পাঠশালাৰ পণ্ডিত জন আছে।

৯ মে :—জাঁজী :—শ্ৰীযুত বিদ্যাধৰ চিৰস্তাদাৰ আছে (শিৱসাগৰৰ)। পণ্ডিত-মাষ্টৰ অজ আৰু যদু নেওগ আৰু টি, বৈৰাগী (ত্ৰাহিৰাম) আছে। এইচ পি দেৱান (হৰিপ্ৰসাদ হুৱৰা দেৱান, নাজিৰা) সোমেশ্বৰ কেৰেণী (সোমেশ্বৰ বৰুৱা, নাজিৰা), ভিমেশ্বৰ মৌজাদাৰ (ভিমেশ্বৰ বৰুৱা চূড়ামণি মৌজাৰ মৌজাদাৰ) আৰু ভুলিৰাম কলিতালৈ চিঠি লেখোঁ। কৃষ্ণচন্দ্ৰ বসু নামে বঙ্গালী এজনক বাটত ফুৰোঁতে লগ পাওঁ। চেউনী-আলিৰ মুৰলৈকে আলিয়ে আলিয়ে ডুমাইলমান বাট খোজ কাঢ়োঁ। বৰত থকা মিঠাৰামটো (চাকৰ) পলাল বুলি বাপু সোণৰ পৰা চিঠি পাওঁ। ভায়েকইতৰ লগতলাগি থকা বহু নেওগৰ কাজিয়া এখন মিটাওঁ।

১০ মে :—কোঞ্চৰপুৰ চচাইটিলৈ চিঠি লেখোঁ। তিবিৰাম গোঁহাই আছে। বহু নেওগে মোলৈ লগুৱা লৰা এটা আনে। লৰাটোৰ নাম মিনা। সি

পৰহিলৈ টালি-টোপোলা লৈ আহিব বুলি খবৰো গৈছে। দুই বজাৰপৰা ৫ বজালৈকে কাঁজী মাইনৰ স্কুল পৰিদৰ্শন কৰোঁ। কাজী আস্পতাল চাওঁ।

১১ মে : ১৯০৭ : বিএ জগন্নাথৰ মৃত্যুত শোক-সভা, দয়াই (লগত থকা লগুৱা) বেলিকৈ গাখীৰ আনে। চাহ খোৱা পলম হ'ল। ৰায় বাহাদুৰ বি, এ জগন্নাথ বৰুৱা আৰু কৰ্ণেল শিৱৰাম বৰাৰ মৃত্যু-উপলক্ষে শোক-সভা পাতোঁ।

১২.৫।০৭—আজি কাঁজীত সভা পাতোঁ। ক' অপাৰেটিভ চচাইটি পাতিবলৈ সকলোকে অনুৰোধ কৰোঁ। এখেতসকল সভালৈ আহিছিল :— জবাবৰীৰা গোসাঁই, খিণলগা বৰুৱা, পদ্মনাথ কটকী দেৱেশ্বৰ ঠাকুৰ, অজুধৰ মাষ্টৰ, খগ মৌজাদাৰ, হেমকান্ত গোহাঁই, ত্ৰাহিৰাম মৌজাদাৰ, মধুৰাম কোঁৱৰ, কৃষ্ণচন্দ্ৰ বৰুৱা, হেমনাথ শৰ্ম্মা আৰু পয়োধৰ শৰ্ম্মা পণ্ডিত। ২৬ জন সভ্যই ৬০০৲ টকাৰ প্ৰতিশ্ৰুতি দিলে। পদ্ম কটকী, খিণলগা বৰুৱাই কাগজত চহী নকৰি গুচি গল। সভাতে ৬২৲ টকা উঠিল।

১৪।৫।০৭ :—লালা লাজপৎ ৰায়ক কলীয়াপানীলৈ মেলা (নিৰ্ব্বাসন) বাতৰি কাকতত পঢ়োঁ।

২১ মে :—সোনকালেই উঠোঁ। শ্ৰীযুক্তা ৰৰাণীলৈ (শিৱৰাম বৰাৰ পত্নী) ৮৭, কৰ্ণৱেলিশ্বন ষ্ট্ৰীট, কলিকতা, আৰু অনৰেবোল ই এ গেইটলৈ চিঠি লেখোঁ।

২২ মে :—আজি শুই উঠা বেলি হ'ল। আভোক। চৰ্কাৰে দিব খোজা ২০০৫৲ টকাৰ ধাৰৰ বিল পাওঁ। ৰাধিকা শৰ্ম্মা, যোগেশ্বৰ পষ্ট মাষ্টৰ আহে। **মোৰ নামত ১৮ তাৰিখৰ "বেঙ্গলী" কাকতখন কেনেকৈ ছিলং পালেগৈ তাৰ কাৰণ সুধি পষ্ট অফিচৰ ইন্সপেক্টৰলৈ চিঠি লেখোঁ।**

২৫ মে :—ৰাতিপুৱা ৭ বজাতে দেখা কৰিবলৈ অহাবাৰে বলো মণ্ডলক খং কৰোঁ। ২৫ দিন গাখীৰ খাবলৈ পোৱা নাই। শ্ৰীশ্ৰীযুত দক্ষিণপটীয়া গোসাঞিলৈ বৰগুনি খুজি চিঠি দিওঁ। ধৰ্ম্মেশ্বৰ চলিহা, ৰাধা (বৰৰৰা) মৌজাদাৰ আহে। আবেলি সভা পাতি ধন ধাৰেদিয়া চচাইটি প্ৰতিষ্ঠা কৰোঁ। দিম বুলি চহী কৰে ৬৫৫৲ টকাৰ আৰু তেতিয়াই উঠে ১৭৪।০ অনা। নীলধৰ মহন্তই টকা নিদিলে। তেওঁ ৫০৲ টকা দিম বুলি চহি কৰিব খুজিছিল। আমি লবলৈ মান্তি নহলোঁ।

৩০ মে :—সোনকালেই শুই উঠোঁ। ল'ফ্ খোৱা নাই। বিস্কুট হে খালোঁ। কেশৱানন্দ ভঁড়ালীয়ে টেলিগ্ৰামেৰে খবৰ দিছে—অৱৰ (অহেৰৰ-

বৰুৱা) খালাছ হ'ল। (অৰেখৰ বৰুৱাই জয়সাগৰৰ পাউণ্ডৰ টকা আত্মসাৎ কৰাৰ অভিযোগত দণ্ডিত হৈছিল। জজ-কুৰীৰ বিচাৰত খালাচ পালে)।

৩১ মে : নিৰঞ্জন ভট্টাচাৰ্য্যৰেসৈতে বলিমৰা (বালিজান) তেলেই গুৰিলৈ যাওঁ। ডিবেৰৰ মৌজাদাৰ যোৰহাটলৈ যায়। পিয়াই আছে।

১ জুন : গাওঁবুঢ়া ছুটীমান আছে। মোলৈ মৌমাছ এটা আৰু এভাৰ মিঠা আম আনে। ৰমাকান্ত (চৌধাৰি) এচ্ ডি চি আৰু ডিবেৰৰ মৌজাদাৰ আছে (চাওখাতৰ)।

২ জুন : মোককচাঙৰ ডাকুয়লাই বাতিপুৱা ৭ বজাতে চিঠি দি থৈ যায়। এন, চি বৰদলৈৰ (নবীনচন্দ্ৰ) চিঠি পাওঁ। তিৰুয়াল বাগিছাখন শ্ৰীযুত ৰাধাকান্ত সন্দিকৈৰ। ১১০ একৰত চাহ গছ আছে। ২০ ঘৰ কুলী, ১০০ টাই কাম কৰে। ৪০০ বাৰচ চাহ পঠিউৱা হৈছে, দাম পাউণ্ডত ।৶০ অনা।

৩।৪ জুন : নকচাৰীত চচাইটি পাতিবলৈ সভা পাতোঁ। দুপৰীয়া উমা আইটীৰ ঘৰলৈ যাওঁ।

৬ জুন : নাজিৰালৈ আহোঁ। নকচাৰী ষ্টেচন্‌লৈকে ডিম্ব বৰুৱা আৰু নিৰঞ্জন ভট্টাচাৰ্য্য আহে। ষ্টেচনলৈ আহোতে ওৰে বাটটো বৰষুণে তিয়ালে। নাজিৰা পাওঁতেও মোচেপা বৰষুণ। বাতি এক বজাত দয়া আৰু কাকীয়া (ঘৰৰ দুটা লগুৱা) আহে। হাটতে ডাঃ লক্ষ্মীপ্ৰসাদ চলিহাক পাওঁ। চব্‌ডেপুটীৰ অফিচতে থাকোঁ।

৭ জুন :—বাতিপুৱা চব্‌ডেপুটি কলেক্টৰ অফিচলৈকে ডেপুটী কমিছনাৰ মিঃ ব'থাম আৰু বাৰ্ণচ্ আহে। আবেলি ইন্সপেকছন বঙ্গলালৈ ঘোৰাত উঠি যাওঁ। সোমেশ্বৰ কেৰেণী আৰু পুলিচ ইন্সপেক্টৰ বাপ৺ানক লগ ধৰোঁ। চব্ ডেপুটী কলেক্টৰ শৰৎ লাহিড়ীয়ে মোক একো সহায় নকৰিলে।

৮ জুন : বাতিপুৱা চৰকাৰী চিঠি পত্ৰ লেখোঁ। কালী বোপাৰ (কালিপ্ৰসাদ চলিহা ৰায়বাহাদুৰ) ৰঙা ঘোৰাটোত উঠি মেটেকালৈ ১০ মাইল বাট আহোঁ। মেটেকাৰপৰা ঘৰলৈ খোজ কাঢ়ি আহোঁ।

৯ জুন :—ক' অপাৰেটিভ ক্ৰেডিট চচাইটিৰ ডিৰেক্তৰ সকলৰ এখন সভা পাতোঁ। উপস্থিত :—ডাঙৰীয়া কৃষ্ণপ্ৰাণ চাংকাকতী, শ্ৰীযুত বিষ্ণুপ্ৰসাদ দুৱৰা, শ্ৰীনাথ বৰুৱা, কেশৱানন্দ ভড়ালী, শশীধৰ শৰ্ম্মা বৰুৱা আৰু মই। শ্ৰীযুত ৰাধিকা

নাথ শৰ্মাক ৫০০্ শ টকা ধাৰলৈ দিয়া হয়। আনন্দ সাগৰ চুবুৰাৰ তালৈ যাওঁ। ৰাপুক চাওঁ।

১০ জুন: সোমবাৰ ২০ জেঠ, কালী বোপাৰ দেউতাকৰ শ্ৰাদ্ধ। কাইলৈ উপস্থিত থাকিব লাগিব বুলি কেইজন অনাৰেৰি মেজিষ্ট্ৰেটলৈকে নটিছ দিওঁ ডাঙৰীয়া সোমেশ্বৰ শৰ্মা বৰুৱাৰেসৈতে মেটেকালৈ যাওঁ, ডাঙৰীয়া শম্ভুধৰ বৰকাকতীক চাবলৈ। কালী বোপাৰ ঘৰৰ শ্ৰাদ্ধলৈ যাওঁ।

১২ জুন: যতীন বোপা (কবি যতীন্দ্ৰ দুৱৰা) কলিকতালৈ যায়। চাৰিঙৰ বাধা ফুকন আৰু কুশ ডাক্তৰ আহে। চাৰিঙৰ চচাইটিক দিব খোজা ১০০০্ টকাৰ বাবে বাধা ফুকনৰ পৰা ৰচিদ এখন লওঁ। সদাৰ (সদানন্দ দুৱৰা, ডিব্ৰুগড়) হতুৱাই দৰ্খাস্ত ফুকন মান লিখাওঁ।

১৩ জুন:—হৰনাথ (হৰনাথ বৰুৱা ডি, এচ্, পি) আৰু সোণ্টিৰ (পদ্মধৰ চলিহা) পঢ়া চাওঁ। ডাঙৰীয়া সোমেশ্বৰ বৰুৱাৰ তালৈ যাওঁ। সদানন্দ দুৱৰা বি, এ ডিব্ৰুগড়লৈ যায়। ৰাতিলৈ থিয়েটৰ।"

ৰবপুত্তেক প্ৰেমধৰ চলিহা

চলিহা ডাঙৰীয়াৰে ৰবপুত্তেক প্ৰেমধৰ চলিহা। 'জোনাকী', "বিজুলী" যুগত এওঁৱেই জয়ে-জয়ে অসমৰ দাঁতিকাষৰীয়া জাতিবিলাকৰ ইতিবৃত্ত লেখে। প্ৰেমধৰে "ৰম", "শ্ৰীস্নেহ", "ওখোন", "কথাচহকী সাজতোলা", "নপতা ফুকন" ইত্যাদি ভালেমান লুকুৱা নামেৰে "বাঁহী"ত টোকা সমালোচনা, চুটি গল্প আৰু "বিজুলী"ৰ আধকলা পৰ্ব্বতীয়া জাতিবিলাকৰ প্ৰবন্ধ প্ৰকাশ কৰিছিল। তেওঁৰ "দিহিঙৰ পাৰত" বোলা ভ্ৰমণমূলক প্ৰবন্ধটোৱে আৰু "বিহুৱান" আদি গোটাদিয়েক কবিতাই কৈ দিয়ে যে প্ৰেমধৰ চলিহা অসমীয়া সাহিত্যৰ "দা গচাই-দিয়া-বাটত-পোৱা-বিধৰ কমাৰ" নহয়, পাতৰ তলত লুকাই থকা এটি সাহিত্যৰসিক ধানপুৰীয়া কঁঠাল ও। তেওঁ ভৰ ডেকাবয়সতে মৃত্যু হোৱাত আমাৰ ভাষা-ভঁড়ালটোৰ চুক এটা খালী থাকি গল। "বাঁহীৰ" সম্পাদক লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই প্ৰেমধৰ চুকুৱা শুনি যি কেইআষাৰ কথা বৰ বেজাৰেৰে আমঠু কলা পৰি যোৱাকৈ লেখিছিল, সেই কেইষাৰেই আজিও আমাক কন্দুৱাই আছে—প্ৰেমধৰৰ "ৰবোপা" বোলা চুটি গল্পৰ

প্ৰবন্ধটিয়েই শেষ প্ৰবন্ধ। সেইটো প্ৰকাশ কৰি বাহীৰ সম্পাদকে তাৰ পা'দ টীকাত লেখিছিল :—

"এই প্ৰবন্ধলেখক প্ৰেমধৰ চলিহা আৰু ইহলোকত নাই, আজি এমাহমান হৈছে যোৰহাটত তেওঁৰ হঠাৎ মৃত্যু হল। এওঁৰ হাতৰ প্ৰবন্ধ 'বাহীত' অনেক ওলাইছে। মিৰি-মিচিমি আদি সেই সুলিখিত মূল্যবান প্ৰবন্ধবোৰ এওঁৰে ৰচিত। সিদিনা মাথোন প্ৰেমধৰেৰেসৈতে আমাৰ দেখা হৈছিল তেওঁৰ মৃত্যুৰ পাঁচ দিন মানৰ আগতে হঠাতে এদিন তেওঁ ৰাতিপুৱা দুপদুপীয়

প্ৰেমধৰ চলিহা

বৰষুণতে আমাৰ আৰু এজন বন্ধুৰেসৈতে এধা-তিতা হৈ হাওঁৰাত আমাৰ কাষত ওলালহি, আমি তেওঁক দেখি অবাক হৈ যদিও বৰ সন্তোষ পালোঁ, কিন্তু সিমান বৰষুণত কিয় আহিল বুলি তেওঁক সোধাত তেওঁ কলে, 'কাইলৈ মই উজনি আসামলৈ যাব লাগিব। সেইদেখি আজি আপোনাক দেখা নকৰিলে দেখাই নহয়।' আমাৰ ওপৰত চলিহাৰ যথেষ্ট শ্ৰদ্ধা অনেক থকাটো আমি জানো, সেই দেখি, তেওঁৰ কথাৰ মৰ্ম ততালিকে বুজিলোঁ। তেতিয়া আমি ভাবিব

পাৰিছিলোঁ নে যে এই দেখা, এই বিদায়েই তেওঁৰে সৈতে আমাৰ শেষ দেখা শেষ বিদায় হব! প্ৰেমধৰৰপৰা আমি অসমীয়া সাহিত্যবিষয়ে আৰু অনেক আশা কৰিছিলোঁ। কিন্তু কালে তেওঁক এনে কম বয়সতে লৈ গৈ আশা ভঙ্গ কৰিলে। ঈশ্বৰৰ ইচ্ছা। তেওঁৰ সুযোগ্য মাননীয় পিতৃ অনৰেবোল শ্ৰীযুত ফণিধৰ চলিহা ৰায়চাহাবক আৰু উঠি অহা সুযোগ্য ভ্ৰাতৃ উকীল শ্ৰীযুক্ত কুলধৰ চলিহা বোপাক কওঁ যে "হব মইনা" প্ৰেমধৰৰ বিয়োগত তেওঁলোকৰ অন্তৰৰ শোকেৰেসৈতে আমাৰ শোক মিলালে সি বেছি "পিছ পৰা নহয়।"

দেশভক্ত তৰুণৰাম ফুকনৰ মহাপ্ৰয়াণত

তৰুণ ফুকন আৰু নাই। সেই অসমীয়া জাতিৰ জীয়ন্ত চানেকি, কামৰূপৰ কন্দৰ্পকুমাৰ তৰুণৰাম ফুকন আৰু নাই! টীয়কীয়া অধ্যাপকৰ ঘৰৰ স্নেহ-বৎসল বলোৰাম খাৰঘৰীয়া ফুকনৰ পুত্ৰ, অসমীয়াৰ দেহলাৎ, অন-অসমীয়াৰ প্ৰিয়তম বন্ধু, মৃগয়ানিয়ত, সাহিত্যামোদী দেশভক্ত তৰুণৰাম ফুকন আৰু ইহ জগতত নাই। সৌ সিদিনা, শাওণৰ ১২ তাৰিখ শুকুৰবাৰে (১৮৬০ শক, ইং ২৮ জুলাইৰ দিনা, আবেলি ভৰলুমুখৰ ঢেকীয়াল ফুকনৰ টোলত তেওঁ ইহলীলা সম্বৰণ কৰিলে:—

"সুখৰ দিনত দুখীয়া জনক
বুকুত সাবটি লৈ
দুখৰ দিনত প্ৰাণৰ কথাটি
গুপুতে লুকাই থৈ"

চিৰ তৰুণ চিৰ আনন্দ—চিৰ বসন্তৰ দেশলৈ গতি কৰিলে। তৰুণ ফুকনে পৰমানন্দে চিৰানন্দ দেশলৈ প্ৰয়াণ কৰিলে; সেয়ে হে আজি,

"শুদা হ'ল কুণ্ডিল নগৰী।
নীলাচলতো পৰিলে বেয়া,
চাবে দিয়া গাখীৰত মোলান পৰিল
সোন্দাকল মৰহি গ'ল।"

যি তৰুণ ফুকনৰ মনোহৰ ব্যক্তিত্ব, প্ৰতিভধৰী শক্তি, উপস্থিত বুদ্ধি, অতুলনীয় প্ৰতিভা, চিৰবসন্তময় তৰুণত্ব, খাৰঘৰীয়া ফুকনীয়া বুদ্ধি-চাতুৰ্য্য আৰু যি তৰুণ ফুকনৰ মনোহৰ বাগ্মিতাই মহাত্মা গান্ধীৰ "সাদৰী অসমক" (Lovely Assam) সদৌ ভাৰতৰ মনোভিৰাম কৰি পেলালে, সেই তৰুণৰাম ফুকনৰ অন্তৰ্দ্ধানত অসম-মাতৃৰ কোলা উদং হৈ গ'ল।

থাবৰবীয়া ফুকনৰ ঘৰৰ সন্তান তৰুণ ফুকন। মুগৰাৰৈ থাউতি তেওঁৰ জন্মগত ধৰ্ম। বংশৰ কীৰ্ত্তি-কলাপেৰে সুমণ্ডিত লোকৰ পক্ষে ই একো অস্বাভাৱিক নহয়। খোজ কাঢ়ি হাবিত বনৰীয়া হাতী গুলিয়ৈয়া, হেজাৰবকৈও ওপৰ বৰিয়াল মৰা, চলি পৰা আহাজৰপৰা মগৰ বধ কৰা উলামুলা "চিৰাখুন্দা" বুকু লৈ ফুৰা লোকৰ কাম নহয়—সঁচাসঁচিকৈয়ে মহাযোদ্ধাৰ কাম। এণ গজ আঁতৰতে গুণ্ডা বনৰীয়া হাতী মূৰ দাঙি থিয় হৈ আছেহি, কোন মুহূৰ্ত্তত কাক মষিমূৰ

তৰুণৰাম ফুকন

কৰে একো ঠিক নাই, তেনে পেপুৱা লগোৱা অৱস্থাত চিকাৰী তৰুণ ফুকনো হাতত বন্দুকটো লৈ প্ৰতিমাৰ দৰে থিয় হৈ কালিদাসৰ কবিতা আওৰাইছে,—

"নিষ্কম্পমেৱ বৃকং নিভৃতদ্বিৰেফং......।

তাঠ বুকু আৰু সাহসৰ বজ্ৰময় বৰ্ম্মেৰে নিৰ্ম্মিত তৰুণ ফুকনৰ অন্তৰত কদ্ৰ-কঙ্কণৰ কেনে সুমধুৰ সমাবেশ

"তাৰ-প্ৰৱণ বঙালীৰ কথা গঙ্গাৰ জোৱাৰ ভাটাৰ দৰে আহে যায়—ঔটসী-পূৰ্ণিমাত উপচি পৰে; শুনি খৰিৰ নজনা অজানা নাৰবীয়া কেতিয়াবা হৌ-হৌৱা সোঁতত পৰিলে উটি যায়, কেতিয়াবা শুকান বালিত পৰি বৈ থাকে।"

"আই মোৰ আসাম নিচলা আসাম
দুখুনী আসাম আমাৰ দেশ"ৰ

দুখ-বেজাৰ শুচাম বুলি যৌৱনৰ আৰম্ভতে তৰুণ ফুকনে যি আদৰ্শ দৃঢ় সঙ্কল্পেৰে গঢ়ি আনিছিল, তাক তৰ-চেঙেলী ডেকাৰ গঞ্জনা, উনৈছুত বা-বলোৱা লিখকৰ ব্যঞ্জনা, পতঙ্গুৱা মতাৱলম্বী কাকতৰ কৰ্ক্কনাই "ৰাজনৈতিক জোৱাৰ ভাটাৰ সোঁতত" উটাই দিও, এজুলৈমানো কক্ষচ্যুত কৰিব নোৱাৰিলে। স্বৰাজ-সংগ্ৰামত প্ৰাণটাকি যুঁজি, নিকাৰ ভুগি ফুকনে দেশভক্ত নাম পাইছিল যেনেকৈ, সেই স্বৰাজৰে ভেটি "কংগ্ৰেছ-মিলিত মন্ত্ৰীসভা (ক'এলিছন)" প্ৰতিষ্ঠা কৰাৰ উদ্যোগ পৰ্য্যন্ত অবিশ্ৰান্ত চেষ্টাৰ বল দি দেশভক্ত নামৰ সাৰ্থক কৰিছিল ও তেনেকৈ।

যোৰহাট টী কম্পেনীৰ চেনিমৰা ক্লবত সন্ধিয়া মেল বহিছে। তালৈকে ফুকন নিমন্ত্ৰিত; লগতে কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈও। অসমৰ সোঁ-হাত—বাওঁ হাত "নবীন-তৰুণ" দুয়ো সাত শত্ৰুৰ মাজত—যাৰ অত্যাচাৰ ব্যাভিচাৰৰ বিৰুদ্ধে পুৰুষসিংহ চন্দ্ৰকমল বেজবৰুৱাই এই দুগৰাকীৰ আলমতে দেখাদেখিকৈ বৃটিছৰ আদালতত দুৰ্ব্বাদল যুদ্ধ চলাই আছে। ক্লবৰ সভ্যসকলৰ ফালৰপৰা এজনে সুধিলে, "নন্‌-ক'-অপাৰেশ্যনৰ মূল অৰ্থটো ব্যাখ্যা কৰি দিয়ক"? স্বভাৱসুলভ স্পষ্টবাদিতাৰে কৰ্ম্মবীৰ বৰদলৈ ডাঙৰীয়াই তৰ্জ্জন-গৰ্জ্জন কৰি কলে, "আমি ভাৰতবৰ্ষৰপৰা বৃটিছৰ আধিপত্য নাইকিয়া কৰিব খুজিছোঁ। তাকে কৰাটোৱেই অসহযোগ-আন্দোলনৰ মুখ্য উদ্দেশ্য।" তাৰ পিছত, পাল পৰিল দেশভক্ত ফুকন ডাঙৰীয়াৰ। ফুকনে কোমল-কোমলকৈ মিহি মাতেৰে ক'লে :—

"আপোনাসকল সাত-সাগৰ-তেৰ-নৈৰ সিপাৰৰপৰা আহি ভাৰতবৰ্ষত আছেহি। আপোনাসকল আমাৰ মানী আলহী। আমাৰ ঘৰবোৰ ধুলিয়ে-মাকতিয়ে আবৰে-জোঠৰে দ'ম খাই আছে। আমি ঘৰবোৰ ভঁত কৰি লওঁইকচোন; আপোনাসকল বাহিৰতে অলপ থিয়-দি থাওক। আমাৰ ঘৰুৱা আবৰ্জ্জনাবোৰ শুচাই লৈ আপোনাসকলক সাদৰ-সম্ভাষণ জনামইক। তাকে কৰিবলৈকে আমি অসহযোগ-আন্দোলন চলাইছোঁ।"

কৰ্ণধাৰৰ হঁটা, অথচ স্পষ্ট বাক্য শুনি ছাহাববিলাকৰ মুখৰ খিঁউ উভলি গৈছিল যদিও, চাণক্য-নীতিত পণ্ডিত দেশভক্তৰ সমসময়ী ভাষাই শাক্তিবাদি ছটিয়াই তাক চেঁচা কৰি পেলালে।

ইং ১৯২৬ চনত, ভাৰতৰ জাতীয় মহাসভাৰ (কংগ্ৰেছৰ) প্ৰতিনিধি আৰু দৰ্শকবৃন্দক পাণ্ডুত অভ্যৰ্থনা জনাওঁতে অভ্যৰ্থনা সমিতিৰ সভাপতিস্বৰূপে ফুকন ডাঙৰীয়াই মহাত্মা গান্ধীৰ বিষয়ে কৈছিল,

"The magic land of Kamrup has an old tradition that people staying here over three nights is converted into sheep and we all know that the sheep have the peculiarity of following the leader faithfully."

কিন্তু, আমি সেই কামৰূপৰে ভেড়া হৈ আমাৰ মথী (Shepherd) অদ্বিতীয় নেতা তৰুণৰাম ফুকনৰ নেতৃত্ব মানি চলিবলৈ অপাৰগ হলোঁ। সেই বাবে হে, আজি তেওঁৰ মহাপ্ৰয়াণৰ পিছ মুহূৰ্ত্তে গোটেই অসমত হুৱাদুৱা লাগিছে। অসমীয়া মাত্ৰেই ইনাই-বিনাই কান্দিছে :—

"ভৈয়াই মোৰ আলাসৰ,
চিনিও নিচিনিলোঁ হে—
চিনিও নিচিনিলোঁ।
ভিজিৰ সোণ মণিটিক
এৰাধি ছিঙিলোঁ হে
এৰাধি ছিঙিলোঁ।"

কৰ্ম্মবীৰৰ স্মৃতি-ছেৰা

পূজনীয় কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ দেৱৰ স্মৃতি-বাৰ্ষিকী-দিনা ভালেমান কথাই মনত পৰে। মনত পৰে, সেই লাচিতৰ উত্তৰাধিকাৰী ভীম-মূৰ্ত্তিটোলৈ; মনত পৰে, অসমীয়াৰ বৈশিষ্ট্য ৰক্ষা কৰিবলৈ যাওঁতে কোৱা যুক্তিপূৰ্ণ অন্তৰভেদী বাণী সমূহলৈ আৰু সদায় "উত্তিষ্ঠিত জাগ্ৰত প্ৰাপ্য বৰান্নিবোধত" বুলি সুপ্ত ডেকা শক্তিক উদ্বুদ্ধ কৰি দিয়া অমোঘ মন্ত্ৰ ফাঁকিলৈ। আৰু কত কিমান যে কথা ছাঁয়া-চিত্ৰৰ দৰে অহাযোৱা কৰিবলৈ ধৰে তাৰ অন্ত নাই। তাৰ দুটামান ধৰি আনি মালা গাঁথি বৰদলৈ-স্মৃতি-কণ্ঠত পিন্ধাই দিলোঁ।

আমি ছাত্ৰ অৱস্থাতেই বৰদলৈদেৱক আসাম এছ'চিয়েশ্যনৰ ডিব্ৰুগড় অধিবেশনত দেখিবলৈ পাওঁ। তেখেত আছিল সভাপতি আৰু সভাপতি অভিভাষণ খন পঢ়িছিল ইংৰাজী ভাষাত। সামৰণি বক্তৃতাটোও সামৰিছিল ইংৰাজীৰেই। আমাৰ আশা-আকাঙ্ক্ষা, অভাব অভিযোগবোৰ ৰাজভাষা ইংৰাজীৰে জনালে "আশু ফল প্ৰদায়ক" হয় বুলি সভা সমিতিৰ প্ৰস্তাৱ, বক্তৃতা সকলো ইংৰাজীৰেই কব আৰু লেখিব লগীয়া হৈছিল। সেই সভাতে খামতিৰ ৰজা চৌখাম গোহাঞো উপস্থিত আছিল। সভাৰ আলোচনা সমূহ ইংৰাজীৰে কৰা দেখি তেওঁ ঘপ কৰে উঠি খণ্ডতে বঙাচঙা পৰি মাত লগাই দিলে, "তহঁতে নো আকৌ এইবোৰ কি দোৱান মাত মাতিছ? অসমীয়াৰে কব নোৱাৰ নে কি? মই নেথাকোঁ যা।" পাছত, মতাই অনাই, চুকচুকাই-চুকচুকাই বৰদলৈ ডাঙৰীয়াই খামতি ৰজাক আনিবা শান্ত কৰিলেগৈ।

* * * *

১৯১৬ চনত কলিকতাৰ ৩নং হেৰিছন ৰ'ডত বৰদলৈৰ নিবাস। অসংখ্য গুৱিপকলা বঙালী-বেৰিষ্টাৰ-উকীলৰ মাজত এজন মাথোন টোকাপকলা অসমীয়া উকীল (Vakil) নবীনচন্দ্ৰ বৰদলৈ। তথাপি কলিকতা হাইকোৰ্টত অসমীয়া বুলি, তেওঁ সকলোৰে শ্ৰদ্ধা আকৰ্ষণ কৰি আছিল। উপাধিটোত আছিল অসমীয়া বৰদলৈ; খোৱা-থকা, পিন্ধা-উৰা সকলো কথাতে গ্লেড্‌ষ্টন (Gladstone)-

বৰদলৈ। কিন্তু মাতৃভাষা সেৱা কৰাত, অসমীয়া গীত-বৰগীত পোন প্ৰথমে সঞ্চালনীতে প্ৰচাৰ কৰাত, অসমীয়া আক্ৰমণকাৰীৰ মূৰত বামটাঙোন শোধোৱাত ছাহাব নবীনচন্দ্ৰ বৰদলৈ আছিল অসমীয়া জংবাহাদুৰ।

* * * *

ভাৰতৰ অন্যান্য প্ৰদেশৰ দৰে অসমক বৃটিছ গৱৰ্ণমেণ্টে স্বায়ত্তশাসনৰ অধিকাৰ সমানে দিয়া নাছিল। সেই সম্পৰ্কে আসাম এছ'চিয়েশ্যনৰ পক্ষৰপৰা নবীনচন্দ্ৰ



নবীনচন্দ্ৰ বৰদলৈ

বৰদলৈ আৰু ডিব্ৰুগড়ৰ প্ৰসন্নকুমাৰ বৰুৱা প্ৰতিনিধি হৈ যায় বিলাতলৈ—জইণ্ট কমিটীৰ আগত অসমৰ দাবী দাঙি ধৰিবলৈ। তেওঁবিলাক দুয়ো তাত অসমীয়াৰ দাবী আদায় কৰিবলৈ যেনেকুৱাকৈ যুঁজ কৰিব লগীয়া হৈছিল—তাক আজি বৃটিছ প্ৰভুত্ব নথকা দিনত একোপধ্যেই উপলব্ধি কৰিব নোৱাৰি। বান্দৰৰ মুখৰপৰা নাৰিকল সকয়াই অনা দি নাছোৰবান্দা বৃটিছ কৰ্তৃপক্ষসকলৰ হাতৰপৰা আমাৰ প্ৰাপ্য ক্ষমতাটো সকয়াই অনা-সম্পৰ্কে ডিব্ৰুগড়ৰ স্বনামধন্য উকীল ৰায়-

বাহাদুৰ সদানন্দ দুৱৰাৰ ভ্ৰাতৃ বিভানন্দ দুৱৰাই এই লিখকলৈ লণ্ডনৰ ৩৬, হাইৱে গ্ৰ'ভৰ (36, Highway Grove) পৰা এখন চিঠি লেখিছিল। তাৰ সাৰাংশ অলপ অসমীয়ালৈ তৰ্জমা কৰি তুলি দিলোঁ।

"ইংলণ্ডত বিভিন্ন ৰাজনৈতিক মতবাদৰ দল হেজাৰ-বিজাৰ আছে। চৰ্কাৰে ভাল পোৱা ধীৰপন্থী দলৰ জয়ঢোলকেই ইয়াত ৰবকৈ বজোৱা হয়। বাস্তৱিকাকক্তবোৰেও তাকেই কৰে। ভাৰতীয় শাসন-সংস্কাৰ সম্পৰ্কে বিবেচনা কৰিবলৈ যি জইণ্ট কমিটী বহিছে আৰু য'ত প্ৰতিনিধি সকলৰ সাক্ষ্য গ্ৰহণ কৰা হৈছে, তালৈ মই গৈছিলোঁ।...কোনো কাকতে ঢোল নোকোবোৱা বাবে মই অসমীয়া প্ৰতিনিধি দুজনক পোনতে উলিয়াবই নোৱাৰিছিলোঁ। তথাপি, পম খেদি-খেদি জানিব পাৰিলোঁ যে ২৫ আগষ্টৰ দিনা (১৯১৯ চনৰ) বৰদলৈ-বৰুৱাই সাক্ষ্য দি গ'ল। তেওঁবিলাক দুগৰাকীৰ আঁকোৰগোজালি অথচ যুক্তিপূৰ্ণ দাবী-তৰ্ক দেখি সত্যমূৰ্ত্তি আৰু ৰঙ্গাস্বামী আয়েঙ্গাৰ বিচূৰ্ত্তি খাইছিল। মণ্টেগু চাহাবে আমাৰ দাবী সমূহ সাধুকথা বুলি পোনতে উৰুৱাই দিছিল, পাছত হে বৰদলৈ-বৰুৱাই বিতংকৈ বুজাই দিলত তেওঁৰ ভ্ৰান্ত ধাৰণা পৰিবৰ্ত্তন হৈছে।

প্ৰতিনিধি দুগৰাকীয়ে বিলাতৰ ভালেমান ঠাইৰ বহুতো সভাত বক্তৃতা দিয়ে। অসমীয়া অনুন্নত বুলি যি এটি ধাৰণা ইয়াত সকলোৰে মাজত দকৈ শিপাই আছিল সেই ধাৰণা এওঁবিলাক দুজনৰ বক্তৃতাই জোকাৰি পেলালে। এতিয়া আৰু অসমৰ প্ৰতি সেই ভাব নাই। আসাম ডেপুটেশ্যন অহাৰ পিছৰপৰাই আমি মূৰ দাঙি ফুৰিব পৰা হলোঁ।...কণিধৰ চলিহাৰ ঘটনাটোৰ কথাও এওঁবিলাকে ইয়াত উলিয়াইছিল। তাৰ প্ৰতিকাৰ হবই। বৰদলৈ-বৰুৱাৰ নিচিনা প্ৰতিনিধি একোজন যেন বছৰি বছৰি বিলাতলৈ পঠোৱা হয়।..."

* * * *

বৰদলৈৰ গোঁফ আছিল। যোৰহাট জেলত থাকোতে তেওঁ আমাক কৈছিল, "তোমালোকে ডাড়ি-গোঁফ খুৰাই মাইকীমুৱা হৈ পৰিছাইক। গোঁফ মনুষ্যত্ব বিকাশৰ চিন।" কিন্তু তেওঁৰ ডাঢ়ি চুলিবোৰে অলপ পক ধৰি অহাত তেৰোঁ গোঁফ খুৰাই পেলালে। শিৱসাগৰৰ বৰপুখুৰী পাৰত এদিন লগ পাই (দেশভক্ত ফুকনৰ লগত নিৰ্ব্বাচন-যুদ্ধত জয়ী হোৱাৰ পিছত) সুধিলোঁ, "ছাৰ, আজি দেখোন ডাড়ি (গোঁফ) খুৰাই পেলালে। নিৰ্ব্বাচন যুদ্ধ জয় কৰাৰ চিন নে কি?" তেওঁ হাঁহি এটি মাৰি কলে "দেখিলোঁ, প্ৰত্যেক কথাটোৱেই যুগে যুগে

অৱতাৰ। এতিয়া আত্মৰক্ষাৰ দিন। যোৰ বয়সো পৰি আছিছে। মন হলে পৰা নাই। আধুনিক ডেকাৰ লগত কেৰ মাৰিবলৈ আধুনিক নহলে কি ৰক্ষা আছে?"

* * * *

জলৰ মাজত থাকি 'নোছোৱয় নীৰ'ৰ দৰে বঙালীৰ মাজতে থাকি, অথচ বঙলা আদর্শ ছুয়ো তেওঁ কেতিয়াও অসমীয়া জাতিটোক লোকৰ লগত জাহ যাবলৈ নিদিছিল। 'বঙাল খেদোৱা আন্দোলন' বুলি কলিকতীয়া বঙলা কাকত কেতবোৰে বলিয়া-শিয়ালৰ দৰে হোৱা দিবলৈ ধৰোঁতে কৰ্ম্মবীৰে অকাট্য যুক্তি প্ৰমাণৰ অৱতাৰণা কৰি প্ৰচণ্ড ভাষাৰে অসমীয়া জাতীয়তা সমৰ্থন কৰিছিল আৰু সেই সমৰ্থনৰ বিবৃতিটো "আনন্দবাজাৰ পত্ৰিকাই" বৰ গৌৰৱেৰে কাকতত ঠাই দি বৰদলৈ দেৱৰ যৌক্তিকতা সমৰ্থন কৰিছিল।

* * * *

আজি অসম আছে; অসমীয়া নাই। যি সকলৰ অনুগ্ৰহ আৰু অক্লান্ত চেষ্টাৰ ফলত আজি আমি অতি প্ৰাচীন বীৰ জাতি এটাৰ সন্ততি বুলি পৰিচয় দিব পাৰিছোঁ সেই সকলৰ প্ৰতি স্মৃতিৰ অৰ্ঘ্য নেযাচিলে ভৱিষ্যত বংশলৈ আমি অনুপ্ৰেৰণাৰ একো চানেকি থৈ যাব নোৱাৰোঁ।

বৰদলৈৰ 'স্মৃতি-তীৰ্থ' ওলাল। সেই তীৰ্থত অৱগাহন কৰিবলৈ যি মন্ত্ৰ মাতিব লাগে, তাৰ জালেমান এতিয়াও ঢাক খাই আছে। সেইবিলাক উজাৰি উলিয়াই কৰ্ম্মবীৰৰ মূৰ্ত্তিটি জীৱন্ত আৰু দীপ্তিমন্ত কৰি তোলক আৰু তাৰ পোহৰেৰে জন্মভূমিক উদ্ভাসিত কৰক।

স্বাধীনতাৰ ফিৰিঙতি চন্দ্ৰনাথ শৰ্ম্মা

স্বৰ্গতকৈও অধিক জন্মভূমিৰ মৰি-মুক্তি ভাল পাই কাম কৰোঁতা মানুহ অতি বিৰল। সংসাৰৰ চাকনৈয়াত উটি-বুৰি, অপায় অমঙ্গলৰ বাধা নেওচি, দুখ-কষ্টৰ জুমুৰিলৈ কটাহি নকৰি, কোনোমতে যিবা এটি চন্দ্ৰনাথ কলচোপ-কলচোপকৈ আগলৈ উঠি আহিছিল তেওঁকো আজি কালে পাই মুচৰি লৈ গ'লহি। অসমীয়াৰ কি ফুটা কপাল!

"আইৰ ঘৰলৈ যাম, দুই হাতে খাম,
বিধিয়ে বোলে মই পাছে পাছে যাম।"

অসমীয়াই চন্দ্ৰনাথত কত আশা কৰিছিল, কত ভৰসা কৰিছিল, তেওঁৰ হৈ কত টোপোলা বান্ধিছিল, কিমান কথা ভাবিছিল—সেই সকলোবোৰৰ ওপৰত কথা বিধিয়ে কুঠাৰ বহুৱালে।

দেহি ঐ, চন্দ্ৰ শৰ্ম্মা নাই। সেই উদাৰতা-ভৰা উঠঙা কপালেৰে, উপস্থিত বুদ্ধি ভৰা জোঙা কুমেৰে, মগজু আৰু মৈত্ৰীৰে পূৰ হাতীমূৰীয়া মূৰেৰে ঘুটমুটীয়া চন্দ্ৰনাথ শৰ্ম্মা গোলা মানুহটি আৰু এই পৃথিবীত নাই। ১৮৪৪ শকৰ শাওনৰ ৪ তাৰিখ বৃহস্পতিবাৰে মাটিৰ মানুহ চন্দ্ৰ শৰ্ম্মা ছিলং পাহাৰৰ মাটিত মিলি পৰিল

আৰু তাৰ লগে লগে এই কাৰ্য্যভূমি অসমত দুই-আঙ্গনিৰে খেমালি কৰিবলৈ বুদ্ধিজনা এটি মুখ, বিদেশী-শাসন-জোকৰ মুখত চুণ দি-থকা এখনি মুখ আৰু সাপৰ মুখত ভেকুলী নচুৱা এটি কাপখো অস্ত পৰিল।

চন্দ্রনাথ শৰ্ম্মা ঢুকাল। লোকালোক এৰি তেওঁৰ আত্মা চন্দ্রলোকত লুকাল। আজি ছেদ-ভেদ নোহোৱাকৈ কত কথা মনত পৰিছেহি! মনত পৰিছে, সেই গাহানিখণেই তেওঁক খৰিকামাৰিবে পৰ্ব্বত হৈঁচুকিবলৈ যোৱা দেখি "মহামন্ত্রী পীট" বুলি জোকোৱা-কথা, সকৰ মুখত বৰ কথা দেখি Firebrand Politician বুলি পেংলাই কৰাৰ কথা, বলে নোৱৰা শিলক দাঙিবলৈ যোৱা দেখি "টিং চিয়ে হোংগাং গছ লৈছে" বুলি পাছ ফালৰপৰা চাপৰি বাই ইহাৰ কথা। আৰু কত কি মনত পৰিছে!

আজি যে লাজত অধোমুখ! ইতিকিঙৰ মুখত যে বজ্রপাত! সঁচাসঁচিকৈয়ে চন্দ্রনাথে খৰিকামাৰিৰে পৰ্ব্বত হৈঁচুকিলে, সকৰ মুখত বৰ কথা বজালে, বলে নোৱৰা শিলক দাঙিব নোৱাৰিলেও, খাজ লৰাই থৈ গ'ল।

কোনে আজি বিদ্রূপ বাণলৈ ভ্রূক্ষেপ নকৰি, খাই-পাতফলা বিদেশীসকলৰ আগত বামটাঙ্গোন জোকাৰিব? কোনে আজি "কামৰূপ অনুসন্ধান সমিতি" আৰু "আসাম এছ'চিয়েছন"ৰ কাৰ্য্যবিধি নিৰ্দ্ধাৰণ কৰিব? কোনে আজি হিন্দুসমাজ সংস্কাৰ কৰি তাৰ পৰিসৰ বঢ়াবলৈ ব্রাহ্মণ সভাৰ গুৰিবঠা ধৰিব? কোনে আজি মুখেৰে লটপটোৱা ভিতৰি কপট ৰখা বৃটীছ-বিষয়াসকলৰ আচৰণ প্রতিবাদ কৰিব? কোনে আজি মৃত্যু-শয্যাত পৰি থকা ঘৰখনলৈও আওকাণ কৰি দেহমূৰটাকি কংগ্রেছৰ অহিংস মন্ত্রেৰে অসম দেশখন চোৱাই পেলাব? কোনে আজি একেধাৰে ৰাষ্ট্রজ্ঞান আৰু ৰাষ্ট্রশাসনৰ পটুতা লাভ কৰিবলৈ মণিৰাম দেৱানৰ আদৰ্শ অনুসৰণ কৰিব? কোনে আজি "আসাম বিলাসিনী"ত থৈয়া-নথৈয়াকৈ বৃটিছ শাসনৰ বিৰুদ্ধে কলম চলাব? 'ছাত্র সম্মিলনীৰ' নিচিনা অনুষ্ঠান পাতিবলৈ আজি কাৰ মুখত খেলাব? কোনে আজি ৺লম্বোদৰ বৰাৰ আহিৰে গল্প লিখিবলৈ শিকাব? কোনে আজি দহৰ হৈ জন্মভূমিৰ হৈ-দুখ-ভাগৰ কাতি কৈ থৈ, সুখ সন্তোষ জলাঞ্জলি দি "টু ডাই ইন্ হাৰ্ণেছ" কথা-শাৰীৰ সাৰ্থকতা কৰিব? আজি যে সেই তেজপুৰৰ বিহগুৰীয়া চন্দ্র শৰ্ম্মা বি-এল্ ডাঙৰীয়া আৰু আমাৰ মাজত নাই।

নাই বুলি, যেতিয়াই মাতৃভূমিৰ মুখখন মোলান পৰা দেখিবলৈ পাওঁ, যেতিয়াই নেতৃত্বহীন দেশখনে খপজপাই ফুৰিবলগীয়া হয় আৰু যেতিয়াই "মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পতন", এই বাক্যত মামৰে ধৰিব খোজে, তেতিয়াই চন্দ্ৰনাথ শৰ্মালৈ মনত পৰে। সেই কাৰণেই হোঁইকা-পিছলা কৰি থকা অসমীয়া জাতিক ৰাজনৈতিক চিন্তাধাৰাৰ গতি পৰিবৰ্ত্তন কৰোঁতা চন্দ্ৰনাথে পাৰ পোৱাৰ বুলি তেওঁৰ স্মৃতিৰ উদ্দেশে এই তৰ্পণাঞ্জলি আগ বঢ়ালোঁ।

দেশসেৱক ৰোহিণীকান্ত হাতীবৰুৱা

মৃত্যু :—২২ আহিন, ১৮৫১ শক, ইং ৮ অক্টোবৰ ১৯২৯

কতীয়া বছৰেৰে ডেৰ কুৰি বছৰ হ'ল। কথা পুৰণি হলেও মোৰ মানত নিত-ন হৈয়ে আছে। তেতিয়া ইং ১৯২১ চন। অসহযোগ আন্দোলনত দেশ তল-ওপৰ। উকীলে ওকালতি এৰিছে, চৰ্কাৰী কৰ্মচাৰীয়ে কাম এৰিছে, কলেজৰ ছাত্ৰই কলেজ এৰিছে। মহাত্মা গান্ধীৰ নামত জনতা মতলীয়া। ঘৰে-পথে, সভায়-সমিতিয়ে সদাহে-ভাৱনাই কেৱল গান্ধীৰ জয়, কেৱল "ভাৰত মাতা কী জয়"!

'গান্ধী জয়' দিয়া বাবেই একো-একোজন মানুহৰ তিনি মাহলৈকে ফাটেক হৈছে। ভাৱনা-সৰাহৰো ৰিৰ্পট নিদিয়া বাবেই একোজন গাওঁবুঢ়াৰ জৰিমনা হৈছে। অইন কি, মূৰত জাপি এটি লৈ গলেও, তাকে 'গান্ধী ভলণ্টিয়াৰ' বুলি পুলিছে নি থানাত সমুৱাই থৈছেগৈ। স্কুলীয়া লৰাই শাৰী পাতি সমদলে আলি-বাটত যোৱাটোও জগৰৰ কথা। পুলিচে লগ পালেই সিহঁতৰ মূৰতো বেত ফালে।

"বিলাতী কাপোৰত" জুই দিয়াৰ সন্দেহ পালেই পুলিচে যাকে-তাকে গ্ৰেপ্তাৰ কৰি বন্ধকৈ থৰগৈয়ে। হাট-বজাৰ বন্ধ কৰা, কানি-ভাং-চেৰাপৰ দোকানত পিকেটিং কৰা (ধৰ্ণা ধৰা), বিলাতী কাপোৰ নিকিনিব বুলি কিনোতাৰ হাতে-ভৰিয়ে ধৰা—এইবোৰেই আছিল কংগ্ৰেছ-ভলণ্টিয়াৰৰ প্ৰথম আৰু প্ৰধান কাম। বৃটিছ-শাসন উচ্ছেদ কৰিবলৈ এইবোৰেই আছিল নিৰস্ত্ৰ জাতিৰ একো পাট অস্ত্ৰ। বৃটিছ-শাসনৰ মায়াজালত মুগ্ধ হৈ থকা সকলেও পুলিচৰ কাৰ্য্যত সহায় কৰাটো পৈতৃক ধৰ্ম্ম বুলিয়েই বিশ্বাস কৰিছিল।

ঠিক দেশৰ এনে ৰাজনৈতিক হুলস্থুলৰ সময়তে, সাংসৰিক বাধা গুচিয়াই পেলাই অসহযোগ আন্দোলনত সবল ভাৱে যোগ দিছিলহি ৰোহিণীকান্ত হাতীবৰুৱাই। সংসাৰীৰ চকুত ৰোহিণী দুখীয়া হলেও অসম মাতৃৰ মানত ভিতিৰ সোণমণি।

স্বাধীনতা-হুতাশনে চাকৰি-আকাংক্ষা একালৰপৰা দহি আনিছিল। তথাপি, সেই সময়ত নকৈ হোৱা গ্ৰেজুৱেট সকলৰ মনৰ ওপৰত সেই হুতাশনে চাকৰি মৰীচিকাৰ ওপৰত ক্ৰিয়া কৰিব নোৱাৰিছিল। "দাৰিদ্ৰ্য দোষো গুণৰাশি নাশী।" স্বাধীনতাৰ উজ্জ্বল ছবি আঁকি থাকোঁতেও দাৰিদ্ৰ্যৰ হেঁচাত পৰি

ৰোহিণীকান্ত হাতীবৰুৱা

স্কটিছ চাৰ্চ কলেজৰ গ্ৰেজুৱেট ৰোহিণীকান্ত হাতীবৰুৱাৰো চাকৰি-অন্বেষণত পৰ্ব্বত-ভৈয়াম বগাব লগীয়া হৈছিল। যেতিয়া দেখিলে, মাতংবৰ পৃষ্ঠপোষক নহলে, শাসন-শালৰ গুৰিত গুৰিধৰোঁতা নহলে, চাকৰি বিচৰা মানেই খোৱা হৈ পৰ্ব্বত লঙ্ঘিবলৈ যোৱা। হৃদয়হীন গৱৰ্ণমেণ্টৰ ওচৰত জীৱিকা-নিৰ্ব্বাহৰ পথ কণ্টকময় দেখি, তাতোকৈও বিঘিনিভৰা দেশোদ্ধাৰৰ পথ অনুসৰণ কৰি সেই গৱৰ্ণমেণ্টকে ধ্বংস কৰিবলৈ হাতীবৰুৱা কৃতসংকল্প হৈ ওলাল।

তেতিয়া যোৰহাটত কুলধৰ চলিহা দেশনেতা; ডেকাবিলাকৰ উপস্থিত কৰ্ত্তব্য কি তাৰ নিৰ্দ্দেশ দিয়াত তেওঁৱেই ধাই প্ৰস্ৰৱণ। চলিহা ডাঙৰীয়া উকীল আছিল, উকীলৰ পৰা মেজিষ্ট্ৰেট (একষ্ট্ৰা এচিষ্টেণ্ট কমিশ্যনাৰ) হয় গৈ। উকীল, মেজিষ্ট্ৰেট দুয়োটাৰে সুখ্যাতি আৰু মান-মৰ্য্যাদাৰ অধিকাৰী হোৱাৰ উপৰিও তেওঁ ৰায় বাহাদুৰ ফণিধৰ চলিহাৰ পুত্ৰ। এনে ত্ৰিগুণবিশিষ্ট সম্ভ্ৰমশীল পুৰুষ এজন যেতিয়াই সাম্ৰাজ্যবাদী গৱৰ্ণমেণ্টৰ বিদ্ৰোহী হৈ উঠিল, তেতিয়াই হাতীবৰুৱা আহি তেওঁৰ কাষ চাপিলহি। অচিৰেই চলিহা হাতীবৰুৱাৰ অন্তৰ চিনাচিনি হল। হাতীবৰুৱা চলিহা ডাঙৰীয়াৰ অনুগত শিষ্য হল অৰ্থাৎ প্ৰকাশ্যভাৱে কংগ্ৰেছ-মহাসভাৰ চুক্তিত চহী কৰি দেশনেতাৰ আদেশ পালি বিলাতী কাপোৰ বৰ্জ্জন আৰু পিকেটিং আন্দোলনত দেহ মূৰ উকি লাগি গল। চেনিমৰা হাটলৈ যোৱা মাছৰ পাৰী দুখনমান পিকেটিং কৰোঁতেই পুলিচে পাই তেওঁক ১৯২২ চনৰ ফেব্ৰুৱাৰী মাহত গ্ৰেপ্তাৰ কৰিলে আৰু আদালতৰ বিচাৰত কেইমাহমান যোৰহাট-জেলত দণ্ডভোগ কৰালে।

জেলৰ ভিতৰত চৰকাৰী আইন অনুসৰি ৰাজনৈতিক কয়দীবিলাকৰ ভিতৰত দুটা ভাগ বা শ্ৰেণী কৰা হৈছিল। এভাগত আছিল ফৌজদাৰী দণ্ডবিধিৰ ১০৭ আৰু ১০৯ ধাৰাত দণ্ডিত হোৱা অপৰাধীসকল আৰু ইটোত আছিল ফৌজদাৰী আইনৰ সংশোধিত ধাৰা ১৭ (ক) আৰু ১৭ (খ) ধাৰা মতে দোষ কৰা আইন অমান্যকাৰীবিলাক। আগৰ কেইটা ধাৰা প্ৰযোজিত হৈছিল যিসকলে মানুহৰ মন বিদ্ৰোহী কৰি ফুৰিছিল সেই সকলৰ ওপৰত; আৰু যিবিলাকে মানসিক বলপ্ৰয়োগ কৰি বৃটিছ-বিৰোধী মনোভাব প্ৰকাশ কৰিছিল সেইবিলাকৰ ওপৰত প্ৰয়োগ কৰা হৈছিল পাছৰ দুটা ধাৰা। শাস্তিৰ বিধানতো তাৰতম্য আছিল। শিক্ষা আৰু লৌকিক মান-সম্ভ্ৰমৰ অৱস্থা বুজি আন্দোলনকাৰীৰ কোনোক বিনাশ্ৰমে আৰু কোনোক সশ্ৰম কাৰাদণ্ড দিয়া হৈছিল। জেলৰ ভিতৰত সুকীয়া-সুকীয়া গৰাল নথকাত দুয়োটা শ্ৰেণীৰ কয়দীকেই একেটা ঘৰতে থোৱা হৈছিল। হাতীবৰুৱা সোমাওঁতে, জেলৰ ভিতৰত কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, দেশনেতা কুলধৰ চলিহা, খাদীপ্ৰাণ কৃষ্ণকান্ত শৰ্ম্মা, লক্ষীকান্ত বৰুৱা (মাখন উকিল), ভুবনচন্দ্ৰ গগৈ, ৺দুৰ্গা-প্ৰসাদ বৰঠাকুৰ, ৺যাদৱপ্ৰসাদ চলিহা আৰু গুৱাহাটীৰ শ্ৰীযুত মহেন্দ্ৰনাথ

ডেকা ফুকন, উমেশচন্দ্র বৰদলৈকে প্ৰমুখ্যে কৰি ১৫০ জন মান দেশসেৱক আমৰ আছিল।

সেই ডেৰ শ জন বন্দী-সেৱকৰ ভিতৰত আটাইতকৈ নিৰ্ভুল, অকপটীয়া আৰু নিজৰ কাম নিজে কৰি থকা বিধৰ মানুহ আছিল ৰোহিণীকান্ত হাতী-বৰুৱা। ৰোহিণীৰ দুৰ্ব্বলতা—তেওঁৰ অতিপাত সৰলতা। ইয়াৰে চেলু লৈ, ডেকা ফুকনে, হোৱাতো-নোহোৱাতো তেওঁক জোকাই থাকে। শ্ৰম কৰিব লগীয়া ফাটেকিয়াল-বিলাকে যেতিয়া এল'পাত (শণ গছ—মাটি কঁঠালৰ নিচিনা; ইয়াৰে খুব টান জৰী হয়) থুন্দিবলৈ লগীয়া হয়, তেতিয়া মহেন ফুকনে হাতীবৰুৱাক ক'ব, "যোৱা হাতী, তেওঁবিলাকক অলপ সহায় কৰি দিয়াগৈ"। হাতীবৰুৱাই সেই কথাতে গৈ সশ্ৰমী কয়দীবিলাকক এল'পাত থুন্দাত সৰয় দিয়েগৈ।

ৰাতিপুৱা "মাৰ ভাত" খোৱাৰ আগতে বৰদলৈদেৱে সকলোকে গোটাই লৈ অন্নপূৰ্ণা স্তোত্ৰটি লগাই দিয়ে আৰু সকলোৱে সুৰ মিলাই গাই দিনটোৰ নিমিত্তে প্ৰাণ পবিত্ৰ কৰে। প্ৰাৰ্থনা কৰিবৰ সময়ত হাতীবৰুৱাৰ ওচৰতে মহেন্দ্ৰ ফুকনো বহে। স্তোত্ৰটোৰ মাজত থকা "কৃপাৱলম্বনকৰী, বৰা ভয়ঙ্কৰী" শব্দ দুটা হাতীবৰুৱাই ফুটাই মাতিব নোৱাৰে। সেইখিনি পাওঁ-পাওঁ হওঁতেই হাতীবৰুৱা নিটাল মাৰে। ফুকনে তেতিয়া হেঁচুকি মাত লগায়, "হেৰ', আন, লাংচিং এডাল, এই হাতীটোক ভালকৈ খোঁচ এটা দিওঁ। মাত মাতিব নোৱৰা হাতীটো আকৌ কিহৰ হাতী?" হাতীবৰুৱাই তই-ৰাম-গোপাল একোকে নকয়—খঙো নুঠে। জেলৰ ভিতৰতে হৈ-হুড়ও খেলা হয়। হাতী-বৰুৱাক আটায়ে চোঁচোঁৱাই-বগৰাই হাৰাশাস্তি কৰে। মহেন ফুকন তেও, এই কামত সকলোতকৈ চৰা। তথাপি, হাতীবৰুৱাই মুখেৰে তুং শব্দ এটিও নকৰে।

বাহিৰত চতৰ বিহু। বৰডেটা জেলৰ ওচৰত থকা গাওঁবোৰত শেহ-নিশালৈকে টকা-পেঁপাৰ মাতত নিন্দ্ৰ ৰাতিও উজাগৰ; জাঁত-জাত বিহুনাম গাই বিহুৱতীহঁত উৰাউল। হাতীবৰুৱাহঁত শোৱা ঘৰটোৰ পোনে দেৱালৰ সিপাৰে যি জোৰা বিহু-নাচ হৈছিল তাত সদায় এই নামটো গাইছিল:—

"তামোলৰ চকুৱা
জোনাকী পৰুৱা
কিয় মনে মাৰি থাক?

থাকোঁ মনে মাৰি
লোকৰ ঘৰে বাৰী
কাইলৈ উলিয়াই দিব।

তাকে শুনি ভিতৰত থকা সমনীয়াবিলাকে হাতীবকৰাক নাচনী কৰি এই দৰে নাম জুৰি দিব :—

তামোলৰ চকুৱা
জোনাকী পকৱা
কিয় মনে মাৰি থাক ?
—থাকোঁ মনে মাৰি
জেলৰ ঘৰে বাৰী
কাইলৈ মাৰ ভাত দিব।"

লুপথুপ্ হাতী-পোৱালিটো যেন হাতীবকৰাই নাচে আৰু চাপৰিবোৱাসকলে পাৰেমানে হাঁহে। সিমানতো হাতীবকৰাৰ একণমানো যদি খং উঠে!

জেলৰ ম্যাদ উকলিবৰ হ'লহি। আৰু দুদিনমান আছে—হাতীবকৰা জেলৰ পৰা ওলাই যাবলৈ। সেই কেইদিনত আবেলি-আবেলি একোখন-একোখন "প্ৰকাণ্ড-প্ৰকাণ্ড" সভা। সভাৰ উদ্দেশ্য—হাতীবকৰাক বিদায় দিয়া। ডেকা ফুকন মহেন্দ্ৰই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰিবলৈ যোৱাৰ আগতে, হাতত ক'ৰবাৰপৰা পোৱা পানীন্দ্ৰনাথ গগৈৰ 'আগছোৱা' কিতাপৰ বেটুপাতত থকা হাতীৰ ছবিটো লব; লৈ, শোকৰ উচ্ছ্বাস তুলি বিহ্বল হৈ সভাসদ কয়দীসকললৈ চাই গদগদ কণ্ঠেৰে বক্তৃতা দিব, "হাতী বকৰা যাবগৈ, আমাৰ মৰমৰ হাতী পোৱালীটি যাবগৈ......। আমি আৰু 'চাম-বইত' কৰিবলৈ হাতীক ক'ত পাম? তেওঁ ইকনমিকচৰ গ্ৰেজুৱেট। বাহিৰলৈ গৈ, কাৰ ঘৰত কিমান সূতা কাটিছে, তাৰ লেখ "হাতীয়ে" লবগৈ। সেই লেখৰ চিন স্বৰূপে আমালৈ ঘিলা পিঠাকে পঠিয়াব। পিঠাৰ টোপোলাটো গুঁৰেৰে পাক মাৰি ধৰি জেলৰ দেৱালৰ ওপৰেদি দলিয়াই দিব।......(ভগা টিন এটা চকিয়াই সকলোৰে হৰ্ষধ্বনি)।

উত্তৰত হাতীবকৰাই খোকাথুকি মাতেৰে কব, "আপোনালোকৰ আদেশ শিৰোধাৰ্য্য। মই পাৰিতপক্ষে চেষ্টা কৰি চামগৈ।" সঁচাসঁচিকৈয়ে তেওঁ

জেলৰপৰা ওলাই গৈ ১৫০টা বিলাপিঠাৰ টোপোলা এটা "ৰথাত আগ্ৰৱৰ" বন্ধুৱৰ্গক সকলোলৈ পঠিয়াই দিলেগৈ। ধেমালিৰ কথাটোকে সঁচাসঁচি বুলি ধৰি লোৱাত ক্যাবাৰুৱ বন্ধুসকলে হাতীবৰুৱাৰ নিভাঁজ সৰলতাৰ প্ৰতি শ্ৰদ্ধা-ভক্তি সহকাৰে খুব লোদোঁৱাই লোৱাবিলে।

সঁচাকৈয়ে ৰোহিণী হাতীবৰুৱা আছিল 'ধৰমত ধীৰ, কৰমত বীৰ'।

আসাম-কাউন্সিললৈ ৰোহিণীকান্তক প্ৰতিনিধি নিৰ্ব্বাচন কৰোতে ধনাঢ্য ব্যক্তি ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱাৰ লগত প্ৰতিদ্বন্দ্বিতা কৰাত কংগ্ৰেছৰ যি সংগ্ৰাম, তাক বৰ্ণাবলৈ গলে বহুকথা। সেই সংগ্ৰামত চন্দ্ৰকমল বেজবৰুৱাৰ অজস্ৰ অৰ্থ যে ব্যয় হল, সিও কেৱল হাতীবৰুৱাৰ সত্যবাদিতা, সৰলতা আৰু একাগ্ৰতাৰ বাবেই। ভোট-যুদ্ধত যেতিয়া নিৰ্ব্বাচিত হাতীবৰুৱা জিকিল, সি এটা বাতৰি-কাকতৰ মস্ত খবৰ হৈ পৰিল। কাউন্সিলৰ সদস্য হৈ তেওঁ "আসাম কোম্পানীৰপৰা" গড়গাওঁ নগৰখন একৰাবলৈ যত্ন কৰিছিল। লাদৈগড় আৰু ৰাজগড়টোও বাগিছায়ালাৰ কবলৰপৰা মুক্ত কৰিব খুজিছিল। ডেকাৰ কথা বুলি গৱৰ্ণমেণ্টৰ বুঢ়া বিষয়াসকলে হাতীবৰুৱাৰ বক্তব্য উলাই কৰা নাছিল।

দীনবন্ধু চি এফ্ এনড্ৰুজৰ সভাপতিত্বত কংগ্ৰেছৰ ৰবীয়াকৈ যিখন কানি-তদন্ত কমিটী বহিছিল, তাত ৰোহিণী হাতীবৰুৱাই এনে ভাবে উঠি-বহ নোহোৱাকৈ কাম কৰিছিল যে তেওঁ নোহোৱা হলে সেই বিশদ ৰিপৰ্টখন জেনেৰালৈ পঠিয়াই টান হলহেঁতেন।

হাতীবৰুৱা আৰু কৃষ্ণকান্ত শৰ্ম্মাই ১৯২৫ চনত কানপুৰ কংগ্ৰেছত পৰৱৰ্ত্তী অধিবেশনটো অসমলৈ আহ্বান কৰাত অসমৰ কংগ্ৰেছ-নেতা ভালেমানেই তেওঁবিলাকক দুৰ্বুদ্ধিয়ে পালে বুলি কৈছিল। গোবৰ্দ্ধন যেন দুৰ্বুদ্ধিটো দুঃসাহসিকতাত পৰিণত হল। দেশভক্ত ফুকন আৰু কৰ্ম্মবীৰ বৰদলৈ ভাওৰীয়াই পাণ্ডু কংগ্ৰেছত দেখুৱাই দিলে—অদম্য উৎসাহ, অবিৰাম চেষ্টা আৰু ঐকান্তিক আগ্ৰহ থাকিলে সেই গোবৰ্দ্ধনক দাঙি ধৰিব পাৰি, অসম্ভৱকো সম্ভৱ কৰিব পাৰি। কিন্তু দুখ লাগে, দুঃসাহসিকতাৰ গুণতে সেই অধিবেশনে দেশভক্ত আৰু কৰ্ম্মবীৰক কথাদি হাতীবৰুৱাকো নিঠৰুৱা দিগম্বৰ কৰিলে।

পাণ্ডু কংগ্ৰেছলৈ অহা অভ্যাগতসকলক অসম আৰু অসমীয়াক পৰিচয় কৰি দিবৰ নিমিত্তে হাতীবৰুৱাই এই লিখকৰ হতুৱাই ইংৰাজীৰে "কংগ্ৰেছ গাইড" এখন লিখোৱায়! সেইখন লেখোৱাই ছপোৱাত সৰহভাগ টকা তেওঁ

নিজৰ জেপৰপৰাই খৰচ কৰিব লগীয়া হৈছিল। কংগ্ৰেছ-মণ্ডপ আৰু প্ৰতিনিধি-বাহৰ সাজিবলৈ অনেক সৰঞ্জামৰ আৱশ্যক হৈছিল। ৰোহিণী বৰুৱাই কলিকতাত টাকুৰী বুৰাদি ঘূৰি খৰচৰ মুখলৈ নেচাই সেইবোৰ সংগ্ৰহ কৰি ফুৰিছিল। তেওঁৰ ঘতিথণ নোহোৱা উদ্যোগ দেখি শ্ৰীগৌৰাঙ্গ প্ৰেছৰ স্বত্বাধিকাৰী সুৰেশচন্দ্ৰ মজুমদাৰে কবলৈ বাধ্য হৈছিল, "হাতীবৰুৱাৰ নিচিনা উদ্যোগী কৰ্ম্মী অতি বিৰল।"

জীয়াই থাকোঁতে হাতী বৰুৱাৰ কৰ্ম্মবহুল জীৱনৰ মোল বুবুজিলোঁ। তেওঁ জীৱন্তে 'দেৱলীয়া' বুলি ঘোষণা কৰিব লগীয়া হৈছিল। স্বদেশৰ মঙ্গলৰ অৰ্থে ১৯২১ চনৰ আন্দোলনত উঠি-অহা ডেকাৰ ভিতৰত সৰ্ব্বস্ব ত্যাগ কৰোঁতা ৰোহিণীকান্ত হাতীবৰুৱাও একন।

যি সকলৰ ঐতিহাসিক ত্যাগ আৰু নেৰানেপেৰা দুখ কষ্টৰ বুৰত নাম মাত্ৰকে হলেও স্বাধীনতাৰ কপকপীয়া ভেট বান্ধিব পৰা হল, সেইসকলৰ ভিতৰত হাতীবৰুৱাৰ স্থান নিশ্চয় আগ শাৰীত। কংগ্ৰেছে তেওঁৰ স্মৃতি-বাৰ্ষিকী কৰিবই। তথাপি, স্বাধীনতা পোৱাৰ ২ বছৰৰ পাছত তেওঁক সুঁৱৰি অনুষ্ঠুপীয়া ভাবেই তেওঁলৈ এই শ্ৰদ্ধাঞ্জলি আগ বঢ়ালোঁ।

শিক্ষাবিদ আৰু সাংবাদিক উপেন্দ্ৰনাথ বৰুৱা

"অসতো মা সদ্গময়
তমসো মা জ্যোতিৰ্গময়
মৃত্যোৰ্মা অমৃতং গময়"

নিৰ্ভীক, কৰ্ম্মযোগী তপস্বী শ্ৰীউপেন্দ্ৰনাথ বৰুৱা—

হে কৰ্ম্মযোগী, আপুনি অসম আইৰ সুপুত্ৰ। আপোনাৰ কঠোৰ ব্ৰতৰ সাধনাত আজি অসমে "শঙ্কৰদেৱ শিক্ষালয়" পালে, যোগীৰ আশ্ৰমৰ নিচিনা ক্ষুদ্ৰ কুটিৰত থাকি শিক্ষাৰ প্ৰাচীৰ বান্ধিলে। পবিত্ৰৰ মালা কণ্ঠত পিন্ধি পাৰ্থিব সুখক জলাঞ্জলি দি বাণীৰ মন্দিৰ গঢ়ি তুলিলে, হে তপস্বি! আপুনি আমাৰ হিয়াভৰা শ্ৰদ্ধা গ্ৰহণ কৰক। আশীৰ্ব্বাদ কৰক, প্ৰত্যেক জনেই যেন একোজন তাপস বীৰ হয়।" :—

যোৰহাটৰ বাণী সম্মেলনে, ১৯৫১ চনত ৺বৰুৱা ডাঙৰীয়ালৈ অৰ্পোৱা "শ্ৰদ্ধা-অৰ্ঘ্য"

১৮৫৭ ছালৰ স্বাধীনতা আন্দোলনৰ বেলি মাৰ নৌযাওঁতেই ১৮৫৯ চনত জন্ম গ্ৰহণ কৰিছিল উপেন্দ্ৰনাথ বৰুৱাই আৰু তেওঁ চিৰকালৰ নিমিত্তে চকু মুদিলে স্বাধীনতা পোৱাৰ সপ্তম বছৰ আৰম্ভ হ'বলৈ ৯ দিন থাকোতে অৰ্থাৎ ১৯৫৩ চনৰ ৬ আগষ্টৰ দিনা। তেওঁ ওপজোঁতে উশাহ নোলোৱাকৈ উপজিছিল। কিন্তু কি আচৰিত, এই উশাহ-নোলোৱাকৈ ওপজা মানুহ জনেই যে সুদীৰ্ঘ ৯৪ বছৰ জীয়াই থাকি ৮০ বছৰ বয়সলৈকে নিশ্বাসৰ কোঁৱাৰত সভায়-সমিতিয়ে, কথায়-বতৰায় আৰু বাতৰি-কাকতৰ যোগে অসমৰ দিগ-দিগন্ত কঁপাই আছিল। উপেন বৰুৱাৰ কাৰ্য্যকলাপ আৰু চিন্তাধাৰাৰ সম্যক উপলব্ধি কৰিবলৈ হলে শ্ৰীযুত জ্ঞাননাথ বৰা ডাঙৰীয়াই কোৱা দৰে ৺আনন্দ ৰাম ঢেকীয়াল ফুকনৰ দিনৰেপৰা আৰম্ভ হোৱা জাতীয় জীৱনৰ বিস্তাৰিত বুৰঞ্জীখন চকুৰ আগত দাঙি ধৰিব লাগিব। আজিকালিৰ দিনত ৯৪ বছৰ বয়স পোৱা আৰু সেই বয়সতো কৰ্মণ্য হৈ থকা কম কথা নহয়। দীৰ্ঘজীৱী হৈ থকাটো অৱশ্যে ৺বৰুৱা ডাঙৰীয়াৰ বংশগত বীৰ্য্যৰ গুণ। তেখেতৰ দেউতাক ৺ইন্দীবৰ বৰুৱা ৮৫ বছৰ জীয়াই আছিল। সেই বয়সতো ঘোঁৰা হঁপিছপি খোজ কাঢ়িয়েই শিৱসাগৰৰপৰা যোৰহাটৰ কেন্দু-গুৰিত থকা জীয়েকৰ ঘৰলৈ অহাযোৱা কৰিছিল। ইন্দীবৰে ৩৫ বছৰ চৰকাৰী

পেঞ্চন খাইছিল। তেওঁ পেঞ্চন পাই থকা সময়ত শিৱসাগৰত কেবাজন আবোলাবো চৰকাৰী পেঞ্চন উপভোগ কৰিছিল। সেই সকলৰ ভিতৰত কৃষ্ণপ্ৰাণ চাংকাকতী, ৰমাকান্ত গোঁহাই, ৰত্নধৰ বৰুৱা, শশীধৰ বৰুৱা, জগন্নাথ বেজবৰুৱা, ধৰ্মেশ্বৰ কাকতী, মুক্তাৰাম বৰুৱা, ফণিধৰ চলিহা, দীনেশ্বৰ বৰকটকী, মৌলবী আলি হুচেইন, তুলসীৰাম বৰুৱা, কীৰ্ত্তিধৰ শিৱসাগৰীয়া বৰুৱাৰ নামকে বিশেষকৈ লব পাৰি। এই সকলোৰে ভিতৰত ইন্দীবৰেই বুঢ়া পেঞ্চনধাৰী।

৺উপেন্দ্ৰনাথ বৰুৱা

শিৱসাগৰলৈ পেঞ্চনৰ টকা সৰহকৈ অহা দেখি এবাৰ খিলঙৰপৰা চোৰাং চোৱা পঠিয়াই দিয়া হৈছিল—এই কেইজন মানুহ সঁচাকৈয়ে জীয়াই আছেনে নাই, তেওঁবিলাকৰ নামত কোনোবাইহে পেঞ্চন নিছে, তাক চাবলৈ।

উপেন বৰুৱাও সেই শিৱসাগৰীয়া স্বাস্থ্যৰেই অধিকাৰী হৈ পিতৃতকৈ ৯ বছৰ বেছিকৈ হে জীয়াই থাকিল। ১৯৫১ চনত ৺জ্ঞানদাভিৰাম বৰুৱাই তেখেতক "অভিযান" পঞ্জাৰ আগতে থিক-থ এখনত পকাভতীয়া উপেন বৰুৱাক দেখি 'প্ৰাচীন টকটকীয়া মাৰ্দ্ধৰ্ক ক'ৰপৰা ওলালহি' বুলি বিচুৰ্ত্তি খাইছিল। সঁচাকৈয়ে

৺উপেন বৰুৱাৰ স্বাস্থ্য ইমান ভাল আছিল যে ৯০।৯১ বছৰতো গুৱাহাটী চহৰত ৰিক্সত উঠি ফুৰা দেখি বহুতেই আচৰিত হৈছিল।

শিৱসাগৰ গৱৰ্ণমেণ্ট হাই স্কুলৰপৰা এণ্ট্ৰেন্স পাছ কৰি এখেত ১৮৮১-৮২, চনত কলিকতালৈ এফ-এ পঢ়িবলৈ যায়। উৰীয়া ৰান্ধনি পলাই যায় দেখি কলিকতাত তেখেতে নিজেই ভাত ৰান্ধি খাইছিল। এফ্-এ পঢ়ি থাকোতেই দুদিনমান কলিকতাৰ জেনেৰেল পষ্ট অফিছৰ কেৰেণী কামত সোমায়। তাৰ পিচত সেই পৰীক্ষাত উত্তীর্ণ হৈ কলিকতা হাইকৰ্টৰ অসমীয়া অনুবাদক কামত নিযুক্ত হয়। সেই সময়তে তেওঁৰ দেশপ্ৰেমৰ ফিৰিঙটি ওলাই পৰে। অসমত কানিৰ অপকাৰিতা সম্বন্ধে তদন্ত কৰিবলৈ বিলাতৰপৰা এটা ৰাজকীয় কমিছন নিযুক্ত হয় আৰু অসমৰপৰা ৰায়বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈ, ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা আৰু বি-এ জগন্নাথ বৰুৱা সাক্ষ্য দিবলৈ চৰকাৰী প্ৰতিনিধি মনোনীত হয়। এই কথাৰ বুজ পাই ৺বৰুৱা ডাঙৰীয়াই আগতে কমিছনাৰৰ অনুমতি লৈ স্বাৰ্থশূন্য স্বাধীন মত এটা কমিছনৰৰ আগত দাখিল কৰে। বৰদলৈ ডাঙৰীয়াই কৈছিল, "কানি অসমত ভগৱন্তৰ দান।" গুণাভিৰাম-জগন্নাথেও কানি উঠাব লাগে বুলি মত দিয়া নাছিল। ৺বৰুৱা ডাঙৰীয়াই এইবোৰ চৰকাৰী চাকত মাৰি পঠিওৱা অভিমত বুলি কমিছনৰ চেয়াৰমেনৰ আগত টানি কৈছিল। সেই সাক্ষ্য দিয়া বাবেই তেওঁ চৰকাৰী কামৰপৰা অৱসৰ লব লগীয়া হয়।

১৮৮৪-৮৫ চনত ইলবাৰ্ট বিল নামে এখন বিল তৈয়াৰ হয়। বিল খনৰ নাম দিয়া হৈছিল ব্লেক এক্ট্ (কলা আইন)। এই আইনৰদ্বাৰাই অভিযুক্ত ইংৰাজক ভাৰতীয় বিচাৰকে বিচাৰ কৰিব নোৱৰা কৰিব খোজা হৈছিল। উপেন্দ্ৰ বৰুৱাই ইয়াৰ বিৰুদ্ধে 'ইংলিছমেন' আৰু 'ইণ্ডিয়ান্ মিৰৰ' কাকতত থকাথকে কলম চলাইছিল। মণিৰাম দেৱানক যে অন্যায় ভাবে ফাঁচি দিয়া হল তাকো তেওঁ "বেঙ্গলী" আৰু "ইংলিচমেনত" লেখিছিল।

১৮৮৪-৮৫ চনত কলিকতাত পুতা প্ৰদৰ্শনী এখনত যোৰহাটৰ কৃষ্ণকান্ত হাতীবৰুৱাই নিজে কৰা বিহা-সূতা কটা কল এটা দেখুৱাবলৈ নিছিল। সেইটো কলিকতা পোৱা মাত্ৰকে বিলাতী কোম্পানী এটাই একে ৰাতিয়েই নকল কৰি পিচদিনা প্ৰদৰ্শনীত দেখুৱালে। হাতীবৰুৱাই বঁটা-পুৰস্কাৰ একো নেপালে, পালে সেই বিলাতী কোম্পানীটোৱে; সেই কথাত বেজাৰ লাগি হাতীবৰুৱা কলীয়া হৈ ঘূৰিছিল। উপেন্দ্ৰ বৰুৱাই এই পক্ষপাতিতা আৰু ইংৰাজ কোম্পানীৰ

চুৰি বিদ্যা শিক্ষা কৰি ইংৰাজসকলৰ দ্বাৰাই সম্পাদিত ইংৰাজী কাকতত বাৰবুৰি প্ৰবন্ধ লিখিছিল। "ইংলিছমেন," কাকতখন গোড়া ইংৰাজৰ কাকত আছিল। তথাপি, তাৰ সম্পাদকে ৺বৰুৱা ডাঙৰীয়াক মাতি নি সেই কাকতত লেখি থাকিবলৈ অনুৰোধ কৰিছিল। ৺জ্ঞানদাভিৰাম বৰুৱাই "এনে সম্মান অতি বিৰল" বুলি কৈছিল।

৺বৰুৱা ডাঙৰীয়া অসমৰ উগ্ৰপন্থী, স্বদেশী মতবাদী ৺মথুৰামোহন বৰুৱা-সম্পাদিত "এড্‌ভকেট অব আসাম"ৰ নিৰ্দিষ্ট আৰু নিয়মীয়া লেখক আছিল। কলিকতাৰ "অমৃতবাজাৰ পত্ৰিকা," "ইণ্ডিয়ান ডেইলি নিউজ", "ইণ্ডিয়ান মিৰৰ," "ইংলিছমেন" আদি বহুত বাতৰিকাকতত অসমীয়া জাতিৰ বিষয়ে জানিব লগীয়া বিবিধ বিষয়ে চিঠি প্ৰবন্ধ লেখিছিল আৰু চৰকাৰী কাৰ্য্যৰ চোকা সমালোচনাও কৰিছিল। ৺ৰাধানাথ চাংকাকতীৰ কাকত 'টাইমছ্‌ অব আসাম'ত তেওঁ কাকতখন জন্ম হবৰেপৰা নানান তৰহৰ প্ৰবন্ধ-পাতি লেখি আছিল।

'উষা', 'বাঁহী', 'আলোচনী' 'আসাম হিতৈষী' আৰু 'আৱাহন' আদি অসমীয়া আলোচনী বিলাকত ৺বৰুৱা ডাঙৰীয়াৰ অসমীয়া প্ৰবন্ধও মাজে মাজে ওলাইছিল। তেখেত ইমান নিভীক আৰু স্পষ্টবাদী আছিল যে 'বাঁহীৰ' সম্পাদক লক্ষ্মীনাথ বেজবৰুৱাকো 'বাঁহী' কাকততেই আক্ৰমণ কৰিছিল আৰু সেই আক্ৰমণৰ বিষয়টো আছিল—বেজবৰুৱাই তেওঁৰ শঙ্কৰদেৱ পুথিত কোনোবা এটা কথা হেনো তেওঁৰ মতে ভুলকৈ সুমুৱাইছিল। মহাপুৰুষ শঙ্কৰদেৱৰ বিষয়ে লেখা একেখন মাথোন প্ৰামাণ্য পুথিত খুঁত উলিওৱা বাবে সেই সময়ৰ পাঠকসকল চঁক খাই উঠিছিল আৰু তাতোকৈও আচৰিত হৈছিল সাহিত্যৰথী বেজবৰুৱাৰ নিচিনা শঙ্কৰী জ্ঞানত প্ৰোক্ত এজনৰ কথাত আসোঁৱাহ ধৰাত। এই চুটি টোকা-লেখকো বৰুৱা ডাঙৰীয়াৰ ওচৰত পৰিশোধ কৰিব নোৱৰা ধাৰত ধৰুৱা। এওঁ মণিৰাম দেৱানৰ বিষয়ে যেতিয়াই যি কথাকে লেখিছিল তেতিয়াই তেখেতে সেই লেখা তেখেতৰ মনঃপূত নোহোৱাত "আসাম হিতৈষী", 'বাঁহী' আৰু 'আৱাহনত' কুকুৰে-কাঁইট-নোখোৱাকৈ সমালোচনা কৰিছিল। এই লেখকে, তাৰ শেষৰ সন্নিধানটো "ধূপৰ বতি" শিতানেৰে 'আৱাহন' কাকতত প্ৰকাশ কৰিলত, তেখেতে এওঁক ডাঙৰ প্ৰতিদ্বন্দ্বী বুলি ভাবি লৈছিল। বৰুৱা ডাঙৰীয়াৰ তীব্ৰ সমালোচনাই এই লেখকক "মণিৰাম দেৱানত" অতিশয় সহায় কৰিলে আৰু বৰ সাৱধানে তথ্য-

সমূহ ব্যৱহাৰ কৰিবলৈ সতৰ্ক কৰিও দিলে। পৰম শ্ৰদ্ধাভাজন পিতৃতুল্য পুৰুষ উপেন্দ্ৰনাথ বৰুৱাই হোৱাতো-নোহোৱাতো ভৰিয়াই-হুঁকিয়াই, ঘৰে-পৰে এই লেখকক গঢ়ি নথকা হ'লে মণিৰাম দেৱানৰ জীৱনীখনত প্ৰত্যেকটো কথাকে চালি-জাৰি চাবলৈ চেষ্টা কৰাই নহ'লহেঁতেন।

কলিকতাৰপৰা আহিয়েই কিছুদিন চৰ্কাৰী কাম কৰি, বৰুৱাই যোৰহাটত এটি ইংৰাজী শিক্ষালয় স্থাপন কৰে; তাৰ পিছত, উত্তৰ লক্ষীমপুৰতো এটি পাতেগৈ। যোৰহাটৰটি অলপ দিনৰ পাচতে ভাগি থাকিল; লক্ষীমপুৰৰটিয়েই বহুত দিনৰ মূৰত হাইস্কুল হ'লগৈ। যোৰহাটৰটো পাতোতে মিঃ জি বেজবৰুৱাৰ হাইস্কুল হোৱা নাছিল।

ইয়াৰ পিছত, তেখেতে নানান ঠাইত চাকৰি কৰেগৈ। ১৯১২ চনত যোৰহাটলৈ আহি 'আসাম বিলাসিনীৰ' সম্পাদক কৃষ্ণকান্ত ভট্টাচাৰ্য্যৰ বুদ্ধি-পৰামৰ্শ আৰু সহায়-সাৰথি লৈ আকৌ এটি হাইস্কুল স্থাপন কৰে। সেইটিয়েই আজি শঙ্কৰদেৱ ছেমিনেৰী নামে প্ৰখ্যাত। এই স্কুলৰ ছাত্ৰই সুনাম অৰ্জ্জন কৰিছে।

বৰুৱা ডাঙৰীয়া কেইবা খনো অসমীয়া আৰু ইংৰাজী পুথিৰ গ্ৰন্থকাৰ আছিল। তাৰে দুখনমান হে প্ৰকাশ হ'ল, বাকী কেইখন হেৰাল। 'অসমীয়া ভাষা সাহিত্যৰ বুৰঞ্জীত' বাদ পৰি থকা বাবে কেউখন পুথিৰ নাম ইয়াতে দিয়া হ'ল :—

অসমীয়া :—(১) চৰিতাৱলী, (২) সাধুকথা, (৩) শ্লোকমঞ্জৰী, (৪) সন্তানৰ শিক্ষাৰ বিষয়ে ৰচনা, (৫) ইন্দীবৰ বৰুৱা।

ইংৰাজী :—(১) এংগ্ল' আছামীজ গ্ৰামাৰ, (২) ৱৰ্ড বুক, (৩) স্পেলিং বুক, (৪) এছে অন্ দি এডুকেশ্বন অৱ ছিলড্ৰেন, (৫) এ গ্লিম্পছ অব্ আসাম।

"ৰোম ৱজ নট বিলট ইন এ ডে"—এই ইংৰাজী ফটন্তৰটোৰ অসমীয়া ভাঙনী "ভুকুতে কলটো নপকে" বুলি উপেন বৰুৱাই হে পোন প্ৰথমেই কৰে। তেখেতৰ স্পেলিংবুক খন পঢ়িলে, শুধকৈ ইংৰাজী কব আৰু লেখিব পাৰি। বৰুৱা ডাঙৰীয়া ইংৰাজী সাহিত্যতো সুপণ্ডিত আছিল; তাৰ চিন "এ গ্লিম্পছ অব্ আসামত" পোৱা যায়।

বক্তাও আছিল উপেন বৰুৱা। ১৯১৬ চনৰ আসাম এছচিয়েশ্বনত শিক্ষা বিষয়ে তেওঁ এটি স্বকল্পিত স্বাধীন মতৰ প্ৰবন্ধ পঢ়িছিল। সেই সময়ত বৃটিছ শাসনতন্ত্ৰৰ বিৰুদ্ধে টান মাত মাতিছিল উপেন বৰুৱাই হে। ৰায়বাহাদুৰ জগন্নাথ বৰুৱাবৰাৰা ১৮৮৪ চনতে স্থাপিত "সৰ্ব্বজানিক সভাৰ" তেওঁ সহকাৰী সভাপতি

আছিল। সেই "সৰ্ব্বজানিক" সভাত হে মাত্ৰ সেই সময়ৰ অসমৰ ৰাজনৈতিক কথা আলোচনা হৈছিল। উপেন্দ্ৰ বৰুৱাই যোৰহাটৰ কাছাৰী থকা বিষ্ণুসাগৰ পুখুৰী পাৰত ভগা কানিবাকচৰ ওপৰত থিয় হৈ সেই সভাত বৰ চোকা-চোকা বক্তৃতা দিছিল। বক্তৃতা দিওঁতে ইমান উত্তেজিত হৈছিল যে এখন সভাত তেখেতৰ গাৰ কাপোৰ খহি গৈছিল।

নিয়মীয়া ভাবে জীৱন-যাপন কৰি উচ্চ চিন্তা কৰাই আছিল উপেন্দ্ৰ নাথ বৰুৱাৰ জীৱনৰ সম্বল। তেওঁ যে একাচেকা মানুহ আৰু খঙাল, তাক তেওঁ নিজেই কৈছিল আৰু লিখিছিল :—"এওঁ যি কামতে হাত দিয়ে তাতে প্ৰতি-বন্ধক" পায়। মানুহৰ জীৱন-স্মৃতি কচুপাতৰ পানী ; তথাপি যোৰহাটৰ শৰবদের ছেৰিনেৰীয়ে, একালত জাতীয় আন্দোলনৰ অন্যতম গুৰিধৰোঁতা সাহিত্যিক শিক্ষাবিদ, স্বাস্থ্যৱন্ত, স্বাৱলম্বী, নিৰ্ভীক উপেন্দ্ৰনাথ বৰুৱা ডাঙৰীয়াক চিৰজীৱী কৰি ৰাখিব।

বৰুৱা ডাঙৰীয়াই পিতৃদেৱতাক ইন্দীবৰ বৰুৱাৰ জীৱনীত তেখেতৰ অলপ আত্ম-জীৱনৰ পৰিচয় দিছে। তাত লেখিছে :—উজনি অসমৰ বিখ্যাত নাম-তীয়াল কাকতী বংশৰ নামতীদলৰ বৰুৱা শেনচোৱা বৰুৱা আৰু জয়ানন্দিছ কৃষ্ণানন্দ উপেন্দ্ৰ বৰুৱাৰ ককাদেউতাক আৰু ইন্দীবৰ চিৰন্তাদাৰ দেউতাক ; মাক, ভুকনীয়া কাকতীবংশৰ পুখুৰৰ বৰকাকতী বাইডঙ্গীয়া ফুকনৰ জীয়েক ৰূপেশ্বৰী। উপ বা উপেন্দ্ৰয়েই দেউতাকৰ বৰ পুতেক।

["বাইডঙ্গীয়া ফুকনৰ জীয়েকৰ পাঁচোটা লৰা আৰু দুজনী ছোৱালী থাকে। (১) এই চৰিত্ৰ লেখক উপেন্দ্ৰনাথ, (২) যোগেন্দ্ৰনাথ, (৩) মহেন্দ্ৰনাথ (৪) দেবেন্দ্ৰনাথ, (৫) নগেন্দ্ৰনাথ (নাগী)। লেখক ওপজোতে উশাহ নাইকিয়া হৈ উপজিছিল, পাছে অনেক যত্ন কৰাত হে আধা ঘণ্টা মানৰ মূৰত অতি লাহে ল্যাহে জ্ঞান পাই কান্দিছিল। এওঁক লেহৰ পৰিয়ালে ডাঙৰ কৰিছিল। এওঁৰ বিত্তাৰম্ভ আদি ৰীতিমত কৰা হৈছিল।

সাত বছৰ বয়সত ঘৰৰ সকলোটিৰে বৰ আই ওলাইছিল। পাছে সকলোটিকে হৈচা এওঁত পৰি বাহিৰলৈ উলিওৱা হৈছিল। সেই যাত্ৰাও ৰক্ষা পৰিল। গুটিপাঁচ গাত ৰল। আৰু এবাৰ হামখুৰি খাই পৰি মৰি আছিল, তাৰ পাছত তেজমুৱে খৰি খাঁচ কৰে পৰি অজ্ঞান হৈ ওবে ৰাতি আছিল। এই দৰে অপমৃত্যুৰ হাত সৰাৰপৰা ঘৰৰ সকলোৱে এওঁৰপৰা বহুত আশা কৰিছিল।

স্কুলত পঢ়াকালত বছৰি বছৰি প্ৰাইজ পাই ওপৰলৈ উঠিছিল। আৰু শিৱসাগৰ গৱৰ্ণমেণ্ট হাইস্কুলৰপৰা এণ্ট্ৰেন্স পাছ কৰি কলিকতাত পঢ়িবলৈ যায়।

"ভায়েক মহেন্দ্ৰ কলিকতাত পঢ়ি থাকোতেই মৃত্যুমুখত পৰে। সেই বেজাৰত বৰককায়েক (উপেন) বলিয়াৰ নিচিনা হৈ চাৰি মাহমান পঢ়াশুনা এৰি দিছিল, পাছে চাঁট কৰে এদিন মনত পৰিল যে মৰাটো মৰিলেই আৰু এই সংসাৰত পাবলৈ নাই; তেন্তে তেওঁ নপঢ়িলে আগলৈ কি গতি হব। তেতিয়া তে পঢ়াত লাগি কোনোমতে এফ এ. পাছ কৰিলে।

পোনতে স্কুলৰ কামত সোমাই ডিব্ৰুগড়ত চাৰিমাহ মান কাম কৰাৰ পাছত শিৱসাগৰ কাছাৰীলৈ আহে। তাতে কামৰ গোলমাল লাগি যোৰহাটলৈ আহি ১৮৮৬ চনত ইংৰাজী স্কুল এটা পাতি চাৰি বছৰ থাকে। ইয়াত থাকোতেই ১৮৮৮ চনত দিব্ৰুগড়ৰ পাৰত থকা দাসী ফুকনৰ পুতেক শিশুৰাম ফুকন মৌজাদাৰৰ মাজু জীয়েক দিয়েশ্বৰীক বিয়া কৰি আনে। পাছে ওকালতী পাছ কৰিবৰ মনেৰে ১৮৯০ চনত স্কুল এৰি পুনৰ কলিকতালৈ যায়। তাত থাকোতে ১৮৯৪ চনত ৰয়েল অপিয়ম কমিছন অৰ্থাৎ বিলাতৰপৰা অহা কানি কমিছন বহে। তেতিয়া তেওঁ পাৰ্লিয়েমেণ্ট মহাসভাৰ সদস্য উইলচন চাহাবেৰে চিনাকি হোৱাত চাহাব মহোদয়ে তেওঁৰ সাক্ষাৎ গ্ৰহণ কৰে। এই কাৰ্য্যতো অসমীয়া ভদ্ৰলোক দুজনমানৰ চকু পুৰিছিল। অতি আচৰিত কথা, এওঁ যি কামতে হাত দিয়ে সেই কামতে প্ৰতিবন্ধক পাই কাম সিদ্ধি কৰিব পৰা নাই; আৰু স্বদেশৰ উপকাৰ সাধিবলৈ কোনেও এওঁক সুবিধা দিয়া নাই। তাৰপৰ ১৮৯৬ চনত ডিব্ৰুগড়লৈ আহি, তাত এবছৰ থাকি, ১৮৯৬ চনত উত্তৰ লক্ষীমপুৰৰ স্কুলৰ কামত যায়। তাতো গোলমাল লাগি ডেৰ বছৰ যুঁজ বাগৰ কৰি থাকি, ১৮৯৮ চনৰ এপ্ৰিল মাহত পুনৰ কলিকতালৈ যাত্ৰা কৰে। তেখেতে হাইকোৰ্টৰ ট্ৰান্সলেটৰী পৰীক্ষা হোৱাত এওঁ পৰীক্ষাত উত্তীৰ্ণ হৈ কামত সোমায় আৰু ১৮৯৯ চনত" শহুৰেকৰ ঘৰৰপৰা পৰিবাৰক লৈ যায়হি। তাতে শ্ৰীমান বিমান আৰু শ্ৰীমান ধীমান দুটি লৰা হয়। ১৯০৫ চনত সেই কাম ইস্তফা দি পুনৰ যোৰহাটলৈকে আহি বাৰী মাটি এডোখৰ কিনি সুখেৰে থাকিম বুলি আশা কৰোঁতেই ১৯০৯ চনত লৰা দুটিক বাপেকৰ হাতত শোধাই মাকে মহাপ্ৰস্থান কৰে। * × * বাপেকে ১৯১২ চনত ইংৰাজী স্কুল এটা পাতিলে। ইতিমধ্যে ৰৰটি লৰাক বি এ পাছ কৰাই কোনো মতে আনিছে।"]

সুৰাগী-সংপুৰুষ জ্ঞানদাভিৰাম বৰুৱা

যে, বৰুৱা নামটো বিলাতী সাঁচৰ। তথাপি, যে, বৰুৱা বুলিলে সেই থুলত্বৰ, ব'ৰভোলা, ভংভঙীয়া, সুৰাগী, সংপুৰুষ, আর্ল-ল-কলেজৰ পোন-প্ৰথম অধ্যক্ষ স্বৰ্গীয় জ্ঞানদাভিৰাম বৰুৱা ডাঙৰীয়ালৈকে মনত পৰে। তেখেতৰ গাত ইমানবিলাক গুণ আছিলে যে "নাই কি" সেইটো প্ৰশ্ন হে সকলোৱে সুধিব লগীয়া হৈছিল। নগাঁও-কলিকতাত তেওঁৰ আদিশিক্ষা আৰম্ভ হয়; তাৰ পাছত বিলাতত পঢ়ি শুনি, বিলাতত্তে 'মেট্ৰিকুলেশ্যন পাছ' কৰি বিলাতৰপৰাই বেৰিষ্টাৰ হৈ আহি, কলিকতীয়া সম্ৰান্ত বঙালী ঠাকুৰ-পৰিয়ালৰ ছোৱালী বিয়া কৰায়। তথাপি কোনোবাই যদি অসমীয়া ভাষাৰ কালিকাটো বিচাৰি ফুৰিছিল, তেন্তে সেইজন যে বৰুৱায়েই। তেওঁৰ হাতত থকা "হেমকোষ" খনৰ এনে এটি পাত নাই য'ত তেওঁ প্ৰকৃত অৰ্থ নোপোৱা শব্দৰ তলত একোটি আঁচ মাৰি থৈ যোৱা নাই। লেখোঁতে, বক্তৃতা দিওঁতে, আইন খি, কথা পাতোঁতেও "হেমকোষ" খন আগত সাক্ষী কৈ থৈ হে তেখেতে লিখিছিল নাইবা কথা-বতৰা পাতিছিল। স্বৰ্গীয় সত্যনাথ বৰা ডাঙৰীয়াৰ মতে জ্ঞানদাভিৰামো কেইটামান শব্দ ব্যৱহাৰ কৰাত বৰ চিকাচন্দা আছিল। "এদনীয়াৰ" ঠাইত "একচেটিয়া", "বজায়"ৰ সলনি "বজায়", 'নিমিত্তেৰ' পৰিবৰ্ত্তে "কাৰণে", "কাইলৈ" নুবুলি "কালিলৈ" বুলি লিখা বা কোৱা শুনিলে তেখেত জিকজিকাই উঠে। অকল এই কিটা শব্দতেই নহয়, নপঢ়ি-শুনি ওজা হোৱা আজিকালিৰ অলেখ অসমীয়া লেখকৰ পুথি-প্ৰবন্ধত পোৱা ছুল শব্দ আৰু ইংৰাজী আহিত লেখা ৰচনা-ঠাঁচ দেখিলেও তেখেতৰ খং মূৰৰ চুলিৰ আগ পাইছিল গৈ।

১৮৮০ চনত, নগাঁৱত জ্ঞানদাভিৰাম (১৮০২ শকৰ ৪ ভাদ, শুক্লাচতুৰ্দ্দশী বৃহস্পতিবাৰৰ দিনা) ওপজে। ১৮৯৬ চনত বিলাতলৈ যায়। এই যোল বছৰৰ ভিতৰতে হে তেখেতে যি অসমীয়া ভাষা শুনিবলৈ বা লিখিবলৈ পালে— তাকো আকৌ অন্ত-এদিনত-ক'ত-এদিন থাকি। আগ-ভোথৰত নগঞা মাজ-কথা শুনিলে, পাছ-ভোথৰত বঙলা শিকোঁতেই গ'ল। যিবা মনত আছিল,

সিও লণ্ডন পাই ইংৰাজী ভাষাৰ হেঁচাত লন্দন্ হৈ পৰিল। ইমানতো যে

ল'ৰাকালত জ্ঞানদাভিৰাম বৰুৱা

বৰুৱাদেৱে নিৰহ-নিপানী অসমীয়া ভাষাৰে "বিলাতৰ কথা" "ভেনিচৰ সাউদ", "দদাইৰ পঁজা", আদি পুথি লেখিছিল আৰু "বাহী" "মিলন", "আৱাহন"

“কুশল”, “বাৰবেছ”, “তৰুণ”, “বৰদৈচিলা”, “বাতৰি”, “তৰুণ অসম” প্ৰভৃতি আলোচনী আৰু বাতৰি কাকতৰ পাত প্ৰবন্ধেৰে ওপচাই পেলাইছিল তাতে হে বিশেষকৈ আচৰিত হবলগীয়া। আচৰিত হোৱাৰ প্ৰধান কাৰণ হৈছে তেখেতৰ দিনত আৰু পাছতো যিসকলে বিলাতত বা ইওৰোপৰ অন্য দেশত থাকি শিক্ষা লাভ কৰি আহিছিল সেইসকলৰ জনচেৰেকৰ বাহিৰে সকলোৱেই কিম্ভূতকিমাকাৰ উচ্চাৰণেৰে মাতৃভাষা অসমীয়াটোকে ঠেও ধৰিধৰি কৈছিল। জে, বৰুৱাই এনেকুৱা ভাওজোৰা “বিলাতফেৰ্ত্তাবিলাকৰ” নাম শুনিলেই কাণত সোপা লৈছিল। নিন্দা কৰা জনক ভাওধৰি বন্দনা কৰাটো তেখেতে সমূলিকে সহ্য কৰিব নোৱাৰিছিল। সেই হে, তেখেতে যি মনত আছে তাকেই নিখুঁত অসমীয়াৰে প্ৰকাশ কৰিছিল।

আমাৰ এতৰপ লেখকৰ লিখাৰ ভঙ্গী দেখি বৰুৱাদেৱে কৈছিল, “আমি বঙালীক নিন্দা কৰোঁ, কিন্তু বঙলা ভাষাৰ কিতাপ বা কাকত নহলে দেখোন আমাৰ কাপেষ্ট নচলে!” ভাষাৰ শুদ্ধতা বা পৱিত্ৰতাৰ ফালে ডেকা লেখকবিলাকে চকু নিদিয়াত সদায় তেখেতে বেজাৰ কৰিছিল। তাতোকৈও তেখেতে দুখ পাইছিল তেতিয়া, শুধৰাই দিলেও তেওঁবিলাকে সেই শুধৰণি গ্ৰহণ নকৰিছিল যেতিয়া। এদিন তেখেতে তেখেতৰ লগুৱাটোক মাতি এই লেখকক “কমলা” এটা দিবলৈ কৈছিল। লেখকে যেতিয়া আপোঁৱাহ ধৰিলে, “আপুনি লোকক হে অসমীয়া লেখোতে বঙলা শব্দ ব্যৱহাৰ কৰিলে খং কৰে, এতিয়া আপুনি নিজেই দেখোন “কমলা” বুলি কলে! আমি “সুমথিৰা” বা “সোণতৰা” বুলি হে কওঁ, ‘কমলা’ বুলি কেতিয়াও নকওঁ!” কথাষাৰ শুনা মাত্ৰকে তেখেতে নেপালী লগুৱাটোক সাৱধান কৰি দিলে, “দেবীলাল, আজিৰপৰা ‘কমলা’ নুবুলিবি। এই টেঙাটোক “সুমথিৰা” বুলিবি।” জ্ঞানদাভিৰামে ন-কৈ অসমীয়া ভাষা শিকিছিল আৰু শিকিছিল শুদ্ধ অসমীয়া। তাঁকো আকৌ খামোচমাৰি ধৰি আছিল আঁকোৰগোজালিকৈ।” সেই বুলি শব্দৰ নাটনি পৰিলে, বা আটক হলে, পকৱা ভাষাৰ শব্দ বুটলি আনিবলৈ কেতিয়াও কুণ্ঠিত নহৈছিল আৰু লোককো সেইদৰে আনিবলৈ কৈছিল। তেখেতে কৈছিল, “ইয়াকে বোলে ইংৰাজীৰে অৰ্থডক্সি, নট্ কন্জাৰ্ভেটিজোম।” (orthodoxy not conservatism)

আমাৰ সমাজত এনে শিক্ষিত লোক বহুত আছে যি কথা পাতিব নেজানে।

কথা পাতোতে সেইবিলাক মানুহে ফেচ্‌ফেচাই-ফেচ্‌ফেচাই নিজৰ কথাকে ৰহাই থাকে আৰু শুনোতাজনে একোকে ধৰবলৈ নেপায়। কথা পাতিব জনাটোও এটা আৰ্ট বা সুন্দৰী কলা। কওঁতা-শুনোতাই পৰস্পৰ ভাবৰ বিনিময় কৰিবলৈকে ইজন-সিজনৰ ভিতৰত কথাবতৰা পতা হয়। জ্ঞানদাভিৰাম বৰুৱা আছিল কথাপতাৰ এজন আহি পুৰুষ। কথোপকথনৰ সাধাৰণ নিয়ম ভঙ্গ কৰা জনক তেখেতে সমুলিকে দেখিব নোৱাৰিছিল। এদিন বাকত এখনৰ সম্পাদক এজনে প্ৰবন্ধ বিচাৰি তেখেতৰ ওচৰলৈ যাওঁতে, তেখেতৰ "আপোনাৰ এতিয়া কেই বছৰ হৈছে" বুলি বয়সৰ কথা সুধিলে। সম্পাদকজনৰ অভদ্ৰ প্ৰশ্নৰ উত্তৰত বৰুৱা ডাঙৰীয়াই লাহেকৈ মাত লগালে "আপোনাক চিনি পোৱা নাই। মোৰ মৃত্যুবাঞ্ছা কৰা বন্ধু আপোনাক হৈ পাৰে৷।" সমিধান পাই সম্পাদক 'বন্ধুৱেক" গৰাকীয়ে প্ৰবন্ধ বিচৰা আছোক ছাৰি, তেখেতৰ আগৰপৰা আঁতৰি যাবলৈ তত হেৰাল। আৰু এদিন তেখেতৰ "অভিৰাম" পঁজাত আমি তিনিজন কথা পাতি আছিলোঁ। এনেতে দুজন ভদ্ৰ বঙালী তালৈ সোমাই আহিল। বৰুৱাই পোনেই ইংৰাজীৰে তেওঁবিলাকক বহিবলৈ কৈ আমাৰ তিনিউকো মানুহ দুজনেৰেসৈতে চিনাকিকৈ দিলে আৰু তেওঁবিলাকৰ পৰিচয়ো আমাক দিলে। দুয়োজন বঙালীৰে গুৱাহাটীত দুপুৰুষ নিবাস। তাৰে এজনে লগৰীয়াজনক বৰুৱালৈ টোঁৱাই 'এখেতে বঢ়িয়া বঙলা কব পাৰে' বুলি কৈ বঙলাৰেই লেজুৱা কথাৰ ওৰা পাতিবলৈ ধৰিলে। তেতিয়া বৰুৱাই মৃদু বাক্যেৰে বঙালীজনক সোঁৱৰাই দিলে যে তেওঁ (বৰুৱাই) বঙলাৰে কথা আৰম্ভ কৰা নাছিল—কৰিছিল ইংৰাজীৰে। সেই দেখি, হয় তেওঁ (বঙালীজনে) ইংৰাজীৰে কথা পাতক, নহয় আনক কবলৈ সুবিধা দিয়ক। আহুকালত পৰি, বঙালী ভদ্ৰলোকজনে আদখিনিতে কথাৰ আঁত ছিঙি পেলাব লগীয়া হ'ল। ফিৰিকা দিনা তেখেতৰ ওচৰলৈ গলত, বৰুৱাই আগ দিনাৰ বঙালী কিজনৰ কথাপতা-ছলটোলৈ উদ্দিয়াই এই লেখকক এই মৰ্মে কৈছিল, "বুইচা, বাপা, আমাৰ মানুহে আজিলৈকে কথা পাতিবলৈ নিশিকিলে। নেদেখিলা, কালি সেইদুজন লোকে নিজৰ কথাটোকে ঘুৰি-ঘুৰি—অ' পেৰেনীয়াই-পেৰেনীয়াই—কেনেকৈ কৈ আছিল। আমাৰ মানুহে সময় আৰু ভদ্ৰতাৰ মাত্ৰা নেজানে দেখি হে ইংৰাজ একোজনৰ ওচৰত কেতিয়াবা-কেতিয়াবা হাঁহিয়াতৰ পাত্ৰ হব লাগে। দুদিন মান হ'ল সম্পাদক এজন আহি

সোধ নাই পোছ নাই পোনেই মোক বয়সৰ কথা সুধি মৃত্যুৰ ফাললৈ ঠেলি পঠিয়াইছেহি।” তেওঁ আৰু কৈছিল, যে ভাত এটা পিটিকিলেই যেনেকৈ চাউল গোটা সিজিছেনে নাইসিজা ক'ব পাৰি, মানুহ এবোজনৰ ভদ্ৰতা-অভদ্ৰতাও তেনেকৈ এষাৰ কথাতেই বুজিব পাৰি। পদুলি মুখৰ নঙলা বা দুৱাৰ মেলি গলে আকৌ মাৰি বা জপাই থব লাগে; গৃহস্থই বহিবলৈ নকয় মানে বহিব নেলাগে; অবাবত লোকৰ ঘৰত সময়ে-অসময়ে ফেদেলিপুৰাণ মেলিব নেপায়—এইবোৰ ভাতৰ-লগত-পানীখোৱাৰ নিচিনা নিচেই সামান্য কথা। তাকো যে আমাৰ মানুহে আজিলৈকে নিশিকিলে, সেইটোহে পৰিতাপৰ কথা।

বৰুৱা ডাঙৰীয়াই প্ৰ'য়েই চাহাবৰিলাকৰ দয়-দস্তুৰৰ কথা, সিবিলাকৰ ফুৰাচকা, খোৱাবোৱা, সোধন-পোচনৰ কথা কৈ বৰ ভাল পাইছিল। তেওঁৰ ওচৰলৈ গলেই এনেকুৱা কথা এটা-নহয়-এটা উলিযাবই। এদিন ডিব্ৰুগড়ৰ ৺গোপাল পুৰীভূঞাৰ কথা ওলাল। ভূঞাই চব ডেপুটী কলেক্টৰৰ কাম কৰিছিল আৰু ব'দে-বৰষুণে, বাহিৰে-ভিতৰে সদায় মূৰত “ফেল্ট হেট” এটা পিন্ধিয়েই ফুৰিছিল। সাজেপাৰে তেনেই টিপ্‌টপ্‌ চাহাবেই আছিল। ইংৰাজৰ শিষ্টাচাৰ অৱশ্যে পৰিপাটিকৈ নেজানিছিল। ইংৰাজী দস্তুৰ মতে মূৰত টুপী পিন্ধি যাৰে-তাৰে চ'ৰাৰ ভিতৰলৈ সোমাব নেপায়। পুৰীভূঞাই কিন্তু টুপী নেৰেই আৰু তেওঁ সতকাই টুপী সোলোকোৱা বিধৰ ভকতো নহয়। এদিন তেওঁৰ অফিছৰ বৰমূৰীয়া বিষয়া মেকচুইনী (Mac Swinny) চাহাবৰ ওচৰলৈ যক। চাহাব ভিতৰত অফিছত বহি আছে। পুৰীভূঞাই মূৰত টুপীটোৰেসৈতে, গপগপ্‌ কৰে অফিছৰ ভিতৰলৈ সোমাই চাহাবক চেলাম দিলেগৈ। চাহাবে ভূঞাৰ মূৰত টুপী দেখি ভূঞাৰ আচৰণটো অশিষ্ট দেখি হাঁহি এটি মাৰি কলে, “Well Bhuyan, you have got a brand new hat!” (ভূঞাদেও, আপোনাৰ টুপীটো নতুন-ন)। ভূঞাও প্ৰত্যুৎপন্ন মতিত তেনেই লেহেৰা নাছিল। চাহাবৰ কথাৰ পাকটো বুজি তৎক্ষণাৎ কৈ পেলালে, “Yes, sir, I have paid for it.” (হৈছে দেউতা, টুপীটো পইচা দি কিনা অৰ্থাৎ কিনা হাঁহৰ ঠোঁটলৈকে মঙহ, কিয় এৰিম ?) জ্ঞানদাভিৰাম অকল সলিয়ত (কাগচাৰ্ড) ভদ্ৰলোকেই নাছিল, এনেকুৱা ধেমেলীয়া-টেটকুটিয়া জীৱন্ত কাহিনীৰ ভঁড়ালো আছিল।

নগাৱঁত লৰিছুৰা চালুকীয়া অৱস্থাবেপৰা কলিকতাত পঢ়িগুনি ডাঙৰ-দীঘল ডেকা হৈ লণ্ডনত বেৰিষ্টৰী পঢ়ালৈকে আৰু তাৰ পাচত, কলিকতাত থাকি, গুৱাহাটীত হাকিম হৈ, আৰ্ল-ল-কলেজৰ প্ৰিন্সিপেল কামৰপৰা অৱসৰ লৈ, উত্তৰ ভাৰতত ভ্ৰমণ কৰি আহি, "অভিৰামত" জিৰণি লোৱালৈকে যতবিলাক বন্ধু বান্ধৱ, কুলি-মালী, লিগিৰা-লিগিৰী, ছাত্ৰ-কৰ্মচাৰীবেলৈতে তেখেতৰ ক'ৰবাত এদিন লগ পোৱাপুই হৈছিল বা এষাৰ কথা পাতিছিল সিও তেখেতৰ চকচকীয়া স্মৃতি শক্তিৰ কুক্ষিত মৰা দিনলৈকে থাকি বাহি আছিল। বকৰাৰ বয়স যেতিয়া কতীয়া বছৰেৰে তিনিকুৰি দহৰো ওপৰ পাইছিলগৈ, তেতিয়াও তেখেতে সেই নগাৱঁতে পাইঅহা বুঢ়া একোজনকো লগ পালে ঘপ্ কৰে বুঢ়াজনৰ নামটো ধৰিহে মাত লগাইছিল। দেখোতা-শুনোতাই বিচুৰ্ত্তি খাইছিল।

"আসাম বন্ধুৰ" সম্পাদক, অসমীয়া ভাষাৰ একনিষ্ঠ সেৱক ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱা দেউতাকলৈ অচলা ভক্তি, বাইদেৱাক স্বৰ্ণলতা বায়লৈ হিয়া-ভৰা মৰম, করুণাভিৰাম-কমলাভিৰাম ককায়েহঁতলৈ অকৃত্ৰিম স্নেহ আছিল দেখিয়েই জ্ঞানদাভিৰাম বৰুৱাই অসম আৰু অসমীয়া জাতিটোক বুকুত সুমুৱাই লব পাৰিছিল। এই খিনিতে, তেখেতৰ পিতৃদেৱতাক অসমীয়া ভাষা-প্ৰেমত কেনেকুৱা বলিয়া আছিল, কলে হে গুণাভিৰামৰ পুত্ৰ জ্ঞানদাভিৰাম পৈতৃক সাহোনৰ উত্তৰাধিকাৰী হোৱা ঐতিহ্যৰ উপলব্ধি কৰিব পৰা হব :—

"হেৰি" মাতষাৰ বা সম্বোধনটো অসমীয়াৰ বাপতিসাহোন। অসমৰ মাটিত থলুৱা হোৱা বা অসমীয়াৰ জাকত-জীণযোৱা মানুহ মাত্ৰেই, সকলোৰে মুখত দিনটোত এবাৰ-নহয়-এবাৰ "হেৰি" মাতষাৰ ওলাবই ওলাব। "হোৰয়ে" জাত-কুল, ধৰ্ম্ম সম্প্ৰদায় একো নেমানে। এবাৰ নগাৱঁৰ উকীল ঘনশ্যাম বেজবৰুৱা (চিকৰী বাবুক) লগত লৈ গুণাভিৰাম বৰুৱা কাশীলৈ গৈছিল। তীৰ্থযাত্ৰীৰ হিঁচহিঁচত, কাশীত বিৰ দিও বাট পাবলৈ নাই। সেই সাগৰ যেন মানুহৰ মুৰৎ মাজতে ৰায় বাহাদুৰে নলবাৰী ফালৰ এগৰাকী বিধৱা তীৰ্থযাত্ৰিনীয়ে, আন এগৰাকী যাত্ৰিনীক "হেৰা বাই, হেৰা বাই" বুলি চিঞৰি-চিঞৰি মতা মাত এবাৰ শুনিলে। যেই শুনিলে সেই নগাৱঁত সাদিন-থাপ-দিও-লগ-পাব নোৱৰা, গহীন গম্ভীৰ পুৰুষ ৰায় বাহাদুৰ গুণাভিৰামে খেদা মাৰি গৈ মানুহ জনীক সাবট্ মাৰি ধৰিলেগৈ। চিকৰী বাবুৱে তমান খাই মাত লগালে,

"হৰি ! হৰি ! কি কাম কৰিলে ? ইমান প্ৰভাৱ মাজতে মাহুহজনীক পৰা মাৰি ধৰিবলৈ আপোনাক কি হে পালে ?" গুণাভিৰামে গৌৰৱদীপ্ত প্ৰফুল্লতাৰে উপৰাই চিকৰা বাবুক সমিধান দিলে, "মোক হেৰি-প্ৰেমে বলিয়া কৰিলে।" সেই হে, এই হেন হেৰি-প্ৰেমৰ বাগীত পৰা গুণাভিৰামৰ পুত্ৰ জ্ঞানদাভিৰামে ওঁজুৱা অসমীয়া সমাজত ক'ৰবাত কেনেবাকৈ এটাছোৱান নিভাঁজ অসমীয়াত্ব দেখিলেই আপোন-পাহৰা হৈছিল। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, কমলাকান্ত ভট্টাচাৰ্য্যৰ কথা, "কৈ থাকে মানে যেন ওৰকে নপৰে" এনে ভাৱে মুৰ্ত্তৰ হে তেওঁলোকে হাতত কাপ তুলি লৈছিল। তেওঁলোকৰ ওচৰলৈ যোৱা ডেকা লিখকবিলাকক সদায় সতক কৰি দিছিল, "আমাৰ মাহুহৰ মোল আমি মুখুৱলে কোনে বুজিব হে ! আমিয়েই আমাৰ মাহুহক ডাঙৰ কৰিব লাগিব—সেয়ে গুণ অনুসৰি। ঠাইমচা অসমীয়া বেটী এজনীৰ-পৰা আৰম্ভ কৰি হাকিম-ডাঙৰীয়া পৰ্য্যন্ত সকলোৰে অন্তৰ ধন সেই বাবেই জে বৰুৱাই অধিকাৰ কৰি আছিল।

উইলিয়াম কাউপাৰৰ (William Cowper) "পত্ৰাৱলীয়ে" এতিয়াও যেনেকৈ ইংৰাজী সাহিত্যত উচ্চ আৰু বিশিষ্ট স্থান পাই আছিছে, আমাৰ জে,- বৰুৱাৰ চিঠি-পত্ৰবিলাকেও তেনেকৈ অসমীয়া সাহিত্যত স্থান লাভ কৰিব—যদি এটাইবোৰ চিঠি সংগ্ৰহ কৰি উলিয়াব পাৰি। আগৰ ছোৱাত লেখা চিঠিৰ সৰহ ভাগেই ইংৰাজীৰে লিখা। তৰ্জ্জমা কৰি উলিয়ালে, তাৰ ভাষাটোৱে নেদেখুৱায় যদিও, ভাবটোইতে নিশ্চয় জে বৰুৱাৰ অন্তৰে-বাহিৰে স্বৰূপটো দেখুৱাব।

কাৰোবাৰপৰা চিঠি এখন পালেই তৎক্ষণাৎ বৰুৱাই তাৰ উত্তৰ দিবই। চিঠিৰ উত্তৰ নিদিয়াটো তেওঁৰ মানত বৰ অগৰৰ কথা। তেওঁতে পোৱা মাহেকীয়া পেঞ্চনটোৰে ঘৰৰ খৰচ জোৰাব পৰা নাছিল। মাহৰ শেষৰ ফালে, সেই বাবে, কেতিয়াবা-কেতিয়াবা, হয় লাগতিয়াল বস্তুকে তাকৰকৈ কিনিছিল, নহয় কোনোবা সদাশয় দোকানীৰপৰা দুই চাৰি পদ বস্তুকে ধাৰলৈ আনিছিল। সেই বুলি, চিঠি-পত্ৰৰ উত্তৰ দিবলৈ লগা কাৰ্ড-লেফাফাৰ নাটনি পেলোৱা নাছিল। পেন্সনৰ টকা পোৱাৰ লগে-লগে মাহেকটোলৈ জোৰাকৈ ডাকঘৰীয়া টিকত-লেফাফা অনাই থৈছিল। কিতাপ-পত্ৰ বহুতেই কিনে আৰু বহুতেই লোকৰপৰা উপহাৰো পায়। বৰুৱা ডাঙৰীয়ায়ো সেইদৰে পায়।

যেনে কিতাপ তেনে দৰে পেলাই থোৱাটো বহুতৰে যেনে দস্তুৰ, পোৱা কিতাপখন 'প্ৰাপ্তমাত্ৰেন' খৰচি মাৰি পঢ়ি তাৰ দোষাদোষ উলিয়াই প্ৰাপ্তিস্বীকাৰ কৰাটোও, ওলোটা পাকে, বকৰুৱা ডাঙৰীয়াৰ তেনে ধৰ্ম। মৃত্যুৰ আগলৈকে তিনিকুৰি চৌদ্ধ বছৰ পাৰ হৈ পোন্ধৰ বছৰৰ সোঁমাজত ভৰি দিও জে, বকৰাই হাতৰপৰা কিতাপ এৰা নাছিল। তেতিয়ালৈকে শোৱা বা বহা আসনৰ দাঁতিতে, ইংৰাজী আৰু অসমীয়া অভিধান দুখনৰ লগতে বিবিধ বিষয়ৰ পুথি পঢ়িয়েই ডকুৰা জীৱনটো অতিবাহিত কৰিছিল। "অপাৰ অনন্ত জ্ঞানৰ" শাস্ত্ৰ সমুদ্ৰ লুটিয়াই পঢ়ি চাবলৈ বুঢ়া জে বকৰুৱাৰ মানত ৭৫ বছৰ বয়সত হে যেন আকৌ ২৫ বছৰীয়া দিনটো আহিছে। কোনো গ্ৰন্থ, পুথি নাইবা কিতাপৰ মূল্যাঙ্কন কৰি জ্ঞানদাভিৰামক সাহিত্যসভাৰ সভাপতি আসনত বহুৱাব লগা হৈছিল; বহুৱা হৈছিল মানুহজনেই সাহিত্যৰ আধাৰ বুলি হে।

জে, বকৰুৱা সঁচা-সঁচি সাহিত্যিক আছিল; অসম সাহিত্য সভাৰ উত্তৰ লক্ষীমপুৰ অধিবেশনৰ সভাপতিও আছিল। আনৰ দৰে, তেখেতে নিজৰ কিতাপ কেইখনকে প্ৰচাৰ নকৰি, আন আন ভাল ভাল সাহিত্যিকৰ কিতাপ নগদ পইচা দি কিনি আনি বিয়াবাৰুত উপহাৰ দি সাহিত্যৰ প্ৰচাৰ কৰিছিল। সৰু-সৰু লৰাছোৱালীইঁতকো সেই দৰে বাছকবনীয়া কিতাপ হে বিচাৰি আনি দিছিল। অইন কি, বিহুৱে-সংক্ৰান্তিয়ে, বঙে-ৰেমালিয়ে, কোনোবাই কিবা উপহাৰ দিব খুজিলে পুথি-পত্ৰ উপহাৰ দিবলৈ হে উপদেশ দিছিল। বিহুমেলা৽ তেখেতে এবাৰ সভাপতি স্বৰূপে, বাৰেবঙলুৱা নামলাকটু বস্তু প্ৰতিযোগীবিলাকক উপহাৰ দিবলৈ পোৱাত বৰ বেজাৰ পাইছিল। আমাৰ জাতীয় উৎসৱত দেশীয় বস্তু উপহাৰ দিবলৈ নেপালে ভাল ভাল কিতাপকে দিয়া উচিত বুলি বিহুৰ পিছতো ভালেমান দিনলৈকে কৈ আছিল। সাহিত্যকেই সাহিত্যিকক মান নধৰিলে, যি হে আমাৰ দেশ, তাত অসমীয়া সাহিত্যই কেতিয়াও ঠন্ ধৰিব নোৱাৰে। বিলাতত কিতাপ উপহাৰ দিয়া, পঢ়ক-নপঢ়ক ঘৰেপতি একোটা পুথিভঁৰাল বা পুথিঠগা ৰখা, প্ৰতিযোগিতা-জয়ীসকললৈ সুৱাগী মেলাত ধুনিয়া বান্ধছাটৰ পুথি আগবঢ়োৱা ইংৰাজ জাতিৰ জনমৰ লগতে লাগি অহা যি শিক্ষা সেই শিক্ষাকে আজীৱন প্ৰচাৰ কৰিছিল স্বৰ্গীয় জে বকৰাই কথাই কামে।

গুণাভিৰাম বৰুৱাই লেখা, ছপা "ৰামনৱমী"খন কোনোৱা এজন নামজলা

সাহিত্যিকে বৰুৱা ডাঙৰীয়াৰপৰা "পঢ়ি পেলাই ঘূৰাই দিম" বুলি লৈ গ'ল। কিন্তু ত্ৰিছ বছৰেও আৰু সেই কিতাপটি তেওঁৰ হাতলৈ ঘূৰি নাহিল। পাহৰাই-পাহৰাই সেই আপুৰুগীয়া কিতাপটি নিওতাজনে নিজৰ হাতলৈ একেবাৰেই সৰকালে। দেউতাকৰ কিতাপৰ কথা ওলালেই জে, বৰুৱাই সেই সাহিত্যিক জনৰ হাতলৰা স্বভাৱটিলৈ আঙুলিয়াই বৰ আক্ষেপেৰে কৈছিল, "কাকো কেতিয়াও কিতাপ ধাৰলৈ নিদিবা। কাৰোবাৰ যদি পঢ়িবৰ মন থাকে, তেওঁক কিনি আনি পঢ়িবলৈ কবা।"

জে, বৰুৱাৰ এসময়ত অতি চিনাকি এটা কুকুৰ আছিল। তাৰ নাম দিছিল "টাইগাৰ"। টাইগাৰক লৈ নো কিমান কথা! কুকুৰৰ স্বভাৱ ফঁহিয়াওঁতে-ফঁহিয়াওঁতে কেতিয়াবা তেওঁ মানুহৰ মনস্তত্বৰ বিষয়েও একো বকলা বক্তৃতা দিবলৈ ধৰে। মানুহটি দেখিলেই জে, বৰুৱাই মানুহটিৰ মনৰ ভাব ধৰিব পাৰে তেতিয়া তেওঁক দেখা কৰিবলৈ যোৱা মানুহটিক পোনেই তেখেতে "You look better" আৰু প্ৰকাৰে কৰলৈ গলে "তোমাক বৰ ভাল দেখিছোঁ" বুলি সম্ভাষণ কৰে। আটোমটোকাৰিকৈ সাজপাৰ পিন্ধাটিক বৰকৈ ভাল লাগে আৰু অধলাটিক নিজৰ গাটি কেনেকৈ পৰিপাটিকৈ সজাব পাৰি তাৰ দিহা বুদ্ধি দিয়ে।

তৃতীয় ল'ৰাছোৱালীৰ মানত জ্ঞানদাভিৰাম বৰুৱা আছিল সাক্ষাৎ দয়াৰ সাগৰ। বৰুৱাদেৱে ভাবিছিল নৰেই নাৰায়ণ। লেতেৰা নেপালী ল'ৰা-ছোৱালীবোৰে সদায় তেখেতৰ ওচৰত লাটিপুটিকৈ থাকে, তথাপি একণমানো আমনি নেপায়, অইন ছাৰি কেতিয়াও ডাবি এবাৰো নিদিয়ে; সিইতক খোৱাৰ লগৰে একো টেপা দিবলৈ পালে জ্ঞানদাভিৰামৰ অপাৰ আনন্দ। সেই বাবেই হ'বলা, তেখেতৰ মৃত্যুৰ সময়ত ওচৰচুবুৰীয়া দুখীয়া নিছলা ল'ৰাছোৱালী-বোৰে "আজিৰপৰা আমি মাউৰা হলোঁ" বুলি কেঁকুৰি-কেঁকুৰি কান্দিছিল। "হাত নেপাতিবা, আশা ভঙ্গ হব, কৰিবা সকলো দান—" নীতি মানি চলাত কেতিয়াবা-কেতিয়াবা তেখেত লঘোনেও থাকিব লগীয়া হৈছিল। পাৰিতপক্ষে, হাতপতাজনক জে, বৰুৱাই বিমুখ নকৰিছিল। সোঁহাতে দান দিয়া কথাটো বাওঁ হাতে যদিও জনা নাছিল, তথাপি তেখেতে এদিন মন্ত্ৰী এজনৰ চৰিত্ৰৰ বিষয়ে উলিয়াওঁতে এবাৰ কথা বৰ বিবাদেৰে কবলগীয়া হৈছিল, সেইবাৰ হৈছে—তেখেত ল-কলেজৰ প্ৰিন্সিপেল হৈ থাকোতে, ল-কলেজত

পঢ়া ছাত্ৰ এজনক কলেজৰ ফীজ আৰু আন আন খৰচ দি পঢ়ুৱাই সেই ছাত্ৰটিক তেওঁ মানুহ কৰিলে আৰু কালৰ চক্ৰত সেইটি লৰায়েই দেশৰ এজন নেতা হৈ অসমৰ মন্ত্ৰীও হ'লগৈ। মন্ত্ৰীবাৰ ভোগ কৰি থকাদিনতে জে, বৰুৱাৰ "অভিৰাম" পঞ্জাটিৰ আগেদিয়েই সেই ছাত্ৰজন কতবাৰ নো মাকোটিৰ দৰে অহা-যোৱা নকৰিলে, তথাপি "আলি কাষতে সেই উপকাৰী মানুহজন শয্যাগত হৈ পৰি আছে, এবাৰচোন চাই যাওঁ", এই বুলি এদিনো যদি তেওঁ ভুমুকি এটা মাৰিলেহেঁতেন নাইবা মটৰখনকে থন্তেকমান ৰখালে হেঁতেন!"

এইষাৰ কথা কৈয়ে—তেখেতে হুমুনিয়াহ এটা কাঢ়ি নিজকে নিজে প্ৰবোধ দিলে—"হায় কৃতজ্ঞতা, তোমাৰেই নাম ধন আৰু ক্ষমতা!"

(Gratitude, thy name is pelf & power !)

আজি গুৱাহাটীৰ শিলপুখুৰীলৈ যোৱা আলিটো দীঘল দি পৰি আছে: তাত হটঙ্গা দেৱতুল্য পুৰুষজনৰ পদচাৰণ নাই—যাৰ পদৰেণু শিৰত লৈ শ-শ বিকৃষৱালা সন্তোষেৰে বৰচহকী হৈছিল। "সৌটো ঘৰতে জে, বৰুৱা থাকে" বুলি কোনেও আজি ভয়ে-সন্মানে "অভিৰামৰ" ফালে কেৰাহিকৈও নেচায়। "টাইগাৰৰ" বৌৱনি কাহানিবাই মাৰ গ'ল। "বৰলা ভকতৰ" ঘৰত—জাককৰা লৰাছোৱালীৰ আজি ঘিটঘিটনি নাই, খিকিন্দালি নাই। আজি "অভিৰামৰ" আগচোঁতাল উকণ্ডা। 'অভিৰাম' পঁজাত আজি সেই গলগলীয়া, হুৰহুৰীয়া মাত নাই। কেম্প-চেয়াৰত থমথমকৈ আঁউজি, হাতত কিতাপ লৈ বহি থকা, দীঘল কাণ-লতিৰে সদানন্দ সভাগুৱনি পুৰুষ জ্ঞানদাভিৰাম বৰুৱা যে আৰু আমাৰ মাজত নাই! ১৮৭৬ শকৰ ১৩ মাঘ (২৭ জানুৱাৰী ১৯৫৫) বাসন্তী-পঞ্চমীৰ উককা দিনা সোঁশৰীৰেৰে (কাকো কষ্ট নুখুৱাকৈ আৰু নিজেও নেখাই) বৈকুণ্ঠপুৰীলৈ গমন কৰিলে। 'অভিৰামৰ' ঘৰজেউতি" উৰি গল।*

* "১৯১২ চনৰ মাৰ্চ মাহৰ ২২ তাৰিখে আনৰেবোল মিষ্টৰ জষ্টিচ এ. চৌধুৰীৰ ঘৰত শ্ৰীযুক্ত ৰবীন্দ্ৰনাথ ঠাকুৰ বিৰচিত "বাল্মিকী প্ৰতিভা" নামে এখন নাটকৰ অভিনয় হৈছিল। • • • বৰ আনন্দৰ কথা যে এই অভিনয়ৰ ভাৱৰীয়াসকলৰ ভিতৰত অসমীয়াও আছিল, তেওঁলোক শ্ৰীযুক্ত জ্ঞানদাভিৰাম বৰুৱা বেৰিষ্টৰ-এট্-ল আৰু শ্ৰীযুক্ত লক্ষ্মীনাথ বেজবৰুৱাৰ দুটী জীয়েক শ্ৰীমতী অৰুণা আৰু শ্ৰীমতী ৰত্নাৱলী। শ্ৰীযুক্ত জ্ঞানদাভিৰাম বৰুৱাই ডকাইতৰ চৰ্দ্দাৰ আৰু অৰুণা আৰু ৰত্নাৱলীয়ে বনদেৱীসকলৰ ভিতৰত দুই বনদেৱীৰ ভাও দিছিল। সকলোবোৰ ভাৱৰীয়াৰ ভিতৰত আমাৰ বেৰিষ্টৰ বৰুৱা ডাঙৰীয়াৰ ভাও ইমান ভাল আৰু

'অভিৰাম' আজি নাই। নাই হলেও "ঘৰজেউতিৰ' শত স্মৃতিয়ে গজলীয়া ডেকাৰ অন্তৰত ভদ্রতা-মহানুভৱতাৰ গপগপনি তুলি থাকিব।

ইমান আনন্দদায়ক আৰু স্বাভাৱিক হৈছিল যে সকলোৱে দেখি মুক্তকণ্ঠে তেওঁক প্ৰশংসা কৰিছিল। আজিলৈকে বৰুৱা ডাঙৰীয়াৰ ভাওৰ সুখ্যাতি কলিকতাৰ মানুহৰ মুখৰপৰা গুচা নাই। বৰলাট-পত্নী লেডী হাৰ্ডিংও বৰুৱা ডাঙৰীয়াৰ "একটিং" দেখি ইমান প্ৰীতি লভিছিল যে সেইজন অভিনেতা কোন, এই কথা জজ চৌধুৰী চাহাবৰ পত্নীক সুধি জানি লৈছিল। "এম্পায়াৰ" কাকতৰ পৰা দুশাৰীমান তলত তুলি আমাৰ কথাৰ আভাস দিওঁ মাথোন:—

"Incidentally to the main plot, there was a dozen wood-nymphs (বনদেৱী), who captivated the hearts of all and a band of jovial dacoits whether on the stage or off. The Lieutenant of the gang was Mr J. Barooah, who was a most popular villain"—"Empire", 23rd March, 1912.

—চন্দ্ৰকুমাৰ আগৰৱালা

আত্মমৰ্য্যাদা বুজোতা
৺পৃথুবৰ বৰকাকতী ৰাইডঙীয়া ফুকন

অসমৰ বৈৰী মানক খেদাই পৰাক্ৰমী ইংৰাজ সেনাই অসম দেশখন বৈৰত কৰাৰ পাছত এই দেশৰ প্ৰকৃত শাসন-ভাৰ আমাৰ মানুহৰ হাততেই পৰিছিল। বৰ্ত্তাদিনীয়া বৰুৱা-ফুকনৰ বিষয়-বাব লৈ আমাৰ মানুহেই শোধৰ গৰাকী হৈছিল। যত যি এজন দুজন ইংৰাজ বিষয়া আছিল তেওঁ-বিলাক ও নামত হে ইষ্টইণ্ডিয়া কোম্পানীৰ প্ৰতিনিধি হৈ আছিল। সেই দেখি তেতিয়াৰ ডা-ডাঙৰীয়া সকলে পৰাধীন হৈও স্বাধীন জাতিৰ দৰে পূৰ্ব্বৰ আচাৰ ব্যৱহাৰ আৰু নীতি-নিয়মৰ সম্মান অটুট ৰাখিব পাৰিছিল। বৃটিশ আমোলৰ শাসন নিকপ্-কপীয়া আৰু দিন খিলঞ্জী হৈ আহিবলৈ ধৰা অনুসৰি ইংৰাজ অধিপতিসকলৰ ক্ষমতা বাঢ়িবলৈ ধৰিলে আৰু ক্ৰমান্বয়ে বজাৰৰীয়া বিষয়-বাসনা খোৱা আমাৰ মানুহৰ স্বেচ্ছাচাৰৰ ওপৰতো চিকুটটো-আঁচোৰটো পৰিল। তেতিয়া হে আমাৰ সম্ভ্ৰান্ত পুৰুষসকলে লোকৰ অধীন বুলি বুজিব পাৰিলে। তথাপি সেই কালত যি সকল নামজ্বলা গণ্য-মান্য পুৰুষ আছিল সেই সকলে নিজৰ স্বাৰ্থৰ ওপৰত চিকুট পৰা দেখিলে বা মুকলি মনৰ ভাব প্ৰকাশ কৰা মুখত বাঘ-জৰী লগোৱা যেন দেখিলে কিম্বা সেই কামত কোনোৱে অথালি-পথালি কৰা যেন বুজ পালে দুই চাৰি-আষাৰ খোলা কথা কৈ চুঙাটো চাই সোপাটো দি থৈছিল। সেই বাবেই আজিও কোনো কোনো বিদেশী বিষয়াই তোষামোদ কৰিয়েই হওক বা অন্য কিবা কাৰণতেই হওক তেখেতসকলৰ হকে পেটেৰে নহলেও মুখেৰে একোবাৰ প্ৰশংসাৰ কথা কয়। সঁচাসঁচিকৈয়ে 'তেখেতসকল আমাৰ সম্মানৰ পাত্ৰ। ওপৰত নাম দিয়া ৺পৃথুবৰ বৰকাকতী ৰাইডঙীয়া ফুকন ও এই সম্মানাৰ্হ লোক-সকলৰ ভিতৰৰে এজন।

৺পৃথুবৰ বৰকাকতীৰ পূৰ্ব্ব-পুৰুষ ৺গৌৰসিংহক মহাৰাজ ৰুদ্ৰসিংহই ভাটীৰ কনৌজপুৰৰপৰা আনাই অসমৰ মাটি পিয়ল কৰোঁতে টুকৰীয়াৰ কাকতী কামত নিযুক্ত কৰে। পাছত যেতিয়া আমাৰ আঠো খেল কাকতীক, ৰজাৰ

আদেশমতে ৰংপুৰ নগৰৰপৰা আঢৈ ক্ৰোশ নিলগৰ ধান-মাছ-খৰিৰে ভৰপূৰ ভোগালি ঠাই চাৰিঙত পাতে, তেতিয়াৰেপৰা ৰজাভগা দিনলৈকে এই খেল কাকতীৰো অৰ্থাৎ টুকৰীয়া কাকতীৰো চাৰিঙতে বাস হয়। এই চাৰিঙ, কাকতীসকলৰ নিমিত্তে ৰজাই আচুতীয়াকৈ ৰাখিছিল। সেই হে আজিও মানুহে কয় চাৰিঙত যি কাকতীৰ মাটি-ভেটি নাই সি কাকতী পাবত-গজা। বংশ গৌৰৱ কৰিব পৰা এই চাৰিঙতে মটক-জাগৰণৰ সময়ত ১৭০৮ শকত ৺পৃথুৰৰ বৰকাকতীৰ জন্ম হয়। এখেতৰ পিতৃৰ নাম ৺পৰ্শুৰাম বৰকাকতী। ৺পৃথুৰৰ, লৰাকালতে ঘাট-মাউৰা হয়। সেইগুণে, তেওঁ, তেওঁৰ ককাইদেৱেক ৺কবিচন্দ্ৰ ভৱানী বৰুৱাৰ আঁৰ-পাখিৰ তলতে ডাঙৰ-দীঘল হব লগীয়াত পৰে। ককাইদেৱেক ৺কবিচন্দ্ৰই ৰজাঘৰৰপৰা ৰাজযোগ্য সন্মান পাইছিল। কাৰণ, কবিচন্দ্ৰৰ সাধাৰণ আৰু উপস্থিত বুদ্ধি ইমান চোকা, তদুপৰি কবিত্ব-শক্তি ইমান তীক্ষ্ণ আছিল যে তেওঁ লেখোঁ বুলিলে কালমাত্ৰ অপেক্ষা নকৰি একেবাহে একোখন দুই মুনিহে আকোৱালি নোপোৱা পদ-পয়াৰৰ পুথি লেখিব পাৰিছিল। সেই অসাধাৰণ গুণতে মুগ্ধ হৈ ৰজাই তেওঁৰ সোঁৱৰণী আৰু মতা নাম সদাই কবিচন্দ্ৰ নাম দিয়ে আৰু ৰাজসন্মানৰ চিন স্বৰূপে ভৱানীবৰুৱাৰ বিষয় দান কৰে। তদুপৰি, তেওঁৰ নামেৰে মাছখোৱাৰ গড়ৰ কাষত এখন বেলেগ বাৰী পতাই এজোৰ পুখুৰী খনোৱাই দিয়ে, আৰু চাৰিঙৰ ঘৰৰপৰা অহাযোৱা কৰিবলৈ ভৱানী বৰুৱাৰ আলি নামেৰে এটি আলিও বন্ধাই দিয়ে। আজিকালিৰ Poet Laureate (ৰাজকবি) যেনেকুৱা আহোম-ৰজাৰ দিনত কবিচন্দ্ৰও তেনেকুৱাই আছিল। কিন্তু কবিচন্দ্ৰ যেতিয়া আদহীয়া, ভায়েক তেতিয়া চুৰিয়া পিন্ধিবলৈ শিকা চেঙেলীয়া ল'ৰা। কবিচন্দ্ৰ প্ৰায়েই ৰজাঘৰলৈ আহি যাই থাকে। এদিন তেনে-কৈয়ে ৰজাঘৰলৈ যাওঁতে লগতে ভায়েক পৃথুকো লৈ গৈছিল। কবিচন্দ্ৰৰ লগত ৰজাই কথা-বতৰা পাতি থাকোঁতে-থাকোঁতেই পৃথুলৈ ৰজাৰ চকু পৰাত ৰজাই কবিচন্দ্ৰক সুধিলে "ভৱানীবৰুৱা, তোমাৰ লগত এইটি কৰ লৰা?" কবিচন্দ্ৰই মূৰ দোঁৱাই মাত দিলে "এইটি বন্দীৰে সুমলীয়া ভাই।" ধীৰ আৰু দেখাত বুধিয়ক পৃথুৰলৈ ৰজাৰ মৰম লাগিল। 'ৰজাই পাতে যাক, ভেটি-মাটিও নেলাগে তাক।' সেই দিনাৰপৰাই পৃথুৰ কপাল ফুলি আহিল। ষোল বছৰ বয়সতে পৃথুক ৰজাই টাঙনী-কাকতী পাতিলে। পাঁচ বছৰ

সুখ্যাতিৰে টাজনী কাকত কাম কৰাৰ পাছত তেওঁ বৰকাকতী পদ পালে আৰু ৯ বছৰ বৰকাকতী থাকি বাইভতীয়া ফুকন হ'ল। তেতিয়া তেওঁৰ ঘৰেই এখন বহগাওঁ হৈছিল। অসংখ্য মহ-গৰু, বন্দী-বেটীৰে ঘৰ ভৰি পৰিছিল। মুঠতে দহপুৰা মাটি জোৰা তেওঁৰ বাৰীখনৰ চাৰিউফালে ছকুৰিতকৈও ওপৰ লগুৱা-লিকচৌৰ ঘৰেৰে বাইভতীয়া ফুকনৰ টোলটো এখন নগৰ যেন হৈ আছিল।

অসম দেশ ইংৰাজৰ অধিকৃত হলত ১৮৪৩ চনৰ আইন মতে লগুৱা-লিকচৌ আৰু বন্দী-বেটীবোৰক মুকলি কৰি দিয়া হয় আৰু তাৰ লগে লগে ডা ডাঙৰীয়া সকলে নিজে কাম-বন কৰিব নোৱাৰাত, ঠেক-ছিগা বেঙেনাৰ দৰে হ'ল। সেই গুণে বিচাৰৰ নাম কৰি ছৰ্কাৰে বহুতক আজীৱন বৃত্তি বা পেঞ্চন আৰু নিষ্কৰ মাটি দি জীৱিকাৰ সংস্থান কৰি দিয়ে। সেই অনুসাৰে, চাপ-কোৰ বাব বা ভাৰ-খোৰ কঢ়িয়াব নোৱৰা কায়স্থ কুলৰ ৺পৃথুৰৰ ফুকনেও বাৰ্ষিক ১৯২৲ টকা পেঞ্চন আৰু জীৱিত কাল পৰ্য্যন্ত ভোগ কৰি থাকিব পৰা ২৩।/১৩ পুৰা নিষ্কৰ মাটি পায় আৰু পো-নাতিৰ দিনলৈকে বংশানুক্ৰমে খাই থাকিবলৈ আঠখেল, গেলেকী, মৰিয়নী আৰু জকাইচুক, এই চাৰিটি মৌজাও পায়। মৃত্যু-কাললৈকে বাইভতীয়া ফুকনে এই সকলো সম্পত্তি ভোগ কৰি, ৰজা আৰু কোম্পানী দুয়ো ঘৰতে সুখ্যাতিৰে বিষয়-বাসনা খাই গোণাৰাম আৰু ভুৰৰ জ্যেষ্ঠ পুত্ৰ দুজনৰ হাতত মৌজাকিটা গতাই দি, ১৭৮৬ শকত ইহ সংসাৰ পৰিত্যাগ কৰিলে।

৺পৃথুৰৰ বৰকাকতী বৰ চহকী আৰু সাহিয়াল আছিল। তেওঁৰ বৰঘৰটো ন-খুঁটলীয়া, চৰা ঘৰটো এটা দঁতাল হাতী সোমাব পৰা আছিল। ভিতৰুৱা সম্পত্তিও তেওঁৰ অনেক আছিল। ধন-সোণ থোৱা সোণেৰে বন্ধোৱা বৰকলী, সৰুকলী আৰু চিকামৰী নামৰ তিনিটা পেৰা আছিল। বৰকলীটোত ৰজাঘৰীয়া আঠচুকীয়া মোহৰ মৰা ৰূপ থৈছিল; সৰুকলীত কোম্পানীৰ দিনৰ চিকা ৰূপ আৰু চিকামৰীটোত লডা সোণ আৰু সোণৰ মোহৰ ভৰাই থৈছিল। তেওঁৰ ইমান ধন-সোণ আছিল যে এবাৰ তেওঁৰ ঘৰ জুয়ে পোৰোতে আটাইবোৰ সোণ-ৰূপ গলি বাৰীখন ইটাৰ গুৰি যেন হৈছিল, সেই দেখি, এতিয়াও মানুহে গায়—

"ধনেৰে চহকী পৃথুৰৰ কাকতী
ঘৰতে লাগিলে জুই
ধনবোৰ উতলি বাৰীখন বান্ধিলে
যেন ইটাগুৰিৰ দুই!"

এইবাৰ ধৰ পোৰোতেই পৃথু ফুকনৰ ককাইদেয়াক কবিচন্দ্ৰ ভৱালী বৰুৱাই লিখা সকলো পদ পয়াৰৰ পুথি আৰু ৰজাঘৰীয়া তামৰ ফলি আদি জুইত পুৰি ভস্ম হয়। তেওঁৰ ধন-সোণ থোৱা পেৰা কেইটাত কালিকা লাগিছিল। সেইগুণে সাদিনে-সাদিনে পেৰাৰ বাবে ভোগ চৰোৱা হয়। ভোগ চৰোৱাৰ অলপ বঢা-টুটা ঘটিলেই ঘৰত অমঙ্গল হয়। তেওঁৰ প্ৰতাপ দেখি সামান্য হজুৰাৰপৰা ছাহাব চমুৱালৈকে সকলো তেওঁৰ ওচৰত নম্ৰ হবলগীয়া হৈছিল।

"অতি বৰ চহকী পৃথুৰৰ কাকতী
সোণেৰে বন্ধোৱা পেৰা
চমুৱা ছাহাবো ওলাই বৈ থাকে
চকুৰে দেখাৰেপৰা।"

এদিন তেওঁ ভৱালী বৰুৱা আলিয়েদি ডকাইচুক পথাৰলৈ তেওঁৰ মহ-পাল খেদি লৈ যাব। এনেতে, পছিম ফালৰপৰা ঘোৰাত উঠি বৰ্ত্তি ছাহাব (Brodie) আহক। ফুকনে আলতীয়া বোকাত এজাক অসমীয়া ম'হ খেদি নিয়া দেখি ছাহাবে ঘোৰা ৰখাই সুধিলে "এই জাক কাৰ মহ?" ফুকনে কলে "মোৰ।" ছাহাবে আকৌ সুধিলে "তই নো কোন?" পৃথুৰৰ বৰকাকতীয়ে কলে "শ্ৰীপৃথুৰৰ বৰকাকতী ৰাইডঙীয়া ফুকন।" তেতিয়া ছাহাবে অলপ বেলি টলকা মাৰি থাকি কলে "আপুনি কাকতীফুকন, বোকাত এনেকৈ মহ খেদাবলৈ অইন মানুহ নাই নে?" তেতিয়া ফুকনে ছাহাবক কেটেহাই কলে "বন্দী বেটীবোৰ কাটি নি এতিয়া লেৰেলা সাদৰখন দেখুৱাব নেলাগে, চাহাব।" ছাহাবে এৰো নামাতি ঘোৰা বাটেই গুচি গলগৈ।

চিপাহী বিদ্ৰোহৰ সময়ত এদিন হাউলাট ছাহাবে (Cap. Holrody) কাবুলী ঘোঁৰাত উঠি গাঁৱত বিদ্ৰোহৰ শুং-সূত্ৰ বিচাৰি ফুৰোঁতে হঠাৎ ৺ৰাইডঙীয়া ফুকনৰ পদূলী-মুখত থিয় হয়হি। এনেতে ফুকনৰ টোলৰখীয়া কুকুৰজাকে ছাহাবক ভৌ-ভৌ কৰে ভুকিবলৈ ধৰিলে। ছাহাবৰ ঘোঁৰা চঁক খাই আলিৰপৰা খাৱৈত পৰিলগৈ। ছাহাবো লুটুপ কৰে ঘোঁৰাৰ পৰা পিছলি পৰিল। খং আৰু লাজত পৰি ছাহাবে ফুকনক 'কুকুৰবোৰ গুলি দিওঁ বুলি কলে। ফুকনে ক্ৰোধ-মূৰ্ত্তিৰে উত্তৰ দিলে "চাহাব! তুমি আহিছা ৰাজবাটে, মোৰ কুকুৰে ভুকিছে মোৰ বাৰী-ভিতৰৰ নঙলামুখত। এনেস্থলত তোমাৰ কি এক্তিয়াৰ আছে মোৰ কুকুৰবোৰ গুলিয়াই মাৰিবলৈ? কোম্পানী বাহাদুৰৰ আইন-কানুন এনেকুৱা

হলে কৰই লাগিব, এইখন আইন অতি গোৰাৰ।" ফুকনৰ মুখত এনেকুৱা টান মাত শুনি ছাহাব মৌন হৈ ৰ'ল আৰু 'সচা কথাকে কৈছে বুলি তেওঁ ফুকনক শলাগিলে।

৺পৃথুৰৰ বৰকাকতীৰ জীৱনত এনেকুৱা স্পষ্টবাদিতাৰ উদাহৰণ ভূৰি-ভূৰি, যাৰ কথা শুনিলে আজিকালিৰ ভব্য ভব্য সকলো অলপ নহয় অলপ থমকি ৰব। সেই দিনৰ কথাই বেলেগ!

৺বৰকাকতী ফুকনৰ বিশেষত্ব এই ফেৰাই যে ধনে-জনে আবৃত থকাতো তেওঁ নিচেই সামান্য হুজুৰাৰ কাম কৰিবলৈও ঘিণ নকৰিছিল বা লাজ নাপাইছিল; বৰং লোককো নিজৰ কাম কৰি খোৱাত লাজ নাই বুলি উপদেশ হে দিছিল। ধন-সোণে তেওঁক মোৰ বুলিছিল যদিও, ব্ৰাহ্মণ-সজ্জন, সন্ত-মহন্ত, দুখীয়া-নিছলাই তেওঁৰ ওচৰত হাত পাতিলে সেই ধন-সোণৰ বাবে বুকুফিন্দাই কেতিয়াও 'না' বুলি সিবিলাকক তেওঁ বিমুখ কৰি নপঠিয়াইছিল। সেই গুণেই তেওঁৰ প্ৰতি বিধাতা পোন হৈ তেওঁক অজস্ৰ সম্পত্তিৰ অধিকাৰী পাতিছিল। কিন্তু কমলা যে চঞ্চলা, সেইবাবে তেওঁৰ অক্ষয় সম্পত্তি তেওঁৰ লগতেই ক্ষয় পালে। তেওঁৰ বৰপুতেক সোণাৰাম আৰু মুমলীয়া পুতেক ৰাধাকান্ত ফুকনে নিজ নিজ চৰিত্ৰ চেষ্টাৰ বলত আৰু পিতৃ দেৱেকৰ কীৰ্ত্তি শাশ্বত কৰি ৰাখিলে। ইয়াকেই বোলে বাপেক চাই পুতেক।

বৃটিশ আমোলৰ আদি যুগত অৰ্থাৎ পৰাধীনতাৰ প্ৰথম অৱস্থাত ৺মণিৰাম বৰ ভণ্ডাৰ বৰুৱা, ৺হলিৰাম ঢেঁকিয়াল ফুকন, ৺গৰ্গৰাম মজিন্দাৰ বৰুৱা, ৺লম্বোদৰ ফুকন, ৺ঘনশ্যাম খাৰঘৰীয়া ফুকন, ৺কৃষ্ণানন্দ ভৰালী বৰুৱা, ৺দীননাথ বেজবৰুৱা, ৺কৃষ্ণানন্দ হাতীবৰুৱা, ৺ভদ্ৰাম বৰবৰুৱা আৰু সেই সকলৰ লগতে উজ্জ্বল দিব পৰা এই প্ৰবন্ধৰ পিতানত থকা ৺পৃথুৰৰ বৰকাকতী ৰাইডঙীয়া ফুকনকে প্ৰমুখ্য কৰি যি সকল অসমীয়া পুৰুষ-সিংহই অসমীয়া জাতিৰ লুপ্ত আত্ম-সম্মান, গৌৰৱ আৰু মান-সম্ভ্ৰম অক্ষুণ্ণ ৰাখি যি দৃষ্টান্ত থৈ গ'ল সেই দৃষ্টান্ত অনুকৰণ কৰিব লগীয়া আমি আজি-কালি তেওঁবিলাকৰ সতি-সন্তান বুলি কবলৈকে লাজ লগাৰ কথা হৈছে। স্বৰূপাৰ্থতে, আমি বোপা-ককাৰ নাম লবলৈ লাজ পাওঁহক। কাৰণ, তেওঁবিলাকৰ দৰে আমাৰ সাহ আৰু সামৰ্থ্য নাই।

কৃষক-বন্ধু ৰায়চাহাব ৺নাৰায়ণচন্দ্ৰ বৰুৱা

অসমৰ এচুকত, যোৰহাটৰপৰা বহু নিলগত, লাহিং-মাজকুৰি নামে গাৱঁৰ ভিতৰত এজন মানুহ আছিল। সাগৰৰ তলিত মাণিক লুকাই থকাৰ দৰে তেৰোঁ লুকাই আছিল। বাতৰি-কাকতত নিতে-নাম-উঠাসকলৰ ভিতৰত



৺নাৰায়ণচন্দ্ৰ বৰুৱা

তেওঁক, সেই দেখি, চাৱলৈ পোৱা নহৈছিল। তেওঁৰ ধন নাছিল, ৰব হৈ-চৈ কৰিবলৈ ভালো নেপাইছিল। তেওঁ মাত্ৰ নিৰলে-নিৰলে থাননি-ফুলনি, শাকনি-বননিৰ মাজত সোমাই সেইবোৰৰ কোন বিধ নিবাৰ, কোন বিধ কৰ, কোন বিধৰ

ঠাই লবাব, কোন বিষয় ভাতটো কেনেকৈ সলাব বা ভাগুৰ কৰিব পাৰি ইয়াকে হে মাথোন ভাবি ফুৰিছিল :-

"ধন মাত্রে উৎপন কোৰ নাঙলৰ
কৃষকৰ প্ৰধান মিত্ৰ এই জগতৰ।"

জগতৰ মিত্ৰ কৃষক। কৃষকৰ খাই সঁজুলি কোৰ। সেই দেখি, পুৱে ডাঁৰ-নৌ-দিওঁতেই শোৱাপাটী এৰি, সন্ধ্যাপূজা আদি নৈমিত্তিক কাৰ্য্য সমাপন কৰি, এই কোৰ খনিকে লৈ তেওঁ পথাৰলৈ ওলাই যায়। নিৰন্তৰ দেখিব, তেওঁ কোৰ-কটাৰী ফাং-জবকা লৈ এবিধ নহয় এবিধ শস্য খুচৰিয়েই ফুৰিছে। কোৰ খনিয়েই তেওঁৰ সকলো। সিয়েই সম্বল, সিয়েই "কম্বল" (আচ্ছাদন)। অসময় অসংখ্য নাৰায়ণৰপৰা বেলেগাই দেখুৱাবলৈ, তেওঁ "কোৰ নাৰায়ণ" নাম লৈছিল। সেই "কোৰ-নাৰায়ণৰ" নামেই হৈছে কৃষক বন্ধু নাৰায়ণচন্দ্ৰ বৰুৱা। কোৰৰ গুণত মুগ্ধ হৈ বৃটিছ চৰকাৰে তেওঁক উপাধি দিছিল "ৰায়চাহেব"। গোত্ৰ কৌশিক; দেউতাক যোগেশ্বৰ শৰ্ম্মা বৰুৱা: মাক প্ৰভাৱতী দেবী। জন্মস্থান মেলেং, লাদৈগড়। জন্ম শক ১৭৯০, আহিন মাহ।

যোগেশ্বৰ শৰ্ম্মা বৰুৱা একালত বৰ প্ৰতিপত্তিশালী পুৰুষ আছিল। ধনে-ধানে, ঐশ্বৰ্য্য-বিভূতিয়ে, লগুৱা-লিকচৌৱে তেখেতৰ ঘৰখন বৰ গপগপীয়া আছিল। তেখেতৰ চাহ-বাগিছা আছিল সাতখন। ডাঙৰীয়া দীননাথ বেজবৰুৱা, ডাঙৰীয়া মহীচন্দ্ৰ বাৰুখোৱা, গঙ্গাগোবিন্দ ফুকন ছাহাব, মিত্ৰদেৱ অধ্যাপক, কৃষ্ণকান্ত হাতীবৰুৱা আছিল পৰামৰ্শদাতা বন্ধু। ধৰ্ম্মপৰায়ণ শৰ্ম্মা বৰুৱাৰ ঘৰত সাদিনীয়াকৈ বৰ-সবাহ, মাহেকীয়াকৈ সত্যনাৰায়ণৰ পূজা চলি আছিল। ব্ৰাহ্মণ-তনয় যোগেশ্বৰৰ ধৰ্ম্মনিষ্ঠাৰ ওচৰত খৃষ্টানধৰ্ম্মী য়ুৰূপীয় ছাহাববিলাকেও সেও নেমানি নোৱাৰিছিল। সিপিনে গোসাঁই-ঘৰত একনিষ্ঠভাৱে বৰুৱাই শঙ্খ ঘণ্টা বজাই পূজা-সেৱা কৰি থাকিব, আৰু ইপিনে চ'ৰা ঘৰত তেখেতক লগ পাবলৈ অহা বাগিছাৰ ছাহাববিলাক মাটিতে লেটি লৈ বহি থাকিব। দবা-বৰ-কাঁহ বজালেই পূজা শেষ হল বুলি জানি ছাহাববিলাকে চন্দন-তিলক শোভিত, উন্নত ললাটবিশিষ্ট, দোদুল্যমান উপবীতধাৰী, দীৰ্ঘাবয়ব ব্ৰাহ্মণ তপোধন জনক গোসাঁই ঘৰৰপৰা ওলাই-অহা মাত্ৰকে সভক্তি প্ৰণাম জনাব। এনেকুৱাই আছিল যোগেশ্বৰ শৰ্ম্মা বৰুৱাৰ সাত্ত্বিক ধৰ্ম্মশীলতা।

সেইজন ধাৰ্ম্মিক বৰুৱাৰে পঞ্চম সন্তান নাৰায়ণচন্দ্ৰ শৰ্ম্মা।*

ইষ্ট-মিত্ৰ, জ্ঞাতি-কুটুম্ব আৰু বিশিষ্ট বন্ধু-বান্ধৱৰ সহায়ত, নাৰায়ণচন্দ্ৰ বৰুৱাই ইচ্ছা কৰা হলে, নিশ্চয় কুৰি শতিকাৰ সভ্যতাৰ পোহৰত মূৰ জিলিকাই জীৱন নিৰ্ব্বাহ কৰিবলৈ যথেষ্ট ভৌতিক সমল সংগ্ৰহ কৰি লব পাৰিলেহেঁতেন। কিন্তু সেই অশাশ্বত যশস্যাৰ প্ৰাৰ্থী নহৈ তেওঁ ধৰিলেগৈ সকলোৱে অৱজ্ঞাৰ চকুৰে চোৱা বাণিজ্যৰ অঙ্গ কৃষি-কাৰ্য্যত। কংগ্ৰেছ-সভাপতিৰ বাণী—গ' বেক টু ভিলেজ—"গাৱঁত ধৰাঁগৈ"। বিখ্যাত ৰাজনৈতিক পণ্ডিতৰ দৃঢ় মত—খেতিয়কসকল দেশৰ ৰাজহাড়। কবিৰ বহুদৰাও খেতিয়কৰ জীৱনেই। পৃথিৱীবাচক "কৃষ্ণ" বা কিষাণত হে আমাৰ ভগৱন্ত আছে। সকলোৱে ভক্তি সমাদৰ কৰা এনে আদৰ্শকে কায়-মন-বাক্যে শিৰোগত কৰি, তাৰ চৰ্চ্চা অনুশীলনত আজীৱন ব্ৰতী থাকোঁতেই ১৮৬০ শকৰ ১৩ শাওণ, উকুৰবাৰে দুপৰীয়া ১২-৫০ মিনিটত নাৰায়ণচন্দ্ৰ বৰুৱাই মহাপ্ৰস্থান কৰিলে।

নাৰায়ণ বৰুৱাই সৰুতে ঘৰতে খিতাবন্ত কৰি পিতৃদেৱতাকে পাতি থৈ যোৱা পঢ়াশালিতে মাটিৰাম বৰা পণ্ডিতৰ গুৰিত অসমীয়া পঢ়ে। তাৰ পিচত, জগন্নাথ বৰুৱা হেজাৰী মৌজাদাৰৰ ঘৰত থাকি সংস্কৃত শিক্ষা কৰে। পণ্ডিত গৰাকীৰ নাম আছিল বাপীৰাম শৰ্ম্মা। এওঁ হঠাতে মৃত্যু হোৱাত সৰহ দিন পঢ়ুৱাবলৈ নেপালে। ইপিনে, নাৰায়ণৰ সংস্কৃত শিক্ষাও অসম্পূৰ্ণ হৈ থাকিল। অলপ দিন থাকি, আকৌ জাঁজীলৈ আহি কাশীনাথ শৰ্ম্মা পণ্ডিত দেৱৰ মুখে সংস্কৃত শিকেহি। কাশীনাথ পণ্ডিত বৰ সৰবৰহী লোক আছিল। ওচৰ চুবুৰীয়াৰ মৰমত তেওঁ ঘৰত থাকিবলৈকে নাপায়। সেই গুণে, পঢ়া-শুনাত অলপ ব্যাঘাত হোৱাত নাৰায়ণ বৰুৱা তাৰপৰা গুচি যাবলৈ বাধ্য হয়। [illegible] শক বা ১৮৮৪ চনত তেওঁ জাঁজী এৰি যোৰহাটত দিবাকৰ শৰ্ম্মা বৰ-পূজাৰীৰ ঘৰত থাকি ইংৰাজী পঢ়িবলৈ লয়হি।

দিবাকৰ বৰপূজাৰী আৰু তেওঁৰ ভাযেক ভায়াৰাম বৰপূজাৰী, সেই কালত যোৰহাট-শিৱসাগৰৰ ভিতৰত সুশিক্ষিত, সুমাৰ্জ্জিত আৰু শাস্ত্ৰালাপী ৰূপে সকলোৰে সম্মানাৰ্হ আছিল। অসমীয়া সাহিত্য ভড়াললৈও দুয়ো গৰাকী সাহিত্যসেৱকে দুটি-এটি লখিমী থোক থৈ গৈছে। দিবাকৰ বৰপূজাৰীৰ "[illegible]", 'অশোকাষ্টমী", "বেজালি পুথি", "মন্ত্ৰপুথি" লেখত লবলগীয়া।

* [illegible] বৰুৱাৰ পুত্ৰ :—কমলেশ্বৰ, জীৱেশ্বৰ, ধৰ্মেশ্বৰ, গোপালচন্দ্ৰ, [illegible] [illegible], [illegible]গোপালচন্দ্ৰ, [illegible]চন্দ্ৰ—৯ জন।

তাৰাধাৰৰ "খোৱাখুবুনী" পুথিখন সংস্কৃতিপ্ৰিয়ৰ নিমিত্তে মূল্যবান পুথি। ৰঘপূজাৰীৰ টোলত থাকি ভালেমান দখাই বিদ্যাশিক্ষা কৰিছিল। বিদ্যোৎসাহী ঘৰৰে এজনৰ দৰে থাকি, তৃতীয় শ্ৰেণীলৈকে ইংৰাজী পঢ়ি কিবা কাৰণ বশতঃ নাৰায়ণ বৰুৱা শিৱসাগৰ কৃপানাথ ফুকন চিৰস্তাদাৰ ডাঙৰীয়াৰ ঘৰলৈ আহে আৰু তাতে ৰহা সাজি শিৱসাগৰ হাইস্কুলত নাম লগাই পুনৰ পঢ়িবলৈ আৰম্ভ কৰে।

সেই স্কুলত চেকেণ্ড ক্লাছত (আজিকালিৰ নৱম মান) পঢ়োঁতেই হেড্‌মাষ্টৰে সাপ্তাহিক পৰীক্ষাত "পাছ" নোহোৱা ল'ৰাবিলাকক প্ৰতি সপ্তাহে প্ৰথম শ্ৰেণীৰপৰা ডিগ্ৰেড্ কৰি অৰ্থাৎ তললৈ নমাই নিবলৈ ধৰিলে। একোটা ল'ৰাৰ ভাগ্য এনেকুৱা হৈছিলগৈ যে সি একে বছৰতে প্ৰথম শ্ৰেণীৰপৰা (দশম মান) তললৈ নামি চতুৰ্থ শ্ৰেণী (সপ্তম মান) পাইছিলগৈ। নাৰায়ণ বৰুৱাৰ ৰহাতে থকা তেওঁৰ বাহিৰে বাকী তিনি জনকো নমাই দিয়াত কেউজনে নপঢ়োঁ বুলি ঘৰলৈ গুচি আহিবলৈ ঠিক কৰিলে। এই তিনি জনৰ নাম :—ৰাজীৱ যজ্ঞেশ্বৰ শৰ্মা বৰঠাকুৰ, গঙ্গাধৰ শৰ্মা দিলীহিয়াল ভট্টাচাৰ্য্য আৰু দুৰ্গানাথ বৰুৱা। তাৰ পিছত কি হল নাৰায়ণ বৰুৱাৰ ডায়েৰীয়ে কৈছে :—

> "১৮৮৮ চনৰ সাপ্তাহিক পৰীক্ষাত বহুত ল'ৰাক ডিগ্ৰেড্ কৰাত, মোৰ মনে নসহি, শিৱসাগৰৰ পিতৃস্থানীয় ৺দীননাথ বেজবৰুৱা ডাঙৰীয়াক, নমাই দিয়া ল'ৰা দুটামান লগত লৈ কান্দি-কান্দি বিদেশী মাষ্টৰে প্ৰায় ৫০।৬০টা ল'ৰা ডিগ্ৰেড্ কৰাৰ কথা কলোঁ। ইমানতে এটি স্কুল পাতি নিদিলে সুখী-দুখী অনেক ল'ৰাৰ অপমানতে পঢ়া বন্ধ হব। সেউত্তাই ইস্কুল এটা শিৱসাগৰত খুলি দিলে মহৎ উপকাৰ হব। ইত্যাদি অনেক কথা কাকুতি কৰি কোৱাত, তেখেতে দুৱৰাৰ ঘৰৰ শ্যামবাবু (শ্যামসুন্দৰ দুৱৰা) আৰু পৰমা বাবুক (পৰমানন্দ ভঁড়ালী), কোৱাঁ, যদি তেখেতসকলে এমাহমান পঢ়ায়, তেন্তে মই বাৰু বেজবৰুৱা স্কুল নাম দি স্কুল খুলি দিম।"

সেইমতে দুৱৰাৰ ঘৰৰ উক্ত সাধু পুৰুষ আৰু পৰমানন্দ ভঁড়ালীৰ ওচৰলৈ গৈ সকলো কলোঁ, আৰু "এমাহ হে নেলাগে তিনি মাহো পঢ়াম" বুলি বাবু হোৱাত বেজবৰুৱা সেউত্তাক সম্বাদ দিলোঁহি। সেউত্তাই ঘৰ এটা তেখেতৰ ঠিক বিচাৰিবলৈ ক'লে। শহদেৱ শৰ্মা পণ্ডিত (ত্ৰিলোচন অধ্যাপক ন্যায়ৰত্নৰ পুত্ৰ),

ষোৰ মিতিৰ। তেখেতক সকলো কথা কোৱাত আমাৰেসৈতে ওলাই আহি তেখেতৰ ঘৰৰ দুৱাৰ মুখত, আলিকাষতে কোনোৱাই সজাই থোৱা ছুটা বঙলা ঘৰ তাৰ গিৰিহঁতক মাতি আনি ইস্কুল খুলিবলৈ দিয়াম বোলালে। সেই ঘৰতে, পাছ দিনা বেজবৰুৱা দেউতাই বেজবৰুৱা হাইস্কুল খুলি দিলে।".

এই স্কুলত নাৰায়ণ চন্দ্ৰ বৰুৱাই কিছুদিন পঢ়ি ঘৰলৈ গুচি আহে আৰু মাকৰ আশীৰ্ব্বাদ লৈ ১৮৯১ চনত "আসাম নাৰ্চেৰী" নাম দি এখন শাক-পাচলিৰ বাৰী পাতে। তাৰ পিছত,

"দেৱৰ আশা যজ্ঞ, নৃপৰ আশা কৰ,
উভয়ে ৰাখি আছে পৃথিৱী চৰাচৰ।
সেই হেতু কৰ সবাতোকৈ আগ কৰি
ৰজাক দি সুখে থাকা খেতি-বাতি কৰি।"

এই মূলমন্ত্ৰকে ধৰিয়াই, তেওঁ লাহিতত ধান-চাউল, মাহ-সৰিয়হ, শাক-পাচলি, টেঙা টোকোচা, তিঞহ-ছিঁৰাল, বন-বাত, দৰৱ-জাতি, জলকীয়া-বেঙেনা, কৰি-তৰমুজ, কুইনাইন,-এৰ'ৰুট, নুনী-কপাহ, লং-এলাচী, অগৰু-দালচেনি, দেৱদাৰু-মহানিমৰপৰা আৰম্ভ কৰি লাইজাবৰি, মানিমুনি, লৰৰৰুৱা-ঢেকীয়া-লৈকে সকলোৰে খেতি কৰিবলৈ আৰম্ভ কৰে আৰু অসমৰ খেতিয়কক সেই-বোৰৰ গুটি-ডাল-পুলি লাগ-বুলিলেই-পোৱাকৈ দিবলৈ এখনি সঁচুৱা বাৰী বা গুটি বাৰীও পাতে। সেই গুটিবাৰীৰপৰা এসময়ত আমাৰ কেউখন জিলাৰ মানুহে সঁচ নি নিজৰ-নিজৰ বাৰীত কইছিল বা পঁচাইছিল। আন কি, নাৰায়ণ বৰুৱাৰ "আসাম নাৰ্চেৰীৰ" পৰা বহুত বঙালী ভদ্ৰলোকেও বীজ নি তেখেতক উৎসাহ দিছিল। আমাৰ দেশৰ শস্যাদি অ'ৰু ৰনৌষধাদি লুপ্ত হোৱা যেন দেখি, তেখেতে নিজে বহুত যত্ন কৰি, সেইবোৰ বাৰীত কই তাৰ পুলি-গুটি আদি অইনক বেচিছিল। আৰু, জীৱ-জন্তুৱে ভালকৈ খাবলৈ পালে, ভাল জল-বায়ুত থাকিবলৈ পালে, যেনেকৈ নিজৰ নিজৰ মোট সলায়, গছ-গছনি ধান আদি শস্যয়ো তেনেকৈ ভাল সাৰ পানী পালে তাৰ ঠগ আৰু জাত সলাই পেলায়। সচৰাচৰ, আমাৰ মানুহে খেতি কৰি থকা শালি-ধানকে তেখেতে এই দৰে সাৰ-জাবৰ দি, ঠাই সলাই কই তাৰ শ্ৰী পৰিৱৰ্ত্তন কৰি পেলাইছিল। বক্তাই বক্তৃতা দি, সাহিত্যিকে সাহিত্যেৰে, কবিয়ে কবিতাৰে যেনেকৈ স্বদেশ-প্ৰীতিৰ পৰিচয় দিয়ে, নাৰায়ণ চন্দ্ৰয়ো কোৰহাতাৰাই সজুত খেতিৰ জৰিয়তে

স্বদেশপ্ৰেম আৰু ৰাজভক্তিৰ পৰিচয় দিছিল। বৰুৱা ডাঙৰীয়াই নিজা প্ৰণালীৰে মাটি চহাই একোটা-একোটা নাভূত-নাশ্ৰুত বেঙেনা, একো খোকা-একো খোকা কল, একো-একোটা ৰঙালাও, একো-একো বিধৰ মটৰ আৰু একো-একো-বিধ ধানৰ সৃষ্টি কৰিছিল। সেই সৃষ্ট ফল-মাহ-শস্যাদি দেশহিতৈষীসকলৰ নামানুসাৰে নামকৰণ কৰি ফল-শস্যাদিৰ লগে-লগে সেই সকলৰ নামো ঘৰে ঘৰে প্ৰচাৰ কৰাইছিল।

ৰাধানাথ চাংকাকতীয়ে "টাইম্‌চ্‌ অৱ্‌ আসাম" উলিয়াই স্বদেশৰ হিত চিন্তা কৰিছিল। সেই বাবে নাৰায়ণ বৰুৱাই নিজে সৃষ্টি কৰা বেঙেনা বিধৰ নাম দিলে "ৰাধা-বেঙেনা"। সেই দৰে, শিক্ষাবিদ গোবিন্দ বেজবৰুৱাৰ নামানুসৰি কলৰ নাম দিলে "গোবিন্দ-কল"। পদ্মনাথ গোহাঞি বৰুৱাৰ নামত দিলে, লাও—যাৰ নাম হল "পদ্মলাও"। বি-এ জগন্নাথলৈ উচৰ্গিলে "জগন্নাথ-মটৰ"। গৰ্ডন চাহাবে গুৱালপাৰাত অসমীয়া ভাষা চলাই, অসমীয়াৰ হেৰোৱা ৰাজ্য উদ্ধাৰ কৰিলে, সেই গুণে, বৰুৱাই কৰা এবাৰ নাম দিলে "গৰ্ডন-এৰা"। সম্রাট পঞ্চম জৰ্জ্জক "জৰ্জ্জ-শালি" আৰু তেওঁৰ সম্ৰাজ্ঞীক "মেৰী-জহাৰে" ভেলগ জনাই-ছিল। "জয়মতী-জহা" আৰু "গদাপাণি জহা" নামে আৰু দুবিধ জহাধান ন-কৈ উলিয়াই দেশপ্ৰেমিকসকলৰ নামে আগ বঢ়াইছিল।

যিবোৰ গছৰপৰা সূতা-কাপোৰ-সোলোৱা বং পোৱা যায়, সেই গছবোৰ হাবিৰপৰা বিচাৰি আনি বাৰীত কইছিল। খাহ-ভলোৱা গছ আৰু দৰৱ-জাতিৰ গছবো খেতি কৰিছিল। এই দৰে সকলো প্ৰকাৰৰ খেতি কৰি নাৰায়ণ বৰুৱা ইমান অভিজ্ঞ হৈছিল যে ঈশ্বৰে সৃষ্টি কৰা শস্যাদিৰ আন-এটা জাত বুধি-অধ্যৱসায়ৰে তেওঁ নিজেই সৃষ্টি কৰিব পাৰিছিল।

ভায়েক গোলাপ আৰু বিনন্দি ফুকনৰ হতুৱাই ১৯০৪ চনৰ ২৫ জানুৱাৰী তাৰিখে পোন-প্ৰথমেই যোৰহাটত "দৰ্পণ প্ৰেছ" স্থাপন কৰোৱায়। তাতে, নাৰায়ণচন্দ্ৰ বৰুৱাই লেখা ৩০০ পিঠীয়া মূল্যবান পুথি 'কৃষিতত্ত্ব খন' জয়ে-জয়ে ছাপা কৰায়। এইখনেই অসমীয়া ভাষাত খেতি-সম্পৰ্কে বাহুল্যভাৱে লেখা প্ৰথম পুথি। তাৰ পিছত, তেখেতে "প্ৰথম ভাগ কৃষি বচন" প্ৰকাশ কৰে। এই পুথিৰ ৰচনা-বিলাক বৰুৱাদেৱৰ নিজা ৰচনা। সিও এক নতুন প্ৰণালীৰ। ১৯১১ চনত,তেওঁ "কৃষিদোল" ছপায়। এইখনৰ বিষয়ে "কোৰ নাৰায়ণে" নিজেই লেখিছে :—

“বছৰটোত ৩৬৫ দিন। সেই দিনবোৰৰ পুৱা’ গধুলি, দুপৰীয়া, আবেলি, তিনিভাগে সময়ৰ উপযুক্ত কৰি, কাম পেলাই আৰু স্ত্ৰীলোকৰ মাহটোৰ কাম ধৰি “কৃষিদোল” নামে চিৰস্থায়ী “কেলেণ্ডাৰ (সংক্ষিপ্ত পত্ৰিকা) সহ ‘কামজাৰী টেবুল’ আৰু ইংৰাজীৰে ‘চিষ্টেমেটিক এগ্ৰিকলচৰেল টেবুল’ বোলা যায়, ছপাওঁ।”

১৯১৩ চনত বৰুৱাৰ “ভাত খেতি” প্ৰকাশিত হয়। এই কিতাপবিলাক পঢ়ি, কৃষিবিভাগৰ ডাইৰেক্টৰ, শিক্ষাবিভাগৰ ডাইৰেক্টৰ, অসম উপত্যকাৰ কমিশ্যনাৰ, কেইবাজনো ডেপুটি কমিশ্যনাৰ, ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱা ৰায়বাহাদুৰ পৰশুৰাম খাওন্দ, ৰায়বাহাদুৰ কৃষ্ণকুমাৰ বৰুৱা মহবন্ধা-চাহ কোম্পানীৰ জেনাৰেল মেনেজৰ সোমেশ্বৰ শৰ্মা প্ৰমুখ্যে সকলো দেশহিতৈষী আৰু বিদ্যোৎসাহী লোকে নথৈ আনন্দ প্ৰকাশ কৰিছিল আৰু সকলোৱে জাপে-জাপে প্ৰশংসা-পত্ৰ দিছিল। চৰ্কাৰী কৰ্ত্তৃপক্ষসকলে আশীৰ্ব্বাদীয়া প্ৰশংসাতে কিতাপ কেইখনৰ মূল্য অন্তৰ্ভুক্ত কৰি ধলে। পঢ়াশলীয়া পাঠ্যপুথিৰূপে মঞ্জুৰ কৰি উঠি-অহা ছাত্ৰ-ছাত্ৰীবিলাকক পঢ়িবলৈ একো-এটা সুবিধা হলে কৰি নিদিলে।

অসমীয়াৰ পুৰণি সংবাদ-পত্ৰ “বিলাসিনী” আৰু “আসাম বন্তি”, “বিশ্ববাৰ্ত্তা, “টাইমছ্ অব্ আসাম”, “বাতৰি” আদি কাকতে ৰায় চাহাব নাৰায়ণচন্দ্ৰ বৰুৱাৰ খেতিবিষয়ক সুচিন্তিত প্ৰবন্ধবিলাক বৰ আগ্ৰহেৰে প্ৰকাশ কৰিছিল। ৰায় বাহাদুৰ পদ্মনাথ গোহাঞি বৰুৱাৰদ্বাৰাই সম্পাদিত “উষা” আলোচনী-কাকতত তেখেতে “আমাৰ আওকাণেই প্ৰধান অৱনতিৰ মূল”, “দেহাই বেহা”, “বৰ্ত্তমান আমাৰ আহাৰ”, “সাজ আৰু কাজ”, “পৈতৃক বৃত্তিৰ উন্নতি কৰাই পুত্ৰৰ ধৰ্ম্ম”, “নগৰৰ সাদৃশ্যতা গাৱঁও লওক” বুলি যি কেইটা প্ৰবন্ধ লেখিছিল, সঁচাকৈয়ে সেই কেইটা চিন্তাৰ অভিনৱ ছেউনী।

“অসম কৃষ” নামেৰে তেওঁ নিজা খৰচতে এখনি মাহেকীয়া কাকত ছপা কৰি উলিয়ায়। অনেকৰ অভিৰুচিমতে কাকতখনৰ নাম সলাই “খেতিয়ক” দিয়ে। এই কাকতখন প্ৰকাশ কৰাত “আসাম বিলাসিনীৰ” সম্পাদক কৃষ্ণকান্ত ভট্টাচাৰ্য্য আৰু “ধৰ্ম্মপ্ৰকাশ প্ৰেচৰ” মেনেজৰ ৺শিৱকান্ত ভট্টাচাৰ্য্যই ৰায় চাহাব বৰুৱাদেৱক নথৈ সহায় কৰিছিল। “অসম কৃষৰ” প্ৰথম সংখ্যা পাবৰ দিনাই ৰায় বাহাদুৰ পৰশুৰাম খাওন্দে নোখোজাকৈয়ে দুটকা ৰূপ উপযাচি

বণিঅর্ডৰ কৰি পঠিয়াই দিয়ে। খনামধন্য চন্দ্ৰকমল বেজবৰুৱা আৰু বৰৈয়া চাহ বাগিচাৰ মেনেজৰ লোকনাথ শৰ্মাই গাইপতি ৫০ টকাকৈ ৰূপ কাকতখন চলাবৰ নিমিত্তে দান দিয়ে। এই কাকতখন এবাধৰাকৈ পাঁচ বছৰ চলিছিল।

ধুবুৰী, ডিব্ৰুগড়, যোৰহাট, শিৱসাগৰ, গুৱাহাটীত সময়ে-সময়ে বহা কৃষি-প্ৰদৰ্শনীবোৰত নাৰায়ণ বৰুৱাই নিজে খেতি কৰি অৰ্জা শস্য ফল-মূল আৰু তাঁতসূতত তৈয়াৰ কৰা বস্ত্ৰ দেখুৱাই ৰূপৰ সোণৰ সৰ্ব্বমুঠ ১২টা মেডেল বা টোকমা পাইছিল।

তেখেতে একনিষ্ঠভাৱে খেতিত লাগি থাকি, দেশীয় মানুহৰ আগত এটি আদৰ্শ দাঙি ধৰাত, মুগ্ধ হৈ গৱৰ্ণমেণ্টেও তেখেতক "ৰায়চাহাব" উপাধিৰে সন্মানিত কৰে। বৃটিছ-আমোলাতন্ত্ৰৰ খাপে-খাপে থকা কৰ্মচাৰীসকলৰ সন্তুষ্টিৰ ওপৰতেই উপাধিলাভৰ যোগ্যাযোগ্য বিবেচিত হয়। নাৰায়ণ বৰুৱাক "ৰায় চাহাব" উপাধি দিয়া গৱৰ্ণমেণ্টে কিন্তু সেই অপবাদৰপৰা নিশ্চয় হাতসাৰি থাকিল। "যোগ্যেন যোজয়েৎ।" ছৰ্কাৰী কৰ্তৃপক্ষসকলে যে খেতিয়কৰ প্ৰতিনিধি "কোৱনাৰায়ণক" "ৰায়চাহাব" উপাধি দিলে, সেইবাবে গোটেই কৃষক সম্প্ৰদায়েই সন্মানিত হ'ল। অৱশ্যে, সামান্য হ'লেও, উপযুক্ত লোককেই উপযুক্ত উপাধি বিতৰণ কৰা হৈছিল বুলি সেই সময়ত সকলো কাকতপত্ৰ আৰু মুখ্য-মুখ্য লোকসকলে প্ৰকাশ কৰিছিল।

১৯২৬ চনত, যেতিয়া পাণ্ডুত কংগ্ৰেছৰ লগতে এখনি প্ৰদৰ্শনী পতা হয়, তেতিয়া ৰায় চাহাবেও তেখেতৰ শস্য আৰু বীজাদি দেখুৱাইছিল। তেখেতৰ বস্ত্ৰ ৰখা খোঁটালীটোলৈ সোমাই মহাত্মা গান্ধীয়ে প্ৰত্যেকটো বস্তুকে তন্নতন্নকৈ পৰীক্ষা কৰি চাইছিল আৰু ১২ মিনিট সময় কথা পাতি ৰায় চাহাবৰ বুকুত আঁৰি লোৱা কৃতিত্বপৰিচায়ক মেডেল বাৰটা দেখি বৰুৱাৰ পিঠিত চপৰিয়াই শলাগ লৈছিল।

শিৱসাগৰ জিলাৰ ভিতৰত এনে এডোখৰ ঠাই নাই য'ত ৰায় চাহাব নাৰায়ণ বৰুৱাৰ সভাপতিত্বে একোখন কৃষি-সম্পৰ্কীয় সভা বহা নাই। এই সভা-সমিতিবোৰেই প্ৰমাণ কৰে যে ৰায়চাহাব নাৰায়ণচন্দ্ৰ বৰুৱা বাহিৰে-ভিতৰে সঁচাসঁচি কৃষকবন্ধু।

ঢাঁজীত সনাতন হিন্দুধৰ্ম্ম সভাৰ সভাপতি নিৰ্ব্বাচিত হোৱাৰবাবাই

বুজিবলৈ বাকী থকা নাই যে নাৰায়ণচন্দ্ৰ বৰুৱাই জনসেৱা কৰ্ম্মতো আত্মনিয়োগ কৰিব পৰা উদাৰ পুৰুষ। ১৯৩৫ চনত, কাঁজীত যেতিয়া এক লক্ষ হোম দি শ্ৰীশ্ৰীমহাবিষ্ণু যজ্ঞ পতা হয় তেতিয়া ৰায়চাহাবে ভগৱন্তৰ চৰণত তনুমনপ্ৰাণ অৰ্পণ কৰি সেই অভূতপূৰ্ব্ব ধৰ্ম্মানুষ্ঠানত আপোনাক সৰ্ব্বতোভাৱে লয় নিয়াইছিল। অসমৰ কৃষিবিভাগ আৰু জঙ্গলী বিভাগৰ কৰ্ম্মচাৰীবিলাক তেখেতৰ আন্তৰিকতাত আপোন পাহৰা হৈছিল। সেই সময়ৰ কৃষিবিভাগৰ এচিষ্টেণ্ট ডাইৰেক্টৰ মিঃ ফজল হক চাহাবে বৰুৱা ঢুকুৱাৰ দুইচাৰিদিনৰ আগলৈকে তেখেতৰ ঘৰলৈ গৈ বুদ্ধি-পৰামৰ্শ সুধি আছিল।

১৯২৬ চনত বৰলাট লৰ্ড লিন্‌লিথ্‌গ' যেতিয়া ৰাজকীয় কৃষি কমিশ্যনৰ লগত সভাপতি হৈ আহে, তেতিয়া ৰায়চাহাব বৰুৱাই সেই কমিশ্যনৰ আগত কৃষি-বিষয়ে সাক্ষ্য দিয়েগৈ। ৰায়চাহাবৰ স্পষ্টবাদিতা আৰু নিৰ্ভীকতা দেখি লিন্‌লিথ্‌গ' আচৰিত হৈছিল। চাহ-বাগিছাৰ সংখ্যা নবঢ়াই যিমান আছিল সিমানকে ৰাখিব লাগে বুলি বৰুৱাদেৱে তেতিয়াই সঙ্কেত দিছিল। ৰায়চাহাব কৃষিবিভাগৰ "অনৰেৰী কৰেছপণ্ডেণ্ট" আছিল। কমিশ্যনটোৰ এজন সভ্য গাঙ্গুলীয়ে যেতিয়া সোধে,

• "ইন্ ইয়ৰ ফাৰ্ম্মিং অপাৰেচনচ্, হেভ্ ইউ হেড্ এনি এচিষ্টেন্স ফ্ৰম দি ডিপাৰ্টমেণ্ট্ অৱ এগ্ৰিকলছৰ ?" (আপুনি খেতৰ বাবে কৃষি-বিভাগৰপৰা কিবা সহায় পায় নে ?)

তেতিয়া উত্তৰ পালে,

"বাৰটা লেফাফা আৰু ১২ খন চিঠিলেখা কাগজ পাওঁ"।

কৃষিবিভাগ পৰিচালনাকৰোঁতা-সকলৰ বিষয়ে তেওঁ কৈছিল, "কৃষি ডাইৰেক্টৰজন সকলো প্ৰকাৰৰ বহল জ্ঞানৰ বিশেষজ্ঞ হব লাগে। ভেটাৰনেৰী এচিষ্টেণ্ট সৰহ হব লাগে। আলিপদূলি বান্ধিব লাগে। গাৱঁলীয়া আলিৰ দলংবোৰ স্থায়ী হব লাগে। ৰেল, জাহাজ আৰু ডাকঘৰে কৃষিজাত বস্তুৰ ভাৰা কমাই দিব লাগে। বস্তৰ চিনিবলৈ বস্তৰজোখা বিভাগটোৰ শাখা এটা অসমত খুলিব লাগে। ভাৰতীয় পুৰণি প্ৰথা উদ্ধাৰ আৰু উন্নতি কৰাৰ ব্যৱস্থাও হাতত লব লাগে।

"গাৱঁলীয়া-খেতিয়কে চৰ্কাৰৰপৰা খেতি কৰি ধন ধাৰে নেপায়। কম বাঢ়িত খেতিয়কে ধাৰলৈ টকা পাব লাগে আৰু তাকো খাটি-

লুটি চুচৰি-বাগৰি ফুকুৰাকৈ পাব লাগে। ধাৰেদিয়া ধন, আৱশ্যক হলে দীঘলীয়া ম্যাদলৈ দিব লাগে।"

এইৰূপেই তেওঁ কৃষি সম্বন্ধীয় উন্নতি সম্পৰ্কে বহুত লাগতিয়াল পৰামৰ্শ উক্ত কমিছনটোক দিছিল।

কোনো স্কুল বা কলেজত শিক্ষা নোপোৱাকৈয়ে খেতিৰ বিষয়ে নাৰায়ণচন্দ্ৰ বৰুৱাই যিবিলাক জ্ঞান লাভ কৰিছিল আজিকালি নানান্ বিশ্বালয়ত উপাধি লাভ কৰিও তেনে জ্ঞান যে সকলোতে প্ৰয়োগ কৰিব পৰাকৈ লাভ কৰিব পৰা হয় আমি প্ৰত্যক্ষভাৱে দেখিবলৈ পোৱা নাই। বিজ্ঞানৰ বটো নজনা দেশত, পাশ্চাত্য দেশৰ বৈজ্ঞানিক পদ্ধতিৰে গঢ়া কৃষি প্ৰণালী প্ৰচলন কৰিলে, আমাৰ ডিভিত ফুটা কলহ এটাহে আঁৰি দিয়া হয় মাত্ৰ আৰু তাৰদ্বাৰাই দেশ সমৃদ্ধশালী হওক ছাৰি দিনক দিনে যে দৰিদ্ৰ আৰু নাটনিশকীয়া হে হয় তাক নাৰায়ণ বৰুৱাৰ জীৱন দৰ্শনেই জলজল্ পটপটকৈ দেখুৱাই থৈ গ'ল।

যুৰভাৰী কৰ্মচাৰীৰে যে খেতিয়সকলৰ একো উপকাৰ নহয় তাকো তেখেতে কথায় কামে দেখুৱাই গ'ল।

কৃষি সম্পৰ্কে তেখেতৰ অসাধাৰণ জ্ঞান আৰু অভিজ্ঞতাৰ কথা শুনি খেতিয়কৰ প্ৰতি সহানুভূতি থকা মিঃ গিল্'ক্ৰাইষ্টৰ নিচিনা সদাশয় চাহ-বাগিছাৰ ছাহাব বিলাকো আচৰিত হৈছিল। সুদূৰ আফ্ৰিকাৰপৰাও তেখেতলৈ পত্ৰাগৰ চিঠি আহিছিল। গান্ধকলাই পহৰ দৰে তেখেতে কৰ নোৱৰাকৈ তেখেতৰ গাত-থকা গুণৰ গান্ধকলায়ে দেশ-বিদেশ আমোল মোলাই থৈছিল।

আমাৰ দেশত লাহে-লাহে গছ-গছনি, শাক পাচলি, মাছ-কাছ, চৰাই-পহু নাইকিয়া হৈ আহিছে। অইন কি, আজিকালি সৰ্ব্বসাধাৰণ লোকে সেইবোৰ চিনি পোৱা হে নেলাগে, সেইবোৰৰ নামকে মুগুনাত পৰিছে। স্বৰ্গীয় নাৰায়ণ বৰুৱাই সেইদৰে লুপ্ত হবলৈ ধৰা সকলো গছ-লতা বনৌষধিৰ নাম গোটাই সেইবোৰৰ গুণাগুণেসৈতে এখনি 'দ্ৰব্যগুণ শিক্ষা' পুথি লেখিছিল। সেই পুথি হাতেলিখা অৱস্থাতে পৰি থাকিল। আমাৰ হাতে চুকি-পোৱাতে কাপোৰ বোলোৱা ৰঙৰ গছ থাকোতেও আমাৰ মানুহে বজা ৰৰপৰা বোলোৱা-সূতা কিনি অনা দেখি বৰুৱা ডাঙৰীয়াই বৰ বেজাৰ কৰিছিল। বঙ্গদেশৰ খাদি-প্ৰতিষ্ঠানে নিজা বং তৈয়াৰ কৰি আমাক বেচিব পাৰিছে, অথচ, আমাৰ মানুহে চকুৰ আগতে দেখি থকা আঁচু-কাঠ জখৰ, ৰম, শিলিখা, জেতুকা,

পাণচুণ, বৰ্হমথুৰি, তেপৰ, আমুচাল, ওভাল, নীলৰ একো সদ্ব্যহাৰ কৰিব পৰা নাই।

বৰুৱা ডাঙৰীয়া স্বদেশী আৰু ঘৰত উৎপন্ন হোৱা বস্তুৰ প্ৰতি ইমান মোহ আছিল যে তেওঁ এবাৰ সম্বলপুৰলৈ স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱালৈ অলপ কাঁহুদি-খাৰলি, পানীটেঙা আৰু শুকান খৰিচা প'ৰ্চেলকৈ পঠিয়াওঁতে পাৰ্চেলৰ বাহটোও টোকোৰা চৰাই বাহৰ হে কৰি পঠিয়াইছিল। অসমীয়াৰ ৰাপতিসাহোন কাঁহুদি-খাৰলিয়ে সম্বলপুৰত থকা বেজবৰুৱা ডাঙৰীয়াক পুৰণি কথালৈ মনত পেলাই দি মাতৃভূমি প্ৰেমত কেনেকৈ আপ্লুত কৰিছিল, তাক পাৰ্চেলটো খুলিয়েই বেজবৰুৱাই বৰুৱালৈ এই বুলি লেখি পঠিয়াইছিল :—

"আপোনাৰ টোকোৰা-চৰাই-বাহত কাঁহুদি-খাৰলি, পানীটেঙা আৰু শুকান খৰিচা পালোঁ। পানীত ডুব দি টোকোৰা-চৰাইৰ বাহটো মেলি চালোঁ—সোণৰ বেজী হলে নেপালোঁ। কাঁহুদি-খাৰলি খাই পোনেই মোৰ মাতৃভূমি অসমলৈ মনত পৰিল। তাৰ পাছত আপোনালৈ......।"

এইৰূপেই বিদেশত পৰিথকা বহুত অসমীয়াই নাৰায়ণ বৰুৱাৰ অসমীয়া শাকপাচলি খাই প্ৰাণ পৰিতৃপ্ত কৰিছিল।

প্ৰাতসতে শয়নৰপৰা উঠি গা ধুই ব্ৰাহ্মণৰ দৈনিক কৰিব লগীয়া নৈমিত্তিক সন্ধ্যাপূজা কৰিয়েই বৰুৱাদেৱে হাতত কোৰখনি লৈ সদায় শস্যৰ তলিলৈ ওলাই যায়। আলহী-অতিথি শুশ্ৰূষা কৰাত, ধৰ্ম্মশাস্ত্ৰ আলোচনা কৰাত আৰু দেশৰ সমসাময়িক পৰিস্থিতিৰ লগতে নিজকে খাপ খুৱাই ৰখাত নাৰায়ণ বৰুৱা আছিল এগৰাকী অদ্বিতীয় পুৰুষ। ৫—১০ ইঞ্চীয়া দীৰ্ঘ-দেহা লৈ মাজকুৰিৰপৰা প্ৰায় ১৮ মাইল বাট প্ৰায়ে যোৰহাটলৈ অহাযোৱা কৰিছিল। পৰম ধন স্বাস্থ্য অটুট ৰাখিবলৈ তেওঁ ডেকাবিলাকক নিতৌ উপদেশ দি ফুৰিছিল। দেহাই বেহা" প্ৰবন্ধত স্বাস্থ্য সম্পৰ্কে তেখেতৰ চিন্তা পৰিষ্কাৰভাৱে ওলাই আছে।

"খাঁহে বলদ, খাৱনে মৰদ" বুলি যে আমাৰ কথা এষাৰ আছে, সেইষাৰ কথা বায়চাহাৰ বৰুৱাই "একঠা চাউলৰ ভাত" খাই এক ছটাক বা ৫ টকা চাউলৰ ভাত খাই পেটেকঁকালেলাগিথকা ডেকাতৰপক স্তম্ভিত কৰিছিল। স্বদেশী কাপোৰ প্ৰচাৰৰ অৰ্থে ঘৰতে "অসম উইভিং ফেক্টৰী" পাতি স্বদেশ-প্ৰাণতাৰ যে আহি দেখুৱাইছিলেই নে, পুতেক বিষ্ণুপ্ৰসাদক মেনেজৰ পাতি

গোটেই পৰিয়াল আৰু সম্পত্তিটোকে সেই ফেক্টৰীৰ নামত উচৰ্গি দিছিল। সেই স্বদেশ প্ৰেমৰ বাবাই মাতৃভূমিক হৃষ্টপুষ্ট কৰিবলৈ যাওঁতেই নাৰায়ণ বৰুৱা একপ্ৰকাৰ "দেৱলীয়া" হৈ গ'ল। অন্ন সংস্থানৰ চিন্তাত ফুৰাতেই ডেকা পুতেক বিষ্ণুপ্ৰসাদো অকালতে চুকাই থাকিল। কৃষকবন্ধু স্বৰ্গীয় নাৰায়ণচন্দ্ৰ বৰুৱা কথাই-কামে, চিন্তাই-ভাবনাই, আচৰণে-বিচৰণে, স্বভাৱে চৰিত্ৰই এজন অমায়িক, নিভাজ স্বদেশহিতৈষী আৰু কোনো কথাতে স্বাৰ্থ নথকা ধাৰ্ম্মিক কৰ্ম্মীপুৰুষ আছিল। তেখেতৰ আহি লৈ খেতি আৰু খেতিয়কৰ নিমি:ত্ত দেহামন উৎসৰ্গা কৰোঁতা কোনোবা আকৌ ওলাব নে?